আত্মজ

দীপালী শর্মা

ডি. এচ. পাব্লিচার্চ

ATMAJ A collection of Assamese Short Stories written by Dipali sarma & Published by D. S. Publishers. Noonmati, Bishnu Rabha Road, Guwahati-20 Rs. Thirty Five only.

প্ৰকাশক
ডি. এচ পাব্লিচাৰ্চ
নুনমাটি
গুৱাহাটী– ২০

প্ৰথম প্ৰকাশ ঃ
৮ চেপ্তেম্বৰ ১৯৯৬ চন

বেটুপাত আৰু অলংকৰণ
বিষ্ণু তামুলী

মূল্য – ৩৫·০০ টকা

মুদ্ৰক – আৰ্ট. এন. ইমেজ
১৯৫ কচবা ৰোড
কলিকাতা– ৪২

ইয়াৰ অধিকাংশ গল্প পূৰ্বালী, অসম সংবাদ, আজিৰ বাতৰি, দৈনিক অসম, কামধেনু, নতুন দৈনিক, আজিৰ অসম আদি কাকতত প্ৰকাশ হৈছিল।

উছৰ্গা

মৰমৰ
জোঁৱাই নিতুমণি, পুত্ৰ বাবামণি,
কন্যা মামণি, মৌমণি ৰুমী, আৰু
নাতিনী নিকিৰ হাতত এই "আত্মজ" খন
অৰ্পণ কৰিলো।

আত্মজ'ৰ আগকথা

"You may give them your love but
Not your thoughts
For they have their own thoughts.
You may house their bodies but
not their souls
For their souls dwell in the
house of tomorrow
Which yor cannot visit, nor even
in your dreams.
Yor may strive to be like them
But seek not to make them like you."

খলিল জিব্রানৰ এই সুন্দৰ কবিতাটিৰে 'আত্মজ'ৰ আগকথা লিখিবলৈ লৈছো, সঁচাকৈয়ে কবিয়ে লিখাৰ দৰে আমাৰ আত্মজ সকলৰ এটি নিজস্ব সত্বা আছে, সুকীয়া অস্তিত্ব আছে, আমি অন্তৰভৰা প্ৰাণ-প্ৰাচুৰ্য্যৰ, মৰমৰ উত্তাপ দি জন্ম দিলেও সিঁহতৰ নিজস্ব জগত এখন আছে। ব্যক্তিগত আশা, আকাংক্ষা আছে। পিতৃ-মাতৃয়ে সেই আশাৰ ফুলপুলিত আলফুলিয়াকৈ সাৰ দি পত্ৰে পুস্পে সুশোভিত কৰে। আত্মজ সকলৰো সেয়ে তেওঁলোকৰ প্ৰতি কৰ্ত্তব্য আছে।

এগৰাকী মাতৃৰ আশা-আকাংক্ষা তেওঁৰ সন্তানক লৈয়েই আৰু মাতৃমানেই হৈছে এগৰাকী নাৰী। অথৰ্ব্ববেদত এই নাৰীকেই কোৱা হৈছে—

"ত্বং স্ত্ৰী তং পুমান্ আসি
ত্বং জিৰ্ণো দণ্ডেন বংচসে
ত্বং জাতো ভবসি বিশ্বতোমুখঃ
"হে ব্ৰহ্ম, তুমি নাৰী, তুমি পুৰুষ
তুমি কুমাৰ, তুমি কুমাৰী
তুমি দণ্ডহস্ত; বৃদ্ধ তুমি
সকলো আকৃতিত বিৰাজ কৰিছা"।

ইয়াত স্বয়ং সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰ লগত নাৰীক তুলনা কৰিছে। কাৰণ এই নাৰীয়েই মাতৃৰূপে নিজৰ সন্তানক দহমাহ দহদিন গৰ্ভত ধাৰণ কৰি জন্ম দিয়ে। আৰু মাতৃত্বৰ অনাবিল আনন্দ উপভোগ কৰে। সেইদৰেই প্ৰত্যেক গল্পকাৰেই একোটা গল্প সৃষ্টি কৰাৰ পিছত সন্তান লভাৰ সমান আনন্দ অনুভৱ কৰে আৰু

প্ৰতিটো গল্পই এজন লিখকৰ বাবে প্ৰিয় আত্মজ স্বৰূপ। সকলো নাৰীৰে মাতৃসুলভ মন এটা আছে সেয়ে নাৰীক মমতাৰ আকৰ বুলি ভবা হয়।

"আত্মজৰ" যোগেদি নাৰীৰ মনোবেদনা সমূহ সুখ, দুখ, বিদ্ৰোহ, ক্ষোভ, আশা, নিৰাশাৰ ছবি আঁকিবলৈ মই চেষ্টা কৰিছো জ্ঞানপীঠ বটা বিজয়ী প্ৰখ্যাত গল্পকাৰ শ্ৰদ্ধেয়া আশাপূৰ্ণা দেৱীয়ে কৈছিল "আমি যা দেখি তাই লিখি"। ময়ো তেওঁৰ ভাষাৰেই কওঁ মই যি দেখিছো বা অনুভৱ কৰিছো তাকেই লিখিছো, বাস্তৱতাৰ ওপৰত হয়তো অলপ কল্পনাৰ ৰহন সানিছো কিন্তু এইটো ঠিক যে সত্যতা নাথাকিলে মোৰ লিখা সম্ভৱ নহলহেতেন। সাহিত্য সমাজৰে প্ৰতিচ্ছবি, খনিকৰে যেনেকৈ প্ৰতিমা গঢ়োতে বিভিন্ন ঠাইৰ খেৰ, বাঁহ, কাঠ মাটিৰে সাজি প্ৰতিমা সৃষ্টি কৰে, গল্পকাৰ এজনে নানা চৰিত্ৰৰ পৰা সমল গোটাব পাৰে, তেওঁ হয়তো নিজে অবগত নহয় যে কেতিয়াবা তেনে চৰিত্ৰ কাৰোবাৰ লগত মিলিও যাব পাৰে।

মোৰ গল্পত কৰবাত যদি সন্তানহীনা নাৰীৰ মৰ্ম্মবেদনা আছে, কৰবাত সন্তানৱতীৰ ক্ষোভ প্ৰকাশ পাইছে। কৰবাত মাতৃস্নেহ উপলব্ধি কৰিব নোৱাৰাৰ অপাৰগতা, কোনো নাৰী উদাসীন, কোনো কঠিন কোনো হয়তো আধুনিকতাৰ সোঁতত উটি গৈছে, কোনো স্বামী বিদ্ৰোহিনী নাৰীৰ ভূমিকাত অৱতীৰ্ণ হৈ মুক্ত আকাশৰ তলত উশাহ লবলৈ বিচাৰিছে। কোনোয়ে নিজৰ সন্তানক পথ দেখুওৱাত ব্যাৰ্থ আৰু কোনো 'আত্মজ'ৰ শব্দ বাণত বিদ্ধ, কোনো নাৰীয়ে নিসঙ্গ জীৱন যাত্ৰাত বিচলিত হৈ জীৱনৰ চিৰন্তন সত্যৰ সম্মুখীন হৈছে গীতাৰ বাণীৰে- -" অহন্য হনি ভূতানি গচ্ছন্তি যমমন্দিৰম্। শেষাঃ স্থিৰত্তম ইচ্ছন্তি কিমাশ্চাৰ্য্যম অতঃ পৰম"– অৰ্থাৎ প্ৰতিদিনে মানুহৰ মৃত্যু হৈ আছে। কিন্তু যি সকলৰ মৃত্যু হোৱা নাই সেইসকলে ভাবে তেওঁলোক বাচি থাকিব, ইয়াতকৈ আৰু কি আচৰিত হব পাৰে? ইয়াত হিন্দু নাৰীৰ ধৰ্ম্ম আৰু ভাৰতীয় দৰ্শনৰ আধ্যাত্মিক দিশটো দেখুওৱা হৈছে। এই প্ৰত্যেক গৰাকী নাৰীৰ মানসিক সংঘাটত অন্তদ্দন্দ্বত আংশীদাৰ হিচাপে পুৰুষ এজনো আছে কিন্তু উহ্য হৈ আছে। হয়তো নাৰীৰ দৃষ্টিৰে লিখিবলৈ লোৱা বাবে? একমাত্ৰ 'আত্মজ'ৰ পুৰুষ জনহে মুখৰ, তেওঁ যেন নতুন পুৰুষৰ প্ৰতীক।

সংসাৰ মঞ্চত এগৰাকী নাৰীয়ে মাতৃ, পত্নী, ভগ্নী, প্ৰিয়া ৰূপে যেন একক অভিনয় কৰি গৈছে। সন্তানৰ সুখত সুখী, দুখত দুখী, স্বামীৰ গৌৰৱত গৌৰৱান্বিত, অপমানত অপমানিত হৈছে। যেনেকৈ নাৰীৰ ত্যাগ, দয়া মৰম অবিহনে সংসাৰ সুখৰ হব নোৱাৰে ঠিক তেনেকৈ তেওঁলোকৰ লগত যদি স্বামী সন্তান বা আত্মজসকলে সমানে সহযোগিতা নকৰে সংসাৰ সুখৰ হব নোৱাৰে।

আমাৰ অসমীয়াত থকা ফঁকৰা যোজনা গিৰী ভালেই তিৰী ভাল, অথবা তিৰী ভালই গিৰী ভাল" কথাষাৰি সঁচাকৈয়ে সত্য, দুয়োপক্ষৰ মাজত সমান বুজাবুজি ; মিলাপ্ৰীতি, এৰা-ধৰা মনোভাব থাকিব লাগে, যাতে সুখৰ সংসাৰ গঢ়াত সন্তানেও সহযোগ কৰিব পাৰে। কিন্তু বৰ্ত্তমান প্ৰচণ্ড গতিৰ যুগ, অৰ্থনৈতিক নাটনি আৰু যন্ত্ৰৰ যুগত মানুহবোৰ যেন যান্ত্ৰিক হৈ গৈছে। আত্মীয় স্বজন, বন্ধু-বান্ধৱেৰে ভৰপূৰ সংসাৰ এতিয়া কোনেও পছন্দ নকৰে। সকলোৱে মাথো বিচাৰে নিৰল সংসাৰ। সে,ই সংসাৰত স্বামী, স্ত্ৰী পুত্ৰকন্যাৰ বাহিৰে পিতৃ-মাতৃৰ, ভাইভনীৰ স্থান নিচেই সামান্য আজিৰ পুত্ৰ কন্যা বোৱাৰীয়ে যন্ত্ৰ যুগৰ ব্যস্ততাৰ বাবেই নে আন কাৰণত, বৃদ্ধ পিতৃ-মাতৃৰ কাষত ক্ষন্তেক বহিবলৈও সময় নাই। বিদেশত এঘৰলৈ ফুৰিবলৈ গ'লে দুৰাভাষ যন্ত্ৰৰ যোগেৰে আগতে সময় নিৰ্ণয় কৰি লব লাগে। মানুহৰ ঘৰত ফুৰা চকা আত্মীয়তাবোধ সকলো যেন সীমাবদ্ধ। কৃত্ৰিম পৰিৱেশ। ঠিক সেইদৰেই তেনে পশ্চিমীয়া সংস্কৃতিয়ে আমাৰ সমাজখনো ছাটি ধৰিছে। সেয়েহে আজিকালি সকলোৱে ব্যক্তিগত সুখ দুখলৈ নিজৰ সংসাৰখনতে ব্যস্ত থাকি আত্মকেন্দ্ৰিক জীৱন যাপন কৰিছে। ল'ৰা-ছোৱালীয়েও আগৰ কালৰ সেই মুকলিমূৰীয়া খেলাধুলা আনন্দবাদ দি বান্ধা ধৰা কঠোৰ নিয়মত চলি প্ৰাণ শক্তিহীন যেন হৈছে। আৰু বহুতে প্ৰাণ-প্ৰচুৰ্য্যৰ মাজত থাকিও নিৰাশাত ডুবগৈ নিচাযুক্ত দ্ৰব্যৰ সহায়লৈ অকালতে জীৱন ধ্বংস কৰিছে। বন্ধঘৰত টেলিভিশ্যনৰ পৰ্দ্দাত মগ্ন হৈ বহু প্ৰতিভাৰ অপচয় হৈছে। শিক্ষা ব্যৱস্থাৰ কেৰোণৰ বাবেই পিঠিত গধুৰ বোজালৈ তিনিচাৰি বছৰীয়া শিশুকো মাক পিতাকে কাঠফুলাৰ দৰে গজি অহা ইংৰাজী মাধ্যমৰ বিদ্যালয় লৈ পঠিয়াইছে। স্বাভাৱিক, কাৰণ প্ৰতিযোগীতাৰ যুগত কোনেও পিছপৰি থকিব নোখোজে। নিজৰ মাতৃ ভাষা পাহৰি পেলোৱাৰ ষড়যন্ত্ৰহে যেন ৰচিছে। ফলত নিজৰ বাহিৰে আনৰ কথা ভাবিবলৈ কাৰো সময় নাই। এই ব্যক্তি কেন্দ্ৰিকতাই কিন্তু মানুহক নিসঙ্গ কৰি তুলিছে। এটা সময় হয়তো এনে আহি পৰিব যে পৰিয়ালৰ লোকসকলে একেবাৰে নিজৰ নহলে কোনেও কাকো চিনি নোপোৱা হ'ব, সম্বন্ধবোৰ হেৰাই যাব। এই আত্মীয়তাবোধ জগাই তুলিবলৈকে "আত্মজ'ৰ জন্ম।

সেৰেঙাকৈ হলেও প্ৰায় পয়ত্ৰিশ বছৰ আগৰ পৰাই লিখিবলৈ লৈছিলো। বাৰ বছৰত হেনো এযুগ হয়। অৰ্থাৎ তিনিটা যুগ অতিবাহিত কৰাৰ পিছত সমাজখনৰ বহুতো সাল-সলনি হ'ল। কিন্তু পৰিৱেশ, পটভূমিকা দেশ, কাল, স্থান, পাত্ৰ সকলোৰে পৰিবৰ্ত্তন ঘটিলেও মানুহৰ মন কিন্তু মুলতঃ একেই আছে। বিশেষ সলনি হোৱা নাই। একেই প্ৰেম, আবেগ অনুভূতি। সেয়ে চিৰন্তনসত্যবোৰক

লৈয়েই 'আত্মজ'ৰ গল্পবোৰ সজাইছো।

কৰবাত পঢ়িছিলো কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে হেনো কৈছিল "নাৰীৰ ওপৰত অশ্ৰদ্ধাৰ আৰু নিষ্ঠুৰতাৰ এটা কাৰণ আমাৰ মনৰ বুদ্ধিগত বিকাশৰ কামত নাৰীৰ সাহচৰ্য্য আমি কমেই পাইছো, কেৱল আমাক খুওৱা, পিন্ধোৱা আৰু দেহৰ প্ৰয়োজন সাধনত তেওঁলোকৰ যত্ন পাওঁ বুলিয়েই কিজানি তেওঁলোকৰ মূল্য আমাৰ ওচৰত কমি যায়।" কবিৰ কথাষাৰৰ অৰ্থ এইয়ে যে পুৰুষে নাৰীৰ পৰা নিজৰ সুখ স্বাচ্ছন্দ্য বজাই ৰখাত যিমান সহায় পায় মানসিক সহায় বেছি নাপায়। কিন্তু এতিয়া এনে কথাৰ বহুতো পৰিবৰ্ত্তন ঘটিল। এতিয়াৰ নাৰীয়ে পুৰুষৰ প্ৰায় সকলো কামতে সমানে ইন্ধন যোগাই আহিছে, আৰু সমানে আগবাঢ়ি গৈছে। তথাপি এতিয়াও নাৰীক ত্যাগ আৰু সহিষ্ণুতাৰ একচ্ছত্ৰী অধিকাৰিণী বুলিয়েই ধৰা হয়। ইয়াৰ কাৰণ হ'ল নাৰী যেনেকৈ সহজেই সুখে-দুখে পুৰুষৰ প্ৰিয়া বা সঙ্গী হব পাৰে তেনেকৈ শ্ৰেষ্ঠৰূপত অবতীৰ্ণ হব পৰা নাই। নাৰীয়ে নিজেই নিজৰ মূল্য আৰু অধিকাৰ সাব্যস্ত কৰিব লাগিব কিন্তু সঁচৰাচৰ দেখা যায় সমাজ, সংস্কাৰৰ ওচৰত নাৰীয়ে সহজেই নিজৰ ইচ্ছা, বিবেক হৃদয়ক বলি দিয়ে। কিন্তু সেই বলিদান বা ত্যাগৰ স্বীকৃতি তেওঁলোকে পায়নে-বাৰু? আমেৰিকান ফেমিনিষ্ট ৰবীন মৰগানে কোৱাৰ দৰে–

"Women are not inherntly passive or peaceful, we are inherently nothing but human" – এই কথাষাৰ হৃদয়ঙ্গম কৰিলেই নাৰীৰ প্ৰতি সুবিচাৰ কৰা হয়। সমাজৰ পৰা নাৰীয়ে সকলোতকৈ বেছি বিচাৰে তেওঁলোকৰ অন্তৰত থকা মানৱীয় গুণৰ স্বীকৃতি।

মোৰ এই 'আত্মজ' খনো তেনে এটি আশাৰেই শ্ৰদ্ধেয় পাঠক-পাঠিকা সকললৈ আগবঢ়াই দিলো। তেওঁলোকে যেন নিজৰেই 'আত্মজ' বুলি জ্ঞান কৰি দোষ ত্ৰুটী মাৰ্জ্জনা কৰি গ্ৰহণ কৰে।

এই কিতাপখন প্ৰস্তুত কৰি উলিয়াওতে শ্ৰদ্ধেয় বাপদা প্ৰয়াত প্ৰফুল্ল দত্ত গোস্বামীলৈ মনত পৰিছে। আজি তেওঁ নাই বাবে যেন মই মাউৰা বিশেষকৈ সাঁহিত্য সৃষ্টিৰ ক্ষেত্ৰত। তেওঁৰ আশীৰ্ব্বাদ শিৰত লৈ এইখন আৰম্ভ কৰিছিলো। তেওঁৰ বিদেহী আত্মাৰ প্ৰতি অশেষ শ্ৰদ্ধা জনালো। শেষত পাঠক-পাঠিকা সকলৰ ওচৰত মোৰ অজ্ঞতাজনিত ত্ৰুটিৰ বাবে আকৌ এবাৰ ক্ষমা প্ৰৰ্থনা কৰি সামৰিলো

বিষ্ণুৰাভা নগৰ
নুনমাটি, গুৱাহাটী
১৯৯৬ চন ২৬ জানুৱাৰী

দীপালী শৰ্ম্মা

সূচীপত্র

* দূৰনিৰ ৰঙ	১
* অপত্য	৯
* বিস্ফোৰণ	১৫
* বাণপ্ৰস্থ	২১
* সন্ধ্যা ৰাগ	২৭
* অনুভৱ	৩৫
* কলীয়া গোসাঁই	৪০
* গ্ৰহণ	৫০
* ক্ষোভ	৫৫
* মনফুলনি	৬২
* মুক্ত আকাশ	৬৯
* পঙ্গু	৭৫
* শেষ দৃশ্য	৮১
* ঠিকনা	৮৮
* আত্মজ	৯৫
* এনাজৰী	১০৪
* ভগা কাঁচৰ টুকুৰা	১১২
* প্ৰহসন	১২৩
* আধাৰ	১২৯
* বিলাপ	১৩৬

দূৰণিৰ ৰঙ

পাহাৰখনত থকা জুপুৰি কেইটাৰ ওপৰত সূৰ্য্যৰ পোহৰ পৰি উজ্জ্বল কৰি তুলিছে। চকুৰে মণিব পৰা দূৰত্বত থকা বাবেই দেখিলো চালৰ ওপৰত থকা সেউজীয়া লাউ বা কোমোৰা জাতীয় গছ কেইডালে চালখনো সেউজীয়া কৰি তুলিছে। মাজে মাজে দুই এডাল মদাৰ ফুল ফুলি আছে আৰু ঠাইখিনি ৰঙচুৱা হৈ পৰিছে। বিছনাখনতে আৰু এটা গাৰু লৈ ওখ কৰি ললো। গাৰু দুটাত ভেজাদি মোৰ দৃষ্টি আকৌ সেই পাহাৰখনলৈ লৈ গলো। পাহাৰ খনৰ সিমূৰৰ পৰা মনোৰম সূৰ্যটোৱে তেতিয়া যেন ৰঙা থাল এখন মূৰৰ ওপৰত লৈ লাহে লাহে উঠি আহিছে।

আজি কেইদিনমানৰ পৰাই মোক এটা জড়তাই যেন বিষণ্ণ কৰি তুলিছে। এনে এটা স্থবিৰতা কি হব এইবোৰ কৰি? কিনো কৰিম ইয়াতকৈ বেছি আশা কৰি? কাৰ কাৰণেনো কৰিম? এনেহেন কিছুমান অৰ্থহীন নিৰুৎসাহজনক প্ৰশ্ন। সেই পাহাৰখনত থকা জুপুৰিবোৰৰ মানুহবোৰৰ জীৱনটোনো কেনেকুৱা? আমাতকৈ সুখী ছাগে? নে দূৰৰ পৰ্বত কাৰণেহে শুৱনি বোলাৰ দৰে দূৰৰ পৰাও সুখী সুখী লাগে? এনে এটা ভাৱে আচ্ছন্ন কৰি ধৰাত হঠাৎ মই ভাবিলো সেই পাহাৰখনলৈ গৈ মানুহখিনিক যদি ওচৰৰ

পৰা পৰ্য্যবেক্ষন কৰো বা সিহঁতৰ সুখৰ দুখৰ ভাগ লবলৈ চেষ্টা কৰো কেনে হয়? তাত আমাৰ ঘৰত প্ৰায়েই মাছ দিয়া এজনী পোহাৰীও থাকে, নাতিনী এজনীৰে সৈতে। মাজে মাজে তাই কিছুমান তাত থকা মানুহবোৰক কেন্দ্ৰ কৰিয়েই ৰোমাঞ্চকৰ কাহিনীও শুনায়। নাতিনীয়েকৰ গাত কিন্তু ফুট এটা পৰিবও নিদিয়ে। কেইদিনমানৰ পৰা তায়ো অহা নাই। মোৰ টাবতে হোৱা কচুকেইজোপা দেখি এদিন ঢেকঢেকাই হাঁহি তাই কৈছিল।" এ বাইদেউ তহতেওঁ ভাল মানুহদে, এইকেইজোপাচোন গোন্ধ চানা, অশৌচ লাগিলে আমি পোৱাতীক আঞ্জা কৰি দিওঁ। তহতে তাৰেই ইমান যত্ন কৰি পুতি বহাকোঠাত সজায় থৈছ, মোৰ তাত পাহাৰখনত গলে ঢেৰ ৰঙচঙীয়া কচু আৰু কাটাগছ পাবি।" মই সেইদিনা পোহাৰীজনীক 'হবদে' বুলি এনেয়ে কৈ থৈছিলো। আজি সেই সূত্ৰটো লৈয়েই তাইৰ তালৈ যাবলৈ মন গ'ল। বনকৰা ছোৱালী বালিকাক লৈ মই যাব পাৰো। লুঙলুঙীয়া বাটটোৰেদি মানুহ অহাযোৱা কৰা দেখি থাকো। এবাৰমান যাব পৰা হ'লে? কথাটো ভাবিয়েই এই প্ৰচণ্ড অবসাদটো মোৰ মনটো অলপ ভাল লাগিল।

সূৰ্যটো লাহে লাহে বেছি ৰঙচুৱা আৰু উজ্জ্বল হৈ আহিব ধৰাত মোৰ চকুত চাট মাৰি ধৰিলে। এনে লাগিল যেন দূৰৈৰ পাহাৰৰ সেই সূৰ্যটো এটা বেলেগ সূৰ্য্য। অলপ সময় চকুমুদি পৰি থাকিলো। কৰবাৰ পৰা কুলিৰ মাত ভাঁহি আহিল, ফাগুন মাহ শেষ হবৰে হ'ল। ফেৰফেৰীয়া বতাহত শুকান পাত আৰু ধূলিৰ বাবে বাহিৰলৈ যাবলৈ মন নাযায়। যোৱা পৰহি অকণমান বৰষুণৰ কণা ছটিয়াইছিল কিন্তু এই ধূলিধুসৰিত পৰিবেশত সেইকণ পানীৰ ছিটাই একো পৰিবৰ্ত্তন আনিব নোৱাৰিলে। কেবল বহুদিনৰ মূৰত শুকান মাটিত পানী পৰিলে যে এটা খাওঁ খাওঁ লগা মিঠা গোন্ধ ওলায় সেইটোহে মোৰ বৰ ভাল লাগে। সেই ঘ্ৰাণ লবলৈ মই বহুবেলি বাহিৰতে বহি আছিলো। শুকান বতৰত সেই বতাহে মোৰ গাটো কিবা গধুৰ কৰি তুলিলে আৰু মনটোও কিবা ৰিঙা ৰিঙা লাগিল।

ঘৰখনত ল'ৰা-ছোৱালী বুলিবলৈ বালিকাৰ বাহিৰে কোনো নাই। তাইকো নবছৰ বয়সতে আনি নিজৰ ছোৱালীৰ নিচিনাকৈয়ে ৰাখিছো বাঁৰী বিধবাৰ ছোৱালী; গোৱালপাৰাৰ ভিতৰৰ গাওঁ এখনৰ। সেই পিনে ভতিজা ছোৱালী এজনী বিয়া দিছো। তায়েই আমাক বালিকাৰ খবৰ দিলে। কেইবাটাও ল'ৰা ছোৱালীৰ মাকে খোৱামুঠিৰ যোগান ধৰিব নোৱাৰে বাবে এইজনী মোকেই দিছে। পিছে আমাৰ খোৱাব বোৱাব সামৰ্থ্য থকা সত্বেও ঈশ্বৰে সন্তানৰ

মাতৃ হোৱাৰ সৌভাগ্যকণ নিদিলে। প্ৰথমে ঈশ্বৰৰ ইচ্ছা বুলি দুবছৰমান একো কৰা নাছিলো। পিছত চিকিৎসা পাতিও কৰালো। ডাক্তৰে একো দোষ নাই বুলিও কলে। শেষত বহুতো তাবিজ, মাদুলী ধাৰণ কৰিলো। কিন্তু একো নহল। তেতিয়াৰ পৰা সকলো এৰিলো। এতিয়া ঈশ্বৰৰ ওপৰতে আস্থা নোহোৱাৰ নিচিনা। গৃহস্থই সন্তান এটি তুলি লবলৈ মন আছে নেকি সুধিছিল। কিন্তু মই মত নিদিলো। কি হ'ব? ঈশ্বৰে কাৰোবাক দুহাতেৰে দান দিয়ে আৰু কাৰোবাক? আকৌ কব নোৱাৰাকৈয়ো নিৰাকাৰজনৰ ওচৰলৈকে নিজকে টানি নিওঁ। আচলতে এইবোৰ চিন্তাই মোৰ এনে এটা স্থবিৰতা আনিছে।

গৃহস্থৰ ঘুৰিফুৰা চাকৰি। এসপ্তাহ যদি ঘৰত থাকে, দুসপ্তাহ হয়তো বাহিৰতে থাকিব লাগে। প্ৰথমতে ময়ো লগে লগে গৈছিলো। এতিয়া নাযাওঁ, বালিকাক লৈয়েই থাকো। তাই অৱশ্যে মোক এৰি যাবলৈ মন নকৰে। সোতৰবছৰীয়া গাভৰু হ'ল এই আঠবছৰত তাই দুবাৰহে ঘৰলৈ গৈছে। মাকে নিবলৈ আহিলে তাই মাকক কয় "কিনো যাব লাগে? তই অহাযোৱা কৰি টকাকেইটা শেষ কৰিব নালাগে। মই গ'লে নিজে যাম"-- মই পিছে বাধা নকৰো কাৰণ হাজাৰ হলেও মাক কথাতেই আছে "খুৱাই বোৱাই ডাঙৰ কৰিবি তেওঁ বুলিব তাই, মাৰি ধৰি ডাঙৰ কৰিবি তেওঁ বুলিব আই"। মাকে পইচা পালেই সন্তুষ্ট হয় যদিও মাতৃত্বৰ দাবীত কিবাকিবি কব খোজে তাতে মোৰ লগত থাকি তাই কামে কাজে পাৰ্গত হৈ উঠিছে। তাই দেখাতো মৰমলগা, ৰাজবংশী ছোৱালী, তেজগোৰা ৰঙ, নিপোটল চেহেৰা, চকুযুৰি সৰু যদিও মুখখনত সাৰল্যৰ ৰেখা আছে, আৰু নিৰ্জ্জু প্ৰকৃতিৰ। পিছে আজিকালি তাইক অকলে এৰিবলৈ মোৰ ভয় লাগে। কাৰণ তাইৰ ঠন ধৰি উঠা যৌৱন। সেয়ে পৰাপক্ষত কৰবালৈ গ'লে মই তাইক লৈয়েই ওলাওঁ। তাই ঘৰৰ কামখিনি নিয়াৰিকৈ কৰি মোৰ কাষত বহি কেতিয়াবা আখৰ লিখে আৰু কেতিয়াবা একমনে টেবুলক্লথ বা গাৰুৰ গিলিপত ফুল তোলে।

—"মা আৰু কিমান বিছনাত থাক উঠছোন, ৰাতিপুৱা এবাৰ উঠি আৰু বিছনাতে পৰি আছ। এই কাপ চাহ আনিছো গৰমে গৰমে খা, মূৰৰ বিষ উঠিছে যদি ভাল পাবি।" বুলি বালিকা সোমাই আহিল। মোৰ মাজে মাজে মূৰৰ বিষ এটা উঠে সেয়ে তাইৰ ভয়। ৰ'দ উঠি অহা বাবে তাই পৰ্দাকেইখন টানি দিলে আৰু কোঠালিটো চাফাকৰাত ব্যস্ত হ'ল। কেইটা বাজিছে সোধাত নটা বাজিবৰ হ'ল বুলি কলে, ময়ো বিছনাৰ পৰা উঠি চাহকাপ খাবলৈ ললো। এৰা বৰ পলম হ'ল আজি। পিছে খৰধৰ কৰিনো

কি কৰিম? গৃহস্থ থাকিলে কিবাকিবি ৰন্ধাবঢ়া কৰিবলৈ মন যায়। অৱশ্যে তেওঁ বৰ ভোজন বিলাসী নহয়, সেয়ে মই ফুলনিখন আৰু পোহনীয়া জীৱজন্তু লৈয়েই কটাওঁ। পোহনীয়া জীৱজন্তু মানে মইনা, ভাটৌ, মেকুৰী, কুকুৰ, শালিকা, পাৰ আৰু আজি কেইদিনমানৰ পৰাই বান্দৰ পোৱালি এটাও লগলৈছে। বান্দৰটোৰ কথা মনত পৰাৰ লগে লগে মই বালিকাক সুধিলো পোৱালিটো সাৰ পাইছেনে? তাই অকণমান হঁহাৰ নিচিনা কৰি ক'লে সি শুয়েই আছে ডাক্তৰে বা কি বেজী দিছে তাক। মই ভয়তে তাৰ নাকত হাতদি নিশ্বাসটো আছেনে নাই চাই আহিছো। বালিকাৰ কথাশুনি মই লৰালৰিকৈ পিছফালে থকা খেৰৰ ঘৰটোলৈ গলো। বান্দৰটোৰ ওচৰলৈ গৈ তাৰ মূৰটোৰ দুখপোৱা ঠাইখিনিত হাতফুৰাই দিলো– "আয়ে দেহি! সি ছাগে কিমান দুখ পাইছে।" এই বান্দৰটো এদিন গধূলি আহি এই খেৰৰ ঘৰটোৰ কাষত ধপকৈ পৰিল যি পৰিলেই। তাৰ জ্ঞানেই নাই। কুকুৰ দুটা টম আৰু জনীয়ে বৰকৈ চিএৰ বাখৰ কৰাত কিহৰ শব্দ হৈছে বুলি বাহিৰলৈ আহি প্ৰথমে বান্দৰটো পৰিথকা দেখি বৰকৈ ভয় খালো। কথা নাই বতৰা নাই কঠাল পৰাদি এইটো কৰপৰা আহি পৰিল? এনেয়ে গৃহস্থ যাওঁতে এইবাৰ কিয় জানো মোৰ মনটো বৰ ভাল লগা নাছিল। চাৰিওপিনে কেৱল গুলীয়াগুলী অশান্তি। মৃত্যুৰ বিভিষীকা বহুতো নিৰীহ মানুহ মৰিছে। দেশখনৰ গতি ভাল নহয়। আজি যদি গৃহস্থৰ কিবা এটা হয় আমাক কোনে চাব? মোৰ কি হব? এনে কিছুমান চিন্তাত মই এনেয়ে বিব্ৰত। তাতে এই গধূলি পৰত জীৱ এটা আহি যদি চোতালত মৰি থাকে?। বান্দৰ মেকুৰী এইবোৰ মৰিলে হেনো সোণৰ গঢ়াই দিব লাগে। মানুহে সজা নিয়ম। কৈছোৱেই এইবোৰ আজিকালি নামানো তথাপি কিয় জানো বুকুখন চিৰিংকৈ উঠিল।

বাৰীখনৰ সিমূৰত থকা গৰুৰখা নেপালী ৰামবাহাদুৰক মাতি আনি ওচৰৰে পশু বিভাগৰ ডাক্তৰ বৰুৱাক আনিবলৈ কলো, দহ মিনিটৰ ভিতৰতে তেওঁ আহি বান্দৰটো চাই মেলি দেখিলে উশাহ আছে। পিছে মূৰৰ পৰা তেজ ওলাইছে অকণ অকণকৈ লৰালৰিকৈ তেওঁ তাক প্ৰথমতে পোৱালি কুকুৰ ৰখাৰ বাবে অনা পুৰণা কটখনত ৰামবাহাদুৰৰ সৈতেধৰি মেলি খেৰ অলপ পাৰি তাক শুৱাই দিলে। আৰু মূৰত ঔষধ পাতিৰে চফা কৰি বেণ্ডেজ বান্ধি বেজী এটাও দিলে। জ্ঞান আহিলে গাখীৰৰ লগত গুলি খুৱাবলৈ ঔষধো দিলে আৰু ক'লে বান্দৰটোক কোনোবাই শিলগুটি নাইবা কিবা টান বস্তুৰে খুন্দিয়াইছে। সি মূৰত দুখ পাইছে। যদিহে ভিতৰত আৰু ব্লিডিং

নহয় সি বাচিব। বান্দৰটোৰ বয়সো বেছি হোৱা নাই। তথাপি চিন্তাৰ কাৰণ নাই বুলিকৈ ভৰি চেলেকি থকা মেকুৰী মিনি আৰু পুছিক মৰম কৰি তেওঁ গ'লগৈ, মইনাজনীয়ে বৰুৱাক দেখিলেই অইনদিনা ডাক্তৰ বাবু নমস্কাৰ বুলি একেষাৰ কথাকে কৈ বিৰক্ত কৰে যদিও আজি পৰিস্থিতিৰ গুৰুত্ব বুজি সিও সেইষাৰ নকৈ সঁজাৰ ভিতৰতে ইফালৰ পৰা সিফাললৈ গৈ তাইৰ অস্থিৰতা প্ৰকাশ কৰি আছে।

ভাটৌজনীয়ে আকৌ মোৰ মাতবোল নুশুনিলে খৰকৈ আগত থকা পকাজলকীয়াবোৰ খুটিয়াবলৈ ধৰে। বৰুৱাই মোৰ এই জীৱজন্তুৰ সংসাৰখনৰ কথা জানে। সেয়ে তেওঁ মাহেকত দুবাৰ মোৰ তাত আহেই। সচাঁকৈয়ে এই অমাতৰ মাত বুজা জানো সহজ? সিহঁতে দুখ আৰু যন্ত্ৰণা প্ৰকাশ কৰিব নাজানে। মানুহৰ দৰে দাবীও নকৰে। সেয়ে সঁজাত থকা মইনাজনী, চোতালত সদায় এটা দুটা মচুৰমাহ আৰু চাউলধান খাবলৈ আহি শেষত মোৰ হাতত উঠি সেইবোৰ খোৱা শালিকাজনী, টম আৰু জনীৰ দৰে বিশ্বস্ত কুকুৰ দুটা, চুৰুণী বুলি নাম থাকিলেও মই নিদিলে কেতিয়াও চোৰ কৰি নোখোৱা মেকুৰী দুজনী, সঁজা খুলি দিলেও উৰি নোযোৱা ভাটৌ চৰাইটো, চোতালত পৰি ধান, মাহ, সৰিয়হ খাই থকা লখিমী যেন লগা বগা ক'লা ধুনী.য়া পাৰবোৰ এই সকলোবোৰ লৈয়েই মোৰ এই সংসাৰখনক মই ভাল পাওঁ। সিহঁতৰো যে এখন অন্তৰ আছে, সিহঁতৰো হৃদয়ে যে মৰম বুজি পায় সেইটো ভালকৈ গম পালো সেইদিনা ডাক্তৰ বৰুৱা যোৱাৰ পিছত। মোৰ মনত অলপ হলেও শঙ্কা জন্মিছিল যদি বান্দৰটোৱে জ্ঞান পাই খামুচি দিয়ে বা নভবা কথা হয়? কাৰণ মানুহৰ উদ্ভট মগজৰ কথা বুজাবলৈকে আমি কেতিয়াবা বান্দৰমি কৰা বুলি কওঁ সেয়ে বান্দৰৰ ক্ষেত্ৰতনো কেনে হব পাৰে মোৰ কোনো ধাৰণা নাই, তাতে গৃহস্থও নাই। ৰামবাহাদুৰকো ওচৰতে থাকিবলৈ কৈ মই বান্দৰটোৰ ওচৰতে বহি আছিলো। বালিকাই আহি কোন সময়ত ধুনা দি গ'ল কবই নোৱাৰিলো। মূৰে কপালে হাতদি তলমূৰকৈ কিবা চিন্তা কৰি আছিলো। হঠাতে চাদৰৰ আচলত টান পৰাত প্ৰথমে বালিকা বুলি একো নামাতিলো। কাৰণ তাই মাজে মাজে মোৰ মাৰ দৰে মোক শাসন কৰে– "তোক কৈ দিলো কিন্তু মা এনেকৈ যদি বেমাৰ লাগে চাবি মই কিন্তু চাব নোৱাৰো।" সেয়ে একেজাপে উঠি বহিলো। মই দেখিলো বান্দৰটোৱে মোৰ আচলত ধৰি টানিটানি তাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছে। তাৰ কোমল চকুত দুটোপাল পানী। ইতিমধ্যে ৰামবাহাদুৰো ওচৰ

পাইছোঁহি। মই লগে লগে বান্দৰটোৰ মুৰত হাতফুৰাই মৰম কৰিলো, দেখিলো তাৰ চকুদুটা আকৌ মুদখাই গৈছে। বালিকাই অনা গাখীৰখিনিৰ লগত বৰুৱাই দি যোৱা ঔষধ নিৰ্দেশত থকা মতে গুলি চামোচ এপাতেৰে তাক খুৱাই দিলো। কেইচামোচমান খোৱাৰ পিছত কোবাৰিয়েদি বৈ যোৱা দেখি তাৰ টোপনি অহা বুলি বুজিলো। আৰু বেছি সাৰিশব্দ নকৰাকৈ তাৰ পৰা ওলায় আহিলো। এনেকৈ চাৰি পাচদিন হ'ল। কালি শেষ বেজীটো দি ডাক্তৰ বৰুৱাই সি ভাল হব বুলি কোৱাতহে মনটোৱে সকাহ পালে।

ৰামবাহাদুৰ আহিলে মোৰ বাবে ৰবলৈ বালিকাক কৈ মই বাথৰুমত সোমালো। গাইজনী গাভিনী হৈছে। আগৰবাৰ পোৱালি দিওঁতে মাকজনী কষ্ট পাই মৰিল। সেয়ে এইবাৰ নতুন গাইজনীক বিশেষ যত্ন লৈছো আৰু যাতে কষ্ট নাপায় তাৰ বাবে বৰুৱাকো কৈ থোৱা আছে। যদিও এই সকলোবোৰ জীৱন মৰণ ঈশ্বৰৰ হাতত আকৌ ঈশ্বৰৰ ওচৰলৈকে আহিছো, আচলতে মায়া মোহ সকলো ত্যাগ কৰি যদি একমনে ধ্যান কৰা কাক কৰিম? কোনো শীৰ্ষ শক্তিকে নহয় জানো? তাতে কোনোবাই যেনিবা আকাৰ সাজি কৰে আৰু কোনোবাই নিৰাকাৰত তাত কোনো কথা নাই। ভক্তৰ মনতহে ভক্তি থাকে। বালিকাৰ মাতত আকৌ মোৰ চিন্তাত যতি পৰিল। খৰধৰকৈ গাটো মচি কাপোৰযোৰ পিন্ধি আহিলো। বালিকাই ক'লে-- "মা ৰামবাহাদুৰ আহিছে আৰু মাছ দিয়া সেই পোহাৰী জনীও আহিছে। আজি কিন্তু তাই মাছ তাছ অনা নাই, তোক বোলে লগ পাব লগা আছে।

মই সূৰ্য্য প্ৰণাম কৰি চুলিখিনি মচিমচি-বাহিৰলৈ ওলায় আহিলো। পোহাৰীজনীক ৰবলৈ কৈ ৰামবাহাদুৰক গৰুৰ দানাৰ বাবে চাপৰ, বান্দৰটোৰ বাবে কল আৰু কিবাকিবি দৰকাৰী বস্তু আনিবলৈ কৈ তাক ভিতৰৰ পৰা টকা এশ আনি দিলো। ৰামবাহাদুৰ গ'লত ইমান সময়ে মনে মনে বহি থকা পোহাৰীজনীলৈ লক্ষ্য কৰি দেখিলো তাই বৰ মনমাৰি আমনজিমনকৈ আছে। তাইক সুধিলো "কি হ'ল বাই? তই দেখোন বৰ মনমাৰি আছ? আজি মাছ তাছ নানিলি দেখোন? বহুদিন অহাও নাই। মই আকৌ বালিকাক লৈ পাহাৰটোলৈ যাম বুলি ভাবিছিলো অ'। মোৰ কথা শুনি পোহাৰী বাইৰ চকুৰ পৰা সৰসৰকৈ চকুলো বাগৰি আহিল। অলপ সময় একো নকলে। মই কথাটো বেলেগ যেন দেখি বাইৰ ওচৰতে মুঢ়া এটা আনি বহিলো আৰু বালিকাক চিঞৰি মোৰ লগতে বাইকো চাহজলপান দিবলৈ কলো। ইতিমধ্যে বায়ে চকুপানী মোহাৰি মোক ক'লে "কিনো আহিবি বাইদেউ

মনৰ দুখতে এই কেইদিন মই অহা নাই। তই পাহাৰটোলৈ নগৈ ভালেই কৰিছ, ওচৰৰ পৰা আমাক দেখিলে তোৰ বেয়াহে লাগিব। তইঁতে ভৈয়ামৰ মানুহে পাহাৰৰ ঢেকীয়া, কচু, ফুল আনি সজায় থব কিন্তু পাহাৰত আমি তাকেই ভোকত খাওঁ। তইঁতে পাহাৰৰ মানুহকো এনেকৈ আনি সজাবি জানো? তহতৰ সংসাৰত ঠাই দিবিনে? মোৰ ফুল কুমলীয়া নাতিনীজনীকো পাঞ্জাবী ড্ৰাইভাৰ এটাই ফুচুলাই লৈ গ'ল। ক'ৰ পঞ্জাবলৈ নিলে। ৰাখেইনে মাৰেই বা? তাইযে তলে তলে মোক এই কামোৰ দিব মই ভবাই নাছিলো। ল'ৰা-ছোৱালী নথকাই ভালদে বাইদেউ, এই সোপাক জন্মদিয়াও কষ্ট পালোতেও কষ্ট। গাখীৰ খুৱায় কালসাপ পোহাৰ দৰে। শেষৰ কথাখিনিকৈ বায়ে আকৌ উচুপিলে। মই বাইৰ কথাশুনি বুজিলো কথাৰ গুৰি ক'ত? আৰু শান্তনা দি কলো নাপায় নহয় বাই কেলেই তেনেকৈ কৈছ? তই পুলিচত খবৰ চবৰ দিছনে নাই? তাইৰ ওঠৰ বছৰ হৈছে জানো? ইতিমধ্যে বালিকাই চাহ জলপান আনি ভিতৰলৈ মতাত বায়ে বাহিৰৰ বাটেদি কুৱাটোৰ পৰা পানী এবাল্টি তুলি মুখ হাত ধুই ললে আৰু পিছফালৰ বাৰাণ্ডাত লেপেটা কাঢ়ি বহি গাত উৰি অহা কাপোৰখনেৰে মুখখন মচি চাহৰ গিলাচটো ওচৰ চপায় ললে। মযো ওচৰতে মেজত বহি চাহ খোৱাৰ লগতে বাইৰ কথা শুনিলো।

বায়ে ক'লে পুলিচত খবৰ দি মইনো অকলে কি কোৰ্ট কেছাৰী কৰিম? সেইবোৰ একো ভু নেপাওঁ। তাতে তাই একো কৈ যোৱাও নাই নহয়? আজি তিনিদিন আগতে বজাৰৰ কাষৰ গেৰেজটোত থকা হেণ্ডিমেনটোৰ পৰা গম পাইছো, দুখে শোকে কতো আহিবৰো মন যোৱা নাই। মোৰ নাতিনীজনীক তইতো দেখিছই এইবাৰ ওঠৰ পাৰ হৈ উনৈছত ভৰি দিছে। গাত কাপোৰ লবৰে পৰা মই তাইক এদিনো চকুৰ আৰ কৰা নাই। তাৰে ভিতৰতনো তাই কেনেকৈ এইটো কাম কৰিলে? মোৰ পোয়েই বোল বা জীয়েই বোল, নিজৰ বুলিবলৈ এজনী জী আছিল। বাপেক সৰুতেই মৰিল। বিয়াও দিলো তাইক। যিবা জোঁৱাইটো আছিল ঘৈণীয়েক মৰাৰ এমাহ পিছতে আৰু এজনী চপাই ললে। নাতিনীজনীয়ে সতীয়া মাকৰ মৰম নেপাবক বুলিয়েই নিজৰ ওচৰলৈ লৈ আনিলো। জী মৰাৰ শোক এইজনীক বুকুত সাবটি ধৰি লাহে লাহে পাহৰি আহিছিলো, পিছে কি হব জনমদুখিনীৰ কপালত সুখ লিখা নাই। মইহে নাজানিছিলো তাই যে তাৰ লগত হলিগলি কৰিছিল কোনোবা ফাঁকত এতিয়া সকলোৱে জনা বুলি কয়, মানুহবোৰ ভাল হোৱা হ'লে তাই মোক এই জীয়া ফাঁকিটো দিব পাৰিলেহেতেননে? কি কবি তাই যোৱা

আজি সাতদিনেই হ'ল, মই সেইদিনধৰি পেটলৈ একো নিব পৰা নাই, কিবা ওক আহে দেখোন। সেয়েহে কৈছিলো ল'ৰা-ছোৱালী নোহোৱাত তই সুখেই আছ দে। তোৰ মইনা কুকুৰ মেকুৰী, এইবোৰে তোক কেতিয়াও এৰি নাযায়। মানুহৰ নিচিনা ইহঁত ইমান খাই পাতফলা নহয়" বুলি বায়ে চকুপানী মচি গিলাচ, বাটিতো ধুবলৈ লৈ গ'ল। বাইলৈ বেয়াও লাগিল। সন্তান নোহোৱা মৰ্ম্মবেদনা মই কেতিয়াবাই বুজিলো কিন্তু বায়ে সন্তান পায়ো হেৰুৱাৰ বেদনা এতিয়াহে ভালকৈ বুজিছে। এবাৰ নহয় দুবাৰকৈ সন্তানৰ শোক পালে।

ৰাতিপুৱা দূৰৈৰ পাহাৰৰ মনোৰম সূৰ্য্যোদয় দেখি সেই মানুহবোৰৰ সুখ দুখ বুজিবলৈ যাবৰ যি তীব্ৰ ইচ্ছা উপজিছিল এই মুহুৰ্ত্তত মোৰ মনৰ পৰা নাইকিয়া হৈ গ'ল। বায়ে আহি হাঁচতিৰ পৰা তামোল উলিয়াই এসোপামান চাধালৈ বালিকাক চুণ অকণমান খুজিলে। হঠাৎ বায়ে পিছফালে আঙুলিয়াই আতঙ্কত জাপ মাৰি উঠাত ময়ো উচপখাই পিছফালে চাই দেখিলো।– কোনোবা পাকত বান্দৰ পোৱালিটো আহি মোৰ পিছফালে পিঠিত গা লগাই টোপনিৰ পৰা উঠি মাকক কাষত নেদেখিলে ওফোন্দ পতাৰ ল'ৰাৰ দৰে নিঃশব্দে বৈ আছেহি। বাইৰ ভয়ৰ কাৰণটো বুজি পোৱালিটোক ওচৰ চপাই লৈ তাইক কলো- "বাই এইটো মোৰ নতুনকৈ জন্ম হ'ল অ', এইবুলি তাইক পোৱালিটোৰ বৃত্তান্ত কলো, দেখিলে। বাইৰ মোলান পৰি থকা মুখখন পোহৰ হৈ উঠিছে। তামোলৰ পিকখিনি অলপ দূৰলৈ গৈ পেলায় আহি বায়ে ক'লে "তোৰ গাত কিবা গোঁসাই আছে দে, ভকত কেইজনে নামঘৰত সদায় আওৱোৱা শুনো নহয় কিবা বোলেনে কুকুৰ, শৃগাল, গদৰ্ভৰো আত্মাৰাম আৰু আমিও জানো নহয় য'তেই জীব থাকে ত'তেই শিব আছে বুলি, এইবোৰ জীবই তোৰ গাত গোসাঁই নাথাকিলে এনেকৈ আহি তোৰ ওচৰ নাচাপেদে, তাতে বান্দৰ হ'ল শিবৰ ভক্ত।" পোহাৰী হলেও তাইৰ জ্ঞান গধুৰ কথা কেইষাৰ শুনি মোৰ মনটো ভাল লাগি গ'ল। আৰু মনৰ মাজত ক্ৰিয়া কৰি থকা জড়তা, স্থবিৰতা, নিমিষতে নাইকিয়া হৈ গ'ল।

বাইক মাজে মাজে আহি থাকিবলৈ কৈ মই পোৱালিটোক বালিকাই আনি দিয়া কল এটা বখলিয়াই খুৱাবলৈ ধৰিলো। অচিনাকী পোহাৰীজনীক সন্দিগ্ধ দৃষ্টিৰে চাই সি কলটো খাবলৈ ধৰিলে।

অপত্য

'লকৰী কি বনা পিঞ্জৰা'– কাষৰ খিড়িকীৰে গীতৰ সুৰ এটা ভাহি আহি আহিল। বোধকৰো ৰাজস্থানী ভাষাৰ লোকগীত। নিজম ভৰ দুপৰীয়াটোত করুণ গীতৰ সুৰটোৱে মনটো উদাসীন কৰি তুলিলে। আজি কিছুদিনৰ পৰা এনেয়ে মনটো ভাল নহয় তাতে মোৰ স্কুলৰ ছুটী শেষ হবলৈ মাত্র এসপ্তাহহে আছে। ৰিংকু জন্ম হোৱাৰ আগে পিছে মিলাই প্ৰায় পাঁচ মাহেই হব মেটাৰনিটী লিভ লৈছিলো। আৰম্ভণিতে কিছুদিন ছুটী লোৱা হৈছে। এই পাঁচ মাহে ৰঞ্জন আৰু মোৰ পৰিয়ালৰ কোনেও মিলি এজনী কাম কৰা মানুহ যোগাৰ কৰিব নোৱাৰিলে। ৰঞ্জনহঁতৰ ঘৰৰ মানুহে কিমান চেষ্টা কৰিছে নাজানো কিন্তু মোৰ মাহঁতৰ পৰিয়ালত সকলোৱে চেষ্টা কৰিছে যদিও আয়া ধৰণৰ মাইকী মানুহ পোৱা নাই। দহ বাৰ বছৰীয়া কামকৰা লৰা এটা আছে পিছে তাক ভৰসা কৰি ৰিংকুক থৈ যাব নোৱাৰি। গাভৰু ছোৱালী দুই এজনী পোৱা যায়, কিন্তু ইয়াত ৰাখিবলৈ ভয় লাগে।

আমি থকা ঠাইখিনি সৰু ক'লনি এখনৰ নিচিনা চৈধ্য-পোন্ধৰ ঘৰ মানুহ ভাৰা থাকে, ঘৰ মালিকে ভাৰাৰ উদ্দেশ্যেই ওচৰা-উচৰিকৈ কম ঠাইতে এই ঘৰবোৰ সজাইছে। ভাৰাও সস্তা। বিয়াৰ আগতেই ৰঞ্জনে এই ঘৰটো লৈছিল। অকণমান বাৰাণ্ডাখনেৰে সৈতে তিনিটা কোঠাৰ এই ঘৰটো সৰু পৰিয়ালৰ

বাবে সুন্দৰ হয়। তদুপৰি ওচৰতে বজাৰ সমাৰ কৰিব পাৰি। বাচষ্টপো কাষতে। বিয়াৰ পিছত সেয়ে ঘৰ নসলালো কাৰণ দুয়োৰে অফিচ, স্কুলো ইয়াৰ পৰা ওচৰ হয়। ভবিষ্যতে ৰঞ্জনৰ ট্ৰেন্সফাৰ হলেও ইয়াত অকলে থাকিবলৈ ভয় নালাগে।

বিয়াৰ আগতেই ৰঞ্জনৰ ঘৰ গাঁৱত বুলি শুনি মাই প্ৰথমে আপত্তি কৰিছিল। সৰুৰে পৰা চহৰত ডাঙৰ হোৱা ছোৱালী, গাৱৰ আচাৰ-ব্যৱহাৰ নীতি নিয়মৰ কি ভু পাব? পিছে দেউতাৰ আগত কাৰো আপত্তি নৰজিল। দেউতাৰ মতে প্ৰায়ভাগ মানুহৰ ঘৰ গাৱতেই, চহৰলৈ উঠিহে আহিছে, সুবিধা অনুযায়ী সকলোৱে ভিন ভিন ঠাইত বসতি কৰিছে। ৰঞ্জনহতৰ পৰিয়ালটো ভাল তাতে আৰু এটা কথা দেউতাই মাক ক'লে যে গাৱত ঘৰ হ'লে মই হেনো চহৰত নিজৰ ঘৰত একচ্ছত্ৰী সম্ৰাজ্ঞী হব পাৰিম। চহৰত হলেতো যুটীয়া পৰিয়ালৰ দায়িত্বৰ লগতে শাহু, শহুৰ, দেওৰ, ননদৰ আলপৈচানো ধৰিব লাগিলহেতেন। কথাটো মোৰ মন খাই গ'ল। আৰু বিয়াও হৈ গ'ল। বিয়াৰ পিছত প্ৰথম এমাহ গাৱতে থাকিব লগা হ'ল। অলপ অসুবিধা হৈছিল যদিও মানুহখিনিক বেয়া নালাগিল। চহৰৰ ছোৱালী বাবেই মোক কোনেও নিৰ্দেশ নিদিয়ে। নিজৰ মতেই চলিব পাৰো। পিছে ৰঞ্জনে বহু কথা সকীয়াই দিয়াতহে ৰক্ষা, সেইকেইটা দিনতেই শাহু আয়ে মোক যি নীতি শিক্ষা দিলে, চাকৰি কৰো বাবেহে যেনিবা সেইবোৰৰ পৰা হাত সাৰিলো, আৰু ছুটী শেষ হোৱাৰ লগে লগে ৰঞ্জনৰ ওচৰলৈ আহি যুগ্ম সংসাৰৰ পাতনি মেলিলো।

বনকৰা ল'ৰাটো দেউতায়ে যোগাৰ কৰি দিলে। যদিও শাহুআয়ে দঢ়াই দঢ়াই বনকৰা ল'ৰাৰ হাতে খাবলৈ মানা কৰিছিল তথাপি তাৰ হাতেই প্ৰায়ে খাব লগা হ'ল। ঘৰত মাৰ হাতৰ জুতি লগা আঞ্জা খোৱাৰ পিছত বনকৰা ল'ৰাৰ কোনোবা দিনা নিমখচোকা আৰু কোনোবা দিনা নিমখ দিবলৈ পাহৰা আঞ্জা খাই অভ্যস্ত হৈ গ'লো। ৰাতিপুৱা অলপ ৰন্ধাবঢ়াত লাগো যদিও সময়ো নাপাওঁ। স্কুলৰ পৰা আহি ভাগৰ লাগে আৰু ফুৰিবলৈ ওলাই গৈ প্ৰায়ে ৰঞ্জনৰ লগত বাহিৰত খাই বৈ আহো, এবছৰ বেছ আনন্দত চলিল। মাজে মাজে ৰঞ্জনৰ লগত তৰ্কাতৰ্কি লাগে ৰন্ধাবঢ়াত মন নিদিও বাবে। ময়ো কৈ দিওঁ যে আমাৰ সংসাৰত দুয়ো সমানে কাম কৰিব লাগিব। মই যদি ৰান্ধো ৰঞ্জনেও এসাজ ৰান্ধিব লাগিব আৰু ৰঞ্জনৰ সময় নহয়েই গতিকে মোকো একো কবলগীয়া নহয়। কেতিয়াবা বন্ধত ৰঞ্জনে গাৱলৈ যোৱাৰ প্ৰস্তাৱ দিয়ে। মোৰ কিন্তু মন নাযায়। আপুকগীয়া ছুটীৰ দিন দুটা গাৱত গৈ কটাবলৈ মোৰ অকনো ভাল নালাগে।

বিয়াৰ পিচত শাহুআইক এইটো ঘৰলৈকে অনাৰ কথা ৰঞ্জনে কৈ আছিল, কিন্তু মই অকনো উৎসাহ দেখুওৱা নাই। নিজৰে ঠাই কম হয়,

তাতে আকৌ শাহু আইৰ বহুতো ধৃতি নীতি আছে। ৰঞ্জনে যে মোৰ ব্যৱহাৰত অসন্তুষ্ট মই বুজি পাওঁ, তথাপি বৰ বেছি গুৰুত্ব দিয়া নাছিলো। কিন্তু আমাৰ সংসাৰত নৱাগতৰ আগমনৰ খবৰ গৈ পোৱাত এই সৰু ঘৰটোতো এনেকৈ আত্মীয় স্বজনৰ সোঁত বৰলৈ ধৰিলে যে মই কিছু পৰিমাণে বিৰক্ত হ'লো। অৱশ্যে সকলোৱে মৰমতে কিবা এপদ লৈ আহে আৰু নিজেই ৰান্ধি বাঢ়ি খায়। খুৱায় থৈ যায়গৈ। মাজতে শাহুআই সৰু দেওৰটোৰ লগত আহি দহদিন থাকি গ'ল। সেই দহদিনৰ আঠদিন মই ছুটী ললো। সেইকেইদিন কাষত বহুৱাই ষ্টোভ এটাত শাহুৱে যি পাৰে ৰান্ধি বাঢ়ি খুৱাই-বুৱাই মোক বহুতো উপদেশ দিলে আৰু ক'লে— আহিব ধৰা সন্তানটোৰ যেন অকনো অযত্ন নহয়। বনকৰা ল'ৰা-ছোৱালীৰ হাতেৰে যেন নুখুৱাও। সিহতৰ হাতত সম্পূৰ্ণ এৰি দিবলৈও মানা কৰিলে। কাৰণ শাহুৰ মতে ধুলিৰে কেতিয়াও মখা বান্ধিব নোৱাৰে, ইত্যাদি নানা ধৰণৰ কথা মোক বুজালে। প্ৰয়োজন হ'লে চাকৰি এৰি দিবলৈকো ৰঞ্জনক কৈ গ'ল আৰু ৰঞ্জনেও মাকৰ আগত তাচ্ছিল্য কৰি ক'লে— তেওঁকনো কোনে চাকৰি কৰিব দিছে? সেইকেইটা ধন মোক নালাগে নহয়। স্কুলত চাকৰি কৰা ছোৱালী বাবেই বিয়া কৰাইছিলো যাতে মন গ'লে চাকৰি এৰি দি ঘৰৰ স্কুল চলাব পাৰে, পিছে এওঁৰ আকৌ সদায় ফুৰিবলৈ নগ'লে নহয়েই। মাকৰ আগত ঠাট্টা কৰি হ'লেও এই কথাষাৰ কোৱাত মাকে মোৰ খঙ উঠা বুলি বুজিব পাৰিয়েই নেকি ৰঞ্জনক কৈছিল— এঃ এই সময়ত বোৱাৰীক খং নুতুলাবি। খং উত্তেজনা এই সময়ত বৰ বেয়া, ধৰ্ম্মগ্ৰন্থহে পঢ়িব লাগে আৰু খোজ কাটলো লাহে লাহে দিব লাগে। তহতে যিহে দুপদুপাই ইচকুটাৰ মটৰেৰে অহা-যোৱা কৰ মোৰ সেই বাবেহে ভয় লাগে। আৰু আজিকালি বোৱাৰীবোৰে আমাৰ দৰে ঘৰত দিনপাত নকৰে নহয়। আমিবোৰ মহামুৰুখ আছিলো, চুকৰ ভেকুলী হৈয়ে থাকিলো। শাহু আইৰ সেই খেদোক্তি শুনি ৰঞ্জনে মাকক বোৱাৰীৰ পক্ষলোৱা বুলি কৈ হাঁহি হাঁহি ওলায় গৈছিল। সেইদিনাৰ পৰা ৰঞ্জনৰ ওপৰত মোৰ খং এটা আছেই। প্ৰকাশ কৰা নাছিলো যদিও মাজে মাজে মোৰ খোচমৰা কথাত ৰঞ্জনে ইতিমধ্যে বুজিব পাৰিছে। বিংহু হোৱাৰ আগলৈকে ঠিকেই আছিল। কিন্তু যেতিয়াৰ পৰা ৰঞ্জন বাপেক হ'ল আমাৰ মাজত বৰ বেছি মাতবোল নোহোৱাৰ নিচিনাই হ'ল।

এইকেইমাহ ঘৰত থাকি মোৰো আমনি লগা হ'ল, মানুহ আচলতে অভ্যাসৰ দাস। স্কুল কলেজৰ ৰিজাল্ট ভাল আছিল বাবেই এদিনো নোবোৱাকৈ চাকৰিত সোমালো, সেয়ে গৃহিণীবোৰে বাৰু অকল ভাতপানীকে ৰান্ধি আলহী অতিথিক সোধ-পোছ কৰি কেনেকৈ ঘৰতে থাকে সেইটো বুজি পোৱা নাছিলো আৰু অনুভৱ কৰা নাছিলো। এতিয়াহে নিজৰ সংসাৰত বুজিছো এখন সংসাৰত কিমান কাম থাকে। ঘৰত মই এনেয়ে আলসুৱা

আছিলো, একেজনী ছোৱালী বাবে দেখি থাকিব বুলি দেউতায়ো নিজৰ চহৰতে থাকিব পৰা ল'ৰালৈ বিয়া দিলে, ৰিংকু জন্মাৰ আগতে মাহতৰ ঘৰত প্ৰায় দুমাহমান আছিলো। সেই কেইদিনত মোৰ এটা নতুন অনুভূতি হ'ল যে যিমানেই নহওঁক, ছোৱালী সদায় লোকৰ ধনৰ নিচিনা। ছোৱালীৰ জীৱনটোও যেন লোকৰ বাবেই। কিয় বাৰু আমাৰ সমাজ ব্যৱস্থা এনে হ'ল? মনত দুখ লাগিলেও মনতে ৰাখিছিলো। ৰিংকুক জন্ম দিওঁতে, মাতৃত্বৰ বেদনাও বুজিলো, কথাতেই আছে "দেখিয়া চাঁদমুখ, হাৰাইল জনমেৰ দুখ।" ৰিংকুৰ মুখ দেখাৰ লগে লগে ময়ো সকলো দুখ-বেদনা পাহৰিলো। কিন্তু এতিয়া চাৰি পাঁচ মাহৰ অন্বেষণৰ মুৰত কোনো কেচুৱা ৰখা মানুহ নাপাইহে মই বৰ হতাশ হৈ গ'লে।

ৰঞ্জনক কিবা ক'লেই চাকৰি এৰাৰ কথা ক'ব নহ'লে মাকক লৈ অনাৰ ব্যৱস্থা কৰিব, মাকেনো আমাৰ ল'ৰাক কেনেকৈ প্ৰতিপাল কৰিব? নহৰু দিয়া তেল সানি ককালত বাঘমণি আঁৰি ৰ'দত পেলাই থলেই জানো ৰিংকুৰ যতন লোৱা হব? ৰঞ্জনকো হেনো তেনেকৈয়ে ডাঙৰ কৰিছিল, আগৰ দিনৰ কথা বেলেগ, তাতে বয়সো হৈছে, সেইষাৰ কথা কওঁতেই কালি ৰঞ্জনে মোক বৰ বেয়াকৈ ক'লে, আৰু অফিচৰ পৰা বাহিৰে বাহিৰে চাৰি পাঁচদিনৰ বাবে টুৰলৈ গ'ল। পিয়নটোৰ হাতত স্লিপৰ নিচিনা টুকুৰা এটাত ছুটকেচটো দিবলৈ কোৱাত পোন্ধৰ মিনিটৰ ভিতৰতে সাজু কৰি দি পঠিয়ালো।

সাত দিনৰ পিছত ছুটী শেষ হ'লে কি কৰিম চিন্তা কৰি বিছনাতেই পৰি আছিলো। ৰিংকুক গা-পা ধুৱাই শুৱাই থৈছো, ওচৰতে বন কৰা ল'ৰাটোৱে কিবা কিবি কৰি আছে, এনেতে কাষৰ ঘৰৰ খিড়িকিৰে ভাহি অহা গীতৰ সুৰটোৱে ভৰ দুপৰীয়া মোৰ মনটো সঁচাকৈয়ে কঁপাই তুলিলে। ৰিংকুৰ ওচৰতে ল'ৰাটোক বহি থাকিবলৈ কৈ মই পাচ মিনিটতে আহিম বুলি কাষৰ বিমলাহতৰ ঘৰলৈ আহিলো। আমি থকা ঘৰটোৰ আনটো অংশত এই ৰাজস্থানী পৰিয়ালটো থাকে। ঘৰটোত পুতেক বোৱাৰীয়েক আৰু সৰু ল'ৰা দুটাৰ বাহিৰে আন কোনো নাথাকে। মাজে মাজে বুঢ়ীমাকজনী আহে আৰু দুমাহমান থাকি আন এটা পুতেকৰ ঘৰলৈ যায়। এদিন বোৱাৰীয়েক বিমলাক সোধাত মোক কৈছিল— বুঢ়ীৰ হেনো পাঁচটা পুতেক, এইখন চহৰতে থাকে, ব্যৱসায় কৰে। বুঢ়ীয়ে যেতিয়াই যাৰ তাত মন যায় তাৰ তাত থাকে আৰু মন গ'লে দেশলৈ গুচি যায় যদিও তিনিমাহমান থাকিয়ে বেমাৰত পৰি আহিবলগীয়া হয়। বোৱাৰীয়েকৰ কথাৰ সুৰত বৰ এটা ভাল ভাব ফুটি নুঠে। অৱশ্যে তায়ো ওঠৰ ঊনৈশ বছৰীয়া ছোৱালী। বিৰক্তিতে ক'ব পাৰে।

আজি আহি বুঢ়ীজনীৰ কাষতে বহিলো, বুঢ়ীয়ে গান গোৱা এৰি এমোকোৰা হাঁহিৰে ক'লে। 'বিনুনী নেই হ্যায়' অৰ্থাৎ বোৱাৰীয়েক নাই। ল'ৰা দুটা এই সময়ত স্কুলত যায় গতিকে বুঢ়ী অকলে আছে। বুঢ়ীয়েনো কি গীত গাইছে সোধাত ক'লে সেইবোৰ সিহতৰ দেশৰ গীত। বুঢ়ীয়ে অসমতে থাকি থাঁকি হিন্দী ভালকৈ কবও পাৰে, বুজিও পায়। মোক সুধিলে তোৰ বাচ্চাটো ক'ত থৈছ, সি শুই থকা বুলি কৈ বুঢ়ীয়ে গোৱা গীতটো আকৌ গাবলৈ ক'লো, লগতে তাৰ অৰ্থও ভাঙি দিবলৈ কলো, বুঢ়ী প্ৰথমতে অলপ আচৰিত যেন হ'ল। কাৰণ আগে পিছে বুঢ়ীক দেখিলে মই ফালৰি কাটি যাওঁ। যাহওঁক, বুঢ়ীয়ে গীতটো গাই অৰ্থটো বুজাই দিলে যে লকৰী কি বনা পিঞ্জৰা, আন লক্‌ৰী চাহে বন লকৰী, লক্‌ৰী কা তো বনা পিঞ্জৰা, প্ৰেম পিন্নাৰো পিন্নন লাগিয়ো, তাৰ তাৰ কো বিনি ৰাম ৰাম কি ৰঙ্গ লাগায়া, প্ৰেম নাম কি বুটী চাদৰ যেনী"- অৰ্থাৎ মানুহৰ দেহটো এটা কাঠৰ সজাহে যি কাঠৰেই নহওক কিয়, ঈশ্বৰে এই দেহটোক বিভিন্ন ৰঙেৰে প্ৰেমেৰে সজাইছে। প্ৰত্যেকডাল শিৰেই যেন ৰাম নামেৰে ছালৰূপী চাদৰত বিভিন্ন বুটা বছাদি বাছিছে। এই মনোৰম সজাটোৰ পৰা আত্মা ওলাই গ'লে সকলো শেষ। আৰু দুটামান গীত মনত পেলাই গাই শুনালে। মাজে মাজে পাহৰিছে যেনো লাগে। শেষত নিজকে দেখুৱাই কবিতা গোবাদি গালে যে "বৃদ্ধ ভয়া যব লকৰী পকৰি, হালন লাগিয়া ধাৰা (আঠু) ইনকা কটোৰা বাইৰ কৰদো, বাসন লাগিয়া চাৰা (কোঠা) অৰ্থাৎ বুঢ়া হলো বাবে লাখুটি ললো আঠুত ভাজ লাগিল, এতিয়া ইয়াক বাহিৰ কৰি দে, কোঠালিৰ গোন্ধ ওলাইছে বুলি নিজকে আঙুলিয়াই ইংগিত কৰিলে।

বুঢ়ীৰ চকুপানী ওলাইছিল, তথাপি কলে– 'পাঁচোটা পুতেকৰ ঘৰে ঘৰে বুঢ়ীয়ে ফুৰাৰ অৰ্থ হ'ল যে বেছিদিন কাৰোবাৰ ঘৰত থাকিলেই কটোৰা বাহিৰ কৰি দিয়াৰ দৰে বুঢ়ীকো কোনোবাই কিবা ক'ব। নাতি-নাতিনীহঁতেও বুঢ়ীক আমনি পায়। অথচ! বুলি বুঢ়ীয়ে প্ৰকাণ্ড মেদ বহুল পেটটোত চপৰিয়াই চপৰিয়াই দেখুৱাই ক'লে এই পেটতে আটাইকেইটাক ৰাখিছিলো। ৰাজস্থানত হেনো সিহতৰ পোন্ধৰটা কোঠালিৰ ঘৰ বাপেকে সাজিছিল। বাপেক মৰি যোৱাৰ পিছত বৃদ্ধ অৱস্থাপ্ৰাপ্ত হোৱাত তাই সেই ঘৰ চম্ভালি থাকিব নোৱাৰি আজি ওলাই আহিছে সুদূৰ অসমলৈ, য'ত পুতেকহঁতে ব্যবসায় কৰে। ৰাজস্থানত তাইক চাওঁতা কোনো নাই। তাত ঘৰভাড়াও নচলে, সেয়ে ৰাজহাউলী হেন ঘৰ এৰি তাই দুকোঠালিৰ ঘৰত পুতেকহতক দিগদাৰী দিবলৈ ইয়ালৈ আহিছে। অইন নহলেও দুবেলা দুখন ৰুটী তাইৰ ইয়াত মিলি যায়। বাত বিৰত বৰ্তমান বুঢ়ী জনীয়ে লৰিবই নোৱাৰে, কথা পাতোতে পাঁচ মিনিট কেতি.য়া পাৰ হৈ গ'ল গমেই নাপালো।

ৰিংকুৰ কান্দোন শুনি একে জাপে উঠিলো। বুঢ়ীজনীয়ে জোৰ কৰি বহুৱাই ক'লে অলপ কান্দিলে হেনো বাচ্চাৰ কাৰণে ভাল। তাৰ কান্দোন হেনো সিহঁতে নুশুনেই, আৰু লগত কলে তহঁত অসমীয়া মানুহবোৰ বৰ ভাল। তহঁতৰ দেশত, বুঢ়া-বুঢ়ী মাতা-পিতা, শাহু-শহুৰক বৰ সন্মান কৰে। তোৰ শাহু বাচ্চা চাবলৈ আৰু আহিলে ৰাখি থবি। এদিনটো তয়ো বুঢ়ী হবি, শাহু হবি, এনেকৈ কান্দোন শুনি দৌৰি যোৱা ল'ৰাটোৱে এদিন তোৰো দুখ হ'লে, কষ্ট হলে দৌৰি আহি এবাৰ কাষত বহি কথা পাতিলে তোৰ কিমান ভাল লাগিব।'

বুঢ়ীৰ কিজানি আজি আবেগ উথলি উঠিছে, সহজে নেৰে বুলি বুজিলো আৰু পিছত কেতিয়াবা কথা হ'ম বুলি কৈ মই বুঢ়ীক নমস্তে দি একেকোবে ঘৰ আহি নিজৰ কোঠালিত সোমালো। দেখিলো ৰিংকুৰ মুখত বটলটো দি বনকৰা ল'ৰাটো নায়েই। বটলটো বেঁকা হৈ আছে আৰু সি বতাহৰ সলনি গাখীৰ খাবলৈ আপ্ৰাণ চেষ্টা কৰি হাত-ভৰি মাৰি আছে। তাৰ মুখত মাখি এটাও পৰি আছে, আৰু ৰঙীন আঠুৱাৰ নিচিনা সৰু ছাটিটোৰ এপিনৰ জোঙদাল অলপৰ কাৰণে তাৰ কুমলীয়া চকুত সোমোৱা নাই।

দৃশ্যটো দেখিয়েই গাটো শিয়ঁৰি উঠিল, লগতে শাহু আইৰ কথা মনত পৰি গ'ল। আৰু মুখৰ পৰা বটলটো গুচাই ৰিংকুক কোঁচত লৈ বুকুৰ গাখীৰ দিলো। সি আকৌ নিশ্চিত টোপনিত পৰিল। পাঁচ মিনিট নথকাতে এই অৱস্থা, এৰা ঠিকেই কৈছিল শাহু আয়ে ধুলিৰে মথা বান্ধিব নোৱাৰি। ইহঁতক ভৰসা কৰিব নালাগে। আজিহে মোৰ জ্ঞান চকু মুকলি হ'ল। এনেকৈ জন্ম দি বুকুৰ গাখীৰ খুৱাই মোৰ শাহু আয়ে ৰঞ্জনক ডাঙৰ কৰিছিল, আজি ৰঞ্জনে মোক বেয়া পোৱাটো স্বাভাৱিক। ৰঞ্জনে মাকৰ গাখীৰৰ সোৱাদ পাহৰা নাই। কিন্তু মই আজি এইকেইমাহে যি কৰি আছো ৰিংকু ডাঙৰ হ'লে মোক পাহৰি যাবলৈ বেছি সময় নালাগিব। হয়তো বুঢ়ীজনীৰ দৰে মোৰ শাহু আইৰ আবেগো এদিন কাৰোবাৰ ওচৰত প্ৰকাশ পাব। বুঢ়া আৰু শিশুৰ মানসিকতা হেনো একেই হয়। অন্ততঃ ৰঞ্জনক মই বুজি পাব লাগিছিল। জোৰকৈ ৰিংকুক সাবটি ধৰি মই সিদ্ধান্ত ল'লো ৰঞ্জনৰ স্বাভিমানত মই আঘাত নিদিওঁ। আজিয়েই শাহু আইক আনিবলৈ দেউতাক পঠিয়াম আৰু শাহু আই আহিলে ক'ম– "আপোনাৰ নাতিক ধুলিৰে সৈতে মথা বান্ধিবলৈ দিব নোৱাৰি। তাক আপোনাক গতাই দিলো।, পুতেকক যেনেকৈ ডাঙৰ কৰিছিল শক্তি থাকে মানে ইয়াকো কৰক। অন্ততঃ থকা দিনকেইটাত চকু ৰাখিবতো পাৰিব।" সিদ্ধান্তটো লৈ মনটো ফৰকাল লাগিল। ৰঞ্জন অহাৰ আগতেই এইখিনি কাম শেষ কৰিবলৈ মই বনকৰা লৰাটোৰ হাতত চিঠি এখন দি মোৰ দেউতাৰ ওচৰলৈ তাক পঠিয়াই দিলো।

বিস্ফোৰণ

কিছুমান সৰু সৰু সুখ এসময়ত বৰ ডাঙৰ সুখ আছিল, কিন্তু এতিয়াৰ বহুতো ডাঙৰ সুখ সৰু সৰু লগা হ'ল। এসময়ৰ ডি, চি, অফিচৰ কেৰাণী মহেশ্বৰ বৰুৱাই দহটাৰ পৰা পাঁচটালৈ অফিচ কৰি দৰমহাৰ পইচাৰে মাহৰ মূৰত প্ৰথম দিনা অনা মাছৰ টুকুৰাৰ সোৱাদ তেওঁৰ পত্নী গিৰিজাই পুতেক কৈলাশে প্ৰায় সদায় অনা মাছৰ টুকুৰাৰ সোৱাদৰ লগত তুলনা কৰিব নোৱাৰে। হিচাপ কৰি অনা সেই মাছৰ টুকুৰাৰ সযতনে ৰন্ধা বঢ়া কৰি গিৰিহঁতক খুওৱা, সৰু পৰিয়ালটোক চোৱাচিতা কৰা সকলো ভাৰ গিৰিজাৰ ওপৰত আছিল।

পুতেকক প্ৰথম চাইকেল কিনি দিয়া, প্ৰথম ৰেডিঅ ঘৰলৈ অনা, বিয়াৰ পিছত গিৰিয়েকে আনি দিয়া সেই বুটা বচা প্ৰথম কাপোৰ যোৰ, প্ৰথম সন্তানৰ আগমনৰ আনন্দৰ দৰে কিমান মধুৰ আছিল। এতিয়া সেইবোৰ কথা কাৰোবাক ক'লে কিজানি হাঁহিব, এতিয়া সুখৰ সংজ্ঞা ঘৰে ঘৰে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ হ'ল। কেতিয়াবা গিৰিজাৰ ভাব হয় সুখৰ পৰিধি বৰ ডাঙৰ হৈ গ'ল। অতদিনে দুখৰ পৰিধিৰহে সীমা নাই বুলি গিৰিজাই জানিছিল।

অইনৰ কথা নক'লেও গিৰিজাই নিজৰ কথাকে মাজে মাজে ভাবে। নিম্ন মধ্যবিত্ত ঘৰৰ ছোৱালী গিৰিজাই দুখৰ পৰিধিৰ কথা জানে। তেনে এটা পৰিবেশৰ পৰাই মহেশ্বৰ বৰুৱাই তেওঁক শিৰত সেন্দুৰ পিন্ধাই বিয়া কৰাই লৈ আহিছিল। বৰুৱাও কষ্টত ডাঙৰ হোৱা মানুহ আছিল। দুয়োৰে মাজত যোগসূত্ৰ স্থাপন হোৱাত বুজাবুজিৰ মাজেৰে চলি চহৰৰ সৰু নিৰ্জ্জন কোণৰ দুকোঠালিৰ ভাৰাঘৰ এটাত তেওঁলোকে সংসাৰ আৰম্ভ কৰিছিল।

আজি সমুখত প্ৰকাণ্ড লনেৰে সৈতে কৈলাশ বৰুৱাৰ ঘৰ, য'ত পমেৰিয়ান নোমাল বগা মখমলগা কুকুৰ দুটা, বাবুৰ্চী খানচামা, ডাইনীং ৰুম, মলমলীয়া গোন্ধ, মটৰ, গেৰেজ, পেট্ৰল, বাৰ্থডে, পিকনিক এনিভাৰচাৰী আদি বহুতো শব্দই গিৰিজাৰ কাণে নাকে বতাহে বতাহে ঘুৰি ফুৰে। সেই শব্দ সেই সুবাসৰ মাজতে গিৰিজাই হেৰাই যোৱা অতীতটোক খুচৰিবলৈ চেষ্টা কৰে। তেনে কৰোঁতেই কেতিয়াবা গিৰিজাই নিজৰ বুকুতে খোচখাই যন্ত্ৰণা অনুভৱ কৰে। শূন্যতাৰ যন্ত্ৰণা।

বহুতো বস্তু অকলে ভোগ কৰাৰ দৰে গিৰিজাই নিঃসঙ্গতাৰ যন্ত্ৰণাও অকলে ভোগ কৰিবলগীয়া হৈছে। একমাত্ৰ পুত্ৰ কৈলাশ প্ৰতিষ্ঠিত হোৱাৰ পিছত মহেশ্বৰ বৰুৱাই পুত্ৰৰ অৰ্জ্জন খাবলৈ নাপালে, প্ৰচণ্ড জ্বৰত ভুগি এৰাতিতে গিৰিজাক অকলশৰীয়া কৰি থৈ গ'ল। পুতেক কৈলাশে পিতাকৰ মৃত্যুৰ পিছত সংসাৰৰ আঁত ভালকৈয়ে ধৰিলে। নিজে পছন্দ কৰি উচ্চ মধ্যবিত্ত ঘৰৰ ছোৱালী মালবিকাক বিয়া কৰাই আনিলে। মালবিকা বিলাতী কোম্পানীৰ বাগানৰ বৰমুৰীযাৰ ছোৱালী। সৰুতে বিলাতী আদব কায়দাত ডাঙৰ হৈছে। বোৱাৰীয়েক মালবিকাই কৈলাশৰ পৰা সংসাৰ চলোৱাৰ চাবিকাঠি লৈ ল'লে আৰু নিজৰ পছন্দ মতে ঘৰখন, সংসাৰখন সজাই ল'লে।

বোৱাৰীয়েকে কোনোদিনে গিৰিজাক কোনো কথা সোধাও নাই নাইবা সুধিবলগীয়া ব্যক্তি বুলি গণ্যও কৰা নাই। গিৰিজাই নিজৰ সন্মান ৰক্ষা কৰি শামুকৰ খোলটোৰ মাজতে নিজকে সঙ্কুচিত কৰি ৰখাৰ দৰে কোঠাটোৰ ভিতৰত নিজকে আবদ্ধ কৰি ৰাখিছে। মাথোঁ কিতাপ পত্ৰ পটি ভালপোৱা গিৰিজাই মাজে মাজে গীতা ভাগৱত, আদি শঙ্কৰাচাৰ্য্য, ৰবীন্দ্ৰ নাথ ঠাকুৰ লগতে বঙ্কিম গ্ৰন্থাৱলীও পঢ়ে। গিৰিয়েকৰ দিনৰে বহুতো কিতাপ গিৰিজাই নিজৰ কোঠালিৰ আলমাৰিত সজাই থৈছে।

গিৰিজাক চোৱাচিতা কৰাৰ বাবে কৈলাশে এজনী আয়াও ৰাখি দিছে লগতে তাৰ কৰ্ত্তব্যও কৰিছে। বিখ্যাত কোম্পানী এটাৰ মেনেজিং ডাইৰেক্টৰ

হিচাপে কৈলাশে এই বয়সতে যথেষ্ট দক্ষতা দেখুৱাইছে। মাকৰ খবৰ ল'বলৈ কৈলাশৰ বৰ বেছি সময় নহয়। তথাপিও গিৰিজাৰ কাৰো প্ৰতি কৰ'লগীয়া একো নাই। নীৰৱ দৰ্শকৰ দৰেই থাকে। মাজে মাজে কোঠালিৰ বেৰত থকা মহেশ্বৰ বৰুৱাৰ একমাত্ৰ ফটোখনলৈ চাই গিৰিজাই বহু কথাই পাতে। অভিযোগ কৰে। তেনেদৰে অকলশৰীয়া কৰি এৰি যোৱা বাবে।

আজি অলপ আগতে গিৰিজাৰ আগেদিয়েই বোৱাৰীয়েক আৰু নাতি-নাতিনীহাল ওলাই গ'ল। যোৱাৰ সময়ত দুয়োটাই আইতাকলৈ চাই টা টা দিয়াৰ দৰে হাত দুখন লৰাই দুপদুপাই নামি গ'ল। জাৰৰ দিনত গিৰিজাই বাৰাণ্ডাৰ এই ঠাইখিনিত বহি ভাল পায়। এই বাৰাণ্ডাখনৰ কাষৰ কৰিডৰ'ৰ ওচৰৰ কোঠাটোত নাতি-নাতিনীহাল থাকে। স্কুল থাকিলে সদায় গিৰিজাক সিহঁতে এনেকৈয়ে মাত লগাই গাড়ীত উঠেগৈ, প্ৰথম নাতি প্ৰিয়ংকেশ জন্ম হোৱাৰ দিনা গিৰিজাই গাড়ীৰে গৈ বোৱাৰীয়েকৰ বাবে নাৰ্ছিং হোমত ৰাখি আছিল। কৈলাশেহে বহু পলম হ'ব বুলি মাকক ঘৰলৈ পঠিয়াই দিলে। পিছদিনা পুঁৱতি নিশা তাৰ জন্ম হ'ল। সেইদিনা গোটেই নিশা গিৰিজাই চকুৰ টিপ মাৰিব পৰা নাছিল। ৰাতি পুৱালত নাতি হোৱা খবৰ পাই চাবলৈ যাব ওলোৱাত কৈলাশে ঘৰলৈ আহিলে দেখিবই বুলি কোৱাত গিৰিজাৰ যোৱা নহ'ল। মহেশ্বৰ বৰুৱাৰ ফটোৰ সৈতে সেইদিনা গিৰিজাই বহু সময় কথা পাতিছিল। বংশৰ তিলক জন্মা বুলি ফটোত চাকিও জ্বলাই দিছিল।

আজি সেই নাতি ল'ৰা প্ৰিয়ংকেশৰে দহবছৰীয়া জন্মদিন। কিন্তু কোনো জন্ম দিনতেই গিৰিজাই নাতিয়েকক হেপাহ পলুৱাই কোচত ল'বলৈ নাপালে। পাঁচ বছৰীয়া নাতিনী প্ৰণস্মিতা জন্ম হোৱাৰ পিছতহে গিৰিজা অথৰ্ব্বৰ নিচিনা হৈছে। সকলো সময়তে মিলিটেৰী শাসন আৰু প্ৰাণালীবদ্ধ মতে চলি সিহঁত চাবি দিয়া পুতলাৰ নিচিনা হৈ গৈছে। গিৰিজাই এই বিষয়ত ল'ৰা-বোৱাৰীৰ কঠোৰতা সহ্য কৰিব নোৱাৰে। ফুল কুমলীয়া ল'ৰা-ছোৱালী দুটাক যেন সময়ে বান্ধি ৰাখিছে। মুকলিমুৰীয়া জীৱন কি সিহঁতে নাজানিলেই। মাজে মাজে সিহঁতৰ চালচলন দেখি গিৰিজা অবাক হয়। অথচ এই একমাত্ৰ ল'ৰাৰ কৃতিত্বত গিৰিজাৰ কিমান অৰিহনা আছিল। যি কৰিব বিচাৰিছিল কৈলাশে তাকেই পাইছিল। কেৱল বৰুৱাইহে তাৰ ওপৰত চোকা দৃষ্টি ৰাখিছিল যাতে সঙ্গদোষত নপৰে। কৈলাশে কৃতিত্বৰে সকলো পৰীক্ষাত উৰ্ত্তীৰ্ণ হৈছিল। গিৰিজাৰ বৰ গৌৰৱ হৈছিল। মহেশ্বৰ বৰুৱায়ো জীৱনৰ কঠিন দিনবোৰ পাহৰি পেলাইছিল। ল'ৰা-ছোৱালী কেইটাৰ মাজ দিয়েই। সেই কৈলাশ আজি সু-প্ৰতিষ্ঠিত। ছোৱালী দুজনী ভবানী আৰু সাবদাক ডাঙৰ পৰিয়াললৈ

বিয়া দিছে। বোৱাৰীয়েক মালবিকাও উচ্চশিক্ষিতা কিন্তু সিহঁতৰ আদব কায়দা বেলেগ, কৈলাশ দুমাহৰ বাবে বিদেশলৈ গৈছে। কোম্পানীৰ কামত প্ৰয়েই সি বিভিন্ন ঠাইলৈ অহা যোৱা কৰি থাকে।

বিয়া নকৰোৱালৈকে কৈলাশে গিৰিজাৰ কাষত বহি দুই এষাৰ কথা কেতিয়াবা পাতিছিল, খা-খবৰ লৈছিল, কিন্তু সংসাৰ চক্ৰত সোমাই সি সেইবোৰ দায়িত্ব মালবিকাৰ ওপৰত দি নিশ্চিন্ত হ'ল। এনেদৰে তিনি চাৰি বছৰ মানসিক সঙ্গী নোহোৱাত গিৰিজাৰ মনটো অৱসাদগ্ৰস্ত হোৱাৰ লগতে এদিন দেহটোও পৰি আহিল। শৰীৰৰ এটা ফাল অৱশ হৈ গ'ল। চিকিৎসা পাতি কৰিও ফল নধৰিল। কেৱল খাবলৈ জীয়াই থকাৰ নিচিনাকৈ গিৰিজাই চকা লগোৱা চকীখনত বহি ওপৰতলাৰ অকলশৰীয়া বাৰাণ্ডাখনৰ পৰা বাটৰ মানুহ চায়েই সময় কটায়। এক নিৰ্দ্দিষ্ট নিয়মমতে আয়াজনীয়ে গা-ধুৱাই, খুৱাই-বুৱাই তাইৰ কৰ্ত্তব্য কৰি থাকে। গিৰিজাই কাকো দোষ নিদিয়ে। য'ত গৃহবাস ভাৰ্য্যাৰেহে দাস। সেয়ে গিৰিজাই এতিয়া ধৰ্ম্মগ্ৰন্থকে মাজে মাজে মেলি লয়। মানুহ পঙ্গু হলে বা অন্ধ হ'লে হেনো অইন ইন্দ্ৰিয়বোৰৰ অনুভূতি প্ৰবল হয়, ঠিক তেনেদৰে গিৰিজাৰ দেহা অৱশ হলেও দৃষ্টিশক্তি আৰু শ্ৰৱণশক্তি অতি প্ৰখৰ হৈ আছে।

ৰাতিপুৱাই দুৰাভাষ যন্ত্ৰৰ যোগেৰে কৈলাশে পুতেকলৈ জনোৱা জন্মদিনৰ শুভেচ্ছা বাৰাণ্ডাৰ পৰাই গিৰিজাই শুনিছে। কিন্তু গিৰিজাৰ কুশলবাৰ্ত্তা লোৱা এবাৰো নুশুনিলে। সি থাকিলেও সপ্তাহত গতানুগতিক দুই এদিন খা-খবৰ কৰিবলৈ মনত পৰে বা সময় পায়। আজি কৈলাশ থাকিলে নাতিয়েকক হয়তো এবাৰ ওচৰলৈ আনিলেহেঁতেন। কৈলাশ নাথাকিলে বোৱাৰীয়েক ঘৰত একেবাৰেই নাথাকে। ক্লাব, পাৰ্টি, নাৰী কল্যাণ সমিতিৰ চেক্ৰেটেৰী আদি নানা অনুষ্ঠানৰ লগত জড়িত মালবিকাই বাহিৰা দায়িত্ব পালন কৰিবলগীয়া হোৱাত ঘৰৰ দায়িত্বৰ কথা পাহৰি যায়। পুতেক থাকিলে অৱশ্যে কিছুসময় বোৱাৰীয়েকে ঘৰতে কটায়। আজিৰ দিনটোত পুতেক থকা হ'লে এইখিনি সময়ৰ পৰাই ঘৰতেই পাৰ্টিৰ আয়োজন হ'লহেঁতেন। আজি কিজানি বাহিৰতে জন্মদিন পালন কৰিব।

আগতে ল'ৰা-ছোৱালীহঁতৰ জন্মদিনত গিৰিজাই পায়স ৰান্ধি গোসাঁইৰ আগত আগবঢ়াইছিল। সৰু সৰু ল'ৰা-ছোৱালীক মাতি খুৱাইছিল। এতিয়া গিৰিজাৰ নাতিহঁতে পায়স নাখায়েই। খোৱা বোৱা সম্পৰ্কে সিহঁতক মাকে ডাক্তৰতকৈও জ্ঞানী কৰি তুলিছে। এতিয়া যেন ঘৰখন ঘৰ নহয় হোটেলহে, সকলো সময়তে উৎসৱ মুখৰ পৰিৱেশ, নানা ধৰণৰ পাৰ্টিত হোটেলৰ পৰা

বিধে বিধে বস্তু মগাই অনায়। মালবিকাৰ নিজে একো কৰা মেলা অভ্যাস নাই। গিৰিজাৰ সকলোতকৈ বেয়া লাগে পুতেকৰ বন্ধুবৰ্গৰ আগত কেতিয়াবা বোৱাৰীয়েকেও পান কৰে।

মাতৃভাষাত কথা-বতৰা পাতিবলৈতো সিহঁতে পাহৰিয়েই গৈছে। নাতি-নাতিনীহালেও মাক-দেউতাকৰ লগত আঁখে ফুটা দি ইংৰাজীতে কথা-বতৰা পাতে। একমাত্র গিৰিজাক দেখিয়েই যি মাজে মাজে হাই আইতা বুলি হাঁহি এটা মাৰে। গিৰিজাৰ অন্তৰেও তেতিয়া হায়! হায়! কৰি উঠে, কি দিনকাল পৰিল। মাতৃভাষাত কথা পতাৰ কিযে আনন্দ ইহঁতেতো নুবুজিলে। আজি কেইবছৰমান আগতে ওচৰৰে হাজৰিকাহঁতৰ বিয়াত বৰ জীয়ৰীজনী তিনিটা পুতেকেৰে সৈতে আমেৰিকাৰ পৰা অসমলৈ আহিছিল। ৱাশ্বিংটনৰ অধিবাসী, সিহতৰ পিঠাপনা খোৱা, বিহুনাচ শিকাৰ কি হেঁপাহ। আইতাক বৰুৱানীক ইংৰাজীত ইটো সিটো কথা সুধি হায়ৰান কৰি দিয়াত হেনো আইতাকে সিহঁতক বান্দৰ বুলি ক'লে আৰু বান্দৰৰ অৰ্থ বুজাই দিবলগীয়া হোৱাত ধুনীয়া বুলি কৈ হাঁহিৰে সেই পৰ্ব্ব সামৰিলে। পিচে উভতি যোৱাৰ দিনা এয়াৰপৰ্টত আইতাকৰ চকুৰ পানীৰে তিতি থকা গালত থলৰ থলৰ কৈ চুমা খাই নাতিয়েকহঁতে কৈ গ'ল। আইতা ইউ আৰ এ ভেৰী চুইট বান্দৰ'। বৰুৱানীয়ে সেই কথা কোৱাত বহু দিনলৈ হাঁহিৰ খোৰাক হৈছিল। আজিও গিৰিজাৰ সেই কথা মনত পৰি হাঁহি উঠি গ'ল। বিষাদৰ হাঁহি। এৰা বৰ্ত্তমানৰ যুগ যি গতিত চলিছে বিস্ফোৰণ হ'বলৈ অসমীয়া জাতিটো চুইট বান্দৰলৈ পৰিণত ব'বলৈ বেছি দিন নাই। এনেধৰণৰ আৰু বহু কথাই গিৰিজাই ভাবি ভাবি মনতে পাগুলি থাকে।

আগে পিছে ঘৰত পাৰ্টি হ'লেই ল'ৰা-বোৱাৰীৰ লগত অভ্যাগতৰ কথা বতৰাৰ টুকুৰা-টুকুৰ অংশবোৰ বাৰুদৰ টুকুৰাৰ দৰেই গিৰিজাৰ কাণত পৰে। যুগৰ সৌৰ লগত উটি যোৱা সিহঁতৰ কথা-বতৰাবোৰ ল'ৰা-ছোৱালীক কেন্দ্ৰ কৰিয়েই হয়। শইকীয়াৰ ল'ৰাটোৱে ভূগোলত অসমৰ ভিতৰতে সৰ্ব্বোচ্চ নম্বৰ পাইছে। পিছে কি হব? সি মানুহ হ'ব জানো? অথচ ভৌগিলিক জ্ঞানৰ কিমান প্ৰয়োজন, সেইটো কোনেও নুবুজে, অমুকৰ লৰাটো খেলত ভাল আছিল কি হ'ল? খেল-খেলিনো কেইটা কপিলদেৱ, গাভাস্কাৰ হ'ব পাৰিছে। কোনোবাই হ'লেও তাক লগে লগে মুৰৰ ওপৰত তুলি দিয়ে। আকৌ জেনেৰেল লাইন পঢ়িনো কি হ'ব? চোকা নহলে লাভ নাই, তদুপৰি কত বছৰ পঢ়িব লাগিব? যেন এদিনতে পঢ়ি শুনি ধন অৰ্জ্জন কৰিব পৰাটোৱেই

একমাত্র যোগ্যতা।

ল'ৰা-ছোৱালীৰ উত্তৰবোৰো অৱশ্যে গিৰিজাৰ কাণত পৰে, যে অমুকে টিউশ্যন কৰা বাবেহে আজি তমুকে ষ্টেণ্ড কৰিছে, আন এজনে হয়তো ক'ব খেলত ভাল আছিল বাবেহে কলাই বিদেশত পঢ়িবলৈ যোৱাৰ চান্স পাই গ'ল কিন্তু কোন ল'ৰাই অতি কষ্টেৰে কোনো টিউশ্যন নোলোৱাকৈ পঢ়া শুনা কৰি চৰকাৰী বৃত্তিৰ সাহার্য্যত বিদেশলৈ যোৱাৰ যোগ্যতা অৰ্জ্জন কৰি আকৌ উভতি আহি নিজৰ দেশৰো উন্নতি কৰে সেইবোৰ খবৰ বা আলোচনা নহয়। প্ৰত্যেক ল'ৰা-ছোৱালীৰ এনে ভাব যেন মাক দেউতাকৰ বাবেহে সিহঁতে পঢ়া-শুনা কৰে, আকৌ মাক-দেউতাকৰ মনৰ ভাব প্ৰত্যেকৰে ল'ৰা-ছোৱালীয়ে মাৰ্কামাৰা যিকোনো উচ্চ পদবীধাৰী হওঁক, মগজুৰ ক্ষমতা যিমানেই নাথাকক কিয়। কোনো ল'ৰা-ছোৱালীৰ যেন কল্পনাৰ জগতত স্থান নাই। গিৰিজাৰ মনটোৱে হাহাকাৰ কৰি উঠে, সৰুতে নিজৰ ল'ৰা-ছোৱালীকেইটাক নানান আদৰ্শমূলক সাধু শুনোৱাৰ কোনো পৰিণতি নহ'ল। যুগৰ বতাহ, সেয়ে গিৰিজাই আজিকালি নিজৰ কোঠালি এৰি পৰাপক্ষত ওলাই নাহে। কোনোবা বিশেষ দিনত নাতিয়েকহঁতৰ মুখখন চাবলৈ মন গ'লে বা স্মৃতিচাৰণ কৰিবলৈ হ'লে তেওঁ এই বাৰাণ্ডাখনত আহি আশ্ৰয় লয়।

গিৰিজাৰ সৰু জীয়েক বিদেশতে থাকে আনজনী কেতিয়াবা আহে, তাইৰ ল'ৰা-ছোৱালী নাই। গিৰিজাৰ লগৰী একমাত্ৰ আয়াজনী, তাইৰ লগতে কথা-বতৰা হয়, তাইৰ সুখৰ দুখৰ ভাগ লয়। পুতেক কৈলাশৰ হঠাতে মনত পৰিলে কেতিয়াবা ফলমূল এসোপামান মাৰ্কলৈ দি পঠিয়াই, সেইবোৰৰ আধাতকৈও বেছি গিৰিজাই আয়াজনীৰ ল'ৰা ৰাজালৈ পঠিয়াই দিয়ে। খোৱাবোৱাত গিৰিজাৰ কোনোদিনে কষ্ট হোৱা নাই। মাথো খায়েই জীয়াই থাকিবলৈহে গিৰিজাই মন নকৰে। আজি মহেশ্বৰ বৰুৱা থকাহ'লে দেখিলেহেতেন, গিৰিজা কিমান সুখত আছে। গিৰিজাই এই সকলোবোৰ অকলে ভোগ কৰিব লগাৰ দৰে শূণ্যতাৰ যন্ত্ৰণাও ভোগ কৰে আৰু মৃত্যুৰ অপেক্ষাত দিন গণে।

ৰ'দটো চোকা হৈ আহিলত আয়াজনীয়ে গিৰিজাক কোঠাটোৰ ভিতৰলৈ লৈ গ'ল। কোঠাটো মচি কাচি সুগন্ধি ধূপ লগাই থৈছে। গিৰিজাৰ আন একো কৰিবলৈ মন নগ'ল। মূৰ শিতানত থকা কিতাপ এখন মেলি লৈ পঢ়িবলৈ ধৰিলে— "কা তব কান্তা কাস্তে পুত্ৰ - - - - - - - "।

বাণপ্ৰস্থ

ছয়বজাৰ চাইৰেণৰ শব্দত অইনদিনাৰ দৰেই ৰজত বৰুৱাৰ পত্নী অনিমাই সাৰ পালে, যদিও অলপ সময় বিছনাতে চকু মুদি পৰি ৰ'ল। আগে পিছে বৰুৱাৰ দৰে লৰালৰি কৰিবৰ কাৰণ আজিকালি অণিমাৰ আৰু নাই। হঠাতে যেন অণিমাই বুকুখনৰ কোনোবাখিনিত খোচ খালে। গিৰিয়েক ৰজত বৰুৱাই ইতিমধ্যে সাৰ পাইছে। অণিমাক সুধিলে 'হেৰা, কেইটা বাজিলহে? অনিমাৰ পৰা কোনো উত্তৰ নাপাই বৰুৱাই কৈ উঠিল– "শুই থাকা, এতিয়া আৰু তোমাৰ টোপনি চিকুণ পুৰাটো সদায় নষ্ট কৰিব নালাগে। বৰুৱাই ফেনখন বন্ধ কৰিবলৈ কৈ মুৰে গায়ে কাপোৰখন লৈ বাগৰ সলালে।

পৰীক্ষাৰ ওচৰত পঢ়িবলৈ ললেই পঢ়ামেজত মুৰ থৈ টোপনি যাবলৈ মন যোৱাৰ দৰে অনিমাৰো সদায় ৰাতিপুৱা উঠিবলৈ ললেই তেনে লাগে। আঠুৱাৰ ফাঁকেৰে ঘড়ী চাই ছটালৈ বিশমিনিটমান থাকোতেই অণিমাই সাৰ পায় আৰু এনেদৰে পৰি থাকে। সেয়ে বিশমিনিট সময় এক চেকেণ্ডতে পাৰ হোৱা যেন লাগে। ঠিক ছবজাৰ লগে লগে তাই চৰমৰাই উঠে আৰু নিত্য নৈমিত্তিক কামত লাগি যায়। দেওবাৰৰ দিনা কিন্তু উঠি মেলি চাহ খাওঁতে খাওঁতে চাৰে সাত মান বাজি যায়। কিন্তু আজি বিশ পচিশ দিনমান

হ'ল, অনিমাৰ বাবে সদায় দেওবাৰ যেন হৈছে।

ৰাতিপুৱা টোপনি ভগাৰ পিছতো বিছনাত পৰি জীয়ৰী কালত যেনেকৈ চকু মুদিয়েই কিছু সময় নানা কল্পনাত পাৰ কৰিছিল আৰু শেষত ঘড়ীলৈ চকু পৰিলে একেজাপে উঠি গাধোৱা ঘৰ পাইছিল, ঠিক তেনেকৈ আকৌ ঘড়ীটোৰ ঢংকৈ মৰা শব্দত অনিমা একেজাপে বিছনাৰ পৰা উঠিল আৰু দাঁত মজা ব্ৰাচপাত লৈ গাধোৱা ঘৰত সোমাল। ৰাতিপুৱাৰ নিত্য কৰ্ম্মখিনি কৰি গা-পা ধুই গোঁসাইঘৰ সোমাই সেৱা কৰি আহে মানে কাঞ্চাই গৰমচাহ একাপ ককাৰাক বিছনাতে দি থৈ যায়। কেতিয়াবা সেই কাপৰ সময়ৰ লৰচৰ হ'লে ককাৰ বৰ খঙ উঠে। আগতে ছোৱালী দুজনীয়ে দেউতাকক চাহকাপৰ যোগাৰ ধৰিছিল। এতিয়া দুয়োজনীয়ে শহুৰেকৰ ঘৰত নিজৰ নিজৰ সংসাৰ, লৰা-ছোৱালী, চাকৰি চম্ভালিছে। ককাৰা-ককাৰানীৰ সংসাৰত বৰ্ত্তমান কাঞ্চাৰ বাহিৰে আন কোনো নাই, সন্তান বুলিবলৈ ছোৱালী দুজনীয়ে । বীণা আৰু লুনা। সিহঁতকো উপযুক্ত শিক্ষা দিয়াৰ পিছত সময় মতে বিয়া দিলে। সৰুজনীক অৱশ্যে অলপ সোনকালেই দিছে, যদিও ককাৰাৰ আপচোচ নাই। সৰু জোৱায়েক বিদেশত থাকে। কমদিনৰ ছুটিত আহি মাক-দেউতাকৰ লগতে নিজেও চাই মেলি সৰু জীয়েক লুনাক বিয়া কৰালে। জোৱায়েক লণ্ডনৰ কলেজ এখনত কাম কৰে। বৰ্ত্তমান লুনায়ে তাত মাষ্টাৰ ডিগ্ৰী কৰি আছে, অঙ্ক বিষয়ত, ডাঙৰজনী ইংৰাজীৰ এম, এ. তাই স্থানীয় কলেজ এখনত কাম কৰে। জোঁৱায়েক মেজিষ্ট্ৰেট। কাঞ্চা থকা বাবে সিহত দুয়োজনী কিছু পৰিমাণে নিশ্চিত যদিও ডাঙৰজনী ছোৱালী মাজে মাজে আহে আৰু দুই এৰাতি থাকি যায়। পিছে তায়ে সময় নাঁপায়। তাইৰ শহুৰেকৰো বয়স হৈছে। শাহুৱেক ঢুকুৱা এবছৰমান হ'ল। তেতিয়াৰ পৰা তাইৰ দায়িত্ব আৰু বাঢ়িছে। সৰু জীয়েক বিয়াৰ পিছতে যি গ'ল, অহাই নাই। মাজে মাজে তাইৰ চিঠিপত্ৰ পাই থাকে, এইবাৰহে পৰীক্ষা শেষ হ'লে দুবছৰৰ মুৰত সিহতহাল আহিব বুলি ককাৰাহতলৈ লিখিছে।

ককাৰা-ককাৰানীৰ পুত্ৰ সন্তান নাই বাবে কোনো দুখ নাই। পিছে লগৰ বন্ধু-বান্ধৱ আহিলে কেতিয়াবা পো-বোৱাৰীৰ আলোচনা প্ৰসঙ্গত ককাৰাই অনুভৱ কৰে যে পুত্ৰ বোৱাৰী থাকিলে চাগে তেওঁলোকক সিহঁতে মৰমৰ আলপৈচান ধৰিলেহেতেন। যিমানেই নহওঁক, ছোৱালীবোৰে মৰম লগাব পৰা ক্ষমতা আছে। নিজৰ ছোৱালীৰ কথা মনত পৰিলে তেওঁৰ বুকুখন মাজে মাজে গধুৰ লাগে। পিচমুহুৰ্ত্ততে তেওঁ সেই ভাৱবোৰ জোকাৰি পেলায়।

সেই একেই মৰম সিহঁতেওঁতো বিলাই আছে। বৰুৱাৰ জোঁৱায়েক দুজনো ভাল। দুয়োজনী ছোৱালীয়ে শহুৰেকক মৰম লগাব পাৰিছে বুলি বৰুৱাই ভাবে। সৰু জোঁৱায়েকৰ পৰিয়ালটোও ভাল। পুৰণা চিনাকি পৰিয়াল। পিছে জোঁৱায়েককহে বেছিদিন ঘৰুৱাভাবে লগ নেপালে। চিঠিপত্ৰ পাই থাকে আৰু মাৰ্জ্জিত ভদ্ৰ ল'ৰা বুলি বৰুৱাই তেনেকৈয়ে অনুভৱ কৰে।

ডাঙৰ জোঁৱায়েক কিন্তু বৰ ঘৰুৱা ধৰণৰ। কৰবাৰ পৰা আহিলেও ঘৰখনত দুদিনৰ বাবে ধুমুহা অহা দিয়ে নাতিটোও মহা উৎপতীয়া। বৰুৱাই মাজতে নাতিটোক আনি লগত ৰাখিব বুলি ভাবিছিল। পিছে দুদিন থাকোতেই সি বৰুৱাক যিটো নগুৰ নাগতি কৰে, বৰ জীয়েকে কোনোপধ্যে তাক দেউতাকৰ ওচৰত এৰি নাযায়। নাতিয়েকে সদায় টি, ভিত দেখুওৱা বিজ্ঞাপনবোৰ ভাটৌৰ দৰেই মাতি থাকে আৰু বিজ্ঞাপনত থকা বুঢ়াবোৰ বৰুৱাকে কৰে। আগৰ দিনৰ ল'ৰা-ছোৱালীৰ দৰে আজিকালিৰ ল'ৰা-ছোৱালীবোৰ নহয়। তজবজীয়া আৰু বেছ চালাক হয়। নহ'বনো কিয়? জন্মৰে পৰা সিহঁতে টি, ভি, কেৱল টি,ভি আৰু নানা আধুনিক উপাদানৰ মাজত ডাঙৰ হয়। বৰুৱাই সেয়ে নাতিয়েকৰ উৎপাতবোৰ হাঁহিমুখে সহ্য কৰে।

অণিমাক কিন্তু নাতিয়েকে ভাল পালেও যুজিবলৈ নাহে। অণিমাই প্ৰণালীবদ্ধভাৱে চলিয়েই ভাল পায়। বৰুৱাৰ দৰে মন গলে যি ইচ্ছা তাকে নকৰে, খোৱা বোৱাতো অণিমা সদায় অল্পভোজী। শৰীৰটো ঠিকেই ৰাখিবলৈ ঠিক যিখিনিৰ প্ৰয়োজন, সেইখিনি আহাৰহে কৰে, বৰুৱা ঠিক তাৰ ওলোটা, চিতলমাছৰ কলঠী বৰুৱাই বৰ ভাল পায়। হঠাতে সেইবিধ দুলৰ্ভ বস্তু পালে দুই তিনিকেজি একেলগে লৈ আহে আৰু ভজাৰ পৰা কালিয়ালৈ যিমানবিধ দিহ কৰি খাব পাৰি সকলো ধৰণেৰে খায়। পাৰিলে জী-জোঁৱাইহতক দি থৈ আহে। নহ'লে ঘৰলৈকে মাতে। পিছে ঘৰ সংসাৰৰ কাম এৰি কেৱল সেইটো কাৰণতেই জীয়েকৰ অহা নহয়।

অণিমাই তথাপিও কোনোদিনে বৰুৱাক হকাবধা নকৰে। তথাপি বয়সৰ লগে লগে বেমাৰৰ ভয়ত মাজে মাজে বৰুৱাক খোৱাবোৱা কম কৰাৰ কথা কয়। বৰুৱাই তেতিয়া অণিমাক কয়-- 'হেৰা মৰো যদি ৰজাৰ দৰে খাইবে মৰিমহে, শুকাই ক্ষীণাই বেমাৰ লাগি জঁকাটো হৈ নমৰো বুইছা অন্ততঃ থকা দিন কেইটাত জিভাৰ জুতি থাকে মানে খোৱাত বাধা নিদিবা। অণিমাই একো উত্তৰ নিদিয়ে। মনতে ভাৱে এই শুকাই ক্ষীণাই জকা হৈ বেমাৰত পৰাটোলৈ অণিমাৰ কিমান ভয় যদি বৰুৱাই বুজিলেহেঁতেন! সেয়ে অণিমাই

যিমান পাৰে মানুহটোৰ খোৱা মুঠিৰ যত্নলৈ নিজেই ৰন্ধাবঢ়া কৰে। কাঞ্চা বহুদিনৰ পৰা আছে তাতে বিশ্বাসীও। বেমাৰ আজাৰত পৰিলে এই কাঞ্চায়েই সাৰথি। কিন্তু ঈশ্বৰৰ কৃপাত অণিমাৰ স্বাস্থ্য এতিয়াও ভালেই আছে। মনত থকা দিনৰে পৰা এদিনো মূৰকামোৰণি এটা হোৱাও বৰুৱাৰ মনত নপৰে কিজানি। কেৱল ছোৱালী দুজনী জন্মৰ সময়তে যি দুমাহ বিছনাত আছিল, বৰুৱাইতো সদায় অফিচৰ কামত ব্যস্ত থাকে। ঘৰখনৰ সকলো দায়িত্ব অণিমাৰ মূৰৰ ওপৰতে বজাৰ সমাৰ কৰা ছোৱালী দুজনীক স্কুলত অনা নিয়া কৰা, পঢ়াশুনা সকলো অণিমায়ে চোৱাচিতা কৰিছে, বৰুৱাই ক'ৰ কেইটা চুক তাকেই এদিনো ছোৱালী দুজনীক শিকাই নাপালে। বৰঞ্চ সৰুতে অণিমাই ৰন্ধা বঢ়া শেষ কৰি পঢ়াবলৈ ল'লেই বৰুৱাই ক'ৰবাৰ পৰা আহি ছোৱালী দুজনীক কোচত লৈ মৰম কৰি কৰি কয়" এ হব দিয়া এই ৰাতিখননো কিমান পঢ়িবহে ইহঁতে? আমি ইহঁতৰ মান বয়সত খেলাধূলা কৰি এইখিনি সময়ত টোপনিত লালকাল দিছিলো। টোপনিশ পৰা জগায় হে আমাক মায়ে খুৱায় দিছিল বুইছা, খেলা ধূলা কৰিব দিবা ইহঁতক, নহ'লে জীৱনত একো কৰিব নোৱাৰে," বৰুৱাৰ খেলা ধূলাৰ প্ৰতি দুৰ্বলতা আছে। আগতে স্কুল-কলেজত হেনো ভাল ফুটবল খেলুৱৈ আছিল। এতিয়াও টিভিত ফুটবল খেল দিলে প্ৰতিটো গোলতে বঢ়িয়া বঢ়িয়া বুলি চিঞৰি থাকে। আগৰে অভ্যাস হেনো। বৰুৱাৰ ইচ্ছাতেই অণিমাই সৰুজনীক টেবুলটেনিচত নাম লগাই দিছিল; কিন্তু সাধাৰণতে যিটো হয়, সাধনাৰ সুবিধাৰ অভাৱ, সেয়ে খেলৰ শিক্ষা আধাতে ৰ'ল।

গোটেই দিনটো কাম বন কৰি লগতে অনা নিয়াৰ দায়িত্বও পালন কৰি আকৌ খেল খেলিবলৈ নিয়াৰ ধৈৰ্য্য অণিমাৰ নাথাকে। কাঞ্চাই ঘৰ দুৱাৰ সৰা মোচা, বাহিৰা কামসোপা কৰিয়েই আহৰি নাপায়। তাতে ল'ৰা মানুহ, সকলো সময়তে ভিতৰত থাকিব নোখোজে। বৰুৱাৰতো কোৱাই সাৰ অফিচৰ পৰা বাহিৰে বাহিৰে তেওঁ ক্লাবত সোমায়। অফিচৰে নিজাববীয়া ক্লাব। ৰাতিলৈ কেতিয়াবা বেডমিন্টন বা তেনেধৰণৰ খেলো খেলে। ঘৰ পাওঁতে কেতিয়াবা বহুত পলম হয়। তেতিয়া আৰু অণিমাই বৰুৱাক দিনটোৰ খতিয়ান দিবলৈ মন নকৰে। সেয়ে অণিমাৰ এইবোৰ অভ্যাসত পৰিণত হৈ গৈছে। কেতিয়াবা ভাগৰ লাগিলে নিজৰ বাইভনীৰ আগত প্ৰকাশ কৰিলে সিহঁতে তাইকেই ওলোটাই কয় "তই আগৰে পৰা সকলোবোৰ কৰি অভ্যাস বেয়া কৰিলি, আচলতে তই চলাব পাৰিছ বুলিহে সকলো তোৰ ওপৰতে এৰি দিছে। আমি হলে নোৱাৰোদেই ইমান লেঠা লব।" এৰা

অণিমায়ে ভাৱে আগতেই নকৰা হলে অণিমায়ো চাগে এতিাও ইমান কথা চিন্তা কৰিব নালাগিলহেঁতেন।

ছোৱালী দুজনী পঢ়াশুনাই ভাল আছিল বাবেহে কতো নোৰোৱাকৈ ভালদৰে সকলো পৰীক্ষাত পাছ কৰি গৈছে। বিয়া দি উঠি আজৰি হোৱা বুলি ক'লেও অণিমাৰ কিন্তু বৰ বেজাৰ লাগে। ছোৱালীবোৰক বিয়া দিলে আজৰি হোৱা বুলি ভবা যায় যদিও, কিমান কষ্ট হয় মাকেহে বুজে। সিহঁতে প্ৰতিটো কথাতে মাকক কিমান সহায় কৰে। অণিমাৰ বুকুখন কেতিয়াবা খালি খালি লাগে। তথাপিও, কোনোদিনে অৱসাদ গ্ৰস্ত অনুভৱ কৰিবলৈ নিজকে দিয়া নাই আজিলৈকে নিজকে সকলো সময়তে সংসাৰৰ কামত ব্যস্ত ৰাখি যিকণ সময় পায়, কিতাপ পত্ৰ পঢ়ি অণিমাই ভালপায়। মানুহৰ ঘৰলৈ বৰকৈ ফুৰাচকা নকৰে মাথো বিয়া সবাহে বা তেনে নিমন্ত্ৰণ থাকিলে যাবলৈ বাধ্য হয়। বহুতে হয়তো অণিমাক আত্মকেন্দ্ৰিক বুলি ভাবে, ভাবিলেও অণিমাৰ ক'বলগীয়া একো নাই, এটা সময় আহি পৰে, যেতিয়া সকলো মানুহেই কমবেছি পৰিমাণে আত্মকেন্দ্ৰিক হৈ পৰে।

জীৱনৰ অ'তবোৰ বছৰ তেনেকৈ কটাই এতিয়া এই বয়সত অনিমাই সেইবোৰ চিন্তা নকৰে। কিন্তু অতদিনৰ নিৰ্দ্দিষ্ট জীৱন প্ৰণালীত চলি আহি আজি এই বিশ পচিশদিনৰ জীৱন প্ৰণালীৰ লগত খাপ খুৱাবলৈ অণিমাই টান পাইছে। যোৱা মাহৰ ত্ৰিশ তাৰিখে বৰুৱাই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিলে। আগতে অণিমাই ভাবিছিল বৰুৱাৰ চাকৰি জীৱন শেষ হলে অনিমাৰ দায়িত্ব কিছু কমিব। অৱসৰ লোৱাৰ প্ৰথম দুদিন অণিমাৰ ৰাতিপুৱা উঠিয়েই এনে লাগিছিল যেন দৈনন্দিন কামখিনি চলাবলৈও শক্তি নাই। বৰুৱা নহয়, যেনিবা অণিমাইহে অৱসৰ প্ৰাপ্ত হ'ল। কিন্তু দিন যোৱাৰ লগে লগে সেই অনুভূতি সলনি হ'ল। সকলো সময়তে ঘৰতে থকা বৰুৱাৰ ফাফৰ্মাইচ খাটোতে, খোৱাবোৱাৰ সময় নিমিলাত, তেওঁৰ বাবে বৈ থাকোতে কেতিয়াবা বৰুৱা কেনিবা ওলাই গলেহে আজৰি হোৱাত অণিমাৰ বাবে দেওবাৰ সোমবাৰৰ হিচাব নোহোৱা হ'ল। কেতিয়াবা দিনটোত কামো নাই অথচ আজৰিও নাই এনে হ'ল আৰু আগৰ যিকণ সময় অণিমাই নিজৰ ব্যক্তিগত বিলাসীতা, পঢ়াশুনা গীতশুনা আদিত খৰচ কৰিছিল সেইকণ সময়ো নোপোৱা হ'ল।

বৰুৱা অৱসৰপ্ৰাপ্ত হোৱাত অণিমাই যেন নতুন চাকৰি এটাতহে সোমাল মাজে মাজে তেনে ভাৱো হ'ল। এইবোৰ খেলি মেলি মানসিক অস্থিৰতাৰ ভাৱবোৰ মচি পেলোৱাটোৱেই ভাল বুলি অণিমাই ভাবিলে, সেয়ে ৰাতি

পুৱাতেই আগৰদৰে গা-পা ধুই গোসাঁইঘৰত সেৱা কৰি অণিমাই দুকাপ গৰম চাহ লৈ শোৱা কোঠা পালেহি। বৰুৱাই সাৰ পাইছিল যদিও বিছনাতে পৰি ওপৰৰ চিলিঙখনকে চাই আছিল। অনিমাই চাহকাপ দিয়াত বৰুৱাই অইনদিনাৰ দৰে খবৰৰ কাগজখন নিবিচাৰিলে আৰু অণিমাৰ মুখলৈ চাই কিবা এক গভীৰ চিন্তা কৰাৰ দৰে চাহত সোহা মাৰিলে। বৰুৱাৰ কাষত বহি চাহ খাবলৈ অণিমাৰ কাচিৎহে সময় ওলায়, বিশেষ কিবা কথা থাকিলেহে এনেকৈ বহে। চাহকাপ দুয়ো নীৰৱে শেষ কৰি একেলগে কিবা এটা কথা ক'ম বুলি মুখ মেলোতেই কাণ্ডা আহি দুপদাপকৈ খিৰিকীবোৰ মেলি পৰ্দ্দাবোৰ কোচাই দি ওলাই গ'ল। শেষত বৰুৱায়ে কলে তুমি কিবা এটা ক'ব ওলাইছিলা? বৰুৱাৰ কথাৰ উত্তৰত অণিমাই ক'লে" আপুনিও দেখোন কিবা ক'ব খুজিছিল। এৰাহে আজি দুদিনমানৰ পৰাই ভাবিছো, মোৰ অৱসৰ পোৱাৰ পিছতো তোমাৰ সময় নাই। তুমিনো কি ইমান কামকে কৰি থাকা? মোৰ দেখোন নিজকে একেবাৰে কাম বন নোহোৱা নিস্কৰ্মা যেন লাগিছে এই দুদিনতে, বাকী জীৱন এনেকৈ কটাব লাগিলে মই সঁচাকৈয়ে বানপ্ৰস্থ অৱলম্বন কৰিব লাগিব, নহলে বেমাৰতে পৰিম কিজানি, চৰকাৰে বান্ধি দিয়া সময়ত এজন মানুহ অৱসৰ প্ৰাপ্ত হলেই বাস্তৱ জীৱনত জানো সচাঁকৈয়ে কাম কৰিব নোৱাৰাকৈ বৃদ্ধ হৈ যায়।

বৰুৱাৰ কথাৰ প্ৰত্যুত্তৰত অণিমাই ঈষৎ হাঁহি মাৰি কিবা এটা ক'ব খুজিও নকলে বৰুৱায়ে আকৌ কলে "লুনাহত লণ্ডনৰ পৰা আহিবলৈ এতিয়াও দুমাহ বাকী আছে। সেয়ে মই সিদ্ধান্ত লৈছো, কাণ্ডাক ঘৰত থৈ আমি দুয়ো ডেৰমাহমানৰ বাবে তীৰ্থ ভ্ৰমণ কৰি আহো বলা, আজি লৈকে তোমাৰো কলৈকো যোৱা হোৱা নাই।" অণিমাই মুখেৰে একো নামাতি খালি কাপ প্লেটদুযোৰ লৈ কোঠাটোৰ পৰা ওলাই গ'ল।

ইমানদিনে ঘৰত এটি মুহুৰ্ত্তত থিৰেৰে নথকা বৰুৱাই আজি কেইদিনমান ঘৰত থাকোতেই বিৰক্ত হৈছে, কিন্তু অতীত হৈ যোৱা বছৰবোৰত অণিমাইও প্ৰথমে বিৰক্ত বিব্ৰত হলেও সংসাৰৰ কাম কাজত, ছোৱালী দুজনীৰ মাজত নিজকে এনে একাগ্ৰভাৱে নিয়োজিত কৰিছিল যে, নিজৰ অস্তিত্বই পাহৰি গৈছিল বৰুৱাই নাজানে পূজাই পাৰ্বনে ঘৰৰ মন্দিৰত চাকি নজ্বলোৱাকৈ, প্ৰাৰ্থনা নকৰাকৈ বাহিৰৰ মন্দিৰ দৰ্শন কৰিবলৈ যোৱাৰ কোনো মানে নোহোৱা বুলি ভবা অণিমাই যে গাৰ্হস্থ্য শ্ৰমকে তীৰ্থাশ্ৰম বুলি ভাবি লৈছে। সেয়ে জীৱনৰ চাৰি আশ্ৰমৰ শেষৰ আশ্ৰমখনলৈ যাবলৈ হয়তো অণিমাৰ কিছু সময় লাগিব।

সন্ধ্যাৰাগ



গৰমৰ দিনত শোৱাৰ সময়ত বীণাপাণিয়ে আঁঠুবাৰ তলত সদায় ভোৰভোৰায়। সৰু জীয়েক মিনিৰ মাকৰ এই ভোৰ ভোৰণি নুশুনিলে টোপনিয়ে নাহে। কেতিয়াবা মাক বীণাপাণিয়ে সকলো কামৰ জেঙা মাৰিশুবলৈ আহোতে পলম হ'লে মিনিয়ে টেবুল লাইটটো জ্বলাই পঢ়াশুনা কৰি থাকে। মাকে আখল সামৰি আহি প্ৰথমেই চূণ-ধপাতসহ এমোকোৰা তামোল মুখত ভৰাই বিছনাখন ঠিক কৰিবলৈ লয়। মিনিয়ে আগতে মাকৰ বিছনাখন সদায় জাৰি জোকাৰি আঁঠুবা টানি শুবলৈ সাজু কৰি থৈছিল কিন্তু মাকৰ পছন্দ নহয় বাবে আজিকালি নকৰে, বিছনা যোগাৰ কৰা হয় মানে মাকৰ তিতা ভৰিও শুকাই যায়। ঠাণ্ডাৰ দিনেই হওঁক বা গৰমৰ দিনেই হওঁক মাকে ভৰি মচিবলৈ বৰ টান পায়। দিনটোৰ বাবে যেন মাকে পাকঘৰটো ডিঙিৰ আঁৰি লোৱাৰ ঠিকাহে লৈছে, মিনিৰ আগতে বায়েক ৰিনিয়েও মাকক কিছুমান কথা কৈ অভ্যাস কৰাব নোৱাৰিলে।

মিনিহঁত ভাই-ভনী চাৰিজন, ডাঙৰ ককায়েক অধ্যাপক সৰু ককায়েকজন অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ শিক্ষান্ত বৰ্ষত। ডাঙৰ বায়েক ৰিণিকো অভিযন্তা প্ৰকাশ দুৱৰালৈকে বিয়া দিছে। মিনি সকলোতকৈ সৰু। তাই এইবাৰ স্নাতক মহলাৰ

দ্বিতীয় বাৰ্ষিকত। দেউতাক কীৰিটি বৰুৱা অৱসৰপ্ৰাপ্ত শিক্ষক। গোটেই জীৱন নিজৰ আদৰ্শ আৰু নীতিত অটল থাকি বহু পৰিশ্ৰমৰ মূৰত এইখন ঘৰ সজাইছে। ল'ৰা-ছোৱালীকো পঢ়াইশুনাই মানুহ কৰিছে। এজন সুশিক্ষক হিচাপেও নাম আছে। বহুতো সুপ্ৰতিষ্ঠিত ছাত্ৰক এসময়ত তেঁৱেই গঢ় দিছিল। পিছে বীণাপাণিয়েহে এই সংসাৰখন গঢ়দিওঁতে কাৰো সহায় পোৱা নাই বুলি ভাবে। কেৱল টকাকেইটা আনি দিলেই সংসাৰ ৰথৰ চকা ঘৰঘৰকৈ চলি নাযায়। বীণাপাণিৰ মনত সেয়ে কিছু ক্ষোভ জমা হৈ আছে। সেইবোৰ কাহানিও প্ৰকাশ কৰিবলৈ সুবিধাও পোৱা নাই, আৰু বিচৰাও নাই। ডাঙৰ জীয়েক থাকোতে মাজে মাজে দুই-চাৰিযাৰ সুখ-দুখৰ কথা কৈছিল যদিও সৰুজনীৰ আগত কোনো কথাকে লাভ নাই।

আচলতে গোটেইকেইটা ল'ৰা-ছোৱালীয়ে দেউতাক অন্তঃপ্ৰাণ অথচ সৰুৰে পৰা সিহঁতে দেউতাকৰ গুৰিলৈ গৈ কথা এষাৰ কোৱাও মাক বীণাপাণিৰ মনত নপৰে। সৰু ল'ৰা ৰণ্টুৱে দেউতাকৰ ওচৰত চাপি কেতিয়াবা কিবা আবদাৰ ধৰিছিল কিন্তু বাকী তিনিওটাই দেউতাকক বৰ ভয় কৰিছিল, কিয় বীণাপাণিয়ে নিজেই ক'ব নোৱাৰে, অলপ অচৰপ ভয় নিজেও নকৰা নহয়। মানুহজনৰ ব্যক্তিত্বই তেনে আছিল। তথাপি তেওঁৰ পৰা বীণাপণিয়ে কোনোদিনেই কোনো কামত বাধা পোৱা নাছিল। অৱশ্যে কীৰিটি বৰুৱায়ো কোনো দিনে কাকো অসুবিধাত পেলোৱা নাই। বীণাপাণিয়ে যি খুৱাইছে খাইছে স্কুললৈ গৈছে, নিজৰ কৰ্তব্য পালন কৰিছে। বীণাপাণিয়ে নিজৰ জ্ঞানেৰে যেনেকৈ পাৰে ঘৰখন চলাই গৈছে। ল'ৰা-ছোৱালীক মানুহো কৰিছে। যুটীয়া পৰিয়ালৰ ডাঙৰ বোৱাৰী হিচাপে বীণাপাণিয়ে নিজৰ দায়িত্ব সুচাৰু ৰূপে পালন কৰিছে, তাত কোনেও আঙুলি টোৱাব পৰা নাই। ঘৰ গৃহস্থালি পাতি দিয়াৰ পিছত দেওৰেকহঁতেও সকলোৰে আচুতীয়া ঘৰ সাজি থাকিবলৈ ল'লে। "ভাই-ভাই, ঠাই-ঠাই" বুলি কথা এষাৰো আছে নহয়। ওচৰা-ওচৰিকৈ একেখন ঠাইতে তিনিজন ভায়েকে ভাগে ভাগে থাকিবলৈ লোৱাৰ পিছত বীণাপণিৰ ভৰাঘৰ খালি যেন লগা হ'ল। তথাপিও বীণাপাণিয়ে সকলোৰে লগত এখন ঘৰৰ সম্পৰ্ক ৰাখি থাকিল। কিবা এটা সকাম নিকাম পাতিলেও বীণাপাণি নহ'লে জাকহঁতে কামেই আৰম্ভ নকৰে। ল'ৰা-ছোৱালীয়েও পৰীক্ষা, চাকৰিৰ সাক্ষাৎকাৰ দিবলৈ গ'লেও বৰমাকক মাত এষাৰ নলগোৱাকৈ নাযায়। বীণাপাণিয়ে এইখিনি মৰম-চেনেহ প্ৰাপ্য বুলিয়েই গ্ৰহণ কৰে, অইনকাৰো ওপৰতে বীণাপাণিৰে ক্ষোভ নাই।

সকলোৰে নতুনঘৰ নিজৰ মতে সজাই মেলি লোৱাৰ পিছত বীণাপাণিৰ নিজে থকা ঘৰটো কিন্তু আগৰ ব্যৱহৃত লগা নলগা বস্তুৰে পৰিপূৰ্ণ হৈ থাকিল,

বস্তুলৈ বীণাপাণিৰ বৰ মোহ, স্বাভাৱিক। এসময়ত বৰ কষ্টেৰে সংসাৰত লগা বস্তু এপদ এপদকৈ গোটোৱা বীণাপাণিয়ে অনুভৱ কৰিলে যে সেই কষ্টৰ কথা এতিয়া তাইৰ বাহিৰে কোনেও নুবুজে। কাৰণ সেইবোৰ বস্তুতকৈ আৰু বহুতো ভাল বস্তু এইখন ঘৰলৈ আহিল। পৰিয়ালৰ সদস্যও বাঢ়িল। ছমাহ আগতে ডাঙৰ ল'ৰা মণ্টুৰ বিয়াও শিক্ষিতা ছোৱালী জিতাৰ লগত পাতিলে। বিয়াৰ আগতেই বীণাপাণিয়ে ঘৰটোৰ সংস্কাৰ অলপ কৰাব বুলি ভাবিছিল কিন্তু সময় ক্ষেত্ৰত তাতকৈও প্ৰয়োজনীয় এনে কাম কিছুমানৰ খৰচ ওলাল যে সেইবোৰ তলপৰি থাকিল। মণ্টুও দেউতাকৰ দৰেই নিজৰ মতে কাকো নোকোৱা নেমেলাকৈ কামবোৰ কৰে। ঘৰটো সাজোতেই বৰুৱাকো বীণাপাণিয়ে নিজৰ কল্পনাৰ কথা কৈছিল, কাৰণ ক'বপৰা মানুহ তেতিয়া বৰুৱা আৰু মণ্টুৱেই আছিল। কিন্তু মনৰ কথা কোৱাতেই থাকিল। মণ্টু আৰু বৰুৱাৰ মনৰ সেঁতু বান্ধোতেই বীণাপাণিয়ে নিজৰ কোৱা কথাবোৰো পাহৰি পেলালে। গতিকে ঘৰো আধা মণ্টুৰ মতে আধা বৰুৱাৰ মতে হ'ল। ডাঙৰ কৰিব লগা কোঠাবোৰ সৰু আৰু সৰু কৰিবলগীয়াবোৰ ডাঙৰকৈ সজালে। ঘৰৰ মানুহখিনি গোটখাই এদিন হোম কৰি ঘৰ লোৱাও পাতিলে।

প্ৰথম অৱস্থাত বীণাপাণিৰ ভালেই লাগিছিল। আগৰ ভাৰা ঘৰৰ ঠেক ঠাইতকৈ যেতিয়া নিজৰ ঘৰৰ আগফালে বহুত মুকলি ঠাই পালে তেতিয়া বীণাপাণিয়ে তামোল, পাণ, নাৰিকল আদি ৰোৱাৰ ব্যৱস্থাও কৰিলে। আগফালে ফুলনি এখনো পাতিলে। লাহে লাহে সেই গছ-গছনি ডাঙৰ হৈ তামোল, পাণ, খাই বৈ লোকক দিব পৰা হ'ল। ফুলনিও মাজে মাজে হাবিৰ দৰে হ'ল। ফুলনি মানে অ'ত ত'ত ৰোৱা গুলঞ্চি, জবা, থলপদ্ম, গন্ধৰাজ, ৰঙা কৰবীৰ নিচিনা বাৰমহীয়া, চিৰস্থায়ী গছবোৰ, কম মাটিত টাবত সজোৱা বতৰৰ ফুল নহয়। সেইবোৰ পৰিস্কাৰ কৰা মানুহ বীণাপাণিয়ে লগালেও কোনোৱা দিনা বৰুৱাই সিহঁতক চোৱামেলা কৰি দিহা-পৰামৰ্শ দিয়ে আৰু যদিহে কোনো কিতাপত মগ্ন থাকে তেতিয়া বীণাপাণিৰ মুখতে চোৱা-চিতাৰ ভাৰ পৰে।

প্ৰথমে আহি মুকলি মুকলি লগা সেই শোৱা কোঠা পিছলৈ বীণাপাণিৰো ভৰালঘৰ যেন লগা হ'ল। কাকো নলগা অথচ সচৰাচৰ ব্যৱহৃত বস্তুবোৰ আহি বীণাপাণিৰ বিছনাৰ তলৰ পৰা আৰম্ভ কৰি কাঠৰ আলমাৰিৰ ওপৰলৈকে জমা হ'ল। তাতে কোঠাটোত থকা যেনৰ বতাহকণ কাৰো গাত নপৰি বেৰৰ কাষতে লাগি থকা গদৰেজ আলমাৰি, কাঠৰ আলমাৰি আৰু চিলাই কলটোৰ ওপৰতে পৰে। বিছনাখন যেনৰ তললৈ টানি নিব নোৱাৰি, কাৰণ বৰুৱাৰ কোঠালৈ যোৱা

দুৱাৰখন মাজতে আছে। সেয়ে দিনটোৰ কাম শেষ কৰি বিছনাত পৰিলেই বিশেষকৈ গৰমৰ দিনত বীণাপাণিয়ে ভোৰভোৰোৱা হ'ল।

আগতে সাময়িক আছিল, এতিয়া প্ৰাত্যহিক হ'ল। জীয়াৰী কালৰ পৰাই বীণাপাণিৰ গৰমটো বেছি। ফেন নহ'লে গৰমৰ দিনত মানুহ কেনেকৈ থাকে বীণাপাণিয়ে ভাবিবই নোৱাৰে। আগতেও সেয়ে ফেন নথকা ঠাইলৈ থকাকৈ যাবলৈ বীণাপাণিয়ে বৰ বেয়া পাইছিল। গৰমৰ দিনত বীণাপাণিৰ গাত যেন জুইহে জ্বলি থাকে। সেই বীণাপাণিৰ ঘৰত একান্ত নিজৰ ঘৰত আজি শোৱাকোঠাত ফেনখনৰ অৱস্থিতি দেখি মাজে মাজে তাইৰ চিঞৰি চিঞৰি গালি পৰিবলৈ মন যায়। কিন্তু কাকনো কি ক'ব? ঘৰ সজা মিস্ত্ৰীক? সংসাৰ সম্পৰ্কে উদাসীন গৃহস্থক? নে মৰমৰ পুত্ৰদ্বয়ক? কাকো একো কৈ লাভ নাই অথচ কিমান সৰু আৰু সাধাৰণ কাম এটা। আগতে ইমান সৰু কথাতে বীণাপাণিৰ মুখৰ মাত কোনেও নুশুনিছিল। বীণাপাণিৰ নিজৰে কেতিয়াবা আচৰিত লাগে।

আজিকালি বীণাপাণিৰ অভ্যাস হৈ গৈছে, ফেনৰ বতাহ নাপালেও শৰ্দ শুনিয়েই টোপনি যাবলৈ চেষ্টা কৰে। তাল পাতৰ বিচনীখনেৰে কিন্তু আঁঠুবাৰ তলত সদায়েই বিছি থাকে টোপনি আহিলে হাতৰ পৰা খৰকৈ সৰি পৰে আৰু তেতিয়া মিনিয়েও টেবুল লাইটটো নুমুৱাই লাহেকৈ নিজৰ বিছনাখনত উঠে। বিছনাত পৰি মিনিয়ে আন্ধাৰতে শোৱা কোঠাটোত চকু ফুৰাই ভাবে। এই কোঠাটোৰ সংস্কাৰ কৰা কোনো উপায় নাইনে? মাক বীণাপাণিৰ এনেয়ে খং নুঠে। বেৰৰ কাষত মাকক, ককাকে দিয়া মান্ধাতাযুগৰ সেই কাঠৰ অজৰ অমৰ আলমাৰিটো কাষতে তাইৰ পঢ়া মেজখন, তাৰ কাষতে অলপতে তাইৰে খেচখেচনিত লোৱা আইনা থকা গদৰেজ আলমাৰিটো, ওচৰতে দুখন বিছনা, বিছনাৰ তলত........ লাহে লাহে মিনিৰো টোপনি আহি যায়, ৰাতিপুৱাৰ লগে লগে আকৌ সেই দিনপঞ্জী আৰম্ভ হয়। কাৰো ক'তো সময় নাই। নতুনকৈ বিয়া কৰোৱা নবৌয়েকজনী বোৱাৰীৰ লগতে ছাত্ৰীও হৈ আছে, স্নাতকোত্তৰ শেষ মহলাত, বীণাপাণিয়ে বোৱাৰীয়েক জিতাকো ৰিণি, মিনিৰ শাৰীত থৈছে। এনেয়ে বীণাপাণিৰ কাৰো হাতলৈ চোৱা অভ্যাস নাই। এতিয়ালৈকে যি পাৰে নিজেই কৰি আছে। তথাপিও জিতাই বীণাপাণিৰ কাম-কাজত সহায় কৰিবলৈ নিজেই আগবাঢ়ি আহে। মিনিৰো নবৌয়েকক ভালেই লাগে। পিছে তাই বৰ গহীন হৈ থাকে, যেন "সাধাৰণ ভাবে থাকিব উচ্চ চিন্তা কৰিবা, প্ৰকৃতিৰ। ভালেই হৈছে অন্ততঃ দেউতাক কীৰিটি বৰুৱাৰ লগত নবৌয়েকৰ ভাবধাৰা মিলি গৈছে। জিতাই ৰাতিপুৱাই গা-পা ধুই বীণাপাণিৰ লগত ৰাতিপুৱাৰ জলপান

বনাই আৰু শাহুয়েক বীণাপাণিৰ অতীত ইতিহাস টুকুৰা টুকুৰকৈ শুনি থাকে।

বৰ্ত্তমান যুগত নহ'লেও আগতে সাধাৰণতে মাইকী মানুহে বেছি ভাগ সময় পাক ঘৰতে কটাইছিল। সেয়ে তেনে মানুহৰ বাবে পাকঘৰটো যদি নিজৰ সুবিধাৰ মতে নহয় সদায় অশান্তি হয়। বীণাপাণিৰো অশান্তি পাক-ঘৰনো বাৰু ইমান ডাঙৰ কৰেনে কোনোবাই? এতিয়াতো সলনি কৰাৰ উপায় নাই। নীৰৱ শ্ৰোতা বোৱাৰীয়েক জিতাক শুনাযায় বীণাপাণিয়ে 'এই কোঠাটো দেউতাৰাই এনেকৈ সজালে যে ইয়াত ইচ্ছা কৰিলে এখন নৃত্য নাটিকা কৰিব পাৰি, ভাত ৰান্ধিবলৈ কৰা এই বহল ছেল্‌ফখন যেনিবা মঞ্চ, তাতকৈ গোঁসাইঘৰ এটা বেলেগে সজা হ'লে? মাজত বেৰ এখন দিবৰ উপায় থকা হ'লে? সেয়ে ভাত খোৱা মেজৰ কাষতে গোঁসাইক থৈছো। ৰাতিপুৱা গাধুয়েই যি তেৰাৰ চৰণৰ ধূলি লওঁ। বাকী সময়ত ভাত খাবলৈ বহা সকলোৰে ভৰিৰ ধূলি তেৰাৰ ওচৰলৈকে যায় যেন লাগে। বোৱাৰীয়েক জিতায়ো হাঁহি কয় আমাৰ মাৰো দেউতাৰ লগত পাকঘৰটো লৈয়েই সদায় লাগে দুজন মানুহ একেলগে সোমালে কাৰ ক'ত দুৱাৰত খুন্দা লাগি কিলাকুটি, নাকফুলে ঠিক নাই। ইমান সৰু আমৰ দৰে পাকঘৰ কিয় সজালে বুলি, 'আমৰ দৰে'? বীণাপাণিয়ে প্ৰশ্ন কৰিলে জিতাই কয় এই উপমাটো মায়ে আইতাৰ পৰা পাইছে আগতে দেউতাৰ গাঁৱৰ ঘৰৰ পৰা আইতা আহিলে আমাৰ পানী গৰম কৰা কেট্‌লিটো দেখিলে আইতাই হাঁহিছিল "এইটো আমৰ দৰে কেট্‌লিত পানী গৰম কৰিলে মোক নাটে বুলি, বীণাপাণিয়ে দাইলত তেল সম্ভাৰ দিবলৈ গৈ হাঁহি আৰু হাঁচিত ৰ'ব নোৱাৰা হৈছিল। বোৱাৰীয়েক জিতাই গহীন হৈ থাকিলেও আনক হহুৱাব পৰা গুণ আছে। তাৰ পিছত আৰু বীণাপাণিয়ে বেছি কথা পতিবলৈ সময় নাপায়। পুতেক বোৱাৰীয়েক ইউনিভাৰ্ছিটিলৈ যায়, মিনি কলেজলৈ আৰু বল্টু থাকিলে মিনিটে মিনিটে চাহৰ যোগাৰ দিবলগীয়া হয়। সকলো ভাগে ভাগে নিজ ঠাইলৈ যোৱাৰ পিছতহে বীণাপাণিয়ে বৰুৱা মানুহজনৰ খবৰ লবলৈ সময় পায়। সেইখিনি সময়ত বৰুৱাৰো সাধাৰণভাবে দুকাপ চাহ খোৱা হৈ যায়। জলপানেৰে সৈতে সৰহীয়াকৈ গাখীৰ চাহপাত দি জুতি লগাই কৰা চাহ দুকাপ বৰুৱাৰে সৈতে এইখিনি সময়তহে বীণাপাণিয়ে খাই লয় আৰু সংসাৰৰ প্ৰয়োজনীয় খুটি-নাটি কথা পাতে। মানুহজনে যদি তাইৰ কথামতে সাধাৰণ ঘৰেই হওঁক সুবিধা থকা ঘৰ সাজিলেহেতেন। আজি বীণাপাণিৰ ইমান ক্ষোভ নহ'লহেঁতেন। কিন্তু এইখিনি সময়ত বীণাপাণিয়ে এই ক্ষোভ পাহৰি যায়। বৰুৱাৰ ওচৰত হেৰাই যোৱা দিনবোৰৰ খতিয়ান দাঙি নধৰে। অতি সুখী দম্পতীৰ দৰেই বটাত ধপাত, চূণ,

তামোল-পাণ যোগাৰ কৰি নিজেও এখন মুখত ভৰাই সংসাৰৰ বাকী থকা কামৰ আঁচনি মিনি, ৰণ্টুৰ বিয়া আদিৰ কথা আলোচনা কৰে, এটা সময়ত পাৰ্ট টাইম কাম কৰা বাইজনী আহিলে প্ৰয়োজনীয় কামবোৰ আকৌ এবাৰ বুজাই দিবলৈ উঠি যায়। কেতিয়াবা আলহী অতিথি আহিলেহে এই নিয়মৰ ব্যতিক্ৰম ঘটে।

বোৱাৰীয়েক জিতাই মাজে মাজে কয়, পৰীক্ষা শেষ হ'লে বীণাপাণিক জিৰণি লবলৈ দিব অন্ততঃ কিছুমান অভ্যাস সলনি কৰিব লাগিব। কিন্তু বীণাপাণিয়ে জানে জিৰণি লবলৈ নোপোৱাৰ দুখত তেনেকৈ থাকে? বীণাপাণিৰ মতে হেজাৰ নাৰী প্ৰগতি পথত যাওঁক, মেল-মিটিঙ কৰক মাইকী মানুহে যেতিয়া ভাতৰ চৰু এৰি বাটলৈ ওলায় সেইখন ঘৰত শান্তি থাকিব নোৱাৰে। এইটো এটা সৰু অথচ সত্য কথা, বীণাপাণিয়ে ভাৱে ঘৰখনলৈ সম্পূৰ্ণ পিঠি নিদিয়াকৈ বাটলৈও ওলাওক নাৰীৰ জাগৰণে এনে ভয়ঙ্কৰ ৰূপ লওঁক যি ৰূপ দেখি যিকোনো দুৰ্নীতিকাৰী ভ্ৰষ্টাচাৰী বা বিপথগামী পুৰুষ কঁপি উঠক। কিন্তু ভাতৰ চৰুটো সম্পূৰ্ণবেলেগৰ হাতত এৰি দিলেই সেইখন ঘৰত নিজৰ কোনো স্পৰ্শ থকা দূৰৰ কথা আধিপত্যও নাথাকে। চাকৰি কৰি ঘৰ চলোৱা মাইকী মানুহৰ কথা বেলেগ। বাটলৈ ওলোৱা মাইকী মানুহে সমাজত আধিপত্য বিস্তাৰ কৰে, সমাজ সংস্কাৰো কৰে। কিন্তু বীণাপাণিয়ে মাথো নিজৰ ঘৰখন লৈ থাকিব বিচাৰে। এই খিনিতেই বহুতৰে লগত বীণাপাণিৰ পাৰ্থক্য।

বীণাপাণিয়ে জানে ব্যক্তিকেন্দ্ৰিকতাই মানুহক নিঃসংগ কৰি তোলে। অৱশ্যে এতিয়া নতুনকৈ আৰু বীণাপাণিয়ে ব্যক্তিগত চিন্তা কৰিবও নোৱাৰে। গতিকে নিঃসঙ্গতাৰ প্ৰশ্নই নুঠে। কীৰিটি বৰুৱাই ঘৰখনত এষাৰো মাত খৰচ নকৰাকৈয়ে ঘৰখন চলি গৈছে, অথচ বীণাপাণিয়ে ঘৰলৈ অহা আলহী, অতিথিকে আদি কৰি বাৰীত লগোৱা হাজিৰা কৰা মানুহটোলৈকে সকলোৰে লগত ৰাতিপুৱাৰ পৰা হাজাৰটা শব্দ খৰচ কৰে আৰু সংগ দিয়ে, আগতে ডাঙৰ জীয়েক ৰিণি থাকোতে ঘৰখনত মানুহ-দুনুহ আহিলে তায়েই মাত-কথা দিছিল। মিনি তেনে মিচুক স্বভাৱৰ ছোৱালী নহয়। জিতা থাকিলে দুই এষাৰ কথা পাতে পিছে তাই নতুন ছোৱালী, পঢ়া-শুনাৰ দায়িত্বও আছে। সৰু পুতেক ৰণ্টু হোষ্টেলতে থাকে। মাজে মাজে সি আহে আৰু বীণাপাণিয়ে কিবা কব খুজিলেই মনে মনে থাকিবলৈ কয়। ৰণ্টু ল'ৰাটো অলপ বেলেগ ধৰণৰ। সৰুৰে পৰা সি তীক্ষ্ণ বুদ্ধিৰ। অভিযন্তা হ'লেও সকলোৰে নকৰা কিবা এটা কৰিবলৈ তাৰ মন, ৰণ্টুৱে ভাৱে ঘৰখনত পঢ়াশুনাৰ পৰিবেশ নোহোৱা যেনেই হৈছে। অথচ বীণাপাণিৰ বাহিৰে সকলোৱে এতিয়াও ছাত্ৰ-ছাত্ৰীৰ পৰ্য্যায়তে আছে। ৰণ্টুৱে লাইব্ৰেৰীৰ পৰা

কিতাপ আনি হ'লেও দৰ্শনৰ পৰা বিজ্ঞানলৈকে নানা বিষয়ৰ কিতাপ পঢ়ে। বৰুৱাই সৰু পুতেকৰ এই পঢ়া-শুনা কৰা লক্ষণটো মুখত নক'লেও পেটে-পেটে শলাগে। কিয়নো উত্তৰাধিকাৰী সূত্ৰে অইন বেছি একো থৈ যাব নোৱাৰিলেও তেওঁৰ অধ্যয়ন স্পৃহাৰ উত্তৰাধিকাৰী এজন অন্ততঃ আছে বুলি তেওঁ উৎফুল্লিত হয়।

ডাঙৰ পুতেক মণ্টুৱে ঘৰত থাকিলে মাকৰ লগতে যি দুই-চাৰি আষাৰ কথা পাতে। কলেজত থকা সময়খিনিৰ বাহিৰে বাকী সময় আত্মীয়-স্বজন, বন্ধু-বান্ধৱ সমাজখনৰ লগত কটাই ভাল পায়। বিহু, পূজা, যিকোনো সামাজিক অনুষ্ঠানত আগভাগ লয়। কেতিয়াবা বহুদিন নোযোৱা আত্মীয়ৰ ঘৰলৈ গৈ কৈ উঠে 'সম্বন্ধৰ লাইচেন্সখন ৰিনিউ কৰিবলৈকে আহিলো নহ'লে লেপচু হৈ যাব পাৰে।' আজিকালিৰ যুগত সকলো মানুহেই কিবা যান্ত্ৰিক হৈ গৈছে। ভালে আছো, ভাল চাওঁতেই সীমাবদ্ধ। মণ্টুৱে নিজৰ মানুহৰ মাজত থকা তেজ মঙহৰ সম্বন্ধটো জীয়াই ৰখাটো বিচাৰে। সৰুৰে পৰা দেউতাকৰ ওচৰত মনৰ কথা খুলি নক'লেও মণ্টুৱে দেউতাকক যথেষ্ট শ্ৰদ্ধা আৰু সমীহ কৰি চলে।

হায়াৰ চেকেণ্ডাৰী পাছ কৰাৰে পৰা-হোষ্টেলতে ইমান বছৰ পাৰ কৰি দিয়া মণ্টু পত্নী জিতায়ো ভাবে এইখন এখন বেলেগ জগত। ইয়াৰ মানুহবোৰ যুক্তিতকৈ বেছি আবেগৰ দ্বাৰা পৰিচালিত। মানুহবোৰৰ আন্তৰিকতা আছে, কৃত্ৰিমতা নাই। অলপ সুখতে হাঁহিব পাৰে। অলপ দুখতে চকুপানী সাগৰ হয়। হোষ্টেল জীৱনত তাই বহুতো বান্ধৱী লগ পালে, প্ৰতেকৰে পৰা তাই ভাল বেয়া বহুতো কিবাকিবি শিকিলে। মানুহ চিনিলে অন্ততঃ হোষ্টেলত থকাই তাই সেইটো এটা ডাঙৰ লাভ কৰিলে। বৰ্ত্তমান এই ঘৰখনত তাই হোষ্টেলত নোপোৱা বহুতো কিবাকিবি পাইছে। মাজে মাজে বন্ধতহে ঘৰলৈ গৈ থাকি অহা জিতাই সোতৰ বছৰ বয়সৰ পৰাই মাক-দেউতাক ভাই-ভনীৰ পৰা যিমানেই যোজন মাইলৰ দূৰত্বত নাথাকক কিয় তেওঁলোক সদায় তাইৰ অন্তৰতেই আছে। এতিয়া তাই বেলেগ ঘৰ এখনতো একেই মাক-দেউতাকৰ মৰম চেনেহ পাইছে, মণ্টুৰ নিচিনা স্বামী, মিনি ৰিণিৰ নিচিনা ননদ আৰু বণ্টুৰ দৰে দেওৰেৰে মৰমীয়াল ঘৰ এখনত জিতাই সম্পূৰ্ণ সুখতেই আছে। বীণাপাণিয়েও জিতাক দেখি ভাবে কোনোবা গীতিকাৰে লিখা সেই কাৰঘৰৰ পাটনাদ আছিল কাৰ ঘৰৰ জৰী' বোলা গীতটি সঁচাকৈয়ে ছোৱালীবোৰৰ লগত মিলি যায়, আৰু উলিয়াই দিয়া বৰজীয়ৰী ৰিণিৰ খালি ঠাই জিতাই পূৰণ কৰি তেওঁৰ মানসিক সুখ-দুখৰ সঙ্গ সঙ্গী হব পাৰিব বুলিও ভাবে।

এইদৰেই সংসাৰচক্ৰ সুখে দুখে ঘুৰি থাকে আচলতে বীণাপাণি এই পৰিপূৰ্ণ সংসাৰখন লৈ সুখীয়েই তথাপিও মাজে মাজে সৰু সৰু মান, অভিমান পোৱা নোপোৱা, নোকোৱা দুখবোৰেই এসময়ত অন্তৰৰ পৰা নিগৰি আহে। থুপ খাই থকা সেই সৰু সৰু কথাবোৰ শোৱাপাটীত পৰিলে ভোৰ-ভোৰণিৰ ৰূপ লয়। পুত্ৰ, বোৱাৰী কন্যা সকলোৰে মনত এই মিঠা ভোৰ-ভোৰণিয়ে ৰাগ আৰু সুৰ সঞ্চাৰ কৰে, যি সন্ধ্যাৰাগ নুশুনিলে মিনিৰ টোপনি নহয়, মণ্টুৱে শোৱাৰ সময়ত কোঠাতভুমুকি মাৰি কয় আজি মা ক'ৰবালৈ গৈছে নেকি? ৰণ্টুৱে কয় মাই দেখোন আজি বৰ মনে মনে আছে। বৰুৱাই সিটো কোঠাৰ পৰা চিঞৰি সোধে মাৰৰ গা বেয়া নেকি অ? ঠান্দাৰ দিন পৰাৰ লগে লগে বোৱাৰীয়েক জিতাই শোৱাৰ সময়ত গৰমপানীৰ চৰিয়াটো আনি বীণাপাণিক জোৰকৈ ভৰি দুটা ধুৱাই, মচি গ্লিচাৰিণ লগাই দিয়ে ঠিক পূজাৰ বন্ধত ৰিণি আহিলে দিয়াৰ দৰে। বীণাপাণিয়ে তেতিয়া ভাবে সময়ৰ লগে লগে তেওঁ বাৰু সলনি হৈ গ'ল নেকি?

অনুভৱ

গেটখনত খিৰিক কৈ শব্দ উঠাৰ লগে আৰতিয়ে খিড়িকিৰে চাই পঠিয়ালে, কোনো অহা নাই, কোনোবা এটা ওলায়হে গ'ল। এই কম্পাউণ্ডত বহুতো মানুহ আছে, প্ৰায় আঠ নঘৰ মানুহ। অসমীয়া, বঙালী, বিহাৰী, মাৰোৱাৰী, এই আটাইকিটা সম্প্ৰদায়ৰ মানুহ। কিন্তু কম্পাউণ্ডত সোমোৱা গেট এখনেই। কাৰ তালৈ কেতিয়া কোন আহে একো হিচাপ নাই। প্ৰায়বোৰ মানুহেই চাকৰিয়াল। একেবাৰে পিছফালৰ ঘৰটোত তাই নেদেখা মুৰটোত থাকে অমৃত শৰ্ম্মা, ইলেকট্ৰিচিটি বোৰ্ডত চাকৰি কৰে, মৰমলগা ছোৱালী এজনী। ঘৈণীয়েকজনী বেছ বুদ্ধিয়ক আৰু কৰ্ম্মী। পিছে ছোৱালীজনীৰ দুবছৰ নৌহওঁতেই আৰু এজন নবাগতক আদৰণি জনাবলৈ প্ৰস্তুতি চলোৱাত মানুহজনীৰ চেহেৰাটো বেয়াকৈ পৰি গৈছে। আৰতিয়ে নিজেই খা খবৰ লৈ থাকে, মানুহজনীয়ে কিন্তু কোনোদিনে তাইৰ তালৈ ফুৰিবলৈ বা বহিবলৈ অহা নাই। বোধকৰো বোবাৰ শত্ৰু নাই বাবেই মানুহগৰাকীয়েও কথাকৈ বেছি মিতিৰকুটুম বঢ়াবলৈ ইচ্ছা নকৰে। শৰ্ম্মা মানুহটো বেয়া নহয় উপকাৰী ধৰণৰ পিছে গোৱাৰ, সেয়ে মানুহে তেওঁৰ পৰা সতকাই উপকাৰ খুজিবলৈ ভাল নাপায়।

মাজৰ অংশত এহাল মধ্যপ্ৰদেশৰ মানুহ থাকে ভাড়া লওতে সিহঁতে মাত্ৰ দুটা মানুহ স্বামী-স্ত্ৰী, থাকিব বুলি কৈছিল, কাৰণ এই কম্পাউণ্ডৰ মালিকে বেছি

সদস্য থকা লোকক ভাড়া নিদিয়ে, তেওঁ খিচিং মিচিং ভাল নাপায়। পিছে প্ৰথমে দুয়োটাই তলা লগায় বেছিভাগ কোনোবা বুৱাজীৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। তাৰ পিছৰ পৰা কিন্তু সিহঁতৰ ঘৰলৈ ফুৰিবলৈ অহা মানুহৰ উপৰিও নিগাজীকৈ থকা দুটা দণ্ডডণ্ডীয়া ল'ৰা, মাক, ভনীয়েক আহি ওলাল। আৰু প্ৰায় ছমাহ মান একেৰাহে থাকি চব্বিশ বছৰীয়া পুতেক এটাক থৈ মাক ভনীয়েক আটায়ে নিজৰ দেশলৈ গ'ল। আৰু পুৰা তিনিমাহৰ পিছত আটাইসোপা আকৌ আহি ওলাইছে, কাৰণ বোৱাৰীয়েক সন্তান সম্ভৱা প্ৰথম বাৰৰ বাবে। বুঢ়ীজনীয়ে কাৰো ভাষা নুবুজে কেৱল দেখিলেই হাতযোৰকৈ নমস্তে বুলি কয়। প্ৰত্যুত্তৰত কি পায় বুঢ়ীয়ে নাচায়। দিনটো বুঢ়ীয়ে ইঘৰে সিঘৰে লেপেটা কাঢ়ি বিচনাতে বহি লয়গৈ, বুঢ়াৰ পুতেক সুশীল চাক্সেনা, ওখপাখ সুগঢ়িত ডেকা। কোনোবা কোম্পেনীত চাকৰি কৰে। দেখিলেই অসমীয়া ডেকা যেন লাগে। অসমীয়া কবও জানে শুদ্ধকৈ, মানুহজন সাতে পাঁচে নাথাকে, সকলোৰে লগত অমায়িক হাঁহি এটা মাৰি 'ভালনে আপোনাৰ' বুলি সকলোৰে লগত ভাল হৈ থাকে। ঘৈণীয়েক জৰ্নী মিঠাৰঙৰ খিনকৈ দিঘলীয়া। মুখৰ । অইন সাজ সজ্জাতকৈও তেওঁচুলিৰ বিভিন্ন ডিজাইনৰ ষ্টাইল জানে। শাৰী একেখন পিন্ধিলেও বিভিন্ন ডিজাইনৰ চুলি বান্ধি মানুহজনীয়ে অ'ত ত'ত গৈ থাকে। তাইৰ এনেহেন সুদৰ্শন স্বামী ভাগ্য দেখি আমাৰ অইন ছোৱালীয়ে ভিতৰি ভিতৰি অলপ হ'লেও ঈৰ্ষাবোধ কৰিবই। পিছে তেওঁলোকৰ পাত্ৰী নিৰ্ব্বচনো যৌতুকৰ ওপৰতহে হয় সেয়ে আৰতি নিশ্চত যে চাক্সেনা চাহাবে পিন্ধা চুট টাই আনকি ৰেডিঅ', টি ভি, স্কুটাৰ সকলো যৌতুকতে পোৱা। বুঢ়ীমাকেও সেইবোৰ বৰ' গৌৰৱেৰে উপভোগ কৰে। ল'ৰা ছোৱালীৰ পৰা বোৱাৰীলৈকে মাকক 'বাই' বুলি মতা শুনিলেহে তাইৰ বৰ অখজা অখজা লাগে। পিছে যস্মিন দেশে যদাচাৰ।

চাক্সেনাৰ কাষৰ আংশটোত থাকে আশোকে স্বৰূপ আগৰৱাল, ইউ, পি ফালৰ উকীল। মানুহজন অতি শান্ত আৰু ভদ্ৰ, মানুহজনক আৰতিয়ে সুগায়ক অনুপজলোটাৰ লগত সাদৃশ্য থকা যেন দেখে। দুটা মৰমলগা ল'ৰাৰ সৈতে ঘৈণীয়েক সন্ধ্যা। সন্ধ্যা যি সন্ধ্যাই। মানুহজনী ধুনীয়া যদিও অনবৰত অশান্তিত মুখখন ওন্দোলাই তাইৰ নামটোৰ সত্যতা প্ৰকাশ কৰি থাকে। মাজে মাজে চিএঞৰি বাখৰি হিষ্টাৰিয়া ৰোগীৰ দৰে শান্ত প্ৰকৃতিৰ গিৰিয়েকটোৰ লগত কাজিয়া কৰে। অৱশ্যে আগবেলা কাজিয়া লাগে, পিছবেলা দুয়োটাই বৰ একাত্মভাৱে বাৰাণ্ডাত কথাপাতি থাকে নাইবা ফুৰিবলৈ গুচি যায়। উভটি আহোতে ল'ৰাদুটাৰ ডিঙিত দুডাল মালা আৰু সিঁহতৰ ডিঙিতো মালা আৰু ফোঁট দেখা যায়।

মানে মন্দিৰ দৰ্শন কৰি থাকে। সাত্ত্বিক ধৰণৰ মানুহ।

সিঁহতৰ কাষতে থাকে কমাৰ্চ কলেজত কাম কৰা আৱসৰপ্ৰাপ্ত বঙালী অধ্যাপক সেনগুপ্ত। মানুহজনৰ ল'ৰা-ছোৱালী দুটা, ল'ৰাটো জামসেদপুৰতবৃটিছ ফাৰ্ম এখনৰ মেনেজাৰ, মাকো তাৰ লগত তাতেই থাকে। ছোৱালীজনী বিয়া দিছে, সেনগুপ্তৰ ঘৈণীয়েকক বহুদিনৰ আগতে এদিন ইয়ালৈ অহা আৰতিয়ে দেখিছিল। এইজন মানুহে কিয়া বাৰু ল'ৰা আৰু ঘৈণীৰ ওচৰত থাকি অৱসৰ প্ৰাপ্ত জীৱনৰ আৰাম উপভোগ নকৰে এইকথা ভাবি মাজে মাজে আৰতিৰ আচৰিত লাগে। কাৰণ কেতিয়াবা জীয়েকৰ তলৈ যোৱাৰ বাহিৰে তেওঁক আৰু কলৈকো যোৱা আৰতিয়ে দেখা নাই। অৱশ্যে সেইবাবে আৰতিৰ কব লগীয়া একো নাই প্ৰতেককৰে ব্যক্তিগত জীৱন বুলি কথা এটা আছে। বৰঞ্চ তেওঁ থকা বাবে ল'ৰা-ছোৱালীৰ অঙ্কৰ শিক্ষকৰ কাৰণে আৰতিয়ে কোনো দিনে মুৰ ঘমাবলগীয়া হোৱা নাই। বহুতো ছাত্ৰ-ছাত্ৰী এই গেটেদিয়েই তেওঁৰ তালৈ অহা যোৱা কৰা আৰতিয়ে দেখে।

একেবাৰে শেষৰ মূৰটোত থাকে অসমীয়া পৰিয়াল এটা গিৰিয়েক ঘৈণীয়েক দুয়ো চাকৰি কৰে। গিৰিয়েকটো হৃষ্টপুষ্ট দেখনিয়াৰ চেহেৰাৰ মানে বেছ একঠা খোৱা মানুহ যেন লাগে। মানুহটোক দেখিলেই বেছ উপৰুৱা আমদানী যে আছে ধৰিব পাৰি ঘৈণীয়েক জনী খিনমিন, ওখ, মুখখন ধুনীয়া। চুচিকটা পিছে দেখি অহাৰ পৰাই তেনেকুৱা যদিও দেখোতাই সদায় ভাবিব এই মানুহজনী এসময়ত নিশ্চয় শকত আছিল এতিয়াহে চেহেৰা বেয়া হৈছে। সিঁহতৰ ল'ৰা-ছোৱালী এহাল, একেই চেহেৰাৰ, ভালৰো ভাল খুৱালেও যে কিছুমানৰ চেহেৰা নধৰে তেনে ধৰণৰ খাওঁতে লওঁতে সদায় আমনি কৰে। কণীৰ কুহুমটোহে খায়। ভাত খাওঁতে বেছিভাগ বস্তুৱেই কাউৰী আৰু মেকুৰীৰ ভোজ হয়। ঘৈণীয়েকজনী তজবজীয়া নহয় কিবা যান্ত্ৰিক ধৰণৰ মানে উঠিলো, গাধুলো, খালো, অফিচ গলো, আহিলো, শুলো, এই ধৰণৰ। গিৰিয়েকজন বোধকৰো, অলপ ওলোটা প্ৰকৃতিৰ, নীতি, নিয়ম, ঘৰি-ঘণ্টা ধৰি চলা মানুহ নহয়। মাজে মাজে বন্ধ পালে ঘৈণীয়েকক বজাৰলৈ নি এসোপামান কাপোৰ কানিৰ পেকেটেৰে সৈতে ভৰ্ত্তি কৰি ঘৰলৈ আহে। পিছে হাজাৰ কাপোৰ কানি পিন্ধক আনক, স্বাস্থ্যই পৰম সম্পদ' এই শব্দটো সিঁহতক দেখিলেই আৰতিৰ মনলৈ আহে, ঘৈণীয়েক জনীয়ে বৰ জুখি মাখি কথা কয় আৰু সহজে কাৰো লগত মিতিৰালি নকৰে। মানুহক কবলৈও ভাল অফিচৰ কামত সময়েই নাপায়। অফিচ ওমেনৰ সাতখুণ মাফ। কামকৰা ল'ৰা-ছোৱালীৰ লগত দিনটো ল'ৰাছোৱালী এৰি যায়, আৰু ধনঘটাৰ

লগে লগে মানসিকভাৱে ল'ৰাছোৱালীয়ে কি কি ঘটি আছে মাকে সেইটো এতিয়া বুজা নাই। অৱশ্যে দেশৰ চাকৰিয়াল মহিলা সকলোৱে সেইটো সমস্যা, সকলোৱে ভাগ্যততো নিজৰ মানুহ নিমিলে। গতিকে পোৱা নোপোৱাৰ হিচাপ নিজে নির্ণয় কৰিব নোৱাৰিলে অন্তত আৰতিয়ে নকৰে। কাৰণ সেইবোৰ লেঠাত পৰিব বুলিয়েই তাইক গৃহস্থই চাকৰি কৰিব নিদিলে। তেতিয়াৰ দিনতে সোমোৱা হলে তাই অন্তত স্কুলৰ চাকৰি এটাকে পালেহেতেন। কিন্তু গৃহস্থৰ মনোভাব 'মই অকলে যি ধনঘটো তাৰেই চলিবলৈ শিকাটোৱেই তোমাৰ চাকৰি, গতিকে তায়ো সেইকথাকে শিৰোগত কৰি চলি আহিছে। আৰু আজি চাৰিটাকে ল'ৰা-ছোৱালী ডাঙৰ কৰি মাকৰ কর্তব্য কৰাৰ লগতে দেউতাকৰ কামো কিছু কৰি দিছে।

গৃহস্থই কোৰোণাৰে চপাই ধন ঘটি নানিলেও হাতেৰেই অনা ধনেৰেই কোনোমতে ইকুল-স্কিুল ৰক্ষা কৰি তাই ঘৰ চলাইছে। আৰু সেয়ে আজিলৈকে তাই ভাৰাঘৰত, নিজৰ ঘৰৰ চাল এখন দেখিবলৈ তাইৰ ভাগ্য হোৱা নাই। কেতিয়াবা খঙ উঠিলেও ; গৃহস্থক কিবাকিবি বকিলেও পিছলৈ নিজেই মনে মনে থাকিবলৈ বাধ্য হয়। কিয়নো তাইৰ গৃহস্থ শান্তশিষ্ট খাটি মানুহ কোনো কৃত্রিমতা নাই। মানুহে যিয়েই নকওঁক বা নাহাইঁক তাইৰ সেয়ে শান্তি। অৱশ্যে আজিৰ যুগত তাইৰ গৃহস্থৰ দৰে মানুহ হ'ল অচল টকাৰ নিচিনা কাকো তেল দিব নাজানে. চৰকাৰৰ নিমখ খাইছে যেতিয়া একনিষ্ঠ ভক্তৰ দৰে কাম কৰে, কোনো দিন নিজৰ কথা নাভাবে এসময়ত চীনাযুদ্ধত মিলিটাৰীত আছিল, বাহুত এতিয়াও গুলীৰ চিন আছে। দেশৰ প্রতিও প্রেম আছে সংসাৰৰ সুখ-দুখ একোৱে বিচলিত নকৰে, গতিকে তাইৰ মাজে মাজে সন্দেহ হয় মানুহজন বাৰু তাইৰ ক্ষেত্রত খটিনে? সদায় নিজৰ মতেৰে চলে কোনোদিনে তাই কোৱা কথামতে কামকৰা মনত নপৰে। কেৱল মাজে মাজে কয় 'বুইছা চাকৰি জীৱনৰ পৰা অৱসৰ লোৱাৰ পিছত যেনেকৈ চলিব লাগিব এতিয়াৰ পৰাই তেনেকৈ চলিবলৈ শিকা নহলে পিছত অসুবিধা পাবা।' তাইৰ কিন্তু বৰ খঙ উঠে। কোনোবা কালত উপভোগ কৰিবলৈ কম হব নাটনি হব পাৰে গতিকে এতিয়াৰ পৰাই কমকৈ খোৱা কমকৈ উপভোগ কৰা ইস তাই অন্তত এইটো নীতিত কেতিয়াও নচলে গতিকে মাজে মাজে খকা-খুণ্ডা লাগি যায় আৰু সেইয়া একমাত্র নিজৰ থকা ঘৰ এটাৰ কাৰণে।

এই কম্পাউণ্ডত থকা আন মানুহ শইকীয়া ডেকা দুই জনে নিজৰ ঘৰ সজায় আছে। তেওঁলোকেও ঘৰ গুলালেই যাব। মাহেশ্রী বোলা পৰিয়াল এটাও

আছে। তেওঁলোকে মাজতে থকা আসাম টাইপৰ ঘৰ এটা সম্পূৰ্ণ নিজাকৈ লৈছে। বহুত আগতেই লোৱা বাবে সস্তাত পাইছে তেওঁলোকৰ বেলেগ ঠাইত ঘৰ আছে যদিও ভাড়া দিছে। ৰাজস্থানৰ পিনৰ মানুহ। নিজৰ ঘৰ হোৱা সত্ত্বেও ভাড়া ঘৰত আছে। ব্যৱসায়ী মানুহ যেতিয়া লাভ লোকচানৰ কথাও আছে নিশ্চয়। তেওঁলোকৰ কথা বাদ মুঠতে আৰতিয়ে এতিয়া আৰু লাভ লোকচানৰ হিচাপ নকৰে। বহুদিনৰ মূৰত তাইৰ মনৰ ইচ্ছা পূৰ্ণ হবলৈ ওলাইছে আৰতিৰ নিজৰ ঘৰ এখন হৈছে। যোৱা সপ্তাহত ঘৰলোৱা পাতি চুবুৰীৰ মানুহখিনিক যৎসামান্য খুৱালে ; আজি সিহঁত যাব। বস্তুবোৰ নিয়া হ'ল। এতিয়া কেৱল তাই গৃহস্থ অহালৈ বাট চাই আছে।

বহুদিনৰ মূৰত সম্পূৰ্ণ খালি কোঠাটোত বহি তাইৰ সুখ-দুখৰ সঙ্গী, ঘৰটোক এৰি যাবলৈ ওলাই তাইৰো নিজকে খালি কোঠাটো যেনেই লাগিছে, তাই ঘৰ বিচাৰিছিল নিজৰ ল'ৰা-ছোৱালী সৰু থাকোতেই ল'ৰা-ছোৱালী এতিয়া হোষ্টেলত সৰুজনীহে লগত থাকে। ডাঙৰ ছোৱালীজনী পঢ়া শেষ কৰি আহিলে বিয়া দিবৰে হব। গতিকে এতিয়া নতুনকৈ নতুন ঘৰলৈ গৈ গৃহসজ্জা কৰি সেইখন ঘৰৰ লগতে নিজকে খাপ খুৱাই লওঁতে ওচৰচুবুৰীয়াৰ লগত চিনাকি হওতে তাইৰ বহু সময় লব। তাইৰ জানো সিমান উদ্যম আছে এতিয়া?

সকলোকে মাত লগাই আহি আৰতিয়ে এই খিনি সময় যেন ঘৰটোৰ লগতহে কথা কৈছিল, বিদায় লৈছিল। আচলতে মানুহ য'তেই থাকে সেয়াই ঘৰ কেৱল নিজৰ সম্পূৰ্ণ অধিকাৰ থকা কাঠ, বাহ, কংক্ৰিট, চিমেণ্টেৰে সজা ঘৰ এটাই জানো অকল ঘৰ হব পাৰে, যদিহে তাত এই চুবুৰী নিজৰ পৰৰ সকলোৰে সুখ, দুখৰ পৰস্পৰৰ বুজাবুজিৰ অংশ নাথাকে? মিছাতেই তাই ইমান বছৰে ঘৰ ঘৰকৈ আছিল।

বাহিৰত গাড়ীৰ শব্দ শুনি আৰতি বহি থকাৰ পৰা ভাগৰুৱাৰ দৰে উঠিল আৰু চকুপানী খিনি মোহাৰি পেলালে, ঘৰটোৰ প্ৰতি সেৱা জনাই আৰতি বাৰাণ্ডালৈ ওলায় আহিল। বাৰ্ণাড শ্ব'ৰ কথা এফাঁকি তাইৰ মনলৈ আহিল "When there is a want, there is a meaning of living, satisfastion mean's death."

কলীয়া গোসাঁই

পুতেকৰ চাকৰিৰ খবৰ পাই গোসাঁনীৰ গা সাত আঠখন হ'ল। আবেলি ওচৰৰে নামঘৰত বাৰীৰে মালভোগ ক'ল, নাৰিকল, আৰু বুটমাহেৰে শৰাই এখনো দি থৈ আহিলগৈ। গোসাঁনীৰ বহুবছৰ সাধানাৰ ফলস্পৰূপেহে এনে পুত্ৰ সন্তান পাইছে বুলি সকলোৱে কয়। এটা সূৰ্য্যই পৃথিৱী পোহৰোৱাৰ দৰে গোসাঁই গোসানীৰে একমাত্ৰ সন্তান অভিজিতেও তেওঁলোকৰ ঘৰখন আৰু গাওঁখনৰ নাম পোহৰ কৰিছে।

ব্ৰজমোহন গোসাঁই বুলিলে সেই অঞ্চলত সকলোৱে বাঘ দেখা দিয়ে। প্ৰবল প্ৰতাপী মৌজাদাৰ বিষ্ণু গোসাঁই আছিল তেওঁলোকৰ পূৰ্ব্বপুৰুষ। সেই সময়ত তেওঁলোকৰ অৱস্থাও ৰজনজনা আছিল। নিজৰ হাতীৰেহে অহা যোৱা কৰিছিল। সুপুৰুষ বিষ্ণু গোসাঁইৰ পুতেক হৰমোহন গোসাঁইৰ দিনলৈকে অৱস্থা আছিল। শেষৰ পিনে কিন্তু ভাল চোৱা চিতা কৰা মানুহৰ অভাৱতেই নে আন কিবা কাৰণত গোঁসাই বংশত কেনা লাগিল। লক্ষ্মীয়ে এৰা দিলে। পিছে আগৰ কলাছোৱাত লক্ষীৰ প্ৰভাৱ থাকিলেও সৰস্বতীৰ লগতহে লেঠা নাছিল। হৰমোহন গোঁসাইৰ নাতি ব্ৰজমোহন গোঁসাইৰ পুত্ৰ অভিজিৎৰ দিনৰ পৰাহে সৰস্বতীৰ প্ৰভাৱ পৰিল।

ব্ৰজমোহন গোঁসায়ে অলপ দূৰৰ ছোৱালী আনিলে। গোঁসানীৰ ঘৰখনো শিক্ষাৰ পোহৰ পোৱা তাতে গোঁসাই নিজেও তেতিয়াৰ দিনৰ হাইস্কুল পাছ। গোঁসানীও পঢ়াশালিৰ মুখ দেখা ছোৱালী। সেয়ে তেওঁলোকৰ যেতিয়া অভিজিতৰ পিছত আৰু সন্তান নহ'ল, তেওঁলোকৰ সকলো মনোযোগ অভিজিতক মানুহ কৰাতে লগালে। সেই অভিজিতে গাওঁখনৰ ভিতৰতেই নহয়, গোটেই অসমৰ ভিতৰতেই প্ৰথম হৈ যেতিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰিলে, তেতিয়া মাক পিতাকৰ লগতে গাওঁখনৰো আনন্দৰ সীমা নোহোৱা হ'ল। উচ্চশিক্ষাৰ বাবে তাক গুৱাহাটীলৈ পঠিয়ালে তাতো অসমৰ ভিতৰতে প্ৰথম হৈ সুদূৰ দিল্লী চহৰলৈ পঢ়িবলৈ গ'ল। আৰু সুদীৰ্ঘ পাছ বছৰৰ মূৰত আগৰ সুনাম অক্ষুণ্ণ ৰাখি দিল্লী বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰীলৈ আহিল। ভাৰত বিখ্যাত কোম্পেনী এটাত উচ্চবিষয়াৰ বাব এটা লৈ একেলগে গৱেষণা কৰাৰ বাবে বিদেশ যাত্ৰাৰ সুবিধা এটাও কৰি ল'লে।

সেই সময়খিনি গোঁসানীৰ বাবে এক সুদীৰ্ঘ সময়। অভিজিতে বি. এচ. চি. পঢ়ি থাকোতেই গোঁসাই সন্নিপাত জ্বৰত ভুগি প্ৰায় শৰ্য্যাগত হৈ পৰে। আৰু তেতিয়াৰ পৰা তেওঁৰ কৰ্ম্মক্ষমতাও নোহোৱা হৈ যায়। তথাপিও গোঁসানীয়ে কাৰো পৰা সহায় নোলোৱাকৈ অভিজিতকো বৰ বেছি কথা জানিবলৈ নিদিয়াকৈ সময়বোৰ পাৰ কৰি দিলে, জানোচা তাৰ পঢ়াশুনাত ব্যাঘাত হয়। গোসানীয়েও সেয়ে তাৰ চাকৰি এটা হোৱাটো বাট চাই আছিল আৰু যেতিয়া সি বৰ ডাঙৰ চাকৰি এটা পোৱা বুলি খবৰ পালে নামঘৰলৈ গৈ শৰাই দি আহিল আৰু বাটতে সোমবৰ মিস্ত্ৰীক পাই মতাই আনিলে। বহুদিনৰ পৰা গোঁসানীয়ে ভাবি আছিল ল'ৰাই চাকৰি কৰিলে পুৰণি ভাঙি যোৱা গোঁসাই ঘৰটোৰ ওপৰত টুপ দি ভালকৈ বান্ধিব আৰু সেয়ে গোসাঁইঘৰত থকা সাতামপুৰুষীয়া কলীয়া গোসাঁইৰ মুৰ্ত্তিটো থবলৈ এখন শুৱনিকৈ মণিকূট লগোৱা আসন সজাবলৈ সোমবৰক ভালকৈ বুজায় দিলে। যিমান পাৰে সিমান সোনকালে আসনখন দিবলৈ ক'লে আৰু আসনত কলীয়া গোঁসাইক স্থাপন কৰাৰ দিনা বৰ ডাঙৰকৈ সবাহ এখন নিজৰ ঘৰতে পাতিব বুলি গোসাঁনীয়ে পাঙি থ'লে। কিন্তু মানুহে পাঙে, ঈশ্বৰে ভাঙে, সেয়ে গোঁসায়ে বিছনাৰ পৰাই গোঁসানীৰ আলহ উদহ দেখি ক'লে বোলো তইযে এইবোৰ গাই-বাই আছ আগতে তাক আহিবলৈ দেছোন কি কথা কি বতৰা সুধি পুচি ল ইমান আগৰ পৰাই আশা কৰা ভাল নহয় অ' গোঁসানী। মই বিছনাত পৰি থকাই তোৰনো কমখন কষ্ট হৈছেনে?

পইচাৰ তলী উদং হৈছে, মাটি বৃত্তিও নাই। নিজে চাব নোৱাৰাৰ বাবে সকলো শেষ হ'ল। এইবোৰ বুজাই মেলি কওঁতে অলপ সময় লাগিব, আৰু তাৰ বিয়াখনো পাতিব লাগিব। বিয়াৰ কথা উলিয়ালত গোঁসানীয়ে গোঁসাইৰ ওচৰতে পিৰাখন পাতি বহি ল'লে আৰু ক'লে আপুনি ভাল কথাটো কৈছে, এইবাৰ অভিৰ বিয়াখন পাতিবই লাগিব। ছোৱালীতো দুই চাৰিজনী দিছেই পিছে তাৰ এজনীহে মোৰ মন খাইছে। গোঁসায়ে লগে লগে বুজি পালে কাৰ ঘৰৰ ছোৱালীৰ কথা কৈছে। শৰৎ গোঁসাইৰ ছোৱালীৰ বাসন্তী, সঁচাকৈয়ে পূৰ্ণিমাৰ জোন যেন লগা মৰমলগা ছোৱালীজনী। কেতিয়াবা আহিলে ঘৰখন পোহৰ হৈ যায়। গোঁসাইৰো মন আছে. একে সমানৰ মানুহ তেওঁলোকৰো আগৰ অৱস্থা নাই তথাপি একেজনী জী বৰ আতোলতোলকৈ ডাঙৰ কৰিছে। হাইস্কুল পাছ কৰি নতুনকৈ খোলা গাৱৰে কলেজখনত পঢ়ি আছে। গোঁসায়ে তথাপি মুখৰ ভাৱৰ অভিব্যক্তি প্ৰকাশ নকৰিলে। প্ৰভূৰ ইচ্ছতহে সকলো চলে। গোঁসনীয়ে জ্বলাই দিয়া চিলিমটোত দুটামান টান মাৰি গোঁসায়ে লাখুটিদালত ধৰি কোনোমতে-বিছনাখনলৈ গ'ল।

গোঁসানীয়ে বাৰীৰ পাছৰ সুমিত্ৰাক ৰিঙিয়াই মাতিলে। আৰু ভিতৰলৈ গ'ল। সুমিত্ৰা বাঁৰী বিধবা ছোৱালী। তাই গোঁসানীক বহুতো কামত সহায় কৰি দিয়ে আৰু সহায়ো পায়। বিপদে আপদে গৰুচৰা ল'ৰাটোও আছে। সিও গোঁসাইৰ আল-পৈচান ধৰে সেক পোতকো দিয়ে, ঘৰতে লাউটো বেঙেনাটো বুলিলে গৰখীয়া লৰা মনবৰেই কৰা খেতিৰ পৰা খাই আছে। অভি ককায়েক কেতিয়া আহিব তাৰেই চিন্তাত তাৰ ৰক্ষা নাই। যোৱা বছৰ আহোতে তালৈ দিল্লীৰ কাপোৰ আনি দিছিল, সেয়ে তাৰ ইমান আগ্ৰহ। অভি আহিব বুলি গোঁসানীয়েও বাঁহৰ পাৰযোৰ সাঁচি থৈছে। সন্ধিয়া হোৱাৰ সগে লগে গোঁসানীয়েও ভাত ৰান্ধিবলৈ বুলি ৰঙা মেখেলাখন পিন্ধি আখলৰ তললৈ জুই নিলে। গোঁসায়ে সোনকালে খাইবৈ বিছনাত পাৰি থাকে। তাতে দিনৰ দিনটো ইবিধ সিবিধ কৰি থকা গোঁসানীৰ আচলতে ভাগৰ লাগে। চাকি-বন্তি দি ভাত ৰান্ধিবলৈ লৈ গোঁসানীয়ে ভাবিলে যাতত পিহা বাকলি থকা মগুদাইল আছে। হবিষিয়া বেঙেনাও আছে। ঘৰৰ গাখীৰৰ সৰ জমাই কৰা ঘিঁ এবটলো হৈছে, তাৰেই অকমাণ আদাদি ৰান্ধি থব। ঘৰৰে হাঁহকণী আছে। তাকো সিজাই থব। মনবৰে আনি থোৱা খেতিৰে সৰু সৰু আলুগুটি দুটামানো ভাজি থব, ৰাতিৰ আয়োজন ইয়াতকৈ বেছি কৰিবলৈ গোঁসনীৰ সামৰ্থ্যই নুকুলায়। আগৰ সেই কঠালৰ পীৰাত বহি বানকাহীত বিধে বিধে ৰন্ধা ভাত আঞ্জা এইখন হাতেৰেই দিয়াৰ কথা

ভাবিলে গোঁসানীৰ মনটো বেয়া লাগে। তেনেদিন ঘুৰি নাহিলেও ইয়াতকৈ ভাল দিন নিশ্চয় আহিব বুলিয়েই গোঁসানীয়ে ভাবি থৈছে দাইল খিনি বহাই দি গোঁসানীয়ে জুইকুৰাৰ কাষতে বহি ল'লে। গোঁসানীহতৰ চৰুত পিয়াজ নহৰু নচলে, আজিলৈকে সেইবোৰ নিদিয়াকৈ আঞ্জা ৰান্ধি গোঁসানীয়ে সকলোকে তৃপ্ত কৰিছে। বাকী থকা দিনকেইটাও নিতীনিয়মত কটাই শিৱৰ সেন্দুৰেৰে সৈতে যাব পাৰিলেই গোঁসানীয়ে জীৱন সাৰ্থক বুলি ভাবে।

পাচলি কটা হ'লত জাবৰৰ চৰিয়াটো পেলাবলৈ আখলৰ বাহিৰলৈ ওলাই গোসানীয়ে দেখিলে নঙলা খুলি কোনোবা এটা সোমায় আহিছে। গোঁসানীয়ে চৰিয়াটো আগৰ ঠাইত থৈ হাতখন ধুই আহি পাইমানে মনবৰৰ মাত শুনিলে "অ: আইতা অভি ককাইদেউ আহিছে, চাওঁকহিচোন!" গোঁসানীয়ে আগবাঢি গৈ দেখিলে হয়েই, হাতত মাত্ৰ এটা চুটকেছ লৈ অভি বাৰাণ্ডাই পালেহি আৰু মাকৰ ভৰি চুই সেৱা কৰি সকলোৰে কুশল বাতৰি ললে। গোঁসানীয়ে পুতকেৰ মুৰে গায়ে হাতফুৰাই চেহেৰা-পাতি বেয়া হোৱা বুলি ক'লে আৰু খোৱা-বোৱা ভালকৈ নকৰা বুলি অভিযোগো কৰিলে, মাক বিলাকে ল'ৰা-ছোৱালীক সদায় ক্ষীণ দেখে বুলি কৈ অভিজিত গোঁসানীৰ লগত পিতাকৰ কোঠালৈ গ'ল। ইতিমধ্যে পিতাকেও মাত শুনি বিছনাত গাৰুটোত আউজি উঠি বহিল। অভিজিতে পিতাকৰ ভৰি চুই সেৱা কৰিলে। ভিতৰি ভিতৰি পিতাকৰ চেহেৰা দেখি অভিজিতৰ বেয়া লাগি গ'ল। আৰু পিতাকক ক'লে দুই এদিনতে সি নতুন ডাক্তৰ আনি ঔষধপাতিও সলাই দিয়াৰ ব্যৱস্থা কৰিব আৰু পিতাকৰ অসুখ বেছি হোৱাৰ কথা তাক একো নজনোৱাৰ কাৰণ মাকক সুধিলে। কিন্তু মাক ভিতৰলৈ যোৱাত গোঁসায়ে ক'লে হবদেচোন, তই মুখহাত ধুই আহি জিৰণি ল, আহি পাইছহে মাথোন মোৰতো সদায়েই বেমাৰ লগত যোৱা বেমাৰ অ' এইবোৰ আৰু কি ভাল হব। পাচেপৰেও কথা বতৰা হম, পিতাকৰ কথা শুনি অভিজিতৰ মুখখন ক'লা পৰি গ'ল। আন্ধাৰতে কেনেও লক্ষ্য নকৰিলে। কোঠালিৰ পৰা একো নমতাকৈ অভিজিত ওলাই আহিল।

গোঁসায়ে মন কৰিলে অভিজিত ওলাই আগতকৈ গহীন হৈছে। হবও পাৰে। এনোয় শান্ত প্ৰকৃতিৰ ল'ৰা তাতে শিক্ষাই বে ছ গাম্ভীৰ্য্য আৰু পাৰিপাট্য আনিছে। তথাপি কিয় জানো গোঁসাইৰ মনত কিবা এটাৰ অভাববোধ হ'ল। ৰাতিৰ সাজ ভাত খাওঁতে গোঁসায়ে সঁচৰাচৰ খোৱাতকৈ দুই এপদ বেছিকৈ পালে আৰু মাক পুতেকে কেতিয়া খাই শুলে কব নোৱাৰকৈয়ে গোঁসাইৰ চকুত টোপনি নামি আহিল। আৰু ৰাতি পুৱাৰ লগে গলে মনবৰৰ চিএৰ বাখৰত

গোঁসায়ে সাৰ পালে। মনবৰৰ চিএৎৰ বাখৰৰ এটা কাৰণ যে আজি সি গৰু চৰাবলৈ নাযায়, ওচৰৰে পথাৰখনত এৰাল দি থৈ আহিব। আজি গোঁসানী আইতাকে গৰখীয়া পূজা কৰিব, বহুদিনৰ পৰাই ল'ৰা ভালে কুশলে উভটি আহিলে এইবোৰ কৰিবলৈ গোঁসানীয়ে পাণ্ডি থৈছিল তাতে মনবৰলৈ এইবাৰ আৰু ভাল চোলা লগতে দীঘল পেণ্ট আনিছে সেয়ে সি ইমান উত্রাৱল।

গোঁসানীয়ে যোগাৰ কৰি দিয়াত হাতমুখ ধুই চাহ এটোপা খাই গোঁসাই ৰদতে আৰমচিয়াৰ খনত বহিল। আৰু পুতেক অভিজিতকো ওচৰত মাতি আনি বহুৱালে ধপাত চিলিম লগাই দি গোঁসানীয়ে গা-ধুবলৈ গ'ল। পিতাকে চিন্তান্বিত অভিজিতৰ মুখখন দেখি সুধিলে "তোৰ চাকৰিটো কেনে ধৰণৰ ? সদায় তাতেই থাকিব লাগিব নে অসমতো আহিব পাৰিবি। ইমান পৰে কম বুলি ভাবিও কব নোৱাৰা কথাৰ পাতনি পিতাকেই মেলাত অভিজিতে প্ৰথমে থতমত খালেও পিছত ভালেই পালে। আৰু এবাৰতে তাৰ বক্তব্য কৈ শেষ কৰিব পাৰিব বুলি পিতাকক ক'লে যে সি চাকৰিত যোগদান কৰিয়েই গৱেষনাৰ কামত বিশেষ সুবিধা এটা পাই এমাহৰ ভিতৰতে আমেৰিকালৈ যাব লাগিব। আৰু দহমাহৰ পিছত আকৌ আগৰ ঠাইলৈ আহিব লাগিব। কিন্তু কথাটো হঠাৎ ঠিক হ'ল বাবে সি পিতাকক নজনোৱাকৈ বগুচাইন কৰিলে। পিছে বৰ্তমান তাৰ পিতাকৰ শৰীৰৰ অৱস্থা দেখিহে বেয়া লাগিছে আৰু মাকক কি সতেৰে কব তাকেই চিন্তা কৰিছে, টকা পইচাৰ চিন্তা হেনো কৰিব নালাগে " এই কেইআষাৰ একেলগে কোৱাৰ পিছতো আচল কথাটো পিতাকক কবলৈ সাহ অভিজিতে নাপালে। এইবাৰো পিতাকে বহুসময় ধপাত টানি মনে মনে কিবা চিন্তা কৰাৰ পিছত ক'লে–" তোৰ ইমানখিনি উন্নতিৰ পথত আমি অকণো হেঙাৰ হব নেখোজো। তোৰ ভাগ্য তই নিজেই গঢ়িছ। আমি তোক পঢ়াৰ বাবে বিশেষ একো দিব পৰা নাই। আমাৰ কাৰণে বৰ চিন্তা নকৰিবি। আমাৰ চলিয়েই থাকিব। পিছে মাৰৰ কথা অলপ ভাবিবি বুলি হুমুনিয়াহ এটা কাঢ়ি পিতাকে ক'লে কম দিনৰ ভিতৰতে হলেও এইবাৰ তোৰ বিয়াখন পাতিব লাগিব। ছোৱালী তোৰ অপচন্দ নহব, ৰূপে গুণে শিক্ষাই তোৰ জোৰৰ হব। মহেশ্বৰ দেউক খবৰ দে আজিয়েই সকলো ঠিক কৰক। পিতাকৰ কথা শুনি অভিজিত বজ্ৰপাত পৰাৰ দৰে হ'ল। আৰু চকুৰ আগত নাজমাৰ সহজ সৰল মুখখন ভাহি উঠিল। এতিয়া সি কিসতে নাজমাৰ কথা পিতাকক কয় ? সি জানে গোঁড়া পিতাকে কোনোদিনেই অইনধৰ্মৰ ছোৱালী এজনীক বোৱাৰীৰূপে গ্ৰহন নকৰে। আৰু মাক! মাকক সি কালিৰে পৰাই বহুকথাৰে মন চাইছে। সহজ সৰল মাকতো এনে কথা সহ্যই

কৰিব নেৱাৰিব কিজানি সেয়ে মাককো সি নিজ মুখে এই কথা কব নোৱাৰিব আৰু নাজমা অবিহনে তাৰ জীৱনৰ এইখিনি মূল্য সি নাপালেহেতেন। পঢ়ি থকা কালৰে পৰা দুয়োৰে মাজত প্ৰথমে বন্ধুত্ব আৰু পিছত কেনেকৈ ভালপোৱাত পৰিণত সি নাজানে। নাজমায়ো তাক উন্নতিৰ পথত উৎসাহ প্ৰেৰণা যোগায় আহিছে। দুয়ো একেলগে ডক্তৰেটো ললে আৰু বিয়া কৰাই আমেৰিকাতো একেলগে যোৱাৰ পৰিকল্পনা। কিন্তু পিতৃ-মাতৃ ৰ বিৰুদ্ধে কাম কৰি এই আঘাত দিলে তাক কোনেও ক্ষমা নকৰে। ঈশ্বৰে কৰিবনে? নে আল্লাই?

এনে এটা দিনৰ মুখামুখি হব লাগিব বাবে নাজমাই কৈছিল-"তুমি এই আশা বাদ দিয়া জিত, মোৰ আব্বাজানে জনা বুজা শিক্ষিত লোক হৈও এই কথা ভালদৰে বিবেচনা কৰিহে সিদ্ধান্ত লবলৈ কৈছে কাৰণ আমাৰ ভৱিষ্যতৰ সকল কি হব? হিন্দু নে মুছলমান? নাজমাই তাৰ সকলো কথাই জানে সেয়ে মন চাবলৈ প্ৰথমতে কৈছিল" আব্বাজানে তোমালৈ মোক বিয়া কোনোমতে নিদিয়ে, তোমাৰ বিষয়ে কোৱাত মোক ক'লে "অভিজিতে যদি ধৰ্ম্মান্তৰ কৰে বেলেগ কথা -ধৰ্ম্ম সলনি কৰাৰ কথাত কেতিয়াও খং আৰু অভিমান নকৰা অভিজিতৰো সেইদিনা বৰ খং উঠিছিল আৰু নাজমাক কৈছিল—"মই অন্তৰ সলনি কৰিব পাৰো, তোমাকো এৰিব পাৰো কিন্তু ধৰ্ম্ম ত্যাগ কৰিব নোৱৰো, ধৰ্ম্ম সলনি নকৰিলে নো কিহব? আমি বিয়া কৰালেও নিজৰ মতে চলিম, কোনোদিন তোমাৰ স্বাধীনতাত, আল্লাক আৰাধনা কৰাত হস্তক্ষেপ নকৰো", সেইদিনা নাজমাই মৰমেৰে তাৰ হাত দুখন নিজৰ হাতলৈ আনি কৈছিল "জিত তুমি আব্বাজানে লোৱা পৰীক্ষাত উত্তীৰ্ন হৈছা। তেওঁৰেই মোক এই খিনি কথা তোমাক কবলৈ কৈছিল আৰু তাৰ উত্তৰৰ ওপৰতে আমাৰ ভৱিষ্যত নিৰ্ণয় হব বুলি কৈছিল, তুমি যদি ধৰ্ম্মান্তৰ কৰিলাহেতেন আব্বাজানে তোমাৰ আৰু মোৰ মাজত এখন দেৱাল সৃষ্টি কৰিলেহেতেন, নিজৰ স্বাৰ্থৰ বাবে যিয়ে ধৰ্ম্মত্যাগ কৰে তেওঁ মানুহ নহয় আব্বাজানৰমতে।" তাৰ পিছত অভিজিতৰ সকলো কাম দ্ৰুত ভাবেই হৈছিল। আৰু মাত্ৰ দুদিনতে সকলো ঠিক কৰি মাক পিতাকক কৈ সেৱা আশীৰ্ব্বাদ লৈ উভতিব বুলি সি গাঁৱলৈ আহিছিল। কিন্তু বাস্তৱৰ সম্মুখীন হোৱাটো যে কিমান কঠিন! নজমাই ঠিকেই কৈছিল সি এইবাৰ কথা কোনোমতে তাৰ পিতাকক কব নেৱৰে বুলি। নাই সি পাৰিবই লাগিব। নাজমা অবিহনে যে তাৰ জীৱনাযাত্ৰা মিছা।

গাঁৱৰে সৰুকালৰ বন্ধু এজনে অভিজিতৰ সম্বন্ধীয়া ভনীয়েক এজনীক বিয়া কৰাইছে। যোৱাৰ আগতে তাক সকলো কথা খুলিকৈ এই কেইমাহে মাক

পিতাকক চোৱাচিতাৰ দায়িত্ব দি যাব। সি তাক কেতিয়াও বিমুখ নকৰে। গাঁৱৰে আদৰ্শ থকা লৰা মাৰ্কসীয় নীতিৰ প্ৰতি শ্ৰদ্ধাশীল তাৰ মানুহক বুজাব পৰা ক্ষমতা আছে। গাঁৱৰ কলেজখনৰে শিক্ষক, অভিজিতৰ পৰা কোনো উত্তৰ নপায় পিতাকে মনবৰক মাতি মহেশ্বৰ দেউক খবৰ দিবলৈ ক'লে। কিন্তু অভিজিতে আৰু পলম কৰা উচিত নহব বুলি ভাবি মনতে সিদ্ধান্ত লৈ পিতাকক ক'লে "পিতা আপুনি মোক পাৰে যদি ক্ষমা কৰিব। মই মনে প্ৰণে এজনী ছোৱালীক ভাল পাওঁ। তাই অইন ধৰ্ম্মৰ। মাৰ আগত এই কথা মই কব নোৱাৰিলো। জ্ঞান হোৱাৰে পৰা আপোনাৰ পৰা মই কোনো কথা গোপনে ৰখা নাই। ইয়াৰ পৰা গৈয়েই দিল্লীকোৰ্টত আমাৰ বিয়া হব। যদিও মই আপোনালোকক ওচৰত নাপাও, আপোনালোকৰ চৰণৰ ধূলি মোৰ শিৰত সদায় থাকিব" বুলি পিতাকৰ চৰণ চুই সি আঠুকাঢ়ি সেৱা কৰিলে । অভিজিতৰ এনে নিৰ্ম্মম কথা শুনি গোঁসাইৰ হাতৰ পৰা ধপাতৰ নলীদাল পৰি গ'ল। তেওঁ প্ৰথমতে ধোৱা ধোৱা গোটেইখন অন্ধকাৰময় দেখিলে। লাখুটিদালত ভৰ দি তেওঁ থৰক বৰক কৈ ঠিয় হ'ল আৰু ভিতৰলৈ যাবলৈ উদ্যত হ'ল। অভিজিতে পিতাকক ধৰিবলৈ অহাত তেওঁ আজোৰ মাৰি দি ক'লে " এই কথা শুনাৰ আগতে মোৰ মৃত্যু নহল কিয়? আজিৰ পৰা তই মোৰ ত্যজ্যপুত্ৰ। মোৰ কোনো পুত্ৰ নাই। পুত নামৰ নৰকৰ পৰা উদ্ধাৰ কৰাৰ পাৰবৰ্তে পুত্ৰ হৈ তই মোক যি নৰকত পতিত কৰিলি, তোৰ মুখ আৰু মই নাচাও" বুলি চুচৰি যোৱাদি গোঁসাই গৈ ভিতৰৰ বিছনাত ঢেৰাই মেৰাই পৰিল।

গা ধুই আহি এইবোৰৰ একো ভু নোপোৱা মাকে তিতা চুলিৰে গৰখীয়া সবাহৰ যোগাৰ কৰি আছিল। কোনোবা এটাই আহি গোঁসাইৰ কিবা হোৱা বুলি ক'লত ঠাইৰ বস্তু ঠাইতে এৰি গোঁসানী ভিতৰ পালেহি। প্ৰায় চেতনাহীন গোসাঁইক ভিতৰত, আৰু শিলপৰা কপৌৰ দৰে বাহিৰত বৈ থকা পুতেকক দেখি "তইনো কি থৰ লাগি আছ; কোনোবা এটাক নামাত কিয়? বুলি ৰাউচি জোৰাত অভিজিতে ভিতৰলৈ আহি মাকৰ ভৰি চুই সেৱা কৰিলে। মাকে একো তৎ ধৰিব নোৱাৰাত ওচৰতে গোট খোৱা ল'ৰা মনবৰ আদি সকলোৱে পানী চটিয়াই ভৰি হাত পিটিকি দিয়াত গোঁসাইৰ জ্ঞান আহিল, আৰু ওচৰতে কিংকৰ্ত্তব্য বিমোৰ ভাবত বৈ থকা অভিজিতক দেখি গোঁসায়ে সেহাই সেহাই গোঁসানীক ক'লে "তাক যাবলৈ দে, আজিৰ পৰা যদি পুতেৰৰ মুখ চাব তই মোৰ মৰা মুখহে দেখিবি। সি হেনো বিধৰ্ম্মী ছোৱালী বিয়া কৰাব আৰু সকলো ঠিক কৰি সি আমাৰ আৰ্শীবাদ লৈ আমাৰ শৰাধ কৰিবলৈহে আহিছে। তাক যাবলৈ দে বুলি

গোঁসায়ে আকৌ চেতনা হেৰুৱালে।

মুহূৰ্ত্ততে কি ঘটিল কোনেও কবই নোৱাৰিলে। পিছৰ কথা আৰু খৰ গতিত হ'ল। কোমল মনৰ গোসাঁনী সময়ত কঠিন হ'ল আৰু গোসাঁইৰ দৰে একমাত্ৰ পুত্ৰক ত্যাগ কৰিলে, তাৰ মুখেই নাচালে। গাঁৱৰ মানুহেওঁ তাক ধিক্কাৰ দিলে। যিখন গাঁৱৰ পৰা সি সন্মান লভিছিল সেই গাঁওখনেই তাক সমাজচ্যুত কৰিলে। বাল্যকালৰ সেই বন্ধুৱেও প্ৰথমে তাক সমৰ্থন নকৰিছিল যদিও পিছত তাৰ মানসিক গতি দেখি মাক পিতাকৰ দায়িত্ব লবলৈ গাত ললে আৰু খবৰ বাতৰি দি থাকিব বুলিও ক'লে। অভিজিত নিজৰ কৰ্ম্মস্থলীলৈ সেইদিনাই গুচি আহিল। আৰু ভগ্ন হৃদয়ে নাজমাৰ সাহচৰ্য্যত শান্তনা লভিবলৈ চেষ্টা কৰিলে। নাজমাই ক'লে "সময়ে সকলো সহজ কৰি তুলিব। অভিজিতেতো জানেই এনে হব বুলি, গতিকে ঘটি যোৱা ঘটনা ভাবি থাকি কিবা লাভ আছে জানো? জিতে যদি নিবিচাৰে তাই এতিয়াও অভিজিতক ত্যাগ কৰিবলৈ প্ৰস্তুত, শেষত কোৰ্টত সিহতৰ বিয়াও হৈ গ'ল।

দহমাহৰ ঠাইত পোন্ধৰ মাহৰ মুৰত সিহত যেতিয়া আহি পুনৰ দিল্লী পায় নাজমাৰ কোলাত তেতিয়া সিহতৰ ভৱিষ্যত এবছৰীয়া শিশু কৃষ্ণ। অভিজিতৰ নিচিনা ৰূপ, ৰং লৈ অহা বাবে তাৰ নাম অভিজিতে কৃষ্ণজিত ৰাখিছিল। অভিজিতৰ সকলো খবৰ মাক পিতাকক তাৰ বন্ধুজনেই আওপকীয়াকৈ জনাই আছিল আৰু চিঠি পত্ৰৰ যোগেৰে অভিজিতকো মাক পিতাকৰ খবৰ জনাইছিল। পিতাকে তাক ক্ষমা কৰা নাছিল। তাৰ কোনো কথাই হেনো ঘৰখনত আলোচনা নহৈছিল। পিতাক সম্পুৰ্ণ শৰ্য্যগত হৈ পৰিছিল আৰু মাকৰ কথা বন্ধুজনে একো নিলিখিছিল। কিন্তু নাজমাই তাক কৈছিল "মাতৃহৃদয়ত আঘাট দিয়াতো কিমান পাপ এতিয়াহে বুজিছো। সৰুতে মাতৃহাৰা হোৱা নাজমাই মাতৃৰ মৰম নিজে মাক হোৱাৰ পিচতহে অনুভৱ কৰিলে। সঁচাকৈয়ে মাক পিতাকৰ অন্তৰত আঘাত দি কোনেও চিৰস্থায়ী সুখ পাব নোৱাৰে। অন্ততঃ পিছত নাজমাই সেইটো হাড়ে হিমজুৰে উপলব্ধি কৰিছিল। কাৰণ অভিজিতে মাক পিতাকৰ মাজৰ পৰা নাজমাৰ একান্ত আপোন হৈ আহিও তাইৰ হৈ থাকিব নোৱাৰিলে। এক শোকাবহ দুৰ্ঘটনাত পতিত হোৱা অভিজিতক নিয়তিয়ে মাত্ৰ এদিনতে নাজমাৰ ওচৰৰ পৰা কোনোবা অজান পুৰীলৈ লৈ গ'ল। নাজমাই নিজকে কঠিন বৰ্ম্মৰ মাজত আবদ্ধ ৰাখি জিতৰ গাঁৱৰ ঘৰলৈ খবৰ পঠিয়ালে। শেষ দৃশ্যটো বৰ শোকাবহ আছিল, জিতৰ শটো নিবলৈ বৃদ্ধ পিতাকেই সেই বন্ধুজনক পঠিয়াইছিল আৰুহিন্দু প্ৰথামতে তাৰ শেষ সংস্কাৰ কৰাইছিল।

তাৰপিছত চাৰিটা বছৰ নাজমাই জিত আৰু তাইৰ মৰমৰ সাক্ষী কৃষ্ণক সাবটি পাৰ কৰি দিলে। দিল্লীৰ বিচার্চ চেন্টাৰ এটাত তাই কাম কৰিছিল, আব্বাজান আৰু পৰিয়ালৰ বহুতেই তাইক পুনৰ বিবাহ কৰিবলৈ কৈছিল কিন্তু নাজমাই সেই বন্ধনৰ ওচৰ আৰু নাচাপে বুলিয়েই ভাবিলে। কৃষ্ণও আব্বাজানৰ মৰমৰ হৈ পৰিল। কিন্তু আজি এমাহ আগতে জিতৰ পিতাকৰ মৃত্যুৰ খবৰ পাই নাজমাৰ মনে জিতৰ মাকৰ কথা ভাবি পাৰ নোপোৱা হ'ল। জিতে মাজে মাজে মাকক সুখ দিব নোৱাৰিলো বুলি দুখ কৰিছিল। আৰু পিতাক জীয়াই থকাত মাকে যে তাৰ মুখ দৰ্শন নকৰে সেই কথাও নাজমাক কৈছিল। হয়তো জিত থকা হ'লে আজি মাকৰ ওচৰলৈ এবাৰ হলেও গলহেতেন। জিতৰ আত্মাৰ শান্তিৰ বাবে নাজমাই তাইৰ বুকুৰ আপোন কৃষ্ণক পতি পুত্ৰহাৰা জিতৰ মাকক দিবলৈ ঠিৰাং কৰিলে আৰু কিবা বাধাৰ সৃষ্টি হব বুলিয়েই আব্বাজানলৈ চিঠি এখন লিখি সাঁচাকৈয়ে এদিন অভিজিতিৰ ঘৰলৈ যাত্ৰা কৰিলে। হিন্দুৰ ল'ৰা কৃষ্ণক তাই হিন্দুৰ হাততে গটাই দিব তাৰ বাবে তাইৰ অন্তৰখন শিলৰ দৰে কঠিন কৰি তুলিবলৈকে তাই প্ৰস্তুত হ'ল। কৃষ্ণ সাইলাখ সৰুকালিৰ অভিজিত। অভিজিতৰ শৈশৱ কালৰ ফটোৰ নিচিনা। অভিজিতৰ মুখত শুনি তাইৰ মনত সকলো ছবিৰ নিচিনা পৰিস্ফুট আছিল সেয়ে তাইৰ জিতৰ ঘৰ উলিয়াবলৈ অকণো কষ্ট নহল।

ঘৰৰ পদুলি পাই তাই দেখিলে বাহিৰত কোনো নাই কদমগছজোপা ফুলি জকমকাই আছে। নাহৰ ফুলৰ গছ দুজোপাও জিতে কোৱাৰ নিচিনাকৈ সম্মুখতে আছে। টোপনিৰ পৰা সাৰপোৱা কৃষ্ণক কোচৰ পৰা নমাই দি এহাতেৰে পাতল বেগটো লৈ নাজমাই আনহাতেৰে কৃষ্ণৰ হাতত ধৰি গোঁসাইৰ চৰা ঘৰ পালেগৈ। চৰাঘৰত বহি থকা এগৰাকী বগা কাপোৰ পিন্ধা বুঢ়ীমানুহে প্ৰশ্নবোধক দৃষ্টিৰে চাই তাইৰ পিনে আগুৱাই আহিল । ইতিমধ্যে কৃষ্ণই চৰাঘৰৰ এটা কোনত পৰি থকা মণিকুট লগোৱা আসনখন দেখি তাৰ শোৱা কোঠাত থকা বেবীকটৰ লেখীয়া যেন ভাবিয়েই নে কিবা অদৃশ্য সংকেতত কব নোৱাৰি পোনচাটেই গৈ সেই আসনখনতেই বহি ললে আৰু তাৰ সৰু সৰু হাত দুখনেৰে গোল গোল নিমজ গম্বুজৰ নিচিনা টুপ দুটা থপথপাবলৈ ধৰিলে নাজমাই বুঢ়ী গৰাকীৰ ভৰি চুই সেৱা কৰিলে। জিতৰ মাক বুলি বুঢ়ী গৰাকীক দেখিয়েই নাজমাই বুজিছিল গোঁসানীয়ে ওচৰলৈ আহি দেখিলে যে ভৰি চুই সেৱা কৰাজনী সুন্দৰমুখৰ পুৰ্ণিমাৰ জোন যেন লগা ঠিক শৰৎ গোঁসাইৰ বাসন্তীৰ নিচিনা এজনী গাভৰু ছোৱালী আৰু অকমানি লৰাটো, এইটো কোন বাৰু?

এইটো চোন মৰমৰ অভি! অভি? ক'ৰ পৰা আহিল? আৰু সি দেখোন গৈ সেই তাহানিতে সোমবৰ মিস্ত্রীৰ হতুৱাই কৰোৱা কলীয়া গোঁসাইৰ আসনত বহি আছে? কোন এইটো? স্বয়ং কলীয়া গোঁসাই নে গোঁসানীৰ সৰুকালিৰ অভি? গোঁসানীৰ মুৰটো আচন্দ্রাই কৰিব ধৰিলে। নাজমাই নধৰা হ'লে পৰিয়েই গলহেতেন তাই গোসানীক ওচৰৰে চকী এখনত বহুৱাই দি মাটিতে লেপেটা কাঢ়ি বহিল আৰু লাহেলাহে প্রকৃতিস্থ হৈ অহা গোসানীক ক'লে—" মা আপুনি মোক কোনো দিনে দেখা নাই কিন্তু কৃষ্ণক দেখি জানো আপুনি চিনি পোৱা নাই? আপোনাৰ অভিৰ ল'ৰা কৃষ্ণজিত। অভিৰ ল'ৰা? অভিতো নাই, সি দেখোন মোৰ ওপৰত অভিমান কৰি গুচি গ'ল। গোঁসানীৰ মুখত প্রশ্নৰ ৰেখা ফুটি উঠিল। ইতিমধ্যে মাকে মতাত ওচৰ চাপি অহা কৃষ্ণক আইতাকৰ কোচত দি নাজমাই ক'লে- ' আপোনাৰ নাতি আপোনাক সপি দিলো, মোক পাৰিলে ক্ষমা কৰিব' বুলি উদ্যত চকুপানী সম্বৰন কৰিবলৈ নাজমাই আপ্রাণ চেষ্টা কৰিলে।

কৃষ্ণক সাবটি ধৰি গোঁসানী আইতাকে গালে মুখে চুমাৰে ওপচাই দিলে। ধাৰাসাৰ চকুপানীৰে অবোধ শিশুৰ দুগাল ধুই গ'ল। আৰু নাজমাক থোকাথুকি মাতেৰে ক'লে, মোৰ অভিক তই ওভতাই দিলি? একেবাৰে তাৰ সৰু কালটোৰ সৈতে? অভি যোৱা দিনধৰি সৌ আসনখনত প্রতিষ্ঠা কৰিব নোৱাৰা কলীয়া গোঁসাই আজি নিজে আহি সৌ আসনখনত বহিছে। এইয়া, সপোন নে দিঠক? তোক মই কি ক্ষমা কৰিম অ' আই, তইহে আমাক ক্ষমা কৰ, " বুলি গোঁসানীয়ে এহাতেৰে কৃষ্ণক আৰু আনখন হাতেৰে ভৰিৰ কাষতে বহি থকা বোৱাৰীয়েক নজমাক সাবটি ধৰিলে।

গ্ৰহণ

গোটেই ৰাতি বিয়া খাই পিছদিনা দুপৰীয়ালৈ বিয়াঘৰীয়া কথা আৰু নামবোৰে ৰিং মাৰি থকাৰ দৰে নিৰঞ্জন বৰুবাৰো যোৱা কালিৰ ঘটনাটো আৰু কথাবোৰ ৰিংমাৰি থকা যেন লাগিছে। ঘৰখনো আজি বাহি বিয়াৰ পিছত টোপনিত লালকাল হোৱাৰ দৰে নীৰৱ হৈ আছে।

কেইজাকমান বৰুষুণ যোৱাৰ পিছত ওলোৱা শাওনমহীয়া উত্তপ্ত ৰদটোৱে দুপৰীয়াটো আৰু নীৰৱ কৰি তুলিছে, যোৱা কালিৰে পৰা তেওঁক ঘৈণীয়েক ৰমাই ভালকৈ মতাই নাই, মাত্ৰ যিখিনি নুশুধিলে নচলে, সেইখিনিহে সুধিছে, আৰু লʼৰা-ছোৱালী কেইটাও যে— আটাইকেইটাই মাকৰ গটত উঠিছে যেন দেউতাকক মাতিলে সিহঁতৰো জগৰহে লাগিব। অথচ তেওঁৰ কবলগীয়াও একো হোৱা নাই, বৰঞ্চ অইন দিনাতকৈও সিহঁতৰ পৰা নিবিচৰাকৈয়ে যোগাৰবোৰ পাইছে যেনে তেওঁ ৰাতিপুৱা উঠিয়েই যি কাপ চাহ কাই সেই কাপৰ জুতি কেৱল ৰমাইহে জানে। কিন্তু আজি কিছুদিনৰ পৰা তেওঁ মন কৰিছে সেই চাহকাপ ৰমাই অনা দুৰৰ কথা ঠিকমতে নিমিলায়ে হʼল। তেওঁ যেন দিনে দিনে ঘৰখনৰ কাৰণে অলাগতিয়াল ব্যাক্তি হৈ উঠিছে।

আজি পুৱা অৱশ্যে ঠিক সময়তে একে সোবাদৰ চাহ কাপ তেওঁ পাইছে। দাড়িখুৰোৱা পানী আৰু সৰঞ্জামো লগতে ঠিক কৰি থোৱা আছে। কিন্তু কামতো ৰমাৰ সলনি যেনিবা তেওঁৰ ডাঙৰ ছোৱালী মীৰাই কৰিছে। মুঠতে ৰাতিপুৱাৰ জলপানৰে পৰা আৰম্ভ কৰি তেওঁৰ অফিচলৈ যোৱাৰ পৰত খোৱা জৰ্দ্দাদিয়া তামোলখনো আজি তেওঁ নিবিচৰাকৈয়ে পাইছে। অথচ সেইখন দিবলৈ ৰমাই সদায় বিৰক্তি বোধ আৰু সময়ৰ অভাৱ অনুভৱ কৰে। তাৰ মানে ঘৰখনৰ আটাইকেইটি প্ৰাণী ৰমা, মীৰা, টুটু, মুনু. দীপ কোনেও তেওঁৰ লগত কথা কবলৈ বিচৰা নাই। মাত্ৰ কাম কৰা ছোৱালী তৰা, যাৰ ওপৰত কামকাজৰ ক্ষেত্ৰত ঘৰখনৰ সকলোৱে নিৰ্ভৰ কৰি চলে তাইহে আজি আজৰি পাইছে আৰু অফিচলৈ নগৈ আৰামী চকীত বহি থকা দেখি অইন দিনাৰ দৰে তেওঁক পকাচুলি উভালিব লাগে নেকি সুধিছে। কিন্তু তেওঁৰ পৰা কোনো সঁহাৰি নেপাই তাইও ভিতৰলৈ গৈ বহুদিনৰ পৰা কৰিম বুলি ভবা অথচ কৰিবলৈ সময় নোপোৱা সৰুসুৰা কাম কিছুমান গোটাই লৈছে। তেওঁ তৰাক কিবা এটা ক'ম বুলি ভাবোতেই ভৰা গ'লেই এই তৰাৰ বাবেই তেওঁৰ ল'ৰা ছোৱালী কেইটি বৰ এলেহুৱা হৈছে। ৰমায়ো সিহঁতক বৰ প্ৰশ্ৰয় দিছে। পানী এগিলাছো ল'ৰা-ছোৱালীয়ে লৈ নাখায় বুলি ক'লে ৰমাই ভোৰভোৰাই উঠে —ইঃ লৰা-ছোৱালী কেইটাক জন্মহে দিলো সিহঁতক অকণো যত্ন লব পৰা নাই এতিয়া পঢ়াশুনা এৰি কামবনত লগোৱাই গেৰাৰি খটুৱালেহে হব। ডাঙৰ ছোৱালী থকাতো ৰমাই নিজেই তৰাৰে সৈতে কষ্ট কৰি চলে কিন্তু লগে লগে সিহঁত যে কিমান অকামিলা হৈছে মাকঁ হিচাবে ৰমাই কোনোদিনে বুজিবলৈ চেষ্টা নকৰে।

বৰুৱাই মূঢ়াটোৰ ওপৰত ভৰিদুখন ভালকৈ মেলি দি, বহু আগতে সাজি থোৱা ভাতসাজৰ কথা ভাবিলে। নোখোৱাকৈ থকা বাবেই নেকি তেওঁৰ বুকুখনত পোৰণি উঠা যেন অনুভৱ হ'ল। কিন্তু খঙ কৰি ভাত নোখোৱাকৈ থকাৰ পাচত ভাত খাবলৈ গ'লে লাজ লগাৰ দৰে তেওঁৰো দেখোন কিবা লাজ লাগি গ'ল। সেয়েহে কেতিয়াবাতে ৰমাই সাজি দিয়া ভাত গাল খাবলৈ তেওঁ যাব পৰা নাই। ছিঃ কালি তেওঁৰ বৰ খঙ উঠিছিল আৰু তাৰ বাবে আজি এই মুহূৰ্ত্তত তেওঁৰ বেয়া লাগি গ'ল।

যোৱা কালি ঘৈণীয়েক ৰমাক তেওঁ বৰ বৈয়াকৈ ক'লে আৰু তাৰ ফলস্বৰূপে আজি সকলোৰে এই অসহযোগ। আনকি দীপে স্কুললৈ যাবৰ সময়ত সদায় তেওঁৰ পৰা টকা এটা নিয়ে বাচভাড়াৰ বাহিৰে। আজি সিও কাকো আমনি নকৰাকৈ ভাত কেইটা খাই স্কুললৈ গ'ল। ৰমাই দীপৰ লগতেই ওলাই গৈছে।

একমাত্র ল'ৰা দীপক মানুহ কৰিব পাৰিলে নিৰঞ্জন বৰুৱাৰ আশা পূৰণ হব পাৰে, কিন্তু তিনিজনী ছোৱালীক সমানে শিক্ষা-দীক্ষা দি উলিয়াই দিয়াৰ কথা ভাবিলে মগজ গৰম হৈ যায় লগতে এক ধৰণৰ হতাশা অনুভাব কৰে। ইয়াৰ পিছত সংসাৰখনৰ চাহিদা পূৰণ কৰিবলৈ কি কৰিব লাগিব বৰুৱাই কিছুদিনৰ পৰা তাকেই ভাবিছে।

মীৰা তেওঁৰ প্ৰথম ছোৱালী, তাই এইবাৰ কোনোমতে মেট্ৰিকটো পাছ কৰিলে। অইন কোনো সুবিধা দিবা নোৱাৰাতো তাইযে পাছ কৰিছে ৰমাই সেয়ে বহুত বুলি শান্তনা লৈছে। আৰু দুয়োজনে আলোচনা কৰি তাইক কোনোমতে কলেজত নামটো লগাই দিছে। নাম লগাবৰ দিনাখন জানো কম কাণ্ড। কথাটো মনত পৰি তেওঁৰ ক্ষীণ হাঁহি এটি ওলাল। মীৰাই দেউতাকক সেই জলহু পোচাক পিন্ধি কলেজলৈ যাবলৈ নিদিলে। আজি কেইমাহমান আগতে মাক জীয়েকে লগ লাগি খোৱা খৰচৰ চান কাঢ়ি চিলাই অনা পেণ্ট এটা উলিয়াই দিলে সেইবোৰ হেনো সিহতৰ লগত গলে পিন্ধা পোছাক। বৰুৱাই আৰু কি কৰিব তাকে পিন্ধি এডমিচনো দি আহিল। অথচ তেওঁ ৰমাক বিয়া কৰোৱা সময়ত বেছ চৌখীন বুলিয়েই নাম আছিল। সেই দিনবোৰ তেওঁৰ বৰ সোনকালে হেৰাই গ'ল।

ৰমাৰ গাতেই বা কি দোষ। সংসাৰত প্ৰবেশ কৰাৰ পিছৰে পৰাই বেচেৰীৰ হিচাপ কৰোতেই গ'ল। এফালে অলপ শুকুওা ওলালে আনফালে আকৌ কিবা নহয় কিবা লেঠা ওলাই। মুঠতে শুকান বালিযে তিয়াব নোৱাৰি সেইটো তেওঁলোকৰ ক্ষেত্ৰত বৰকৈ খাটে। অবশ্যে বেছিভাগ দোষ বৰুৱাৰ গাতেই বুলিব পাৰি। মনত পৰা দিনৰে পৰা ৰমাই তেওঁক উদাসীন নিৰ্বিকাৰ বুলি গালি পাৰি আহিছে। সেই বোৰ কথাৰ সত্যতা আজি পলমকৈ হলেও বৰুৱাই ভালকৈ বুজিছে, আৰু অইনে ভুল কৰাটোও তেওঁ নিবিচাৰে। ৰমাইতো প্ৰায়েই খেদ প্ৰকাশ কৰে নিজৰ নিচিনাকৈ ছোৱালী কেইজনীক কেতিয়াও সোনকালে বিয়া নিদিও কম বয়সতে বুঢ়ী হবলৈ বুলি। এৰা, ল'ৰা-ছোৱালীৰ জীৱনটো-সংসাৰৰ দুৰ্বহ বোজাৰে গধুৰ কৰিবলৈ বৰুৱাৰো অকণো ইচ্ছা নাই কিন্তু যোৱাকালি বৰুৱাৰ বন্ধু অনন্ত আহি যেন নতুন কৈ তেওঁৰ ভুলটো সোঁৱৰাই দিলে।

অনন্ত বৰুৱাৰ সৰুকালিৰ বন্ধু, আগৰে পৰা অলপ খেয়ালী ধৰণৰ আছিল। সংসাৰী হবৰ ইচ্ছা নথকা বুলি কৈ শেষত বৰুৱাতকৈ দুই তিনিবছৰ পিছত বিয়া কৰালে। কিন্তু বৰ্ত্তমান সিহতৰ ছোৱালী দুজনী আৰু বৰুৱাৰ লৰাৰ আপেক্ষাত চাৰিটা ল'ৰাছোৱালী হ'ল। অথচ অনন্তৰ মুখত এবাৰো ল'ৰা সন্তান নোহোৱা বাবে আক্ষেপ কৰা নুশুনিলে, অনন্ত আহিয়েই বৰুৱাক দেখি "কি

অ নিৰঞ্জন তোৰ দেখোন আগফালৰ চুলি আটাই কেইদাল সৰিল? আৱশ্যে তপা হোৱাটো ডাঙৰ মানুহৰ লক্ষণ।" এইবুলি ঘৈণীয়েকলৈ চাই" বুইছা কলা, আমাৰ নিৰঞ্জন তেতিয়াৰ দিনত বৰ ধুনীয়া আছিল ইয়াৰ কাৰণে বহুতো ছোৱালী বৈ আছিল," ইত্যাদি নানা কথাৰে ৰমাকো জোকাই থৈ গ'ল। লগতে আৰু কৈ থৈ গ'ল সিহঁত হেনো ভ্ৰমণলৈ যাব যদি ৰমা আৰু নিৰঞ্জনে ইচ্ছা কৰে ওলাব পাৰে।

ৰমাই যেনিবা সিহঁত যোৱালৈহে বাট চাই আছিল। যোৱাৰ লগে লগে সকলোখিনি খঙ নিৰঞ্জনৰ ওপৰতে জাৰিলে। বিয়াৰ পিছৰে পৰাই ৰমাই কৰবালৈ ফুৰিবলৈ যোৱাৰ কথা কৈ আছিল। কাৰণ বৰুৱাই ৰেলৰ কৰ্মী হিচাবে বছৰটোত পৰিয়ালক ফুৰাবলৈ পাচ পায়। অথচ সেই কামটোৱে বৰুৱাৰ কৰা হৈ নুঠিল। ৰমাই সদায় উচ্ছাসেৰে ফুৰিবলৈ যোৱাৰ কথা আৰম্ভ কৰে আৰু শেষত চকুপানীৰে সামৰে। ভ্ৰমণপৰ্ব্ব তেওঁলোকৰ তেনেকৈয়ে শেষ হয়। অৰ্থাৎমন গ'লে যাব আৰু কেতিয়াবা। যোৱাকালি সুবিধা পাই ৰমাই বৰুৱাক ক'লে "আপুনি থাকিও আমাৰ কোনো ইচ্ছা পূৰণ কৰিব নোৱাৰিলে। এনেকুৱা অদুৰদৰ্শী মানুহৰ লগত পৰি মোৰ গোটেই জীৱনটোৱেই গ'ল।" ইত্যাদি বহুত কথাই শুনালে। নিৰঞ্জন বৰুৱাৰো খঙ উঠি গ'ল। আৰু ক'লে "মই মৰিলেহে তোমালোকে শান্তি পাবা। তোমালোকেই মোক শেষ কৰি দিলা, বৰ্ত্তমান মই জীয়াতেই মৰাৰ নিচিনা হৈছো, মোক কোনো কথা কৈ লাভ নাই" আৰু বহুত কিবাকিবি কৈছিল যদিও এতিয়া খঙৰ উত্তেজনা শাম কটাৰ পিছত তেওঁৰ বৰ লাজ লাগিছে। এৰা, তেওঁ ৰমাৰ এটা ইচ্ছাও পূৰণ কৰিব পৰা নাই, এই বৃহৎ সংসাৰৰ বাবে। আৰু তাৰবাবে তেওঁয়েই একমাত্ৰ দায়ী। বৰুৱাৰ এটা হুমুনিয়াহ ওলাই আহিল।

মীৰা আৰু টুটুৰ জন্ম হোৱাৰ পিছত ৰমাই বৰুৱাক অপাৰেশ্যন কৰাৰ কথা কৈ আছিল কিন্তু বৰুৱাই অকনো গুৰুত্ব নিদিলে। পিছত যেনিবা ৰমায়ে উপাই নাপাই সেই কামটো কৰিলে যদিও পলমেই হৈছিল। বৰ্ত্তমানৰ জুইছাই বজাৰত অলপীয়া উপাৰ্জনৰে চলাটো যে কিমান টান এতিয়া বৰুৱাই উপলব্ধি কৰিছে। অৱশ্যে ল'ৰা-ছোৱালীক খোৱাত কষ্ট দিবলৈ তেওঁৰ ইচ্ছা নাই বাবে তেওঁ খোৱাবোৱাত সিহঁতৰ যত্ন লবলৈ চেষ্টা কৰে। সস্তাত ভাল বস্তু পালে বিচাৰি খোচাৰি আনিও সিহঁতক খুৱায়। কিন্তু তথাপিও তেওঁৰ খৰচৰ জোৰা মৰাটো বৰ টান হৈ পৰে। মাছ, মাংস নোখোৱাকৈয়ে আধামাহতকৈও বেছি দিন চলিব লাগে। দীপুৱে খোৱাৰ সময়ত আমনি কৰে বাবে ৰমাই সপ্তাহত দুদিনকৈ মাছৰ যোগাৰ কৰিবলৈ বৰুৱাক কয়। এইবোৰ চিন্তা ভাবনাৰ মাজতো বৰুৱাতকৈ ৰমাৰ স্বাস্থ্য কিছু ভাল, ৰমাৰ ওচৰত তেওঁৰ নিজকে বুঢ়া যেন লাগে।

ৰেলৰ চাকৰিত মাজে মাজে তেওঁৰ ৰাতিৰ ডিউটি থাকে, টোপনি খতিও হয়, এইদৰে সংসাৰৰ অভাৱ অভিযোগ নানা ধৰণৰ চিন্তাত তেওঁৰ মগজু গৰম হৈ থাকে। অৱসৰ পোৱাৰ পিছত তেওঁ মুৰ গুজিব লৈ বুলি বহুদিনৰ আগতে সস্তাতে লোৱা মাটি এডৰা আজিও পৰি আছে আন একো কৰিব পৰা নাই। প্ৰত্যেক মাহতেই তেওঁ ভাবে এইবাৰ যি কোনো উপায়ে মাটি অলপ পেলাই ভেটিটো ঠিক কৰিব কিন্তু প্ৰত্যক বাৰে বেলেগ লেঠা ওলায়। এইবাৰো তেওঁ কিছু টকা একেলগে পোৱাৰ কথা আছে আৰু পালে যেনেতেনে ভেটিটো আৰম্ভ কৰিম বুলি ভাবিছিল কিন্তু মনতে ঠিক কৰিলে এইবাৰ তেওঁ ৰমাক এটি প্ৰশ্ন কৰিব ৰমাই ফুৰিবলৈ যোৱাটোকে বিছৰে নে অৱসৰ লোৱাৰ পিছত ভাড়া ঘৰ বিছাৰি হাঁহাকাৰ কৰাটো বিচাৰে? ৰমাৰ শান্তিৰ বাবে যি বিচাৰে তেওঁ তাকেই কৰিব। যদিহে ৰমাই বিচাৰে আটাইকেটাকে লৈ তেওঁ ওচৰৰে কিছু ঠাই ফুৰি আহিব।

ৰমাৰ অন্তৰ ইমান্ন কঠুৱা নহয়, অভাৱত পৰিহে তেনে হৈ গৈছে যদিও নিজৰ সংসাৰ সম্পৰ্কে ৰমাই যথেষ্ট চিন্তা কৰে।

মনতে সিদ্ধান্তটো লৈ বৰুৱাই হঠাতে বৰ অৱসাদ অনুভৱ কৰিলে। নিজকে তেওঁৰ বৰ অক্ষম যেন লাগিল। নিজৰ বিবাহিত জীৱনত ব্যৰ্থতা অনুভাৱ কৰিলে। অনন্ত আৰু অৰুণাৰ মুকলি মুৰীয়া জীৱনটোলৈ তেওঁৰ হঠাতে ঈৰ্ষা হ'ল। আৰু কোনো কথা চিন্তা নকৰো বুলি তেওঁ জোৰকৈ চকু দুটা মুদি শূণ্য মগজুৰে কিছুসময় আৰামী চকীখনতে বহি থাকিল। তেনেকৈ থাকোতে তেওঁৰ কেতিয়া তন্দ্ৰাৰ ভাৱ হৈছিল তেওঁ গমকে নাপালে। ৰমাৰ মাততহে খকমককৈ সাৰ পাই গ'ল।

যোৱা কালিৰে পৰা নমতাকৈ থকা ৰমাই তেওঁৰ ওচৰতে মূঢ়াটোত বহি তেওঁক কৈ উঠিল। "আপুনি কাৰ ওপৰত খং কৰি নোখোৱা কৈ আছে? অফিচতে নগলেই ভাত গালো সাজি থোৱাতে আছে, আপুনি আমাৰ ওপৰত খং কৰা মানে নিজকেই খং কৰা যেন হয়। শেষৰ পিনে ৰমাৰ মাততো থোকাথুকি হৈ গ'ল। বৰুৱাই ৰমাৰ চলচলীয়া চকুৰ পিনে চাই বুজিলে মুখেৰে তেনেকৈ কৈছে যদি ৰমাৰ অন্তৰত এটাই প্ৰশ্ন আমাৰ কিয় এনে হ'ল? আমিও তো বৰ হেপাহৰে সংসাৰ আৰম্ভ কৰিছিলো। এৰা, আজি যদি বৰুৱাৰ কিবা এটা হয় ৰমাহতৰ বিলাই নোহোৱা হব। হুমুনিয়াহ এটা কাঢ়ি বৰুৱাই বহাৰ পৰা লাহেকৈ উঠি তেওঁৰ লগতে ৰমাৰ কাৰণেও ভাত বাঢ়িবলৈ ক'লে বাথৰুমলৈ গৈ চকুৰে মুখে পানী লৈ গামোচাখনেৰে মুখখন মচি মচি তেওঁ ভাবিলে সংসাৰখনে যেন ৰাহু কেতুৰ দৰে তেওঁক গ্ৰাস কৰিবলৈ আহি আছে আৰু সেই গ্ৰহণৰ পৰা তেওঁ মুক্ত হবই লাগিব তাৰবাবে তেওঁ আৰু বেছি কষ্ট কৰিবলৈ প্ৰস্তুত হব লাগিব। মনত দৃঢ়ভাৱ লৈ তেওঁ পাকঘৰত সোমাই গ'ল।

ক্ষোভ

ক্রিং ক্রিং কৈ টেলিফোনটো বাজি উঠাত সুৰভি উধাতু খাই পাকঘৰৰ পৰা বহাকোঠা পালেহি। ফোনটো তুলি লবলৈ নৌ পাওঁতেই বন্ধ হৈ গ'ল। সুৰভিৰ খং উঠি গ'ল। এনেয়ে আজি কিছুদিনৰ পৰা চিন্তাত সুৰভিৰ অৱস্থা নাই, তাতে কালিৰে পৰা সঞ্জীৱৰ চিন্তাই তাইক খাই মাৰিছে। যেনেকৈ আহিছিল তেনেকৈ উভতি যাবলৈ ধৰোতেই সিটো মূৰত থকা শোৱনি কোঠাৰ পৰা সুৰভিৰ গিৰিয়েক অৱনী দত্তই চিঞৰিলে, "কোনে কৰিছেহে।" সুৰভিয়ে একো উত্তৰ নিদিয়াকৈ পাকঘৰলৈ গুছি গ'ল। কি উত্তৰ দিয়া ভাল হ'ব সেই কথা ভাবোতেওঁ সুৰভিৰ আজিকালি সময় লাগে। দত্তই দ্বিতীয়বাৰ আগতকৈও চিঞৰি সোধাত সুৰভিয়ে যেন একো হোৱা নাই এনেভাৱত ক'লে সঞ্জীৱে কৰিছিল-"আহোতে পলম হ'ব।" তাৰ বিষয়ে চিন্তা কৰি থকা বাবে সুৰভিৰ মুখৰ পৰা তেনেকৈয়ে ওলাল। দত্তই মুখৰ ভিতৰত ভোৰভোৰালে "কিয় পলম হয়? যোৱা ৰাতি অহাই নাই, পৰীক্ষাও ওচৰত নে আজিও নাহে বুলি কৈছে"?

ঘৰখনত যেন সুৰভিৰ বাহিৰে প্ৰশ্ন সুধিবলগীয়া মানুহ কোনো নাই। সুৰভিয়ে ভাবিলে, এনেকৈ আৰু কিমানদিন তাই মিছা কথাৰ মালা গুঠিব।

এই সংসাৰখন ঠিকঠাককৈ চলি থাকিবলৈ তাই অহৰহ এনেকৈ মিছা কথা কৈ আহিছে। কি তাইৰ এনে দুৰ্বলতা ? দত্তক তাই কিয় ইমান ভয় সঙ্কোচ কৰে? সকলো কথাই যদি সংসাৰৰ আৰম্ভণিৰ পৰাই তাই নিঃসঙ্কোচে কৈ দিব পাৰিলেহেতেন তেনে আজি এই পৰিস্থিতিৰ সম্মুখীন হ'বলগীয়া নহ'লহেতেন, অকল দত্ত বুলিয়েই নহয়, তাইৰ ডাঙৰ ছোৱালী জোনাকীৰ ক্ষেত্ৰতো বহুত কথা জানিও নজনা ভাও জুৰি এতিয়ালৈকে সুৰভিয়ে চলি আছে। পিছে কিমানদিন আৰু তেনেকৈ চলিব সুৰভিয়ে কব পৰা নই।

জোনাকীয়ে বি, এ, পঢ়ি থকাৰে পৰা ল'ৰা এজনক ভাল পায়। সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা, তাইৰে বান্ধৱী এজনীৰ ককায়েক। কেইবাদিনো ফোন কৰোতে সুৰভিয়ে হাতেৰে ফোনটো ঢাকি জোনাকীক চিঞৰিছে, " জোনাকী তোৰ ফোন," "কোনে কৰিছে মা" বুলি সুধিলে "জানো তোৰ লগৰ ৰীমা নে কোন বেগেতে আহ" বুলি সুৰভিয়ে ক'ব লগা হৈছে। অলপ দুৰত হয়তো দত্তও বহি আছে, গতিকে এই ব্যৱস্থা। পিছৰখিনি জোনকীয়েই চম্ভালে, সেই বিষয়ে কেইবাদিনো খণ্ড কৰাত জোনাকীয়ে মাকক এদিন কৈয়েই দিলে," অঞ্জনৰ লগতেতো মোৰ বিয়া হবই মাত্ৰ ছমাহমান সময় ৰ'ব লাগিব, গতিকে তুমি চিন্তা কৰি নাথাকিবা। সুৰভিয়ে দেউতাৰক ক'লে মচলা পাবি বুলি গালি পাৰিলে তায়েই আকৌ ওলোটাই কয়, "তুমি দেউতাক যিমান ভয় কৰা মই নকৰো নহয়। তুমি ক'লে কবা মোৰ একো নহয়। মই এতিয়া নিজৰ বিষয়ে চিন্তা কৰিব পৰা হৈছো। সুৰভিৰ মাত হেৰাই যায়। সৰুকালৰ সেই অকণমানি ছোৱালীজনীয়ে ফ্ৰক এৰি মেখেলা চাদৰ পিন্ধিলে, এতিয়া নিজৰ কথা চিন্তা কৰিব পৰাকৈ ডাঙৰ হৈ গ'ল। ভাবিলে আচৰিত লাগে, এই কথা জানো দত্তই অনুভৱ কৰিব পাৰিব? সুৰভিয়ে ভালকৈ জানে দত্তই এনে কথা সপোনতো নাভাবে, দত্ত মানুহজন বৰ কাঢ়া, আজিলৈকে সকলো কথাৰ উত্তৰ দত্তই সুৰভিৰ পৰাই জানিব বিচাৰে। যেন সুৰভিৰ ওপৰতহে গোটেই ঘৰখনৰ ভাল বেয়াৰদায়িত্ব। মানুহটোৱে ঘৰত নথকা সময়ত ঘৰখনত কি কি ঘটে সকলো খবৰ সুৰভিৰ পৰা লয়। তেনে কিবা নকব লগা অপ্ৰিয় কথা থাকিলে সুৰভিয়ে ঢাকি থব বিচাৰে যদিও কিবা নহয় কিবা কাৰণে হ'লেও দত্তই গম পাই যায়। সেয়ে সুৰভি সদায় সাবধান। জীয়েককো সেয়ে কয় "তেনেকৈ ক'বলৈ লাজ লগা নাইনে? তহঁতৰ কাৰণে দেউতাৰে কিমান চিন্তা কৰে। আৰু এইবোৰ শুনিলে মোক সুদাই এৰিবনে? য'ত দোষ নন্দঘোষ মোৰ গাতহে পৰিব"। "কোনবোৰ শুনিলে ? মই কি এনে কাম কৰিবলৈ গৈছো যে শুনিলে দেউতাই তল ওপৰ লগাব? কম্পিউটাৰ

কোৰ্ছ এটা কৰিবলৈহে যাওঁ। আজিকালি এনেয়ে কোনো বহি নাথাকে দেউতাই যদি তোমাক কিবা কয় তুমি মোক কবলৈ কবা, মই যি উত্তৰ দিব লাগে দিম", বুলি জীয়েক জোনাকীয়ে সুৰভিক নিৰুত্তৰ কৰি দিয়ে। তথাপি কিয় জানো ছোৱালীজনীৰ সাহস দেখি সুৰভিৰ বুকুখন কঁপি থাকে।

দত্তই কেতিয়াবা সুৰভিক সোধে "এই জোনাকীজনী ক'লৈ যায় মাজে মাজে? তাইৰটো এতিয়া একো পৰীক্ষা নাই? কলেজো বন্ধ। সুৰভিয়ে লগে লগে নাই, নাই তাই ছমহীয়া কম্পিউটাৰ কোৰ্ছ এটাত নাম লগাইছে বুলি কয়। কলেজ থকা কালত জোনাকীয়ে কেতিয়াবা বান্ধবীৰ ঘৰলৈ পঢ়িবলৈ যায়। তেনে ক্ষেত্ৰত জোনাকীৰ কোনোবাদিনা ঘৰ পাওঁতে পলম হলেও দত্তই বিচাৰ লয়, সুৰভিয়ে বান্ধবীৰ লগত আলোচনা কৰি পঢ়িবলৈ যোৱা বুলি ক'লে দত্তই কয়, "ক'তা তাইৰ বান্ধবীকতো কোনোদিনে আমাৰ ঘৰত পঢ়িবলৈ অহা দেখা নাই? তাইকহে যোৱা বুলি শুনো?" দত্তই কোনো উত্তৰ নাপাই মনে মনে চিন্তিত হোৱা যেন দেখিলেও সুৰভিয়ে কথাৰ প্ৰসঙ্গ বেলেগ পিনে নিয়ে, কিন্তু পিছ মুহূৰ্ত্ততে হয়তো দত্তই কৈ উঠে "চাবা বৰকৈ ঢিলাই নিদিবা, অলপ চকু-কাণ ৰাখি চলিবা, আজিকালি দিনকাল ভাল নহয় আৰু হঠাতে মাজতে এইবাৰ কোৰ্ছ কৰি কি কৰিব? তাতকৈ ৰন্ধবঢ়াকে শিকাবা, কামত আহিব, আৰু ৰিজাল্ট ওলালেতো পঢ়িবই লাগিব।"

দত্তই ছোৱালীৰ স্বাধীনতা বৰ বেছিভাল নাপালেও শিক্ষাৰ ক্ষেত্ৰত কিন্তু সম্পূৰ্ণ উদাৰ চিট পালে যিমানপঢ়ে পঢ়িবলৈ দিয়াত তেওঁৰ আপত্তি নাই। সেয়ে সুৰভি সদায় উৎকৰ্ণ হৈ থাকিব লাগে। কোনোবাদিনা জানোচা ফোনত ল'ৰাজনৰ মাত শুনে বা বাটত একেলগে অহা দেখা পায়? সুৰভিৰ সৰু জীয়েক ৰূপালী পিছে বৰ্ত্তমানলৈকে ঠিকেই আছে তাই মাকক কাম-কাজত একো এটা সহায় নকৰিলেও সময়মতে খায়, কলেজলৈ যায় আৰু ঘুৰি আহে। তাতেই যেন সুৰভি কৃতাৰ্থ হয়। অৱশ্যে তাই বেচিভাগেই চিলাই আদি লৈ ব্যস্ত থাকে। আচলতে সুৰভিয়ে গৃহস্থ দত্তক ভয় কৰাৰ কোনো কাৰণ নাই। কিন্তু প্ৰথমৰ পৰাই কোনো কথা খোলোচাকৈ আলোচনা নকৰা বা দত্তয়ে নোসোধা বাবে এতিয়া সুৰভিয়ে দত্তক ঘৰুৱা কথা কবলৈ টান পায়। ঘৰখন কেনেকৈ কি গতিত গৈ আছে একমাত্ৰ সুৰভিয়েহে জানে।

সুৰভিৰ গৃহস্থ অৱনী দত্ত জীৱনবীমা নিগমৰ চাকৰিয়াল। আজীৱন লোকৰ সুৰক্ষাৰ কথা চোৱা-চিতা কৰি মানুহজনে নিজৰ সুৰক্ষা কতো নোপোৱা হ'ল। সকলো সময়তে যেন কিবা শঙ্কাত থাকে। তাৰ বাবে সুৰভিয়ে মাজে মাজে

কম দুৰ্ভোগ নোভোগাকৈ থকা নাই। দত্ত মানুহজন বুঢ়া নহলেও মনেৰে কথাবোৰ সম্পূৰ্ণ বুঢ়াৰ নিচিনাকৈ ভাবে আৰু থাকেও তেনেকৈ যিটো সুৰভিয়ে সহ্য কৰিব নোৱাৰে তথাপি সকলোবোৰ সহ্য কৰি গৈছে। এইবোৰ কথা কাকো নোকোৱাকৈ সুৰভিয়ে মনতে পাগুলি থাকে। সুৰভিয়ে জানে এটা মিছা কথাই এশটা মিছা কথাক খেদি ফুৰে আৰু এইটোও জানে এশ গৰু মাৰিলে বাঘৰো মৰণ। কিন্তু আজি কেইদিনমানৰ পৰাই সুৰভিৰ সকলো চিন্তা তলপেলাই একমাত্ৰ ডাঙৰ পুতেক সঞ্জীৱৰ চিন্তাই মগজু গৰম কৰি ৰাখিছে।

সঞ্জীৱক সৰুৰে পৰা দত্তই বেলেগ চকুৰে চাইছে, ল'ৰা বাবেই নেকি নাজানে, কিন্তু সি সৰু থাকোতে জোনাকী জন্ম হোৱাৰ পিছতো সুৰভিয়ে লক্ষ কৰিছিল দত্তৰ যেন সঞ্জীৱৰ প্ৰতি টানটো বেছি। কিন্তু কিন্তু সি ডাঙৰ হৈ অহাৰ লগে লগে কিয় জানো দেউতাকৰওচৰৰ পৰা আঁতৰি থকা হ'ল। পিছলৈ দত্তৰ লগতে তাৰ দেখা সাক্ষাৎ নোহোৱাৰ দৰেই হৈ গ'ল সেয়ে সি কলেজত নাম লগোৱাৰ পৰাই দত্তই তাৰ খবৰ বৰ বেচি নকৰা হ'ল। পেটে পেটে তেওঁ কি ভাবে তাই অৱশ্যে এতিয়ালৈকে ধৰিব নোৱাৰিলে। সঞ্জীৱ কলেজত পঢ়াকলেৰে পৰা ছাত্ৰনেতা হিচাপে জনপ্ৰিয় হৈ উঠিল। ঘৰত থাকিবলৈ সময় নোপোৱা হ'ল। তাৰ মাজতে সি বি. এ. পাছ কৰি এম. এ. ফাইনেল দিবৰে হ'ল। তাৰ বুদ্ধিও তীক্ষ্ণ আছিল। কিন্তু আজি কিছুদিনৰ পৰা তাৰ গতি বিধিৰ ভু-সুৰভিয়ে পোৱা নাই আৰু ভাল যেনো দেখা নাই। আগে পিছে পৰীক্ষা বুলিলে মাত্ৰ দুমাহমান সময় সি ঘৰত থাকি ভালদৰে পঢ়াশুনা কৰে কিন্তু এইবাৰ ডিগ্ৰীলোৱাৰ আচল পৰীক্ষাৰ সময়ত সি.ঘৰত নথকা হ'ল। কেইবাদিনো তাৰ বাবে ঢাকি থোৱা ভাত আঞ্জা সুৰভিয়ে কুকুৰ, মেকুৰীক খুৱাইছে। সঞ্জীৱক সুধিলে কয় "আজিকালি লাইব্ৰেৰীতে পঢ়ো, মোৰ কাৰণে ভাত চাত থবৰ দৰকাৰ নাই। মই খাব খুজিলে ৰান্ধি দিবা যেন সুৰভিয়ে সকলো সময়ত হেতা খন্তি লৈ ভাত ৰান্ধিবৰ বাবে সাজু হৈহে থাকে, সৰুকালিৰ সেই মৰমলগা কোমল মুখৰ ল'ৰাটো যেন ৰুক্ষ হৈ গৈছে। কেইদিনমানৰ পৰা তেনেই হৈছে।

জপনাখনত শব্দ হ'লেই বা বাটত এখন গাড়ী ৰ'লেই সুৰভি উচপ খাই উঠে। সেই দিনা তেনেকৈ থাকোতে দত্তকহে অসময়ত ঘৰলৈ অহা দেখি সুৰভিয়ে নেদেখা ভাও জুৰি পাকঘৰতে বিশেষ ব্যস্তভাৱে কিবা কাম কৰি থকা দেখা গৈছিল। দত্তই প্ৰথমতে হয়তো ধৰিবপৰা নাছিল। কিছুসময়ৰ পিছত যাবলৈ ওলাই তেওঁ পাক ঘৰৰ দুৱাৰ মুখলৈ আহি ক'লে, "কি হ'ল তুমি মোক অহা দেখা নাই নেকি? চাও পানী এগিলাচ দিয়াচোন। অপ্ৰস্তুত সুৰভিয়ে ক'লে

অ আপুনিহে নেকি” মই আকৌ গাড়ীৰ শব্দ শুনি” বুলি আধা কোৱাতে ৰৈ গ’ল। দত্তই সুৰভিয়ে দিয়া পানী গিলাচ খাই গিলাচটো টেবুলত থৈ ক’লে ‘তুমি আকৌ কোন বুলি ভাবিছিলা? এই সময়ত গাড়ীৰে কোন আহিব পাৰেহে? মই কিবা জৰুৰী ফাইল এটা এৰি গৈছিলো, তাকে নিবলৈ আহিলো। তুমি আগফালৰ দুৱাৰবোৰ ভালকৈ মাৰি নোথোৱা কিয়? কোনোবাই আহি কিবা উঠাই নিলেও দেখোন গম নাপাবা? জোনাকী নাই নেকি? বুলি সুৰভিৰ উত্তৰলৈঅপেক্ষা নকৰি গপগপাই দত্ত ওলাই গৈছিল। সুৰভি বহু সময় তেনেকৈয়ে পাকঘৰতেই বহি আছিল। আচলতে জোনাকীক মাজে মাজে গাড়ীৰে অঞ্জন নামৰ ল’ৰাজনে নমাই থৈ যায়, যিটো কথাত সুৰভিৰ অন্তৰাত্মা কঁপি উঠে, যদিও সেইটো কথা জোনাকীয়ে অতি সহজে উৰুৱাই দিয়ে। কিন্তু কালি জোনাকীয়ে যিটো ভয়ঙ্কৰ কথা সুৰভিক ক’লে সুৰভিয়ে উৰুৱাই দিয়াটো দূৰৰে কথা শুনাৰ পিছৰে পৰা মনত আতঙ্কৰ সৃষ্টি হ’ল। বাকী সকলো সুৰভিৰ বাবে যেন সাধাৰণ কথা হৈ গ’ল। জোনাকীৰ খবৰ ৰখাৰ লগতে যদি সুৰভিয়ে পুতেক সঞ্জীৱৰ খবৰ ৰাখিবলৈ চেষ্টা কৰিলেহেতেন। জোনাকীয়ে সুৰভিকেই দোষ দিছে “তুমি দেউতাক কোনোদিনেই বাস্তব পৰিস্থিতিৰ সন্মুখীন হবলৈ নিদিয়াকৈ ৰাখিলা। আমাৰ আশা-আকাঙ্খাৰ কথা পোন পটিয়াকৈ ব্যক্ত কৰিবলৈ নিদিলা। মোৰ ইয়াত পঢ়িবলৈ মন নাছিল বুলি কোৱা সত্ত্বেও কোনো গুৰুত্বই নিদিলা। দাদাক যি ইচ্ছা তাকেই কৰিবলৈ পঢ়িবলৈ অবাধ স্বাধীনতা দিলা আৰু ৰূপালী যিজনী ছোৱালীয়ে পৰুৱা এটা গাত উঠিলেও চিঞৰে, তেজ দেখিলেই মুৰ ঘূৰাই তাইক ডাক্তৰী পঢ়িবলৈ জোৰ কৰিছিলা সেয়ে আমি একো নহলো। এতিয়া কি কৰা কৰিবা।” নিষ্ঠুৰ ভাবে তৃণৰ পৰা জোনাকীয়ে এৰি দিয়া কথাৰ শৰ কেইদাল সুৰভিৰ বুকুত বিদ্ধ হৈছিল। জোনাকীয়ে ঠিকেই কৈছে জানো? সিহঁতক কোনো অসুবিধাত নেপেলাবলৈ দেউতাকৰ ৰোষত নপৰাকৈ ৰাখিবলৈহে সুৰভিয়ে এনে কৰিছিল। তেনেকি ভূল হ’ল? সিহঁতৰ বাবে বেছিকৈ চিন্তা কৰি সুৰভিয়ে কি পালে? নিজৰ অন্তৰতেহে আঘাত পালে। এতিয়া সঞ্জীৱ সম্পৰ্কে জোনাকীয়ে কোৱা সৰ্বনাশীয়া কথাটো যদি সত্য হয় সুৰভিয়ে কি কৰিব? কালিৰে পৰা সঞ্জীৱ ঘৰলৈ অহাই নাই। সুৰভি পেটে পেটে বৰ চিন্তিত হ’ল। আজি দত্তয়ো অইন ক’লৈকো নগৈ নিজৰ কোঠাত তালৈ অপেক্ষা কৰি আছে। মাজতে সুৰভিয়ে খাবলৈ মতিছিল। কিন্তু টোপনি অহা দেখি নজগালে। ঘড়ীৰ কাটাদাল যেন দত্ত টোপনিত থাকোতেই ৰৈ যাওঁক, সঞ্জীৱ ঘৰ আহি পাওক সুৰভিৰ তেনে লাগিছিল।

দত্তই ৰাতি ভাত নাখায়। বহুমূত্ৰ ৰোগৰ বাবে শুকান ৰুটি আৰু গাখীৰ একাপ খায়। প্ৰথম অৱস্থাৰ পৰা ভোগী মানুহ বাবে এনে বেমাৰ হবলৈ পালে বুলি সুৰভিয়ে ভাবে, মাছ, মাংস মিঠাই আদি নহলে এসাজো নচলা ভোজনবিলাসী দত্তই এসময়ত নিজেও খাইছিল আৰু আনকো খুৱাইছিল। সেই হেন মানুহজনে কিন্তু কোনোদিনে ভবা নাছিল তেওঁৰ পিছৰ কালত আৰু বহুতো বেলেগ ধৰণৰ যন্ত্ৰণা ভোগ কৰিবলগীয়া হব পাৰে। দত্তই একমাত্ৰ পুত্ৰ সঞ্জীৱক প্ৰশাসনীয়া বিষয়া, বৰ জীয়ৰী জোনাকীক ইংৰাজীৰ অধ্যাপিকা আৰু সৰু জীয়েক ৰূপালীক ডাক্তৰ কৰাৰ সপোন দেখিছিল। কিন্তু পিছলৈ যেন এটা এটাকৈ ল'ৰা-ছোৱালীবোৰ তেওঁৰ পৰা আঁতৰি গৈ নিজৰ নিজৰ পথ ল'লে। সঞ্জীৱে ৰাজনীতি, জোনাকীয়ে অৰ্থনীতি আৰু ৰূপলীয়ে হোমাচইন্স বিষয় লৈ পঢ়িলে। মনে ভবামতে নহলেও তেওঁ অকনো বিচলিত হোৱা নেদেখুৱালে, যি বিষয়ে নপঢ়ক কিয় ভাল কৰিব পাৰিলে সকলোতে সম্ভাৱনা আছে, বুলি দত্তই জানে। কিন্তু লাহে লাহেদত্তই দেখিলে ৰাজনীতিলৈ পঢ়া ল'ৰাটোৱে জীৱনটোক লৈয়েই ৰাজনীতি খেলিবলৈ ল'লে। শ্বেলী, কীটচ, টেনিছনৰ কবিতা পঢ়ি ৰমণীয় কোমল ৰূপত ভাবি থকা ছোৱালী জনী ক্ৰমাৎ অৰ্থনীতিৰ জটিলতাত সোমাই যেন হেৰাই গ'ল। আৰু ৰূপালীয়ে বা কি খাল খান্দি থৈছে। দত্তই, সকলোবোৰ কথা বুজি পায় যদিও সুৰভিক একো কথা নকয়, কিয়নো সুৰভিয়েও দত্তক কোনোদিনে কোনো কথা নুসুধিলে। সেয়ে দত্তই বুজিও নুবুজা ভাও ধৰি থাকে। সঞ্জীৱক কিবা এটা সুধিলেও এৰাধৰা উত্তৰ দিয়ে। দত্তই ভাৱে ল'ৰা ডাঙৰ হৈছে, কিন্তু যোৱা কিছুদিনৰ পৰা সঞ্জীৱৰ চালচলন দেখি দত্তৰো সন্দেহ হৈছিল।

আজি দত্তই সেয়ে পলম হলেও সঞ্জীৱৰ বাবে সজাগ হৈ আছে। কিবা এটা চয়-নিশ্চয় উত্তৰ তাৰ পৰা লৈহে এৰিব। যদিও এই কামটো কিছু আগতেই কৰিব লাগিছিল। আচলতে সঞ্জীৱ ল'ৰা মানুহ, কালি সঞ্জীৱে ফোন কৰি ৰাতি নাহে বুলি জনাওঁতে আগে পিছে থকাৰ দৰে লাইব্ৰেৰীতে পঢ়াশুনা কৰি থাকিব পাৰে বুলি দত্তই ভাবিছিল। ইতিমধ্যে সুৰভিয়ে দুবাৰো খাবলৈ মাতি গ'ল কিন্তু কিতাপ এখন আগত লৈ আকাশ পাতাল চিন্তা কৰি থাকোতে তেওঁৰ তন্দ্ৰাৰ নিচিনা ভাব হৈছিল।

ঘড়ীটোত টং কৈ চাৰে দহ বজাৰ সংকেত দিয়াত তেওঁ চক খাই উঠি বহিল! পিছমুহূৰ্ত্ততে কৰ্কশ ভাবে টেলিফোনটো আকৌ বাজি উঠিল। এনেয়ে ৰাতি গভীৰ হ'লে টেলিফোন বাজিলে বুকুখন চিৰিঙকৈ উঠে। ভাব হয় জানোচা কি খবৰ আহিল? তাতে এনে মানসিক পৰিস্থিতিততো কথাই নাই, সুৰভিতকৈও আগতে দত্তই চেগুেল নিপিন্ধকৈয়ে আহি সেইখিনি পালে আৰু ফোনটো উঠাই

ল'লে "হেল্ল; কোনে কৈছে? কোন? প্ৰশান্ত? অ' অ' কি? নাই নাই। কি? কি ক'লা? কেই বজাত? তিনিবজাত? প্ৰমাণসহ? নাই একো কৰিবলগীয়া নাই। মাকক?। হব ময়েই ক'ম বাৰু?

ফোনৰ ৰহস্যময় কথাবোৰে সুৰভিৰ মনত আতংকৰ সৃষ্টি কৰিলে। ইতিমধ্যে জোনাকী আৰু ৰূপালীও আহি দুৱাৰমুখ পাইছেহি. দত্তই ফোনটো থৈ ভয়তে শেতাপৰা সুৰভিলৈ চাই তীক্ষ্ণ সুৰত ক'লে "তুমি কেইবজাত সঞ্জীৱে ফোন কৰা বুলি কৈছিলা, ঠিককৈ কোৱা চোন? হঠাতে সুৰভিৰ প্ৰচণ্ড খং উঠি গ'ল উমি উমি জ্বলি থকা তুহঁ জুই খিনিত যেনিবা কোনোবাই ফুৰাই হে দিলে। ইমানদিনে গুঠি থকা মিছাৰ জালখন চিঙি সুৰভি ওলাই আহিল আৰু প্ৰয়োজনতকৈ অধিক চিঞৰি কৈ উঠিল "মই ঘড়ীঘণ্টা চাই লিখি থোৱা নাই নহয় ঠিককৈ ক'বলৈ।" দত্তই স্থিৰ দৃষ্টিৰে সুৰভিলৈ চাই একেসুৰত ক'লে "সঞ্জীৱক তিনিবজাত পুলিচে গ্ৰেপ্তাৰ কৰি বেলেগ ঠাইৰ থানালৈ লৈ গ'ল। চহৰৰ দুজন উচ্চ বিষয়া অপহৰণ কৰা আৰু এজনক হত্যা কৰাৰ পৰিকল্পনা হেনো সিয়েই কৰিছিল। প্ৰমাণসহ গ্ৰেপ্তাৰ কৰিছে, তাৰ লগৰ প্ৰশান্তই ক'লে। তাৰ মাত শুনোতে তোমাৰ ভুল হ'ল কেনেকৈ?" সুৰভি এইবাৰ পকাতে বহি পৰিল। জোনাকীয়ে শুনাকথা ঠিকেই তেনেহলে? সি হেনো নিষিদ্ধ সংগঠনত সক্ৰিয় অংশ গ্ৰহণ কৰা যুবক। কিন্তু অপহৰণ আৰু হত্যা? এইয়া জানো সম্ভব? নিজৰ পেটৰ সন্তানক চিনোতে ইমান ভুল হ'ল কেনেকৈ? ইমানদিনে সুৰভিয়ে তেনেহলে ভুলেই কৰি আহিছে? কিন্তু দত্তই ইমান নিষ্ঠুৰ ভাৱে কিয় তাইৰ পৰা কৈফিয়ৎ বিচাৰিছে? আজি তায়ো নিষ্ঠুৰ হ'ব সুৰভিয়ে দত্তক কৈ উঠিল" এৰা সঞ্জীৱে ফোন কৰা নাছিল, কোনেও কৰা নাছিল। মই মিছাকৈ কৈছিলো। ইমানদিনে মই মিছা কথাকে কৈ আহিছো আপোনাৰ ওচৰত। দত্তই সুৰভিক ধীৰভাৱে ক'লে–"মই সকলো জানিছিলো। তুমি মিছা মাতিলেও প্ৰায় প্ৰতিটো কথাই মই জানো। কিন্তু দত্তৰ কথা আধা কোৱা হওঁতেই সুৰভিয়ে এইবাৰ উগ্ৰমূৰ্ত্তি ধৰিলে আৰু দত্তৰ কামিজৰ কলাৰত ধৰি জোকাৰি জোকাৰি ক'লে "আপুনি যদি জানিছিলেই এই কথা তেনে ব্যৱস্থা ন'ললে কেলেই? সাংসাৰৰ সকলো কথা মোৰ মুৰত জাপি নিদি ভগাই নললে কেলেই? মোৰ ৰঙ চাবলৈ? অন্ততঃ আপুনি মোক কব পাৰিলেহেতেন যে এইবোৰ দুখ আমাৰ দুয়োজনৰেই দুখ, মোৰ পৰা লুকুৱাবৰ চেষ্টা নকৰিবা। মই বাৰু মিছলীয়া কিন্তু আপুনি? আপুনি দেখোন গোটেই জীৱনটোৱে আভুৱা ভাৰিলে। আপুনি এজন প্ৰতাৰতকৈ কেনো গুণে কম নহয়।"

অন্তৰত পুঞ্জীভূত হৈ থকা ক্ষোভবোৰ উজাৰি দি দুয়োখনহাতেৰে মুখখন ঢাকি সুৰভি কান্দোনত ভাগি পৰিল। পুত্ৰ শোকত নে দত্তক নতুনকৈ আৱিষ্কাৰ কৰাৰ শোকত কোনেও ধৰিব নোৱাৰিলে।

মনফুলনি

“ময়ুৰ কলৈ গৈছে”? পঞ্চি বাৰাণ্ডালৈ অহাত সিদ্ধাৰ্থই সুধিলে, “কিয় জন্মদিনৰ পাৰ্টিলৈ গ'ল নহয়”? কাৰ জন্মদিন? “ৰাহুল মা লপাণিৰ”– নিৰ্বিকাৰ ভাবে কৈ পঞ্চিয়ে যোৱা কালিতে গুৰি খুচৰি দিয়া ফুলৰ টাব কেইটা চফা কৰিবলৈ বহি ললে। পঞ্চিৰ মুখত বিস্ময়ৰ চিন ফুটি উঠিল আৰু মুখতে ভোৰ-ভোৰালে” ইস্ৰাম কালি গোটেইখন পৰিষ্কাৰ কৰি দিলো আজি আকৌ এইবোৰ সৰু সৰু পোকে আগুৰি ধৰিছে ইমান সুন্দৰ ফুলবোৰ নহব চাগে।” হেৰা এইটো কেনে উপাধিহে? সিদ্ধাৰ্থই ভ্ৰু কোঁচাই কোৱা কথাষাৰ শুনি পঞ্চিয়ে বিৰক্ত হৈ ক'লে “কত ধৰণৰ উপাধি থকা ল'ৰা আছে সিহঁতৰ স্কুলত। কসমপলিটান কাৰবাৰ হয়নে? এই স্কুলেই তাৰ বাবটা বজাব চাই থাকা বুলি সিদ্ধাৰ্থই অলপ খঙেৰে ক'লে, “ তুমি ক'লেই হবনে? আজিকালি সেইখন স্কুলত চিট পোৱাই টান প্ৰথমে ভাল স্কুলত দিছিলো বাবেহে আজি সেইখনত চিট পাইছে। বাকীবোৰ স্কুলত দিব পাৰি জানো? দিলেও মানুহ হোৱাৰ আশা নাই। কথা এবাৰো ভালকৈ কব নোৱাৰে। এতিয়াটো অন্ততঃ ময়ুৰে খোকোজা নলগাকৈ ইংৰাজী এবাৰকে কব পাৰে।” বুলি গৌৰৱেৰে পাঞ্চিয়ে

ক'লে আৰু টাবকেইটাত ঔষধ দিব লাগিব বুলি একাষৰীকৈ থৈ ভিতৰলৈ গ'ল, সিদ্ধাৰ্থ শঙ্কৰ শইকীয়া অলপ সময় অন্যমনস্ক হৈ গ'ল।

আজি কিছুদিনৰ পৰা তেওঁৰ মনটো ভাল নহয় লতাপাতেৰে আবৰা সুদৃশ্য বাৰাণ্ডাখনৰ হেলনীয়া চকীখনত বহিলৈ সিদ্ধাৰ্থই মূৰটো পেলাই দিলে আৰু অতীতৰ স্কুলীয়া দিনবোৰৰ স্মৃতি খুচৰিবলৈ ধৰিলে। সেই সময়ত জাঁজী নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পৰা বৃত্তি দি শিৱসাগৰ জিলাৰ ভিতৰতে প্ৰথম স্থান লাভ কৰা সিদ্ধাৰ্থ হ'ল সৰুৰে পৰা খাটি অসমীয়া পৰিৱেশত মাটি দাইল, ঔটেঙা, খাৰলি, কাহুদী খাই ডাঙৰ হোৱা নিভাঁজ অসমীয়া ল'ৰা, হাইস্কুল শিক্ষান্ত পৰীক্ষাতো তেওঁ অসমীয়া বিষয়টোত অসমৰ ভিতৰত সৰ্ব্বোচ্চ নম্বৰ পাইছিল। পিছলৈ যোৰহাট কলেজৰ পৰাই সন্মানসহ ক'লা বিভাগৰ স্নাতক হৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা একেই সন্মানসহ অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীলৈ ওলাই আহে। এতিয়া তেওঁ বেঙ্কৰ এজন উচ্চপদস্থ বিষয়া। তেওঁৰ পত্নী পঞ্চি শ্বিলঙৰ ছোৱালী। গাহস্থ্য বিজ্ঞানৰ স্নাতক। সেই সময়ত সিদ্ধাৰ্থই ভাবিছিল ঘৰখন নিয়াৰিকৈ চলাবলৈ এগৰাকী শিক্ষিতা ছোৱালীৰ প্ৰয়োজন। বিয়া পাতিব বুলি কোৱাত দূৰসম্পৰ্কীয় অঙহী বঙহীয়ে দুই এজনী ছোৱালীও আঙুলিয়াইছিল। পিছে বিয়া এখনত পঞ্চিক দেখি সিদ্ধাৰ্থই অইন ছোৱালী নাচালে, খা-খবৰ লোৱাত পঞ্চিৰ বিষয়ে ঘৰুৱা ভাল ছোৱালী বুলি শুনা বিশেষণবোৰে সিদ্ধাৰ্থৰ মনত ৰেখাপাত কৰিলে আৰু বন্ধু-বান্ধৱৰ সহযোগত পঞ্চিৰ লগত বিয়াও হৈ গ'ল। বিয়াৰ পিছত এবছৰৰ ভিতৰতেই অগাপিছাকৈ মাক দেউতাকৰ মৃত্যু হোৱাত সিদ্ধাৰ্থৰ মূৰৰ ওপৰত চাল নথকাৰ নিচিনা হ'ল। সিদ্ধাৰ্থৰ ভাই-ভনী নাই বাবে তেওঁ বৰ অকলশৰীয়া হৈ পৰিল। বুঢ়া গছ এদাল উভালি পৰিলে যেনেকৈ বাৰীখনৰ সৌন্দৰ্য্য নোহোৱা হৈ যায়. সিদ্ধাৰ্থৰো ঘৰখনলৈ আহিলে তেনে লগা হ'ল। সেয়ে উৰুঙা হৈ যোৱা ঘৰখনতবিধবা খুড়ীয়েকক থাকিবলৈ দিলে। দেউতাকৰ দিনৰে লগুৱা মঙলুকাইক ঘৰবাৰীৰ দায়িত্ব বুজাই দি সিদ্ধাৰ্থহঁত চাকৰিস্থল গুৱাহাটীলৈ নিগাজীকৈ থকাকৈ আহিল, আৰু সেইয়ে পঞ্চিক লৈ আহিল বছৰ, দুবছৰৰ মূৰত বা সকামে নিকামে ঘৰলৈ যোৱা ৰ বাহিৰে কোনো খবৰ ৰাখিবলৈ সিদ্ধাৰ্থৰ সময় নোহোৱা হ'ল।

ইতিমধ্যে তেওঁলোকৰ মাজলৈ ময়ূৰ আহিল। পঞ্চিয়ে মহা নগৰীয়া জীৱনৰ লগত নিজকে খাপ খুৱায় ল'লে আৰু সঁচাকৈয়ে ঘৰখন ফুট এটা পৰিব নিদিয়াকৈ সুন্দৰকৈ চলাই থাকিল। আগতে সমাজৰ কাম কৰি ভালপোৱা সিদ্ধাৰ্থই কব নোৱাৰাকৈয়ে পঞ্চিৰ হাতৰ সুসজ্জিত ঘৰখনত বন্দী হৈ তথাকথিত সাধাৰণ নাগৰিকত পৰিণত হ'ল। হাতৰ কাষতে বিচৰাবস্তু সকলো পাই আৰু পঞ্চিৰ হাতৰ সুব্যঞ্জন খাই সিদ্ধাৰ্থ এক অলস, নিশ্চিন্ত আৰামৰ জীৱন উপভোগ কৰাত অভ্যস্ত

হৈ গ'ল। অফিচৰ কামত বাহিৰলৈ গ'লে দুই এখন আলোচনী পঢ়াৰ বাহিৰে কিতাপ পত্ৰ পঢ়ি ভালপোৱা পুৰণা অভ্যাসটোও যেন তেওঁৰ নোহোৱা হৈ গ'ল।

কামৰ পৰা আহি চাহজলপান খাই সিদ্ধাৰ্থই কেতিয়াবা ময়ুৰ আৰু পঞ্চিক লৈ ফুৰিবলৈ ওলাই যায় ; কেতিয়াবা ঘৰতে দূৰদৰ্শনত চিনেমা চাই আৰু বাকী সময়খিনি কেনেকৈ পাৰ হৈ যায়া সিদ্ধাৰ্থই ক'বই নোৱাৰে এক সুখী নিৰুদিগ্ন জীৱনৰ। এজন সফল মানুহে ইয়াকেইতো বিচাৰে। কিন্তু সিদ্ধাৰ্থ শঙ্কৰ শইকীয়াই বাৰু কি কামনা কৰিছিল?

ময়ুৰক স্কুলত নাম লগোৱাৰ সময়ত তেওঁৰ প্ৰথম পঢ়োৱা মাধ্যম লৈ পঞ্চিৰ লগত মতৰ বিৰোধ ঘটে। সেই বিৰোধ প্ৰথমে হাঁহি ধেমালী ঠাট্টাৰ ছলেৰে আৰম্ভ হৈ শেষত খণ্ডলৈ ৰূপান্তৰিত হয়। কাজিয়া লাগি তিনিচাৰি দিনমান মতামতি বন্ধ হ'ল। আৰু শেষত পঞ্চিৰ চকুপানী, মান, অভিমানে সিদ্ধাৰ্থক গলাই পেলালে, এৰা, যুগধৰ্ম্ম মানি চলাই ভাল নহলে ইমান দিনৰ নিৰুপদ্ৰৱ জীৱনত অশান্তিৰ সৃষ্টি হব যিটো সিদ্ধাৰ্থই নিবিচাৰে, তাৰ পিছত আৰম্ভ হ'ল পঞ্চিৰ সাধনা ময়ুৰক ভাল স্কুল এখনত দিয়াৰ য'ত দিলে ময়ুৰে শ্ৰেষ্ঠ স্কুলত চিট পাব পাৰে।

অৱশেষত এদিন পঞ্চিৰ আশা পূৰণ হ'ল। ময়ুৰে চহৰৰ শ্ৰেষ্ঠ ইংৰাজী মাধ্যমৰ স্কুলত চিট পালে। আকৌ আৰম্ভ হ'ল পঞ্চিৰ দুবেলা ময়ুৰক স্কুলৰ পৰা অনা নিয়া পৰ্ব্ব, মাজে মাজে সিদ্ধাৰ্থও যাবলৈগীয়া হ'ল। ৰাতিপুৱা কি টিফিন দিব লাগিব, কোন যোৰ কাপোৰ পিন্ধি থবলৈ যাব, ময়ুৰৰ ইউনিফৰ্ম, কিতাপপত্ৰ সকলো ৰাতিয়েই ঠিক কৰি থৈ হোমওৱৰ্ক কৰাই পঞ্চি আজৰি হয়, খোৱা বোৱা কৰাৰ পিছত ময়ুৰক সিদ্ধাৰ্থইহে বিচনালৈ নিয়ে এই সকলোবোৰ সামৰি পঞ্চি যেতিয়া সিদ্ধাৰ্থৰ কোঠালৈ আহে তেতিয়া সিদ্ধাৰ্থই জাঁজীৰ পঢ়াশালীয়া সেই দিনবোৰৰ স্মৃতিচাৰণ কৰে, কাবলতিৰ চেপাত ঢাৰি এখন লৈ পঢ়াশালীলৈ যোৱা, সুৰ লগাই পাঠ আওঁৰোৱা শুৱনি আমাৰ গাওঁখনি অতি শুৱনি গছেৰে ভৰা বা ৰাতিপুৱা হ'ল উঠা সোনফেৰি উঠা গিৰিসাই ঢৰি পাটী এৰি. ... ।" পঞ্চিয়ে কাপোৰ সলাই নাইটি পিন্ধি মুখত ক্ৰিম সানি ময়ুৰক চাই আহে, কেতিয়াবা সিৰ্দ্ধাৰ্থৰ ওচৰলৈ আহিআপোনমনে ভোৰ-ভোৰাই" এই মানুহজনক দেখিলে সঁচাকৈয়ে আচৰিত লাগে, ইমান সোনকালে টোপনি আহে, বৰ সুখী দেই, সংসাৰৰ কোনো চিন্তাই নাই, আমাৰহে কত চিন্তা। তাৰ পাছত বিছনাত পৰাৰ লগে লগে পঞ্চি ও টোপনিত লালকাল দিয়ে। সিদ্ধাৰ্থ চকুমুদি তেতিয়া ভাবে এৰা, তেওঁৰ নিচিনা সুখী মানুহ কেইজন আছে? গুৱাহাটী আহিয়েই জুৰোডত মাটি কিনি সিদ্ধাৰ্থই ঘৰ এটা সাজিলে। সেইঘৰটো সুন্দৰকৈ সজালে তেওঁৰ পত্নী পঞ্চিয়ে আৰু ময়ুৰ তেওঁলোকৰ যুগ্মজীৱনলৈ অহাৰ পিছত

যোল্লকলাই পূৰ্ণ হ'ল।

ময়ুৰ বৰ্ত্তমান ক্লাচ টুৰ ছাত্ৰ। তাৰ বাৰ মাহত তেৰটা পাৰ্বণ আছেই। গৰমৰ বন্ধ বাবে ৰাতিপুৱাই উঠি আজি কিছুদিনৰ পৰা পঞ্চিয়ে তাক সাতোৰ শিকাবলৈ নিয়ে। তাৰ পৰা আহি গা-পা ধুই ৰাতিপুৱাৰ জলপান খাই ময়ুৰ পঢ়া মেজত বহে আৰু সেইখিনি সময়তে সিদ্ধাৰ্থই দৈনিক কাগজ কেইখনলৈ ময়ুৰৰ কাষত বহে। পাৰ্টটাইম কামকৰা বাইজনীয়ে আহি বাহিৰা কামবোৰ কৰি দি যায় আৰু বাকী কাম পঞ্চিয়ে নিজেই কৰে, অইনৰ কাম সহজে পঞ্চিৰ পছন্দই নহয়, কাগজৰ পঢ়ি থাকোতেই ময়ুৰে দেউতাকক বহুতো প্ৰশ্ন কৰে। "পাপা তোমাৰ গৰমবন্ধ কিয় নাই? পাপা তোমাৰ মায়ে তোমাক চুইমিং কৰাবলৈ নিছিলনে নাই? পাপা মই কেৰেটি শিকিম, ইত্যাদি ইত্যাদি নানা কথা। সিদ্ধাৰ্থই যিমান পাৰে তাৰ কথাৰ উত্তৰ দিয়ে আৰু বাহিৰা কথা বেছি নকৈ আগতে গৰমৰ বন্ধত দিয়া হোমৱৰ্ক শেষ কৰিবলৈ কয়। ল'ৰাটোৰ ওপৰত বিচিত্ৰ বিষয়ৰ প্ৰভাৱ পৰাত সিদ্ধাৰ্থ চিন্তিত হয়। পঞ্চি ওচৰলৈ আহিলে ময়ুৰ অলপ সময় নিমাত হৈ থাকে। পিছ মুহূৰ্ততে কৈ উঠে" মাম্মি আজি কিন্তু মোক "স্মলওৱাণ্ডাৰ" চাবলৈ দিবই লাগিব। পঞ্চিয়ে আগতে পঢ়ি লোৱাচোন বুলি ব্যস্ত ভাৱে ওলাই যায়। ময়ুৰে তেতিয়া পাপাকৰ লগত আবেলি ফুৰিবলৈ যোৱাৰ চুক্তি কৰে।

টোপনি যাবৰ সময়ত সিদ্ধাৰ্থই তাক ৰাজ কুমাৰৰ সাধুকব লাগে। বহুতো সাধুৰ ভিতৰত ডাইনীৰ কবলত থকা যাদুদণ্ডেৰে জীয়াই তোলা ৰাজকুমাৰৰ সেই সাধুটোহে শুনি ময়ুৰে ভাল পায়। ডাইনীক মাৰি কেনেকৈ এদিন যাদুদণ্ডদালৰ সহায়ত ৰাজকুমাৰে যি ইচ্ছা তাকে কৰিব পৰা হ'ল সেই সাধু। সাধু শুনি থাকোতে প্ৰথমে তাৰ চকুকিটা ডাঙৰ ডাঙৰ হৈ কল্পনাৰ জগতত বিচৰণ কৰে। আৰু শেষত চকুৰ পতা মুদ খাই আগে। সিদ্ধাৰ্থৰ ডিঙিত সাৱটি ধৰি থকা ময়ুৰৰ হাতৰ বান্ধোন শিথিল নোহোৱালৈ সিদ্ধাৰ্থই তাৰ কাষত পৰি থাকে।

"একেটা সাধু শুনি তোমাৰ আমনি নালাগেনে ময়ুৰ" বুলি এদিন পঞ্চিয়ে সোধাত ময়ুৰে বৰভাল নাপালে আৰু কৈ উঠিল উস ৰবাচোন মাম্মি ডাইনী জনীক মাৰি সেই যাদুমাৰিদাল যদি মই লৈ আনো কি মজা হব, মই ৰাকেচক স্কুলৰ বেৰত আঠা লগাই চেঁচু কৰি থম, কেৰেটি মাৰি, চঙ্গীত, ৰিয়াজহতক হৰুৱাই দিম"। আৰে। আৰে! বাচ! বাচ! বুলি সিদ্ধাৰ্থই ময়ুৰৰ মুখত সোপা মাৰি ধৰি কয় "আজিৰ পৰা তোমাক এইটো সাধু নকওঁ দেই।" পঞ্চিয়ে উদ্বিগ্ন ভাৱে আহি ময়ুৰৰ কাষতে বহে আৰু মুৰত হাতফুৰাই কয় ছিঃ নাপায় নহয় তুমি নিজে নিজেই ভালকৈ পঢ়িশুনি ডাঙৰ মানুহ হব লাগে। তেতিয়াহে তোমাক মানুহে ৰাজকুমাৰ বুলি কব। অ' পাপাই

তোমাক এইবিলাক কি সাধু কৈছে বুলি, সিদ্ধাৰ্থৰ পিনে ভ্ৰূকুটি কৰি চায়। সিদ্ধাৰ্থই ওপৰমুৰাকৈ চকুমুদি পৰি থাকে আৰু ভাবে কি যুগ পৰিল। যাদুৰ দণ্ডদাল আজি-কালি কেচুৱাৰ পৰা ডেকা বুঢ়া সকলোৱে বিচাৰে। সেই দালৰ সহায়ত একেৰাতিতে কৌটিপতি, ক্ষমতা শালী হবলৈ মন কৰে। নজনাকৈ সিদ্ধাৰ্থই তাৰ মনত কি বীজ সিঁচি আছে? অথচ সিদ্ধাৰ্থই কল্পনাৰ ঘৰখনত কেনে এটি শিশুৰ ছবি আকিছিল।

সিদ্ধাৰ্থই উপলব্ধি কৰিলে তেওঁৰেই ভূল হৈছে। তাৰ মনত সৃষ্টিমূলক কাম কৰাৰ প্ৰবৃত্তি জগাবলৈ তেওঁ একোয়ে কৰা নাই। ময়ুৰ আৰু পঞ্চিৰ বৈষয়িক অভাববোৰ আতৰাই সিহতক সুখত ৰাখিবলৈ যিমান সময় আৰু ধন সিদ্ধাৰ্থই খৰচ কৰিছে, সিহতৰ মানসিক দিশটোৰ অভাৱ পূৰাবলৈ আধা সময় আৰু ধনো তেওঁ খৰচ কৰা নাই। ল'ৰাটোক গঢ় দিয়াত আৰু মনোযোগ দিব লাগিব বুলি সিদ্ধাৰ্থই ভাবিলে। এইবোৰ কথা ঢুকি নোপোৱা পঞ্চিক তেওঁ একো নকলে আৰু অইন বিছনালৈ নগৈ সেইদিনা ময়ুৰৰ লগতে শুই থাকিল। ৰাতিপুৱা আকৌ আগৰ দিনলিপি আৰম্ভ। এয়াই হ'ল বন্ধৰদিনৰ নিয়মাৱলী।

স্কুল খুলিবলৈ আৰু সাদিনমান আছে এইবাৰ গৰমৰ বন্ধত সিদ্ধাৰ্থহত কলৈকো ফুৰিবলৈ নগল। অফিচৰ লেঠাৰ বাবে, সেয়ে ময়ুৰৰ লগতে পঞ্চিকো বহুতো কথাৰে ভুলাব লগা হৈছে আৰু তাৰেই মাচুল এতিয়াও সিদ্ধাৰ্থই ভৰি আছে। আজি অ'ত কালি ত'ত ফুৰাবলৈ নিব লগা হৈছে। ফুৰি চাকি প্ৰায়েই বাহিৰৰ হোটেলত খাইবৈ আহি যেতিয়া ঘৰ পাই তেতিয়া পঞ্চিৰ আনন্দিত মুখৰ লগতে ময়ুৰৰ হাঁহিভৰা মুখখন দেখি সিদ্ধাৰ্থই সকলো পাহৰি যায় । ঘৰত কোনো বস্তুত ৰুচি নোপোৱা ময়ুৰে হোটেলত ভালদৰে খোৱা দেখিলে পঞ্চি উৎফুল্লিত হয়। আইচক্ৰীম তাৰ প্ৰধান আকৰ্ষণ, অথচ ঘৰতো পঞ্চিয়ে তেনেকৈ সজাই পৰাই খাবলৈ দিয়ে।

সাতাইশ বছৰীয়া পঞ্চিয়ে বেছিভাগ চেলোৱাৰ পাঞ্জাৱী পিন্ধিয়েই ফুৰে। শাৰী বা মেখেলা চাদৰ চম্ভালিবলৈ টান পায়। "পাটৰ কাঁপোৰবোৰ নো কি কৰিবা বুলি সিদ্ধাৰ্থই সুধিলে পঞ্চিয় বিৰক্তিত কয় "তুমিও যে আৰু মাইকী মানুহৰ সকলো কথাতে কেলেই মাত মতা? তুমি কি পিন্ধিছা মই জানো কেতিয়াবা তোমাক কিবা কবলৈ গৈছো? ড্ৰেচটো মানুহৰ নিজা কথা, কমফৰটেবল হব লাগে বিয়া চিয়াত পিন্ধো নহয়।" সিদ্ধাৰ্থই তেতিয়া ভাবে, এৰা আমাৰ সংস্কৃতি পিন্ধা, উৰা, খোৱা, বোৱা সকলো এতিয়া পৰম্পৰাগত হৈ পৰিছে। তদুপৰি পঞ্চিক অকলে দেখিলে কোনেও বিবাহিতা মহিলা বুলি ধৰিব নোৱাৰে কাৰণ শিৰত সেন্দুৰ নলগায়। চুটি চুলি ওখ, নাকজোঙা সুগঢ়িত পঞ্চিক দেখিলে অবিবাহিতা পাঞ্জাবী ছোৱালী যেনেহে লাগে। আজিকালি আৰু সিদ্ধাৰ্থই একো নকয় কাৰণ এতিয়া অসমত এই পোচাকৰে পয়োভৰ বেছি। সৌ তাহানিৰ জাঁজীৰ দৃষ্টিৰে চালে জানো হব? তথাপিও মাজে মাজে সিদ্ধাৰ্থৰ বুকুখন গধুৰ গধুৰ লাগে। কলডিলীয়া খোপা আৰু কেঁচবছা ৰিহাপিন্ধা

ওৰণিৰে সৈতে ডাঙৰকৈ সেন্দুৰৰ ফোঁট লোৱা মাকৰ ছবিখন মনলৈ আহে আৰু ভাবে অইনে যিয়েই নকৰক সিদ্ধাৰ্থই ময়ুৰক এই অপসংস্কৃতিত ভাহি যাবলৈ আৰু নিদিয়ে। অফিচৰ পৰা আহিয়েই সেয়ে বেলেগ কথা এটা চিন্তা কৰি সিদ্ধাৰ্থই পত্নীক সুধিছিল, ময়ুৰে ক'লৈ গৈছে,পিছে ময়ুৰে হেনো জন্ম দিন খাবলৈ গ'ল। লগৰ ল'ৰাও গৈছে, ঘৰত থোৱা দায়িত্বও তেওঁলোকৰ।

গাড়ী এখন ৰোৱাৰ শব্দ শুনি সিদ্ধাৰ্থ চিধা হৈ বহিল। ময়ুৰক নমাই থৈ গাড়ীখন গ'ল। হাতত পেকেট এটা লৈ উত্তেজিত বাবে দৌৰি অহা ময়ুৰে সিদ্ধাৰ্থৰ ওচৰ পাই ক'লে "পাপা চোৱাচোন ৰাহুলে ইম্মান ধুনীয়া গিফ্‌ট দিছে। মোৰ বাৰ্থদেতো কিন্তু এইবাৰ ভাল গিফট দিব লাগি ব দেই। সিদ্ধাৰ্থই ময়ুৰৰ ঘামিথকা মুখখন মচি দি ক'লে ৰবাচোন! তুমি জন্মদিন খাবলৈহে গৈছিলা? গিফ্‌ট তুমিহে দিব লাগে তুমি আকৌ কেলেই আনিছা? বুলি সোধাত দেউতাকৰ অজ্ঞতাত হাঁহি ময়ুৰে এইবাৰ হাতত চাহৰ সৰঞ্জাম লৈ ওলাই অহা পত্নীলৈ চাই ক'লে "মাম্মি পাপাই একো নাজানে, যোৱাবাৰযে তুমি মোৰ বাৰ্থদেত সকলোকে স্কেচপেন এপেকেট দিছিলা? ৰাহুলে কি দিছে জানা? বিজনেছ গেইম" সেইযে দইপুৰী আঙ্কল হতৰ পিয়ুচৰ বাৰ্থদেত মাম্মিৰ লগত যাওঁতে দিছিলে?

চাহকাপ বাকি দি সিদ্ধাৰ্থক খাবলৈ কৈ পত্নীয়ে হব বাৰু বলাচোন' বুলি ময়ুৰৰ হাতত ধৰি একপ্ৰকাৰ টানি নিয়াদি ভিতৰলৈ লৈ গ'ল। সিহতলৈ চাই সিদ্ধাৰ্থই যেন আকৌ চিন্তাৰ অতল তলীত হেৰাই গ'ল। এইবোৰ কি দিন আহিল? কি শুনিবলগীয়া হৈছে? আগদিনা চফা কৰা টাবকেইটা দেখি বিষ্মিত হোৱা পত্নীৰ দৰে সিদ্ধাৰ্থও বিষ্মিত হৈ ভাবিলে এই শিশুৰ মনফুলনি বোৰতো তেনেকৈ নেদেখা কীটে আগুৰি ধৰিছে, তাক সময় থাকোতেই নিৰ্মুল নকৰিলে ফুলৰ নিচিনা শিশুবোৰ এদিন হেৰাই যাব। সিদ্ধাৰ্থহতৰ দৰে বাপেক মাকবোৰে যদি এই কথা চিন্তা নকৰে ময়ুৰৰ নিচিনা আন শিশুবোৰো এদিন সময়ৰ খোজত বহুদুৰলৈ গুচি যাব। সিদ্ধাৰ্থহতে হাতেৰে ঢুকি নোপোৱা দুৰত্বলৈ। মনত পৰা দিনৰে পৰা মাক, পিতাকে এসময়ত সিদ্ধাৰ্থৰ জন্মদিনো পাতিছিল। নামঘৰত শৰাই দিছিল। ওচৰচুবুৰীয়াক মাতি এসাজ খুৱাইছিল আৰু ৰঙা ফুলৰ গামোচা এখন ডিঙিত মেৰিয়াই সৰুপাঞ্জাবী চোলা, চুৰীয়া এযোৰ পিন্ধি ঘৰলৈ অহা গুৰুজন সকলৰ চৰণ চুই সেৱা কৰিছিল? তেওঁলোকৰ আশীৰ্বাদৰ দীঘলীয়া সুৰটো এতিয়াও সিদ্ধাৰ্থৰ কাণত বাজি আছে। এবাৰ সিদ্ধাৰ্থই দেউতাকক সুধিছিল দেউতা জন্মদিন কিয় কৰে? তেতিয়া দেউতাকে সিদ্ধাৰ্থক কোচত বহুৱাই লৈ মৰম কৰিছিল আৰু মাককো মাতি আনি কাষত বহুৱাই লৈ কৈছিল বোপাই তই যে আজিৰ দিনত আমাৰ ঘৰশুৱনি কৰি জন্ম হলি সেয়ে আমাৰ কাৰণে আজিৰ দিনটো বৰ আনন্দৰ দিন, তই আমাৰ কাৰণে কিমান গুৰুত্বপূৰ্ণ আৰু কেনে আনন্দলৈ আহিছে তাকে প্ৰকাশ কৰি আমি ঈশ্বৰৰ ওচৰত কৃতজ্ঞতা জনাই মানুহৰূপী নাৰায়ণক খুৱাই বোৱাই আনন্দ লভো। ৰাইজে আশীৰ্বাদ দিছেই, এতিয়া তই তেনে মানুহ হব লাগিব যাতে আনেও তোৰ জন্মদিন সোঁৱৰে। "অ

দেউতা নেহেৰু খুড়া আৰু বাপুজীৰ জন্মদিন সেইকাৰণে সকলোৱে জানে নহয়? তেওঁলোকৰো জন্মদিন পাতিছিল। নেকি? সেইদিনা দেউতাকে তাক বকুত সাবটি ধৰি মাকলৈ চাই কৈছিল বুইছা আমাৰ ল'ৰা ঈশ্বৰে কৰিলে বুদ্ধিয়ক হ'ব তাৰ মনত কৌতুহল আছে।"

জন্মদিন পতাৰ সেই সুন্দৰ ব্যাখ্যা ইয়াতকৈ ভাল একো হ'ব নোৱাৰে। কিন্তু তাহানিৰ সিদ্ধাৰ্থৰ মনত জন্মা অজস্ৰ প্ৰশ্নৰ উত্তৰ সিদ্ধাৰ্থৰ পিতৃয়ে দিব পৰাৰ দৰে আজিৰ পিতৃ সিদ্ধাৰ্থই ময়ূৰক দিব পৰা নাই। পঞ্চিকো কোনো আদৰ্শ দেখুৱাব পৰা নাই।'ইস তুমি এতিয়াও চাহ খোৱাই নাই তেনেই চেঁচা হৈ গ'ল। মই নতুনকৈ কৰি আনো ৰ'বা' বুলি পঞ্চিয়ে ফুলৰ টাৱত দিবলৈ বুলি অনা কীটনাশক ঔষধটো একোণত থবলৈ লওতে সিদ্ধাৰ্থই কৈ উঠিল "নালাগে নালাগে মই মুখহাত ধুই আহো ৰবা। তুমি এটা কাম কৰা টাববোৰৰ মাটি সম্পূৰ্ণ সলাই পেলোৱা মই তোমাক ভাল মাটি অনাই দিম। একে মাটিতে ঔষধ দি একো লাভ নাই. আকৌ পোকে ধৰিব" বুলি সিদ্ধাৰ্থই ব্যস্তভাবে ভিতৰলৈ সোমাই গ'ল। কোনো দিনে গছ পুলি এদাল চুই নোচোৱা সিদ্ধাৰ্থই এনেকৈ হঠাতে মাটি আনি দিম বুলি আগ্ৰহ দেখুৱাত পঞ্চি অলপ আচৰিত হ'ল আৰু আকৌ এবাৰ টাবকেইটা পৰীক্ষা কৰি চাবলৈ বুলি বাৰাণ্ডাতে লেপেটা কাঢ়ি বহি ললে।

মুক্ত আকাশ



প্ৰবলভাৱে চলা বতাহ ধুমুহাৰ পিছত শান্তস্থিৰ হৈ পৰা প্ৰকৃতিৰ দৰেই ইৰাহতৰ ঘৰখনৰ পৰিৱেশো যোৱাকালিৰ ঘটনাটোৰ পিছত শান্ত আৰু কাঁহ পৰি জীণ যোৱাৰ দৰে হৈ পৰিছে. সম্পূৰ্ণ এটা দিন পাৰ কৰি ইৰাই অৱসন্নভাৱে পিছফালৰ বাৰাণ্ডা খনত বহি পৰিল।

ইৰাৰ কামবন প্ৰায় শেষ হৈছে। বনকৰা তিৰোতাজনী আহিলেই হয়। বাচন কাপোৰ ধুবলৈহে আছে। এই সময়খিনি ইৰাৰ একান্ত নিজস্ব সময়। সকলোবোৰ স্কুল কলেজ অফিচ যোৱাৰ পিছত শাহুয়েকৰ লগত চাহ একাপ খাই উঠি ইৰাই খেলিমেলি হৈ থকা ঘৰখন অলপ সামৰি সুতৰি খবৰ কাগজ কেইখন পঢ়ে। বিলাসীতাৰ ভিতৰত সেইটোৱেই একমাত্ৰ বৈছে বুলি কব পাৰি। আলোচনী, গল্প, উপন্যাস পঢ়িও ইৰাই ভাল পায়, এসময়ত একমাত্ৰ কিতাপ কিনাটোৱে ইৰাৰ প্ৰধান চখ আছিল, এতিয়াও কৰবাত পইচা পালেই কাপোৰ কানি বা চখৰ বস্তু নিকিনি কিতাপকে কিনে। খৰচ কৰা সম্পৰ্কত ইৰা সদায় সচেতন কাৰণ ঘৰখনৰ কামবন কৰি তাই কৰা চকুত নপৰা উপাৰ্জন খিনিৰ গুৰুত্ব কোনোবাই নুবুজিলেও ইৰাই খুব ভালকৈ উপলব্ধি কৰে। তদুপৰি এই খৰচ কৰা প্ৰসঙ্গতে গৃহস্থ ৰাজীৱ বৰুৱাই কেতিয়াবা কাৰোবাক কোৱা ইৰাৰ

কাণত পৰিছিল” উপাৰ্জন কৰা মানুহতকৈ নকৰা মানুহে বেছি খৰছ কৰিবলৈ ইচ্ছা কৰে। কথাষাৰ ইৰাই সদায় মনত ৰাখিছে।

ইৰাই অনবৰতে ভাতৰ চৰুত সোমাই থাকিবলৈ ভাল নাপায়। খৰতকীয়াকৈ নিজেই সকলো কামকৰি আজৰি সময়কণত জিৰণি লোৱাৰ লগতে কিতাপ এখন হাতত লয়, দুপৰীয়াৰ টি ভি ৰ ধাৰাবাহিক দুখনমান চায় কাৰণ ৰাতিলৈ ইৰাৰ বেছি সময় নাথাকে। গৃহস্থ বৰুৱা আকৌ ওলোটা খবৰৰ কাগজ পঢ়া, অফিচৰ ফাইল ঘাটি থকা, ৰেডিও আৰু টি, ভি,ৰ বাতৰি শুনা বা চোৱাৰ বাহিৰে গীত এফাঁকি শুনাও তাইৰ মনত নপৰে। সাহিত্য আৰু সঙ্গীতৰ কাষ নচপা মানুহ হেনো নেজ নোহোৱা পশুতুল্য কিন্তু এইটো কথাৰ লগত গৃহস্থৰ সামঞ্জস্য তাই বিচাৰি নাপায় যদিও অনবৰত কামেই কৰি থকা মানুহজনক গীতাৰ কৰ্ম্মযোগীৰ লগত তুলনা কৰিবৰো ইৰাৰ মন নাযায়। দিন হাজিৰা কৰা মানুহ এটা লগালেও বৰুৱাই তাৰ লগত সমানে কাম কৰে। কিন্তু ইৰাই ভাৱে মানুহে জীৱনত অলপ উপভোগো কৰিব লাগে।

সময় নাপালেও দিনটোত কিতাপ বা কাগজ এখনৰ পাত নুলুটিয়ালে দেখোন ইৰাৰ নিজকে কিবা নিকৃষ্ট শ্ৰেণীৰ যেন লাগে। ঠিক তেনেদৰে কাৰোবাৰ ঘৰলৈ ফুৰিবলৈ গলে ঘৰৰ গিৰিহত ওলাই অহা পৰলৈকে যদি সুসজ্জিত ড্ৰইং ৰুমৰ টেবুলত এখনো কাগজ বা যিকোনো আলোচনী এখনো নেদেখে সেই ঘৰত কটোৱা একচেকেণ্ড সময়ো ইৰাৰ মনত এযুগ যেন লাগে। অৱশ্যে ইৰা নিজে একো পণ্ডিতনী নহয়। তেতিয়াৰ দিনতে কৰিব পৰা চাকৰিৰ জোখাৰে বিদ্যা শিক্ষা ইৰাৰ আছিল। কিন্তু সকলোৰে ভাগ্যতো বিচৰা মতে নহয়। কোনোবাই কোৱাৰ দৰে “ মুৰ্খৰ হৃদয়খন মুখতে থাকে আৰু জ্ঞানীৰ মুখখন হৃদয়তে থাকে”, কথাষাৰৰ দৰে ইৰায়ো সেয়েনিজৰ মুখখন হৃদয়ত ৰাখিবলৈ অহৰহ চেষ্টা কৰে মাথোন। তাহানিতে পঢ়া ‘মাই ষ্টোৰিৰ’ লিখিকা কমলাদাসৰ উক্তিৰ দৰে “গৃহস্থৰ অন্তৰ্বাস ধুই জাতীয় পতাকাৰ দৰে চাদৰ ওপৰত মেলি দি সন্তীয়া হাৰাই চেণ্ডেল পিন্ধি পাচলি কিনি, বজাৰ কৰি ঘৰ চলোৱা তথাকথিত গৃহিণী হোৱাৰ কল্পনা ইৰাৰ কোনো কালে নাছিল। সেয়া ইৰাৰ সম্পূৰ্ণ ব্যক্তিগত ৰুচিৰ কথা,।

আবেলি পৰত ইৰাই কেতিয়াবা ওচৰ চুবুৰীয়াৰ তালৈ যায়, চুবুৰীত হোৱা ভাল বেয়া খবৰ লয় নাইবা এইখিনিতে বহি দিনটোৰ সুখ দুখৰ খতিয়ান লয়, ভাল গীত এটা শুনে বা কিতাপ এখন পঢ়ে আৰু নিজৰ জগতত হেৰাই যায়। নিজকে যেতিয়া বিচাৰি পায় ইৰাই বৰ অসহায় বোধ কৰে। আজি সাতাইশ বছৰে ইৰাই এই ঘৰখনৰ সকলোৰে লগত সহাবস্থান কৰিবলৈ কম কষ্ট কৰা

নাই, তাথাপিও মাজে মাজে খকা খুন্দা লাগি যায়।

ইৰাহতৰ পৰিয়ালত শাহুৰেক, ল'ৰা এটা, ছোৱালী দুজনী আৰু গৃহস্থ ৰাজীৱ বৰুৱাক লৈ মুঠ ছজনীয়া পৰিয়াল। বৰুৱা জীৱনবীমা নিগম কাৰ্য্যালয়ৰ হিচাপ ৰক্ষক। জীৱনটোও হিচাপ কৰেতেই গ'ল। ইৰায়ো বাহিৰা মানুহৰ খৰচ বচাই নিজে ৰন্ধাবঢ়া কৰে। বনকৰা তিৰোতা এজনী আছে যদিও তাই থকাই নথকাই সমান, শাহুৰেকৰ বয়স প্ৰয় পযসত্তৰৰ ওপৰেই হৈছে কিন্তু নিয়মিত পৰিমাপৰ খোৱা-বোৱা আৰু যত্নত থাকে বাবে তেওঁ এতিয়াও বিচনাত পৰি থাকিবলগীয়া হোৱা নাই। ইৰাই শাহুৰেকক নিজৰ মাকৰ দৰেই সন্মান কৰে। তাইৰ টুকি-টাকি কামত সহায় কৰিবলৈ তেওঁ সদায় তৎপৰ হৈ থাকে। তেওঁক দেখিলে ইৰাৰ বিদেশৰ বৃদ্ধাসকললৈ মনত পৰি যায়। অক্ষম বা বৃদ্ধাবস্থা প্ৰাপ্ত হ'লে সেইবোৰ দেশত হেনো পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত নিৰ্ব্বাসন দিয়া হয়। সেয়ে তেনেঠাইত বৃদ্ধাসকলে এনেকৈ নিজকে কৰ্ম্মক্ষম দেখুৱাবলৈ চেষ্টা কৰে। অথচ এদিন সেইখন ঘৰত হয়তো তেওঁৱেই সৰ্বেসৰ্বা আছিল। সময়ৰ দ্ৰুত পৰিবৰ্তন হলেও এইখন দেশত বিশেষকৈ ইৰাহতৰ নিচিনা চামৰ ঘৰত সেইবোৰ কৰাৰ প্ৰয়োজন এতিয়াও হোৱা নাই।

আচলতে ইৰাৰ শাহুয়েক তাহানিৰ দিনৰে পৰা যথেষ্ট কিতাপ পত্ৰ পঢ়ি অহা মানুহ, সেয়ে মানসিক ভাৱে তেওঁ ডেকা হৈয়েই আছে। ইৰাই কিবা আপত্তি কৰিলে কয় "এঃ একা নহয় দিয়া, বহি বহি কিতাপ পঢ়িবও আজিকালি নোৱাৰা হলো, চকুৱেও লগ নিদিয়া হ'ল এতিয়া শাৰিৰীক শ্ৰমো যদি একোয়ে নকৰো দুদিন পিছত বিছনাৰ আশ্ৰয় লব লাগিব তেতিয়া কমখন বিপদ হবনে? তাৰে আগতে গোঁসায়ে নিলেও ৰক্ষা।

ইৰাই শহুৰেকৰ সান্নিধ্য নাপালেই, তেওঁ শিক্ষকতা কৰিছিল। কিন্তু শুনামতে তেওঁ বৰ গোড়া প্ৰকৃতিৰ আছিল। মাইকী মানুহৰ স্বাধীনতা বৰ বেছি পছন্দ নকৰিছিল। কিন্তু শাহুৰেক সংস্কৃত পণ্ডিতৰ জীয়ৰী আছিল সেয়ে স্কুলীয়া শিক্ষা বেছি নাথাকিলেও কিতাপ পত্ৰৰ আজিও অনুৰাগী। ইৰাই মাজে মাজে ভাবে বৰুৱা যদি মাকৰ দৰে হ'লহেতেন! আধুনিক যুগৰ মানুহ হলেও বৰুৱাৰ দৃষ্টিভঙ্গী ইৰাহতৰ লগত নিমিলে। ইৰাৰ ননদেক দুজনীও একে ঠাইতেই থাকে। ভাল সংস্কাৰ মুক্ত পৰিয়ালতেই বিয়া হৈছে। মাকক কেতিয়াবা নিজৰ তালৈ বেছিদিন থকাকৈ নিবলৈ আহিলে বৰুৱাই বৰ ভাল নাপায় ইৰা কেতিয়াবা বিপাণ্ডত পৰে। কাৰণ ককায়েক নথকাত এবাৰ শাহুৰেকক এজনীৰ তালৈ পঠিয়াই দিয়াত বৰুৱাই ইৰাক প্ৰচণ্ড ধমক লগাইছিল ; আৰু কৈছিল ' মাৰ পৰা যদি সকাহ্ পাবলৈ মন গৈছে, নিজেই দেখোন কৰবাত থাকি আহিব পাৰা"।

ইৰাই বৰুৱাৰ লগত তৰ্ক নকৰিছিল কাৰণ কথা বহলালে বা ননদেকহঁতৰ কাণত পৰিলে বা কি ধৰণে লয়? সেয়ে ঘৰৰ কথা ঘৰতেই ৰাখিছিল।

এইখন সংসাৰলৈ অহাৰ দিনধৰি ইৰাৰ ওপৰত একছত্ৰী আধিপত্য চলোৱা বৰুৱাই ইৰাৰ মনৰ কথা বুজি নাপায়, ইৰাই সেয়ে নিজকে লৰা-ছোৱালীৰ লগত বিলায় দিছে। খুৰাকৰ লগত ডাঙৰ হোৱা সকতেই পিতৃ-মাতৃহাৰা হোৱা ইৰাই শাহুৱেকৰ মাজতে অকালতে হেৰাই যোৱা পিতৃ-মাতৃক বিচাৰি ল'লে। কিন্তু বৰুৱাৰ মাজত ইৰাই শহুৰেকৰ অস্পষ্ট ছবিখনৰ বাহিৰে কাকোয়েই বিচাৰি নাপলে বৰুৱাৰ হৃদয়খন যেন শিলেৰে গঠিত। মানুহজন বৰ কাঢ়া মেজাজৰ, কোনো কথা গালি নপৰাকৈ নকয়েই। সৰুজনী ছোৱালীয়ে মাজে মাজে কয় ' দেউতাৰ পকেটত বহুতো পাণ পছন্দ আনি ভৰাই থব লাগে। প্ৰত্যেক বাক্য কোৱাৰ আগতে টি,ভিত দেখুওৱা বিজ্ঞাপনৰ দৰে 'পাণ পছন্দ' খাব আৰু নৰম সুৰত কথা কব। তাতুৰ কথা শুনিলে ইৰাৰ হাঁহি উঠি যায়। ডাঙৰ ল'ৰা আৰু ছোৱালীজনীৰ দৰে সৰুজনীয়ে বৰুৱাক বৰ বেছি ভয় নকৰে। শাহুৱেকেও আগৰ কালছোৱাত বৰ বেছি ফুৰাচকা কৰি নাপালে। অ'ত নাযাবি, ত'ত নাযাবি বুলি কাঢ়া নিয়মেৰে বান্ধি ৰখা শাহুৱেক সেয়ে ভিতৰি ভিতৰি পুতেকৰ ওচৰতো সঙ্কুচিত হৈ থাকে। অলপতে শিক্ষক শহুৰেকৰ পেঞ্চনৰ বন্ধ হৈ থকা কেইবাহাজাৰো পাবলগীয়া টকা একেলগে পোৱাত বৰ নাতিয়েকে আনি শাহুয়েকক দিয়াত সেই টকা তেওঁ হাতেৰেই নুচুলে আৰু ক'লে " বোপাই এই কালত মোক টকা পইচা নালাগে, এইবোৰ তহঁতৰ। মোক মাথো অলপ স্বাধীনতা দিবি? স্বাধীনতা? কেনে স্বাধীনতা? নাতিয়েকে হাঁহি মাৰি সোধাত কৈছিল " এই ধৰ মোৰ যদি এফালে যাবলৈ বা এপাক ফুৰিবলৈ মন যায়, লৈ যাবলৈ হেলা নকৰিবি বা জীহতে নিবলৈ আহিলে হুকা বধা নকৰিবি? ইফালে সিফালে যাবলৈ শাহুৱেকৰ বয়স যে বৈ থকা নাই সেইটো কথা তেওঁ মানিবলৈ টান পাইছিল। আচলতে বৰুৱাক শুনাবলৈ হে মাকে তেনেকৈ কৈছিল।

আগৰ কালছোৱাত ইৰাৰ শাহুৱেকহঁতৰ নিচিনাচামে যেনিবা ফুৰা চকা বা একোতেই স্বাধীনতা নাপালে আৰু বৰ্তমান ইৰাহঁতৰ নিচিনা চামে টকা পইচা বা চিন্তাধাৰাৰ স্বাধীনতা নাপালে। ইৰাই ভাবে যুগে যুগে স্বাধীনতাৰ সংজ্ঞাৰ বাখ্যা এনেকৈ বেলেগ হব নেকি? ইৰাই এই সকলোবোৰ সংসাৰখনৰ মুখলৈ চাই সহ্য কৰি থাকে আৰু ভাবে অইন নালাগে বৰুৱাই যদি ব্যৱহাৰ অলপ ভাল কৰিলেহেতেন। মানুহজনে চব্বিশ ঘন্টাই আনক সন্ত্ৰস্ত ৰাখি ভাল পায়। কিবা যেন পুলিচী মেজাজ। পাণৰ পৰা চুণ খহিলেও বিপদ। ইৰাৰ চুবুৰীৰ

দুই এগৰাকীয়েও কেতিয়াবা কয় "আপোনাৰ তেখেতক মাতিবলৈকে ভয় লাগে," ইৰাই তেতিয়া হাঁহিৰে বুজায় 'তেখেত দেখাত যেনে গম্ভীৰ আচলতে তেনে নহয়। তথাপি ইৰাৰ কেতিয়াবা অসহ্য লাগি যায়। অইন কথাত বেয়া নহলেও অঁকৰা মৈত উঠিলে ননমাৰ দৰে বৰুৱাও মাজে মাজে মৈত উঠে।

ল'ৰা ছোৱালীৰ সকলো জঞ্জাল ইৰায়ে সামৰে। সাধাৰণতে ছোৱালীবোৰ ডাঙৰ হ'লে মাকৰ সুখ দুখৰ সঙ্গী হয়। প্ৰায় সকলো কথাৰে ভাগ পায়। কিন্তু লৰাবোৰ কিছু পৰিমাণে সেই বয়সত নিসঙ্গ হৈ পৰে। সেই সময়ত সিহঁতৰ ভাল বেয়া মানসিকতা গঠণ হয়। সেয়ে ইৰাই বৰুৱাক সময় বুজি প্ৰয়েই কয় 'একেটা মাত্ৰ ল'ৰা আপুনি তাক অলপ চকু কাণ দিবচোন। মানে তাৰ সুখ দুখৰ খবৰ বা ভাগ লবলৈ চেষ্টা কৰিবচেন। সি পঢ়া শুনাহে কম কৰে কিন্তু আপোনাক ভয় আৰু ভক্তি দুয়োটাই কৰে । আপোনাৰ পৰা উৎসাহ পালে সি আৰু ভাল কৰিলেহেতেন,' ল'ৰাটোক আকৌ কয় ' তই দেউতাৰৰ কথা চিন্তা কৰিবিচোন অলপমান। তোৰ লগত বৰ বেছি কথাহে নাপাতে পেটে পেটে তোৰ বাবে চিন্তা কৰে। অৱসৰ লবলৈনো আৰু কিমান দিন আছে? তথাপিও তোৰ যত্ন লবলৈ কয়।। ছোৱালী দুজনীক আকৌ বেলেগে বেলেগে বুজাব লগা হয়। ইৰাৰ চোকাটেকেলা সৰু জনীয়ে কেতেয়াবা মুখতে ধৰে' হব হব আমাক বুজাব নলাগে তুমি দাদা আৰু আমাক সমানকৈ কেতিয়াও নাভাবা। অথচ ইৰাই সেইটো বিষয়ত বেছিহে সচেতন।

সংসাৰখনৰ খুটি নাটি কথা, চাহিদা; পোৱা নোপোৱাৰ বেদনাবোৰে মাজে মাজে ইৰাৰ মন বিষণ্ণ কৰি তোলে। বৰুৱা আৰু মাকৰ মাজতো কেতিয়াবা সৰু কথালৈ কথা কটাকটি হলে ইৰায়েই মধ্যস্থতা কৰে। এইখন সংসাৰত তাই সকলোৰে মাজত যোগসূত্ৰ স্থাপনৰ অহৰহ চেষ্টা কৰি থাকে। সকলোৰে মনোৰঞ্জনৰ বাবেহে যেন ইৰাৰ জন্ম। কিয় বাৰু তাই সহজভাৱে সকলোকে ঘৰখনৰ অভাৱ আৰু বিচৰা নিবিচৰাৰ কথা এযাৰতে কৈ দিব নোৱাৰে? কিয় বাৰু বৰুৱই ইৰাক এযাৰ ভাল মাতেৰে কথাবোৰ বুজাই কব নোৱাৰে? খাবলৈ পিন্ধিবলৈ দিলেই জানো পুৰুষৰ কৰ্তব্য শেষ?

বৰুৱাই বাহিৰা কিতাপপত্ৰ পঢ়া ইৰাই দেখা নাই। ইৰাক দেখিলেও কেতিয়াবা ঠাট্টা কৰি কয় ' এইবোৰ পঢ়ি পঢ়ি আৰু আজিকালিৰ টি,ভিৰ ধাৰাবাহিকবোৰ চাই মাইকী মানুহবোৰ অধঃস্পাতে গৈছে। প্ৰয়েই একেটা কথাকে কৈ থাকে যদিও যোৱাকালি ইৰাৰ টিঙিচকৈ খং উঠি গ'ল। আৰু প্ৰতিবাদ কৰাৰ বাবে বৰুৱাই ইৰাক খেদা মাৰি আহিল। বৰুৱাৰ মাৰ মুৰ্ত্তি দেখি মুহূৰ্ত্তৰ

বাবে ইৰাৰ সঁচায়ে টি.ভি.ত দেখুওৱা 'থোৰাচা আচমান' ৰ নায়িকাৰ দৰে নিজৰ বাবে মুক্ত অকণমান আকাশ এখন বিচাৰি লবলৈ ইচ্ছা গৈছিল, আৰু বৰুৱাক কৈছিল " আপোনালোকৰ নিচিনা পুৰুষবোৰক লৈয়েই এইবোৰ লিখে। এনে কাহিনী তৈয়াৰ কৰিব নালাগে নিজে নিজেই সৃষ্টি হয়। নহলেনো সমান ব্যৱহাৰ কৰিব লাগে বুলি চিঞৰি থকা সকলৰ দৰে ময়ো আপোনাক খেদি যাব নোৱৰোনে? পিছে এতিয়া আৰু তেনে কৰিলে শোভা নাপায়। একমাত্ৰ ল'ৰা ছোৱালীৰ মুখলৈ চাইহে এইবোৰ সহ্য কৰি আছো। কাৰণ, মই মাক, কিন্তু ভাতৰ তিতা খালেও মাতৰ তিতা সহ্য কৰিব আৰু নোৱাৰো।" পূৰ্ণ বিদ্ৰোহৰ আগজাননী যেন অনুভৱ কৰি কোনোদিনে প্ৰতিবাদ নকৰা ইৰালৈ ঘৃণাৰ দৃষ্টি নিক্ষেপ কৰি বৰুৱা ইৰাৰ সন্মুখৰ পৰা আঁতৰি গৈছিল।

যোৱাকালিৰ দিনটোত ঘৰৰ কোনেও কাকো মাত বোল কৰা নাই । খোৱা বোৱাও কোনেও ভ্ৰূলকৈ নকৰিলে। শাহুৱেকেও গা বেয়া বুলি শুই থাকিল কিন্তু কেইদিন এনেকৈ থাকিব? সেয়ে ইৰাই অইন দিনাৰ দৰে আজিও সকলো কৰ্তব্য নিয়াৰিকৈ কৰি স্কুল, কলেজ, অফিচত পঠিয়াই আকৌ এই বাৰান্দাত নিজস্ব সময়খিনিলৈ বহিছে আৰু নিজকে প্ৰশ্ন কৰিছে কিন্তু চিৰন্তন সত্যৰূপে এটাই উত্তৰ ইৰাৰ মনলৈ বাৰে বাৰে আহিছে, সেয়া হ'ল নাৰী যুগে যুগে পুৰুষৰ সহধৰ্মিনী, সহকাৰ্মিনী, সহৰঙ্গিণী ৰূপেহে পৰিচিতা। নাৰীৰ নিজা কোনো ৰূপ নাই । নাৰী যেন এক নিপুণ অভিনেত্ৰী, এৰা ইৰায়ো নিজকে ঘৰ নামৰ এই সংসাৰ মঞ্চত নিজৰ অস্তিত্বৰ কথা পাহৰি পত্নী মাতৃ, ভগ্নী, বোৱাৰীৰূপে নানা ৰূপত অভিনয় কৰা এক একক অভিনেত্ৰী যেন অনুভৱ কৰিলে।

অজানিতে ইৰাৰ এটি দীৰ্ঘশ্বাস ওলাই আহিল। বনকৰা তিবোতাজনীয়ে আহি 'আইদেউ' বুলি মাত দিয়াত ইৰাই আকৌ বাস্তৱ জগতলৈ ঘূৰি আহিল।

পঙ্গু

শোৱনি কোঠাৰ বেৰত থকা দেৱাল ঘড়ীটোত ঢং ঢং কৈ দহবজাৰ কোব দিয়াৰ লগে লগে অপৰ্ণা চকখাই উঠিল। তাইৰ চিলমিলকৈ অলপ টোপনি আহিছিল হ'বলা। যোৱা দুদিন গৰমত অপৰ্ণাৰ টোপনি নহ'ল, আজি ৰাতিপুৱাৰ ভাগত বৰষুণ জাক অহাৰ পিছত অলপ টোপনিৰ ভাব হৈছিল পিছে ৰাতি পুৱালৈ বিছনাত পৰি থাকিব অপৰ্ণাই নোৱাৰে। আগৰে অভ্যাস। ল'ৰা ছোৱালী সৰু থাকোতেই ৰাতিপুৱা উঠি সিহঁতক স্কুললৈ পঠিয়াবলৈ প্ৰস্তুত কৰা, ভাত ৰন্ধা, জলপান বনোৱা, গৃহস্থৰ কাৰণে অফিচৰ ভাতো প্ৰায় একে সময়তে যোগাৰ ধৰা তাইৰ কাম আছিল। এই গোটেই কামবোৰ সামৰি ঘৰ-দুৱাৰ চাফা কৰি সকলোৰে আলপৈচান ধৰি দহবজাৰ পিছতহে মানুহ গৰাকীয়ে উশাহ ল'বলৈ সময় পাইছিল আৰু সেই সময়কণেই যেন তাইৰ বাবে অফুৰন্ত সময় আছিল। আম কঠালৰ দিনত বিশে বিধে আচাৰ কৰা, জাৰকালি বিলাহীৰ চচ বনোৱা, গাজৰ, মটৰ ফুলকবিৰ সযত্ন সংৰক্ষণ কৰা, অপৰ্ণাৰ বাবে বৰ আনন্দৰ কাম আছিল। বতৰৰ ফলৰ আচাৰতো কথাই নাই । ল'ৰা ছোৱালী তিনিটায়ো তাইৰ হাতৰ জুতিলগা বস্তু খাই বেলেগৰ হাতত জুতি নাপাইছিল। আজি কালি কিন্তু

অপৰ্ণাৰ বাবে সেই দিনবোৰ হেৰাই গৈছে। লৰা ছোৱালীহঁতেও এতিয়া ঘৰতকৈ বাহিৰতহে খাই বেছি জুতি পোৱা হ'ল। অপৰ্ণাৰ বাবে গোটেই দিনটোৱে সেয়ে কামো নাই আহৰিও নাইৰ নিচিনা।

অপৰ্ণাৰ গৃহস্থ ৰমেন বৰাই অৱসৰ গ্ৰহণ কৰা আজি দুবছৰ হ'ল। প্ৰথমছোৱা কাল শ্বিলং সচিবালয়ত আছিল। ৰাজধানী গুৱাহাটীলৈ অহাৰ কিছুদিনৰ পিছতে ৰমেন বৰাও গুৱাহাটীলৈ আহিল। নিজাকৈ মাটি অলপ লৈ বৰাই কোনোমতে মুৰ সুমুৱাব পৰাকৈ এই ঘৰটো সজালে। ল'ৰা ছোৱালী তেতিয়া সৰু আছিল। অপৰ্ণাই শ্বিলঙত প্ৰথমডোখৰ সুখৰ জীৱন কটাইছিল। শ্বিলঙীয়া পৰিবেশ বৰ মনোৰম আছিল। বিশিষকৈ ওচৰ চুবুৰীয়াৰ মিলা প্ৰীতিৰ কথা, মৰমৰ কথা অপৰ্ণাই কেতিয়াও পাহৰিব নোৱাৰে।

গুৱাহাটীলৈ আহি প্ৰথমে অপৰ্ণাই বৰ আচহুৱা অনুভৱ কৰিছিল। অপৰ্ণা যোৰহাটৰ ছোৱালী, গৃহস্থৰ ঘৰ নগাঁৱত। সেয়ে প্ৰথমে গুৱাহাটীয়া জীৱনৰ লগত খাপ খুৱাবলৈ তাইৰ অলপ অসুবিধা হৈছিল। কিন্তু ল'ৰা ছোৱালীৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই অপৰ্ণাই গুৱাহাটীবাসী হ'বলৈ সিদ্ধান্ত ল'লে আৰু নগাঁৱত থকা মাটি বাৰীৰ লেঠা চিঙি ৰমেন বৰাই হেঙেৰাবাৰীত থকা লিচুবাগান বোলা এই ঠাই টুকুৰাত ঘৰ সজালে।

শিক্ষাৰ ক্ষেত্ৰত অকণো কৃপনালী নকৰি অৰ্পনাহঁতে ল'ৰা ছোৱালী তিনিওটাক ইংৰাজী মাধ্যমত পঢ়ুৱাইছিল। গুৱাহাটীলৈ আহিও ভাগে ভাগে একে সমান স্কুলত নাম লগাই দিলে। অৰ্পনাহঁতৰ প্ৰথম আৰু শেষৰটো ল'ৰা, মাজৰজনী ছোৱালী। গুৱাহাটীলৈ অহাৰ সময়ত ডাঙৰ ল'ৰাটো ক্লাছ টেন, ছোৱালীজনী এইট আৰু সৰু ল'ৰাটো ফ'ৰত আছিল। ছোৱালীজনীক চেন্টমেৰীজ কনভেন্ট, আৰু ল'ৰা দুটাক ডনবস্কত নাম লগাই দিয়াৰ পিছত অৰ্পনা আৰু ৰমেন বৰা নিশ্চিন্ত হৈছিল। যেন সিঁহতৰ আৰু কৰিবলগীয়া একো নাই। হওঁতে কথাটো মিছা যেনো নালাগে, গুৱাহাটীহেন চহৰত ভাল ভাল স্কুলত পঢ়িবলৈ সৌভাগ্যনো কেইজনৰ হয়? তাতে সেই সময়ত ছিট পোৱাটো বৰ সমস্যা নহলেও এতিয়া কিন্তু ছিট পোৱাটো যে সৰগৰ তৰা পোৱাৰ নিচিনা, এই কথাটো অৰ্পনাই ভালকৈ বুজিছে।

তাইৰ ওচৰ-চুবুৰীয়া বুলিলে তেনেকুৱা চিৰস্থায়ী মানুহ দুই এঘৰৰ বাহিৰে নায়েই । প্ৰায় মানুহে কোনোবাই মাটি পুতিছেহে কোনোবাই শিল, বালি, ইটা পেলাইছে কোনোবাই আকৌ ঘৰ সজাৰ আগতে যে খেৰৰ ঘৰ এটা গুদাম

হিচাপে কৰে, তেনেদৰে ঘৰ বনাইছে বা কোনোবাই ঘৰ বনাই ইতিমধ্যে ভাৰা দিছে। ৰাস্তা বৰ ভাল নহয় বাবে নিজে হয়তো ভাল ঠাইত ভাৰা লৈ আছে। অৰ্পনাই সেয়ে ফুৰা চকা কৰিবলৈ যোৱা মানুহ হিচাপে দুই ফালংমান দূৰৈত থকা শইকীয়াহঁতৰ ঘৰ খনলৈকে যায়। আৰু আজি ছয়-সাত বছৰে সিহঁতৰ ঘৰখনকে আপোন বুলি লৈছে। স্বিলভীয়া প্ৰীতি যেন শইকীয়ানীৰ ওচৰতে, তেওঁৰ ল'ৰা ছোৱালীৰ মাজতে বিচাৰি পাইছে।

শইকীয়াহতো আচলতে শিৱসাগৰৰ মানুহ হ'লেও চাকৰি স্থল গুৱাহাটীতে, সেয়ে তেওঁ ইয়াতেই অপৰ্ণাহতকৈও আগতেই মাটি কিনি ঘৰ সজাইছে। মাজে -সময়েবিহুৰে-সবাহে শইকীয়াহঁত শিৱসাগৰলৈ গৈ থাকি আহে, তেওঁলোকৰ ল'ৰা-ছোৱালী চাৰিটা, অলপ ডাঙৰ সৰু হ'লেও সিহঁতৰ বয়সো অপৰ্ণাহঁতৰ ল'ৰা-ছোৱালীৰ প্ৰায় সমসাময়িক হ'ব।

শইকীয়াৰ ল'ৰা ছোৱালীক সকলে পৰা অসমীয়া মাধ্যমত পঢ়াইছে। ছোৱালী দুজনী তাৰিণীচৰণ আৰু ল'ৰা দুটা কলেজিয়েট স্কুলত পঢ়িছিল। ল'ৰা-ছোৱালী কেইটা বৰ বিনয়ী আৰু ভদ্ৰ। ডাঙৰ ল'ৰাটোৱে পদাৰ্থ বিজ্ঞানলৈ স্নাতকোত্তৰ আৰু দ্বিতীয়টোৱে মেডিকেল পঢ়ি আছে। ছোৱালী দুজনীৰ, এজনীয়ে বি. এ. দ্বিতীয় বাৰ্ষিক আৰু আনজনে হায়াৰ ছেকেণ্ডাৰীৰ প্ৰথম বাৰ্ষিকত নাম লগাইছে, কোনোদিনেই সিহঁতে দ্বিতীয় বিভাগ পোৱা নাই। প্ৰথম এই ঠাইখনলৈ আহোঁতে শইকীয়ানীয়ে নিজেই এদিন আহি অপৰ্ণাহঁতক তেওঁলোকৰ ঘৰলৈ মাতি গৈছিল। তেতিয়াই অপৰ্ণাহঁতৰ ঘৰৰ চাকচিক্য দেখি কৈছিল, "আপোনালোকে যে কেনেকৈ আটাইকেইটাক ইমান খৰচী স্কুলত পঢুৱাইছে নাজানো, কিন্তু আমি এটাকো দিব নোৱাৰিলো। বিশেষকৈ শইকীয়াৰ ঘোৰ আপত্তি, সদায় মোৰ লগত তৰ্ক কৰে, হেৰা ; অম্বিকাগিৰি ৰায়চৌধুৰী তৰুণৰাম ফুকন, গোপীনাথ বৰদলৈ, নলিনীবালা দেৱী এইসকলনো কোনখন ইংৰাজী স্কুলত পঢ়িছিলগৈ? ইংৰাজী শিক্ষাই ইংৰাজহে কৰিব পাৰিব, কিন্তু এনে মানুহ কেইজন বনাবহে? বুইছে শইকীয়াৰ এইবোৰ ঠাট্টাৰ কথা শুনি মই আৰু সেইবোৰ আশা বাদ দিছো। সৰুজনীকো ওচৰৰে এল. পি. স্কুলত নাম লগাই দিলো- আপোনালোকক দেখি মোৰ বৰ ভাল লাগিছে, সঁচাকৈয়ে দেই ইংৰাজী মাধ্যমত পঢ়োৱাৰ বাবে আপোনাৰ ল'ৰা-ছোৱালী ছাগে কিমান তজবজীয়া আৰু বুদ্ধিমান হ'ব। শইকীয়ানীৰ মুখত সেইদিনা সেইকথা কেইষাৰ শুনাৰ পিছত অপৰ্ণাৰ পেটে পেটে অলপ গৌৰৱো হৈছিল। তথাপি তাই শান্তনা দিয়াৰ ছলেৰে শইকীয়ানীক কৈছিল, এঃ নহয় দিয়ক, সিহঁতৰ লগত মই লাগি থাকিব লাগে। শৃঙ্খলাপূৰ্ণ হ'বলৈ দেখোন

মইহে ঘৰত চিএৰি থাকো। তাতে বৰায়ো সময় নাপায় নহয়। আপোনাৰ ল'ৰা-ছোৱালী কেইটাইও নিশ্চয় ভাল হব। অইন নহ'লেও সিঁহত ব্যৱহাৰত ভদ্ৰ, নম্ৰ, আৰু আত্মনিৰ্ভৰশীল হ'লেই হয়, নহয় জানো।" শইকীয়ানীক দিয়া এই শান্তনাবাণীষাৰ আজি কিন্তু অপৰ্ণাৰহে প্ৰয়োজন হৈছে।

লাহে লাহে দুয়োঘৰৰ মাজত আত্মীয়তা বাঢ়ি গৈছিল যদিও ল'ৰা-ছোৱালীৰ মাজত পিছলৈ দূৰত্বহে উপজিছিল। ইতিমধ্যে অপৰ্ণাৰ ল'ৰাই দ্বিতীয়া বিভাগত মেট্ৰিক পাছ কৰি কমাৰ্চ কলেজ আৰু শইকীয়াৰ ল'ৰাই ষ্টাৰ মাৰ্কসহ মেট্ৰিক পাছ কৰি চাইন্স কলেজত নাম লগাইছিল। অপৰ্ণাৰ ছোৱালীয়েও মেট্ৰিক পৰীক্ষাত বৰ ভাল কৰিব নোৱাৰিলে। কিন্তু অপৰ্ণাই সিহঁতৰ বাবে বহুতো কষ্ট কৰি নিজৰ খৰচ কমাই হ'লেও টিউশ্যন আদি দিয়াইছিল। আনহাতে শইকীয়াৰ ল'ৰা-ছোৱালীয়ে কোনো দিনে টিউশ্যনৰ সহায় নোহোৱাকৈ অণ্ডহী-বণ্ডহীৰ মাজতে থকা ভাল বুদ্ধিৰ দাঁদাক বা বায়েকৰ সহায় লৈ সকলোবোৰ পৰীক্ষাত কৃতকাৰ্যতাৰে পাছ কৰিছিল। অপৰ্ণাই সিহঁতৰ সফলতাৰ মূল কাৰণ শইকীয়া বুলিহে ভাবিছিলে। কিয়নো শইকীয়ানীয়ে বৰ বেছি ল'ৰা-ছোৱালীৰ কথা নকৈছিল। বৰাৰ লগত অপৰ্ণাৰ এই সংক্ৰান্তত কেতিয়াবা খকাখুণ্ডাও লাগিছিল। কাৰণ ল'ৰা-ছোৱালী কেইটাৰ পঢ়াশুনাত বৰাই কেতিয়াও চকু নিদিয়ে বুলি অপৰ্ণাই প্ৰায়ে অভিযোগ কৰিছিল। আনহাতে, শইকীয়াই নিজে পঢ়ুৱাব নোৱাৰিলেও ল'ৰা-ছোৱালীৰ বাবে সময় উলিয়াই সিঁহতৰ পঢ়াশুনাৰ খবৰ লৈছিল। এদিন অপৰ্ণাই ল'ৰা-ছোৱালীৰ কৃতকাৰ্য্যতাত শইকীয়াক অভিনন্দন জনোৱাত তেওঁ কৈছিল, "আপুনি মোক অভিনন্দন জনোৱাতকৈ ল'ৰা-ছোৱালীৰ মাকৰ্ক জনালেহে বেছি ভাল হ'ব, কাৰণ সিহঁতৰ সকলো কথাতে মোতকৈ মাকৰ অৱদানহে বেছি। মইনো কিমান সময় ঘৰত থাকো?"

শইকীয়াৰ কথাত অপৰ্ণাই নিজৰ ভুলটো বুজিব পাৰি লাজো পাইছিল। অৱশ্যে শইকীয়া মানুহজনৰ ঘৈণীয়েকৰ ওপৰত আস্থা আছে। আৰু একেষাৰত শইকীয়ানীৰ বাক্য মানি লয়। সেয়ে ল'ৰা-ছোৱালীবোৰে পদে পদে আহুকাল নাপায়, কোনো এটা বিষয়ত সিদ্ধান্ত ল'বলৈ অপৰ্ণাৰ ল'ৰা-ছোৱালীয়ে মাকক এবাৰ আৰু দেউতাকক দহবাৰ সুধিবলগীয়া হয়। কিয়নো পিছত কিবা বেয়া হ'লে বৰাই অপৰ্ণাক আৰু অপৰ্ণাই বৰাক দোষাৰোপ কৰে। সাংসাৰ চলোৱাত মাকগৰাকীৰ ধৈৰ্য্য আৰু দেউতাকৰ সহযোগিতা নাথাকিলে যে নিজৰ বিপদ হয় সেইটো অপৰ্ণাৰ এতিয়াহে উপলব্ধি হৈছে।

আচলতে শইকীয়ানীৰ গাতো বহুতো গুণ আছে, কেতিয়াবা নিজেই অপৰ্ণাক কৈছিল– "বুইছে মই ল'ৰা-ছোৱালী কেইটাক অনবৰত কিবাকিবি কৈ থাকো, মাষ্টৰৰ ছোৱালীতো , উপদেশ দিয়া অভ্যাস হৈ গৈছে।" অৱশ্যে শইকীয়ানীৰ কথাত অপৰ্ণাই কৈছিল, আপোনাৰ ল'ৰা-ছোৱালী বিনয়ী , মেধাবী, সকলো গুণেই আছে। আমাৰ বোৰৰবা কেনে হয়? ভুলেই কৰিলো কিজনি এইবোৰ স্কুলত দি। খৰচৰ কথাতো নকওঁৱেই স্কুলত শিকিবলগীয়া কথাবোৰ দেখোন সমানেই ঘৰত শিকাবলগীয়া হয়। কেতিয়াবা বিবুদ্ধিত পৰি যাওঁ। শইকীয়ানীয়েও তেতিয়া অপৰ্ণাক ল'ৰা-ছোৱালী সংক্ৰান্তত দিহা-পৰামৰ্শ দিছিল। অপৰ্ণাই ল'ৰা-ছোৱালীক সেইবোৰ কথা ক'লে ঠাট্টা কৰি উৰুৱাই দিছিল। আমি এতিয়া শইকীয়া আণ্টিৰ লেকচাৰ শুনিলেহে হব মানুহজনীয়ে দেখিলেই মাতি নি যিহে উপদেশ দিয়ে বোৰ লাগি যায়।" সিহতৰ কথা শুনি অপৰ্ণাই ভাৱে এয়া তেওঁলোকে কি কৰিলে? সাধাৰণ সমাজৰ লগত খাপ খাব নোৱাৰা কথাই প্ৰতি বোৰ হোৱা ইহতৰ মানসিকতা বুজি নাপায় অপৰ্ণাই অসহায়বোধ কৰিছিল। অথচ কিছুমানে একেই স্কুলত একেই শিক্ষাৰে ইমান ওপৰলৈ উঠি গৈছে যে অপৰ্ণাৰ ল'ৰা-ছোৱালীয়ে সিহঁতক ঢুকি নাপায়।

এতিয়া সিহঁত বহুত ডাঙৰ হ'ল। আগতে দুই এটা কথা মাকৰ আগত কৈছিল যদিও এতিয়া মাককো সিহতে বোৰ পোৱা হ'ল। গণ্য কৰিবৰ দৰ্কাৰ বুলি নভবা হ'ল। ডাঙৰ ল'ৰাটোৱে কোনোমতে দুবছৰৰ মূৰতো বিকমৰ দেওনাখন পাৰ হ'ব নোৱাৰি ব্যৱসায়ৰ নামত কি কৰিছে অপৰ্ণাই ক'ব নোৱাৰে। প্ৰথমতে কেইদিনমান মূলধনৰ বাবে অপৰ্ণাক সিহঁতৰভাষাত হেনো কিবা মস্কা লগাইছিল। অপৰ্ণাইনো ক'ৰ পৰা দিব? নিজৰ যি জমা আছিল উপাই নাপাই বৰাক নজনোৱাকৈ তাকে জাৰি-জোকাৰি দিয়াত ভি, চি, আৰ আৰু কেছেট ভাৰা দিয়া দোকান দিছে। সপ্তাহত কেতিয়াবা চাৰিদিনেই সি ঘৰত আনি ইংৰাজী চিনেমাবোৰ চায়, তাৰ লগত পৰি ভায়েক ভনীয়েক হালৰো একে নিচা হৈছে। কোঠালিটোত সোমালে অপৰ্ণাৰ উশাহ-নিশাহ বন্ধ হোৱা যেন লাগে। অ'ত ত'ত মোজা, আণ্ডাৰপেণ্ট, চাৰ্ট পৰি আছে। বেডকভাৰৰ তলত সেইটো গাৰুয়েই নে কুকুৰ এটাই মোটোকা মাৰি বহি আছে ধৰিবই নোৱাৰি। গোটেইখন খেলিমেলি। ছোৱালীজনীক চাফা কৰিবলৈ ক'লে তাই উচাট মাৰি উঠে আৰু কয় "সি, নিজে ঠিক কৰি থব নোৱাৰেনে। ল'ৰা কাৰণে হ'বলা সি একোকে কৰিব নালাগে। 'পাকঘৰৰ কামত সহায় কৰিবলৈ মাতিলেই তাইৰ সেইদিনা পঢ়াৰ কোবটো বেছি হয়। সৰু ল'ৰাটো কেতিয়াবা মাকৰ ওচৰলৈ আহে যদিও ডাঙৰ দুটাক

দেখি সিও কোনো কথা নুশুনা হৈছে।

অৰ্পণাই আজিকালি কাকো একো নকয়, সংসাৰৰ সকলো কৰ্ত্তব্য শেষ কৰা মানুহৰ দৰে কেতিয়াবা বেলিলৈ বিছনাত থাকে আৰু কেতিয়াবা পুৱাতেই উঠি কিবাকিবি কৰি থাকে। সৰুৰে পৰা হাতৰ কাষতে সকলো যোগাৰ দি অৰ্পণাই ল'ৰা-ছোৱালী কেইটাক পঙ্গু কৰি পেলালে। এতিয়া সিহঁতে নিজে একো কৰিব নোখোজে। দোষ অৰ্পণাৰ গাতেই আৰু কিবা এটা কাম কৰিব খুজিলেই বৰাই "এঃ সিহঁতেনো এইবোৰ কামৰ কি ভূ-পাব ল'ৰা মানুহ, ময়েই কৰিম", বুলি লেঠা মাৰি থয়, অথচ শইকীয়াৰ ল'ৰা ছোৱালীয়ে বেংকত পইচা থোৱা, ইলেকট্ৰিচিটিৰ পইচা দিয়া, ৰেশ্বন কাৰ্ডৰ বস্তু অনা, বজাৰ সমাৰ কৰা, সকলো কামকেই যেতিয়াই যাৰ ভাগত যেনেকৈ সুবিধা হয় তেনেকৈ কৰে।

অৰ্পণাৰ ল'ৰা ছোৱালী মানসিকভাৱেও পঙ্গু হৈ গৈছে। অনবৰত ভি, চি, আৰত চিনেমা চাই নিজৰ মগজুৰে একো চিন্তা নকৰা হ'ল। সকলো কথাতে নিজকে এডাল্ট বুলি ভবা সিহতবোৰযে কিমান সৰু আছিল। মাত্ৰ সিদিনাহে জন্ম হৈছিল; তেনে লাগে অৰ্পণাৰ, বৰা আৰু অৰ্পণা যেন আজি নীৰৱ দৰ্শক মাথো। কোনখিনিত ভুল হ'ল ধৰিব নোৱাৰি যেন বিব্ৰত।

আকৌ দেৱালঘড়ীটোত চাৰে দহবজাৰ সময় সংকেত দিয়াত অৰ্পণাই এইবাৰ বিছনাৰ পৰা উঠি অলস ভাৱে খোপাটো বান্ধি ল'লে। গৰমৰ বন্ধ হ'লেও খোৱা মুখকেইখন আৰু পেটকেইটা থাকে মানে ঘৰখন, পাকঘৰটো বন্ধ নহয় কেতিয়াও। ৰাতিলৈকে চিনেমা চাই শুই থকা ল'ৰা-ছোৱালীক অৰ্পণাই কোনোদিনাই মাতিবলৈ ইচ্ছা নকৰে।

পাকঘৰৰ পৰা ফুৰফুৰীয়া সুগন্ধ এটা অহাত অৰ্পণাই অলপ আচৰিত হৈ পাকঘৰলৈ গৈ দেখে কোনোদিনেই পাকঘৰৰ কামত সহায় কৰিবলৈ নহা জীয়েকৰ লগত বাপেকে কিবা কৰি আছে। অৰ্পণাক দেখি উৎফুল্লিত হৈ বৰাই জীয়েকে ভাজি থকা গৰম লুচি এখন প্লেটত লৈ অৰ্পণালৈ আগবঢ়াই দি ক'লে "তুমিও বহি যোৱা, ইহঁতকো মাতা, আজিৰ পৰা হোনো মাজনীয়ে সদায় ব্ৰেকফাষ্ট বনাব। কি যে সোৱাদ হৈছে বুলি ফুলা লুচিৰ কাষতে ফুৰফুৰীয়া গোন্ধ ওলোৱা ভাজিও অকণ দিলে। মিটচেফৰ পৰা আচাৰৰ বটলটো আনি বাতি এটাত আচাৰ উলিয়াই অৰ্পণাই মুখেৰে একো নকৈ লুচি ভাজি থকা গৰমত ৰঙা পৰা মুখৰ জীয়েকলৈ চালে। ঠিক যেন পুৰ্ণিমাৰ জোনটোহে, ফুলা লুচিখনৰ দৰে গোলমুখৰ জীয়েকলৈ অৰ্পণাৰ হঠাতে মৰম লাগি গ'ল। আৰু এৰি থৈ অহা দিনবোৰত জলপান খাবলৈ ল'ৰা-ছোৱালী কেইটাক মতাৰ দৰে সিহত দুটাকো মাতি মাতি অৰ্পণা ওলাই আহিল। অৰ্পণাৰ এনে লাগিল যেন এইমাত্ৰ আটাইকেইটা তাহানিৰ দৰে দুপদুপাই আহি পাকঘৰ পাবহি।

শেষ দৃশ্য



অৱশেষত গিৰিবালাৰ একান্ত আপোন ৰজত বৰুৱাই চিৰশান্তি ধামলৈ গতি কৰিলে আৰু গিৰিবালক অকলশৰীয়া কৰি থৈ গ'ল হোমৰ অগ্নিক সাক্ষী কৰি শিৰত সেন্দুৰ পিন্ধাই লৈ অহাৰ দিন ধৰি গিৰিবালাই নিষ্ঠাৰে স্বামীৰ প্ৰতি কৰ্ত্তব্য কৰি সহধৰ্মিণীৰ কৰ্ত্তব্যও পালন কৰি আহিছে, অৱশ্যে এয়েই হিন্দু নাৰীৰ পৰম ধৰ্ম্ম বুলি ধৰা হয়। সচাঁকৈয়ে আজি চল্লিশ বছৰে এজন মানুহৰ লগতে সকলো সময়তে সুখে দুখে একলগে থাকি আজি গিৰিবালা কিমান নিঃসঙ্গ হৈ গৈছে তাক তেওঁৰ বাহিৰে কোনেও বুজিব নোৱাৰে।

ৰজত বৰুৱাৰ তিনিটা সন্তানৰ মাতৃ হৈ গিৰিবালাই সিহতক ডাঙৰ দীঘল কৰি প্ৰতিষ্ঠিত হোৱাৰ পিছত বিয়া বাৰু পাতি দি তিনিওজনলৈ বোৱাৰী আনিলে। ফুলৰ দৰে সুন্দৰ নাতিনীও পালে। এই ভৰপূৰ সংসাৰ দেখাৰ পিছত ৰজত বৰুৱাই নশ্বৰ দেহ ত্যাগ কৰিছে। পো বোৱাৰীৰ মৰম-শুশ্ৰূষা পাইছে, আক্ষেপ কৰিবলগীয়া নাই। বৰঞ্চ মানুহজনে কষ্ট পাই আছিল মুক্তি পালে, কিন্তু তথাপিও গিৰিবালাৰ মন আৰু চকুৱে এতিয়াও সেই কথাটোৱে মানি লব পৰা নাই। সৌজন ৰজত বৰুৱা, যাৰ মুখখনৰ বাহিৰে সৰ্ব্বশৰীৰ বগা কাপোৰেৰে

ঢকা আছে, দুপাহ সৰু বগা ফুলৰ দৰে বগা কপাহ দুটুকুৰা নাকৰ পাহিৰ তলৰ ফুটা দুটাত সোমাই থৈছে। ঠিক যেন শান্তিত শুই আছে এইমাত্ৰ গিৰিবালাক বিচাৰি চকু মেলিব আৰু ইফালে সিফালে চাব, শেষৰ কেইদিন তেওঁ কথা স্পষ্টকৈ ক'ব পৰা নাছিল। আকাৰে ইংঙ্গিতেহে কৈছিল, সেই ইংঙ্গিত গিৰিবালাইহে বুজিছিল।

গিৰিবালা ডাঙৰ আৰু সৰু পুতেক তেজপুৰ আৰু ডিব্ৰুগড়ত থাকে। মাজুটোৰ কৰ্মসুচী গুৱাহাটীত বাবে গিৰিবালা হতৰ লগত আছে। কোনোবাদিনা চাকৰিৰ বাবে বেলেগ ঠাইলৈ যাব লগা হব পাৰে তেতিয়া? গিৰিবালাই তেতিায়া কি কৰিব। এই প্ৰশ্নটো মনলৈ আহিলেই গিৰিবালা ব্যাকুলহৈ পৰে। আজি কেইবামাহেও গিৰিবালাই একেটা কথাকে ভাবি আছে। মুখ ফুটাই কোৱা নাই, এই সম্পৰ্কে গিৰিবালাই শেষলৈ ৰজত বৰুৱাক ইংগিত দিছিল, উত্তৰত বৰুৱায়ো ইংগিতেৰে হাতৰ মুঠি লগ কৰি দেখুৱাইছিল, সকলোকে লগে থাকিবলৈ। পিছে কি হ'ব, পৃথিবীৰ কোনেও লগ লৈ নাহে। অকলেই আহে, অকলেই যাব লাগে নহ'লেনো গিৰিবালাই বৰুৱাৰ লগতেই কিয় যাব নোৱাৰিলে? তেওঁতো সংসাৰখনৰ প্ৰতি সন্তানৰ প্ৰতি কোনোদিনে কৰ্ত্তব্যৰ ত্ৰুটি কৰা নাই? ভগৱানেনো তেওঁক এইফেৰা দুখ কিয় দিলে? মানুহে কয় বিপদত পৰিলেহে ভগৱনক সোঁৱৰে বাবে ভগৱানে হেনো বিপদত পেলাই ৰং চায়, কিন্তু গিৰিবালাইতো তিনি সন্ধ্যা তেওঁক স্মৰণ কৰে, আৰু শিৰত সেন্দুৰলৈ নিজেহে আগতে যোৱাৰ গৌৰৱকণ বিচাৰি সদায় ভগৱানক প্ৰৰ্থানা কৰিছিল। পিছে তেওঁ কি প্ৰাৰ্থনা শুনে, আৰু কি নুশুনে সেয়া তেওঁৰেই ইচ্ছা, ইয়াত গিৰিবালাৰ কিয় কোনো মনুষ্যৰে হাত নাই।

চুবুৰীৰ বহুতো মানুহে লাহে লাহে আহি আছে। বৰুৱাক সকলোৱে ভাল পাইছিল। স্বাভাৱিক যিজন মানুহে ঘৰতেই কাকো এষাৰ টান কথা নকয়, সেইজন মানুহে বাহিৰত টান কথা কোৱা দুৰৰে কথা, বৰঞ্চ ল'ৰাৰ পৰা সমবয়সলৈ সকলোৰে লগত প্ৰীতিপূৰ্ণ ব্যৱহাৰ আছিল, সেয়ে আজি কোনোবাই ফুল লৈ আহি তেওঁৰ চৰণত শেষ শ্ৰদ্ধাঞ্জলী জনাইছে। বেংকৰ চাকৰিৰ অৱসৰ লোৱা কেইবাবছৰো হ'ল যদিও পুৰণা মনুহখিনিৰো দুই এজন আহিবলৈ ধৰিছে। গিৰিবালাৰ ওচৰত দুই এগৰাকীয়ে বহি নীৰৱে তেওঁৰ দুখৰ সমব্যাথী হবলৈ চেষ্টা কৰিছে। কোনোবা এগৰাকীয়ে হয়তো "বৰ ভাল মানুহ আছিল, ভগৱানে তেওঁৰ আত্মাক শান্তি দিয়ক, আপুনি ধৈৰ্য্য ধৰিব লাগিব। ল'ৰা নাতিৰ মুখলৈ চাই" –ইত্যাদি সান্ত্বনা দিছে। এই সকলোবোৰ বাক্যই আজি গিৰিবালাৰ কাণত

সোমাই উফৰি গৈছে। চকুৰ আগৰ এই দৃশ্যবোৰ যেন কোনোবা নির্বাক ছায়াছবিৰহে দৃশ্য, গিৰিবালাৰ তেনে লাগিছে। যোৱা ৰাতি লৈকে বৰুৱাৰ দেহটোৰ দায়িত্ব আৰু অধিকাৰ সকলোতকৈ বেছি গিৰিবালাৰে আছিল। শেষ হৈ যোৱাৰ দুঘণ্টা আগতেও গিৰিবালাই দুখন বিস্কুট গৰমপানীত তিয়াই বৰুৱাক খুৱাইছিল। এই কামটো অসুখ হোৱাৰ পিছৰে পৰা গিৰিবালাই সদায় কৰে। তাৰ পিছত গিৰিবালাই আকাশ পাতাল চিন্তা কৰি থাকোতে টোপনি আহি গৈছিল। ঠিক পুৱতি নিশা চাৰিমান বজাত গিৰিবালাই এক দুঃসপোন দেখি ধৰফৰকৈ উঠি বহে আৰু বৰুৱাৰ ডিঙিৰ ঘেৰঘেৰণি শব্দ এটা শুনি চামোচেৰে এচামুচ পানী বৰুৱাক খুৱাই দিয়ে। ডিঙি শুকাই যায় বাবে প্ৰায়েই গিৰিবালাই তেনে কৰে আৰু কেইচামোচমান পানী খালে বৰুৱাই চকু মেলি খিৰিকিৰ পিনে চাই ইংগিত কৰে মুখেৰেও কিবাকিবি কবলৈ চেষ্টা কৰে। গিৰিবালাই খিৰিকিৰ পৰ্দাবোৰ টানি দিয়ে পোহৰ আগমনৰ আশাত, হয়তো অন্ধকাৰলৈ বৰুৱাই ভয় কৰে। আজি কিন্তু তেনে হবলৈ নাপালে, পিছৰ চামুচ পানী যেতিয়া কোৱাৰিয়েদি বাগৰি আহিল গিৰিবালাই পুতেকহতক মাতিলে। সিহত দৌৰি আহিল। মাজে মাজে কৰাৰ দৰে বৰুৱাৰ হাত-ভৰি মালিচ কৰিলে। এজনে ডাক্তৰ লৈ আহিল। পিছে নাই এটাৰ পিছত এটা মুহুৰ্ত্ত শেষ হৈ গ'ল বৰুৱাৰ চেতনা আৰু ঘুৰি নাহিল। যিদিনাই মানুহজনৰ এই বেমাৰ বুলি জানিব পাৰিলে গিৰিবালাই ধীৰে ধীৰে এই সত্যৰ সম্মুখীন হ'বলৈ সেইদিনাৰ পৰাই মানসিক প্ৰস্তুতি গোটাইছিল। কিন্তু সেই প্ৰস্তুতি আজি যেন ভাগি গ'ল।

গিৰিবালাই অলপ বেৰত আঁউজি বহি ল'লে। আৰু নতুনকৈ ভাবিবলৈ ধৰিলে, প্ৰথম নিশাৰ স্মৃতি সোঁৱৰাৰ দৰে। এই খবৰটো জনাৰ আগতে শেষ আনন্দনো তেওঁৰ পৰিয়ালৰে সৈতে কেতিয়া কৰিছিল? প্ৰথম কোন দিনানো বৰুৱাই গা বেয়া লগা বুলি কৈছিল? নাই গিৰিবালাৰ মনত নপৰে। কিছুমান স্মৃতি ধূসৰ হৈ যায়, মনৰ গহ্বৰৰ অতল তলীত হেৰাই যায়, যাক খেপিয়ায়ো ঘুৰাই আনিব নোৱাৰি। গিৰিবালাই জোৰকৈ চকু দুটা মুদি দিলে, কিন্তু এটোপাল চকুপানী নপৰিল, বেমাৰৰ খবৰটো পোৱাৰ পিচত বহুদিন, বহুৰাতি নিৰলে, উজাগৰে থাকি কোনেও নজনাকৈ মনে মনে গিৰিবালাই বহুতো চকুপানী টুকিছে। তেওঁৰ ব্যক্তিগত ভিতৰৰ দুখ আৰু যন্ত্ৰণাৰ কথা তেওঁ কাকোয়েই ল'বলৈ দিয়া নাই। আনকি বৰুৱাকো।

বৰুৱা মানুহজন প্ৰথমৰে পৰাই ক্ষীণ আছিল যদিও তেনেকৈ বেমাৰ আজাৰ নাছিল। সাধাৰণ কাহ, পানীলগা হৈছিল যদিও চিগাৰেট খোৱাৰ বাবে তেনে

হোৱা বুলি প্ৰথম অৱস্থাত গিৰিবালাই সেই কামটোৰ পৰা বিৰত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু আন বিলাসিতা একোকে নকৰা বৰুৱাই চিগাৰেট খোৱা অভ্যাসটো এৰিব পৰা নাছিল আৰু তাৰ পৰিণতি কি হ'ল? এই বেমাৰ হোৱাৰ পিছত বৰ দুখেৰে গিৰিবালাই বৰুৱাক কওঁতে বৰুৱাই কৈছিল "বুইছা জীৱনত এখন তামোল চিগাৰেট নোখোৱা মানুহৰো কেন্সাৰ হয়, যাৰ এন্সাৰ নাই বুলি বিষ্ণুৰাভায়ো কৈছিল কপাল বুইছা কপালৰ লিখন নহয় খণ্ডন"।

এৰা, কোনোবা এগৰাকী চুবুৰিৰ মানুহেও গিৰিবালাৰ গাত হাত ফুৰাই সান্ত্বনা দিছে, বৰুৱাই দিয়াৰ দৰে, "কপালত যি আছে তাকেহে হ'ব সকলো ভগৱন্তৰ ইচ্ছা মাৰাক চাবা' বুলি বোৱাৰীয়েকহঁতক উপদেশ দি তেওঁ উঠি গ'ল। বাহিৰত শব নিয়াৰ যো-জা চলিছে। বিয়াৰ দৰা উলিওৱাৰ আগৰ ব্যস্ততাৰে। কোনোবা এজন অভিজ্ঞ শ্মশান যাত্ৰীৰ সহায়কাৰীয়ে কাৰোবাক সুধিছে— "হেৰা, টেকেলিটো লৈছানে? ঘিঁ? ৰছি লাগিব ট্ৰাক আহিলনে? ইত্যাদি, স্থান, কাল, পাত্ৰ বস্তুৰ যেনিবা পৰিবৰ্ত্তন, মৌন সমাৰোহ, এয়েই জাগতিক নিয়ম।

ডাঙৰ ল'ৰা দুদিন আগতে কৰ্ম্মস্থলীলৈ গৈছিল , কিবা বিপদৰ খবৰ পালেই আহিব এনে প্ৰস্তুতিত, সিয়ো হেনো যোৱাকালি ভাতৰ গৰাহ মুখলৈ নিওঁতেই ওকালি অহা যেন পালে। বিপদৰ গোন্ধ পায়েই সিয়ো আহি পাইছে। হেজাৰ হ'লেও আত্মাৰ টান। কথাতেই কয় "বৰটোৰ ঘৰটো, সৰুটোৰ চৰুটো, মাজু মাজে-মাজে যায়," বৰ ল'ৰা টৌলৈকে ৰখি আছিল। যদিও বৰুৱাৰ ক্ষেত্ৰত মাজুটোৰেহে আৰম্ভণিৰ পৰা লাগি আছে। সৰুটোৰো যোৱা মাহৰ আজিৰ তাৰিখত বৰুৱাৰ ইচ্ছাত বিয়াখন গ'ল আৰু আজি পুৰা এমাহৰ পিছত একে তাৰিখতে পট পৰিবৰ্ত্তন। তাৰ ছুটী শেষ হ'বলৈ এতিয়াও পোন্ধৰ দিন আছে।

সিহঁত সকলো সাজু হ'ব ধৰিছে দেউতাকক অন্তিম যাত্ৰালৈ লৈ যাবলৈ কিন্তু গিৰিবালাৰ কি হব? গিৰিবালাৰ বুকুখন ধৰফৰাই উঠিল। ডাঙৰ পুতেকৰ ছোৱালীজনীৰ অন্নপ্ৰাসনৰ আগেয়ে বৰুৱাৰ ভালকৈ কাহ-জ্বৰ, পানীলগা হ'ল। সেইসময়তে ভাইৰেল ফিভাৰ এটা প্ৰায় মানুহৰে হৈছিল। বৰুৱাৰো সেই চিকিৎসা চলিল। সেয়াই আৰম্ভণি, তাৰ পিছত আজি এবিধ কালি এবিধ বেমাৰে বৰুৱাক বিছনাত পেলালে। শেষত যেনিবা ঘৰৰে ভতিজা ডাক্তৰে মাজু পুতেকৰ লগত গৈ বৰুৱাক কৰিব লগা যাৱতীয়া পৰীক্ষাসমূহ কৰি বৰুৱাৰ বেমাৰ সম্পৰ্কে জানিব পাৰিলে। মৃত্যুৰ চমন জাৰি হৈ গ'ল। প্ৰথমতে শুনি গিৰিবালাই গোটেই পৃথিৱী অন্ধকাৰ দেখিলে। বৰুৱাই হেঁপাহ কৰি থকা বাবে নাতিনীয়েকৰ অন্নপ্ৰসন্নৰ আগতে বেমাৰৰ খবৰ বৰুৱাক নিদিয়াটোকে স্থিৰ কৰিলে। বোৱাৰীয়েকৰ মাকে

গিৰিবালাক সান্ত্বনা দিলে আপুনি তিনিমাহমান ধৈৰ্য্য ধৰকচোন জানোছা কিবা চমৎকাৰ ঘটেই। গিৰিবালা আৰু বেছি আহত হ'ল। তাৰ মানে মাত্ৰ তিনিমাহ সময়হে আছে পিয়াদা আহিবলৈ, নাই, গিৰিবালাই কেতিয়াও তেনে হ'বলৈ নিদিয়ে গিৰিবালাই মুখ ফুটাই একো নক'লে আৰু ভক্তিৰে; শক্তিৰে যেনেকৈ পাৰে নিমাতে-নীৰৱে ৰবন্বাৰ যত্নত লাগি গ'ল। চিকিৎসাৰ কোনো ত্ৰুটি নাৰাখিলে, তিনিমাহ বাগৰি ছমাহ, সাত মাহকৈ নমাহ হ'ল। অনবৰতে কাষতে থাকি খোৱা লোৱাৰ যত্ন লৈ প্ৰতিতো মুহূৰ্ত্তত সংগ দি ৰাতি উজাগৰে থাকি কত দেৱ-দেৱীক মানস কৰিও গিৰিবালা ভাগৰি পৰা নাছিল। জানোচা সঁচাকৈয়ে কিবা চমৎকাৰ হয়?

মাজতে অন্নপ্ৰাসনো গ'ল। সৰু পুতেকৰ বিয়াও হৈ গ'ল। এই সকলো উৎসৱৰ পৰা নিজকে দূৰত ৰাখি একমাত্ৰ ৰবন্বাৰ কাষত থাকি গিৰিবালা যেন আত্ম বিস্মৃত হৈ আছিল, কিন্তু আজি একেই মানসিক স্থিতিত তেওঁ দেখিলে সেই একান্ত আপোন শৰীৰটো গিৰিবালাৰ পৰা দূৰত বহুজনৰ হৈ গৈছে। একমাত্ৰ গিৰিবালাৰ বাহিৰে সকলোৰে স্পৰ্শ কৰি শেষ প্ৰণাম জনাইছে অবিণাশী আত্মা বিলীন হৈ গ'ল শূন্যত। গীতাতেই আছে পুৰণি কাপোৰ সলোৱাৰ দৰে আত্মায়ো হেনো দেহ সলনি কৰে।

"উঠক বাইদেউ, আপুনি গাটো তিয়াই এই কাপোৰযোৰ সলাওক বুলি ভনীয়েকে গিৰিবালাক গা-ধুৱাবলৈ লৈ গ'ল। শ্মশানলৈ শব নিব, গিৰিবালাই পৰিয়াল, পৰিজনে শেষ প্ৰণাম কৰিব। গিৰিবালা উঠিল। ন- কেচুৱাই খোজ শিকিলে ঢলং-পলংকৈ খোজ দিয়াৰ দৰে ভনীয়েকক ধৰি ধৰি গিৰিবালা-গা ধুবলৈ গ'ল। আজি তেওঁৰ বৰ ভাগৰ লাগিছে। সম্মুখ ভৱিষ্যতত তেওঁ কাৰ লগত থাকিব? সকলোৰে নিজৰ কামত ব্যস্ত হৈ যাব, সৰুতে পঢ়া কবিতাৰ দৰে "মই মৰিলেও জোন, বেলি ওলায়ে থাকিব, গছত ফুলিব ফুল বতাহ বলিব নিজবাটে নক্ষত্ৰ ঘূৰিব।' কেৱল গিৰিবালাৰ গছতহে ফুল নুফুলে বতাহ নবলে। গিৰিবালাৰ পৃথিৱীখন স্থিৰ হৈ যাব। এই অসহ্য নিসঙ্গতাৰ যন্ত্ৰনা লৈ বাচি থকা দিনকেইটাত গিৰিবালাই কেনেকৈ থাকিব? আলফুলকৈ ভনীয়েকে গাটো মচি দি শুদ্ধ বগা কাপোৰযোৰ পিন্ধাই বায়েকক লৈ আহিল। অবসন্নভাৱে গিৰিবালাই ভনীয়েকৰ কান্ধত মুৰটো থৈ দিলে। মাজু বোৱাৰীয়েকেও আহি গিৰিবালাৰ হাত এখন কান্ধতে ল'লে ডাঙৰ জনী ব্যস্ত মানুহক মাত-কথা দিয়াত সৰুজনী বোৱাৰী একেবাৰে নতুন। তায়ো বিব্ৰত, বিহ্বল হৈছে। পিতৃশোক কি যেন বুজি পাইছে, প্ৰকাশৰ ভাষা পোৱা নাই, মাজু জাকৰ পিছে পিছে আহিছে। কোনোবা গীতিকাৰে

ঠিকেই লেখিছে "কাৰ ঘৰৰ পাটনাদ আছিল কাৰ ঘৰৰ জৰী বুলি। গিৰিবালাৰ ল'ৰাহতো পিতৃ অন্তঃপ্ৰাণ কিন্তু সিহঁত পুৰুষ সেয়ে নিজৰ কৰ্ত্তব্য সংযত হৈ ব্যথিত হৃদয়েৰে কৰি গৈছে।

এটা এটাকৈ তিনিটা ল'ৰা জন্ম হোৱাত গিৰিবালাই এদিন বৰুৱাক কৈছিল "মোৰ কপালত দুখ আছে, ছোৱালী এজনীও নহ'ল। কিয়? বুলি বৰুৱাই চকু কপালত উঠাই গিৰিবালাক সোধাত কৈছিল, "ছোৱালীয়েহে মাকৰ মৰম বুজেল'ৰাই ক'ত বুজিব" হেৰা বোৱাৰীবোৰ যে আনিবা সিহত জানো কাৰোবাৰ ছোৱালী নহয়?" নে বোৱাৰী নানো বুলি ভাবিছা? গিৰিবালাই তেতিয়া ইস পৰৰ ছোৱালীয়ে কি মৰম বুজিব? বুলি কোৱাত বৰুৱাই কৈছিল হেৰা তুমিও দেখোন পৰৰ ছোৱালীহে? তুমি যদি মৰম কৰিব জানিছা মৰম পাইছা নে মোৰ মৰমো অতদিনে বুজা নাই? উত্তৰত গিৰিবালাই কৈছিল "যাওক আপোনাৰ লগত চুপতি মাৰিবলৈ মোৰ সময় নাই" সেই সময় নোহোৱা গিৰিবালাক অফুৰন্ত সময় অকলে ভোগ কৰিবলৈ দি বৰুৱা আজি গুচি গ'ল। ঘৰখনত সৰু সৰু উচুপনিৰ শব্দ, কান্দোনৰ ৰোল উঠিছে। গিৰিবালাই বৰুৱাক সেৱা কৰা শেষ দৃশ্য চাবলৈ অপাৰগ বহু আত্মীয়, অনাত্মীয়ই আঁচলেৰে চকুলো মচিছে। ভনীয়েকৰ ওচৰৰ পৰা কোনোবা দুজন দুৰ আত্মীয়ই এইবাৰ গিৰিবালাক বৰুৱাক ওচৰলৈ লৈ আহিল আৰু ভৰি পঠানত আঠু কঢ়াই দিলে। ঠিক ন- কইনাই ন-দৰাক সেৱা কৰোৱাৰ ভংগীত।

তেতিয়াৰ পৰা এটোপাল চকুলো নোলোৱা গিৰিবালাই বৰৱাৰ চৰণযুগল সাবটি ধৰি হুকহুকাই কান্দি উঠিল। কিছু সময় পিছত আকৌ সেই দুজনেই জোৰকৈ গিৰিবালাক শবদেহৰ পৰা আঁতৰাই ভিতৰলৈ লৈ গ'ল। ধূপ-ধূনাৰ গোন্ধেৰে ঠাইটুকুৰা ভৰি পৰিল। ট্ৰাকত বৰুৱাৰ শবদেহ তুলি "হৰিবোল" ধ্বনিৰে শেষ যাত্ৰা আৰম্ভ কৰিলে। গিৰিবালাৰ কাণৰ পৰা সেই ধ্বনি লাহে লহে ক্ষীণ হৈ গ'ল আৰু মূৰ্চ্ছিত হৈ পকাত পৰা বিছনাখনত কিমান সময় পৰি আছিল গিৰিবালাই গমকে নাপালে। যেতিয়া চেতনা পালে গিৰিবালাৰ গালত কোমল স্পৰ্শ পৰিল। চকু মেলি দেখিলে নিচেই ওচৰতে এবছৰীয়া নাতিনীয়েকে সোলা মুখেৰে ফেঁকফেঁকৈ হাঁহি হাঁহি আইতাকৰ গালত চপৰিয়াই আছে। ওচৰতে ল'ৰাহতৰো উদ্বিগ্ন চলচলীয়া মুখ, সদ্যস্নাত তিতা চুলিৰে তিনিওটা ল'ৰাই গাত একবস্ত্ৰ পিন্ধি মাকলৈ ব্যাকুলভাৱে চাই আছে।

গিৰিবালাই নাতিনীয়েকক ওচৰ চপাই বুকুত সাবটি ল'লে। দপদপকৈ জ্বলি থকা শোকৰজুই কুৰাত যেন এচলু চেচাপানীহে পৰিল। গিৰিবালাৰ বুকুখনো

কিছু পৰিমাণে শাঁত পৰিল। দুচকুৰেদি চকুপানী বাগৰি থাকিল। তেতিয়া বৰুৱাৰ শৱদেহ থোৱা খালি ঠাটুকুৰাত এগচি চাকি জ্বলি আছে আৰু মুৰ শিতানত কোমল বয়সীয়া ভকত এজনে গীতা পাঠ আৰম্ভ কৰিছে—

"অহন্য হনি ভূতানি গচ্ছন্তি যম মন্দিৰম

শেষাঃ স্থিৰত্বম ইচ্ছন্তি

কিমাশ্চৰ্য্যম অতঃ পৰম'—

অৰ্থাৎ প্ৰতিদিনে মানুহৰ মৃত্যু হৈ আছে কিন্তু যিসকলৰ মৃত্যু হোৱা নাই সেইসকলে ভাবে তেওঁলোক বাচি থাকিব। ইয়াতকৈ আৰু কি আচৰিত হব পাৰে?

গিৰিবালাই বিচাৰি থকা প্ৰশ্নৰ উত্তৰ যেন পাই গ'ল। কাণত মাথো বাজি থাকিল— কিমাশ্চৰ্য্যম! কিমাশ্চৰ্য্যম!



ঠিকনা

তেল শোধানাগাৰ চৌহদৰ এক নম্বৰ আবাসস্থলীৰ মহানন্দ বৰুৱাৰ ঘৰত আজি নৈশ আহাৰৰ আয়োজন কৰা হৈছে। সেই উপলক্ষে বছা বছা নিমন্ত্রিত সকল বৰুৱাৰ বাসভৱনত একত্রিত হৈছে। সন্ধিয়া নামি অহাৰ লগে লগে বৰুৱাৰ ঘৰ নিয়ন লাইটৰ পোহৰত জকমকাই উঠিল। অৱশ্যে পুত্রৰ গৌৰৱত বৰুৱা-বৰুৱানীৰ মুখ এনেয়েও আজি উজ্জ্বল। সৌ সিদিনা মাথোন পুত্র পাৰ্থজিতৰ উচ্চতৰ মাধ্যমিকৰ ফলাফল পায় দুয়োৰে মুৰত পানী দিব লগা অৱস্থা হৈছিল। কিয়নো পাৰ্থজিতৰ পৰীক্ষাৰ ফলাফলেই যেন আছিল বৰুৱা-বৰুৱানীৰ জীৱনৰ পৰীক্ষাবোৰৰ একমাত্র ফলাফল। মাত্র তিনি নম্বৰৰ কাৰণে পাৰ্থজিতে উচ্চতৰ মাধ্যমিক পৰীক্ষাত দশমস্থান অধিকাৰ কৰিব নোৱাৰিলে। সেয়ে বৰুৱা-বৰুৱানী দুখত ম্রিয়মান হৈছিল বিশেষকৈ বৰুৱানী। কাৰণ বৰ্ত্তমান যুগত ল'ৰা-ছোৱালীক ভাল কৰিবলৈ সিহঁতৰ লগত কিমান কষ্ট কৰিলে সফলতা লাভ কৰিব পাৰি তাৰ একমাত্র নিদৰ্শন বৰুৱানী। সাধাৰণতে ল'ৰা ছোৱালীৰ কৃতিত্বত মাকৰ অৰিহণা বেছি বুলি কোৱা হয়। অৱশ্যে বৰুৱানীয়েও পাৰ্থজিতৰ বাবে ঘৰুৱা শিক্ষক বিচৰাৰ পৰা নোটছ টুকি দিয়ালৈ একো কৰিবলৈ বাকী ৰখা নাই। সৰু

কালতে পাৰ্থজিতক ওচৰৰ নাৰ্চাৰী স্কুলত দিয়া, অনা-নিয়া কৰা, সেই অকণমানি ল'ৰাটোক ইংৰাজী মাধ্যমৰ ভাল স্কুলৰ ছিট পাবলৈ তালিম দিয়া আৰু বিশেষকৈ কোনখন স্কুলত তালিম দিলে ভাল স্কুলত ছিট পাব পাৰি তাৰ ঠিকনা যোগাৰ কৰা এইবোৰত বৰুৱানী সিদ্ধহস্ত আছিল। প্ৰতিযোগিতামূলক মনোবৃত্তি বাঢি অহা বাবেই বৰুৱানীয়ে এই ঠিকনাসমূহ নিজৰ কাম নোহোৱালৈকে পৰাপক্ষত কাকো নজনাইছিল। মহানন্দ বৰুৱায়ো নিজৰ শৈশৱকালত বহুত ভাই-ভনীৰ মাজত সুবিধা নোপোৱাকৈয়ে ডাঙৰ হ'ল বাবেই সম্ভৱ একমাত্ৰ সন্তানটোক কোনো অভাৱ অনুভৱ কৰিব দিয়া নাছিল।

কলেজত নাম লগোৱাৰ পিছত পাৰ্থজিতৰ সকলো ব্যাক্তিগত কথাতে মাকে হস্তক্ষেপ কৰা, ঘৰুৱা শিক্ষকে পঢুৱাই থাকোতে উপস্থিত হোৱা, কলেজলৈ গৈ প্ৰফেচাৰৰ লগত তাৰ পঢ়া শুনাৰ অগ্ৰগতিৰ সম্পৰ্কে আলোচনা কৰা, এইবোৰ কথাত সি বৰ বিব্ৰত হৈছিল। ভৱিষ্যতৰ সম্পৰ্কে চিন্তা কৰি মাক-দেউতাকৰ নিচিনাকৈ সি ইমান অস্থিৰ হোৱা নাছিল। বৰং কিছু পৰিমাণে যেন নিৰ্বিকাৰ। মাক-দেউতাকে উচ্চতৰ মাধ্যমিকত বিজ্ঞান শাখাত ভৰ্ত্তি হ'বলৈ দিছে, হৈছে। প্ৰতিযোগিতামূলক পৰীক্ষা দিবলৈ দিছে পাৰ্থজিতে দিছে। যেন নিজস্ব কোনো মতামত নাই। কলেজত শিক্ষক আছে, ঘৰুৱা শিক্ষকো আছে। ঘৰুৱা শিক্ষকৰ ক্ষেত্ৰত নাৰ্চাৰীৰ পৰাই বছা বছা এংলো ইণ্ডিয়ান, ছাউথ ইণ্ডিয়ান মিছ যোগাৰ কৰি দিছে। তাৰ বাবে প্ৰয়োজন হ'লে শাৰী, প্ৰসাধন সামগ্ৰী, আদি নানা ধৰণৰ বস্তু উপঢৌকন স্বৰূপে বৰুৱানীয়ে পাৰ্থজিতৰ মিছ সকলক দি আহিছে। কলেজ পৰ্য্যায়ত অৱশ্যে বৰুৱানী একো কৰিব পৰা নাই, যদিও প্ৰেক্টিকেলৰ নম্বৰৰ ওপৰত বহুতো কথা থাকে। মুঠতে নিজৰ বৰ বেছি ডিগ্ৰী নাথাকিলেও বৰুৱানীয়ে পাৰ্থজিতৰ লগত লাগি থাকোতে বহুতো কথাই জনা হৈ গৈছে। ক্লাছ ওৱান মানৰ সাপ্তাহিক পৰীক্ষাত এবাৰ পাৰ্থজিতে সাধাৰণ জ্ঞান বিষয়টোত সৰ্ব্বোচ্চ নম্বৰ নাপালে একমাত্ৰ ঘড়ী এটা আঁকোতে বেয়া হোৱা বাবে, বৰুৱানীয়ে সৰুতেই পাৰ্থজিতক ছবি অকা স্কুলত দিছিল তথাপিতো কিয় এনে হ'ল তাক সোধাত ঘৰত তেনে দেৱাল ঘড়ী নাই বুলি ক'লে। সেইদিনাই বজাৰৰ পৰা তেনে দেৱাল ঘড়ী আনি বেৰত আঁৰি দিয়া হ'ল। আৰু পিছৰবাৰ টেষ্টত সি সেই ঘড়ী আঁকি সৰ্ব্বোচ্চ নম্বৰ পালে। বৰুৱানীৰ এনে সাধনৰ বাবেই আজি পাৰ্থজিত এইখিনি পাইছেহি। বৰুৱানীৰ মতে সকলো ল'ৰা-ছোৱালীৰে জন্মগত নিজা বুদ্ধি থাকে। কেৱল উপযুক্ত পৰিৱেশত ডাঙৰ কৰিব পৰাটোহে কথা, সৰুতে বৰকৈ বুজি নোপোৱা পাৰ্থজিতে এতিয়া মাজে মাজে

বিৰক্তি অনুভৱ কৰে যদিও মাক-দেউতাকৰ আশাহত মুখখন চিন্তা কৰি পিছলৈ সিও অইন কথা বাদ দি একমনে পঢ়া-শুনাত মনোনিবেশ কৰিলে।

পাৰ্থজিতে তাৰ প্ৰিয়বন্ধু মাণিকৰ লগত ওলাই গৈ মাজে মাজে ফুটবল খেলিছিল। মাণিক সহজ-সৰল খেল পগলা ল'ৰা। ফুটবলৰ বিশেষ ভক্ত। সৰুতেই দেউতাকৰ গাঁৱত ৰবাব টেঙাৰে বল খেলা আৰম্ভ কৰিছিল। পিছলৈ এই খেল খেলিয়েই স্কুলীয়া কালত বিভিন্ন শ্বিল্ড পাইছে। কলেজৰ পৰাও বিভিন্ন ঠাইলৈ খেলিবলৈ গৈ সুনাম অৰ্জন কৰিছে। পিছে পাৰ্থজিতে মাণিকৰ লগ লোৱাটো বৰুবানীয়ে সহ্য কৰিব নোৱাৰে। কাৰণ মাণিক পঢ়া-শুনাত মধ্যমীয়া, মেট্ৰিকো দ্বিতীয় বিভাগতহে পাছ কৰিছে, পাৰ্থজিতৰ নিচিনা ল'ৰা এটাৰ লগত মাণিকৰ কেনেকৈ বন্ধুত্ব হ'বলৈ পালে বৰুবানীয়ে আজিও বুজি নাপালে। মাজে মাজে বৰুবানীয়ে পাৰ্থজিতক কয় নামত মণিক হ'লে কি হব কামতো মণিকৰ নিচিনা জিলিকি থাকিব লাগিছিল। বৰুবানীৰ মতে ফুটবলনো এটা খেলনে? ক্ৰিকেট, টেনিছ গল্‌ফ বা আজিকালি টাইকোৱানডু, কুংফু, কাৰাটে আদি কত মাৰ্ছিয়েল আৰ্টৰ খেল আছে সেইবোৰ ৰাজকীয় খেল খেলিলেও এটা কথা আছিল। পাৰ্থজিতে কিন্তু মাকৰ কথাৰ প্ৰতিবাদ কৰি কয় মাণিকে কলেজৰ নাম ফুটবল খেলিয়েই ৰাখি আছে। সি কিমান ভাল খেলে তাক তুমি অনুমান কৰিব নোৱাৰা বৰুবানীয়ে তেতিয়া জোৰ প্ৰতিবাদ কৰি কয় খেলৰ যোগেদিইয়েটো সি তইঁতৰ নিচিনা কলেজত চিট পাইছে বুলি জানো, পিছে সি ভাত মোকলাব পাৰিব জানো? সি বিজ্ঞান বিভাগত নপঢ়ি ক'লা বিভাগত হে পঢ়িব লাগিছিল। আৰু মোৰ মতে সি ভূগোল, বুৰঞ্জী, নাইবা লাইব্ৰেৰী ছাইন্স পঢ়িলেহে চাকৰি পোৱা সহজ হ'লহেঁতেন। তাকে নকৰি ৰয়েল কম্বিনেশ্যন লৈনো কি লাভ হব? বাহিৰা কিতাপ পঢ়া আৰু খেলাৰ বাহিৰে সি নিজৰ কিতাপ পঢ়েনে কোনোবাদিনা? অৱশ্যে পাৰ্থজিতে জানে এক হিচাপে তাৰ মাকে ঠিকেই কৈছে। মাণিকে খেলৰ বাহিৰে দেশ-বিদেশৰ কিতাপ পঢ়ি লাইব্ৰেৰীত বেছিভাগ সময় থাকে। সেয়েহে তাৰ দেউতাক অৱনী চৌধুৰীয়ে মাজে মাজে দুখ কৰি কয়-- "বুজিছা পাৰ্থ ইয়াৰ একো নহ'ব। কোনো মতে বি, এছ, চিটো পাছ কৰি ক'ৰবাত চাকৰি এটাত সোমাই ল'ব পাৰিলেই তাৰ চলি যাব। আচৰিত তাৰ কোনো উচ্চাকাংক্ষা নাই। দেউতাকৰ কথা শুনিলে তলমুৰকৈ ওচৰৰ পৰা ওলাই যোৱা মাণিকক দেখিলে পাৰ্থজিতৰ বৰ বেয়া লাগে। ডাক্তৰ, ইঞ্জিনিয়াৰ হোৱাৰ সপোন নেদেখিলেও তাৰ মনতো যে পেলে, মাৰাডোনাৰ সপোন আছে দেউতাকে কিয় বুজি নাপায়? পাৰ্থজিতে সেয়ে কৈ উঠে নহয় আংকল সি

খুব চোকা বুদ্ধিৰ এদিন এই খেলৰ মাজেদিয়েই সি কিবা এটা কৰিবই চাই থাকক। মাণিকৰ দেউতাকৰ মুখৰ কিন্তু তেনে আশ্বাসবাণীয়ে কোনো ভাবান্তৰ ঘটোৱা নাছিল।

উচ্চতৰ মাধ্যামিকৰ ফলাফল দিয়াৰ দিনা মাণিকেই আহি প্ৰথমে পাৰ্থজিতৰ পৰীক্ষা ফলাফল জনায়। আৰু আনন্দত তাক সাবটি ধৰে। সেই সময়ত বৰুৱা ঘৰত নাছিল। বৰুৱানীয়ে মাণিকৰ হাতৰ পৰা ফলাফলৰ তালিকাখন একপ্ৰকাৰ টানি নিয়াদি নিয়ে আৰু প্ৰথম দহজনৰ ভিতৰত পাৰ্থজিতৰ নাম নেপাই প্ৰায় মূৰ্ছা যোৱাৰ অৱস্থা হয়। তাৰ মাজতে মাণিকৰ খবৰ সোধাত হাঁহি মাৰি সি কয় "খুৰী পাৰ্থই মাত্ৰ তিনিনম্বৰৰ বাবে ষ্টেণ্ড নকৰিলে আৰু মই মাত্ৰ দুই নম্বৰ বেছি পোৱা বাবেই ফাষ্ট ডিভিজন পালো। আচলতে মই ছেকেণ্ড ডিভিজন পোৱাৰ নিচিনাই আৰু পাৰ্থয়ো ষ্টেণ্ড কৰা বুলিয়েই ধৰিব পাৰে"। সহজে দিব পৰা উত্তৰটোক পকাই দিয়া বাবে বৰুৱানীৰ খঙ উঠি গৈছিল। আৰু কোনোদিনেই পঢ়া-সম্পৰ্কে তাৰ খবৰ লোৱাৰ প্ৰয়োজন বোধ কৰা নাই। জীৱন গঢ়াৰ সময়ত কোনো কথাতে গুৰুত্ব নিদিয়া দায়িত্বহীন ল'ৰাক বৰুৱানীয়ে ভাল নেপায়। নিজৰ ল'ৰাৰ ওপৰত এনে ল'ৰাৰ কিবা প্ৰভাৱ পৰে বুলিয়েই বৰুৱানী সদায় সচেতন যদিও মাণিকহঁতে তেওঁলোকৰ কোনো কথাত তেওঁলোকৰ সমকক্ষ নহয়, তথাপিও আজিৰ এই নৈশভোজত বৰুৱানীয়ে মাণিকৰ মাক দেউতাককো নিমন্ত্ৰণ জনাইছে। এনেয়ে এই চৌহদৰ মানুহবোৰ বৰ মৰ্য্যাদা সচেতন। তথাপিও মাণিক পাৰ্থৰ বন্ধু বাবে আজিৰ দিনটোত বৰুৱানী উদাৰ হৈ উঠিছে। আজি সকলোৱে জানক বৰুৱা বৰুৱানীৰ ল'ৰাই উচ্চতৰ মাধ্যমিকত প্ৰথম দহটা স্থান অধিকাৰ কৰা ল'ৰাকো চেৰ পেলাই অসমৰ পৰা একমাত্ৰ আই, আই টিত ছিট পোৱাৰ যোগ্যতা অৰ্জন কৰিছে উচ্চতৰ মাধ্যমিকত স্থান দখল কৰিব নোৱাৰাত যিখিনি দুখ বৰুৱা-বৰুৱানীয়ে পাইছিল সেইখিনি আজি তেওঁলোকে পাহৰি পেলাইছে আৰু সেয়ে এই আনন্দ উৎসৱৰ আয়োজন।

এই সকলোবোৰ সম্ভৱ হ'ল একমাত্ৰ পাৰ্থজিতৰ ঘৰুৱা শিক্ষক কেইজনৰ বাবেহে। তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণতে দহোটা স্থানৰ ভিতৰত থাকেই। আৰু যিকোনো প্ৰতিযোগিতামূলক পৰীক্ষাত সফল হয় বুলি সকলোৱেই জানে। কিন্তু তেওঁলোকৰ ঠিকনা পোৱা সহজ নহয়। গোটেই ডিগ্ৰীৰ পৃথিৱীখন যেন আজি পাৰ্থজিতৰ হাতৰ মুঠিত সোমাই আছে অন্ততঃ বৰুৱানীয়ে তেনেকৈয়ে ভাবে। অথচ এই পৃথিৱীখন হাতৰ মুঠিলৈ আনিবলৈ এই গোল্ডমেডেলিষ্ট শিক্ষক কেইজন যোগাৰ কৰোতে বৰুৱানীৰ কমখন কষ্ট হোৱা নাছিল। তেওঁলোকে বৰ্ডত স্থান দখল কৰা বা ষ্টাৰ পোৱা ল'ৰা-ছোৱালীৰ বাহিৰে কাকোয়েই নপঢ়ায়।

বৰুবানীয়ে বহুতো খেৰ-কাঠ পুৰি অগুহী-বগুহীৰ জৰিয়তে সম্বন্ধ উলিয়াইহে এই শিক্ষক কেইজনৰ ঠিকনা পাইছে। পাৰ্থজিতৰ নিচিনা ল'ৰাৰ বাবেই ইমান কৰিব লগা হৈছে আৰু এলা-উলা মগজুৰ ল'ৰাবোৰক শিকোৱাটো কোনেও আশা কৰিব নোৱাৰে। তাতে বিচাৰ-খোচাৰ কৰোঁতে নিৰ্দ্দিষ্ট সময়তকৈ পাৰ্থজিতৰ কিছু পলম হোৱাত তেওঁলোকে আপত্তি কৰিছিল। যিয়েই নহওক বৰুবানীৰ চেষ্টা সফল হৈছে। ঘৰুৱা শিক্ষকৰ নামত কমেও এহেজাৰ টকা মাহে ব্যয় কৰিলেও বৰুৱা বৰুবানীৰ একো কমি নাযায়। সৰুতে বৰুবানীয়ে পাৰ্থজিতক সদায় বুজাইছিল-- তুমি আমাৰ এটাই ল'ৰা; গতিকে ভালকৈ পঢ়া শুনা কৰিবই লাগিব।" পাৰ্থজিতে তেতিয়া মাকক আদৰ ধৰি কৈছিল "মা এটা ল'ৰা নহৈ দুটা হ'লে পঢ়িব নালাগে নেকি? আৰু তিনিটা হ'লে একেবাৰে নপঢ়িলোঁহে। কি মজা হ'লহেতেন।" বৰুবানীয়ে তেতিয়া সেই সৰু ল'ৰাটোৰ বুদ্ধিদীপ্ত কথাত পুলকিত হৈ ওচৰ-চুবুৰীয়া সকলোকে কৈছিল। এতিয়া পাৰ্থজিতে মনত পেলালে লাজ পায়। আচলতে শেষ ভালেই আচল ভাল। পাৰ্থজিতক সকলোৱে চোকা বুদ্ধিৰ-বুলিয়েই জানে। কিন্তু চৌহদৰ যি কেইজনীয়ে বৰুবানীক ঠাট্টা কৰিছিল যে তেওঁৰ ল'ৰাৰ নিচিনাকৈ ভাটৌ পঢ়োৱাদি পঢ়ুৱালে আৰু টিউশ্যন দি যত্ন ল'ব পাৰিলে আমাৰ বোৰবো চাগে কিবা উন্নতি হ'লহেতেন, সেইসকলৰ ওচৰত আজি বৰুবানীয়ে গৌৰৱেৰে হাঁহি মাতি ফুৰিছে। তেওঁলোকেও জানক অকল টকা পইচা ঢালিলেই শিক্ষা কিনিব নোৱাৰি। আৰু সেইবাবেই আজি যদি এই শিক্ষকসকলৰ ঠিকনা কোনোবাই খোজে তেওঁ উদাৰ চিত্তে দি দিব।

পাৰ্থজিতক হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিশজনৰ ভিতৰত চতুদৰ্শস্থান অধিকাৰ কৰাৰ পিছতো বৰুবানীয়ে ভাবিছিল এই পৰীক্ষা পাৰ হোৱা মানে সৰু নদীখন পাৰ হোৱাৰ নিচিনা কিন্তু মহাসাগৰ পাৰ হ'ব পাৰিব তেতিয়াহে যেতিয়া উচ্চতৰ মাধ্যমিক পৰীক্ষাও একে ধৰণে পাৰ হ'ব পাৰিব। অৱশ্যে শিক্ষান্ত পৰীক্ষাৰ ফলাফলে জীৱনৰ বাটৰ উন্নতিৰ জখলাত উঠিবলৈ এখন ভৰি আগুৱাই দিয়াত সহায় কৰে। ভাল কলেজ এখনত ছিট পাব পাৰে। কিন্তু উচ্চতৰ মাধ্যমিকৰ ফলাফলে এজন ছাত্ৰৰ জীৱন গঢ়াত প্ৰধান সমল হয়। এইবোৰ কথা বৰুবানীয়ে পাৰ্থজিতক অনবৰত কৈ আছিল, আৰু চেষ্টা কৰিলে যে তাতকৈ চোকা বুদ্ধিৰ ল'ৰাকো চেৰ পেলাব পাৰি তাকো বুজাইছিল। পাৰ্থজিতে কেতিয়াবা আচৰিত মানিছিল যে মাকে বাৰু স্কুলৰ শিক্ষয়ত্ৰী কিয় নহ'ল? অন্ততঃ তাৰ দৰে অন্যমনস্ক ছাত্ৰ-ছাত্ৰীক মাকে বেছ গঢ়িব পাৰিলেহেতেন। কিন্তু সি জানে মাকৰ সকলো সপোন তাক কেন্দ্ৰ কৰিয়েই। সেয়ে সি সৰু

হৈ থাকোতে যাচি দিয়া চাকৰিও মাকে নকৰিলে। চৌহদৰ কেইবাজনো ল'ৰা-ছোৱালীয়ে অহাবাৰ উচ্চতৰ মাধ্যমিক পৰীক্ষা দিব। পেটে পেটে ঈৰ্ষা হ'লেও কেইবাগৰাকী মাকে বৰুৱানীক তোষামোদ কৰা আৰম্ভ কৰিছেই। বৰুৱানীৰ নিচিনা মাতৃ কমেই আছে হেনো। পাৰ্থজিতৰ নোটছবোৰ পোৱাৰ আশাতো তেনেদৰে ক'ব পাৰে। আগতে বেঁকা কথা কোৱা দুই এগৰাকীয়েও তাৰে ভিতৰত আছে। দুই এগৰাকীয়ে নিজে বনোৱা আচাৰ চচৰ বটল আদি বৰুৱানীক উপহাৰ দিছে। বৰুৱানীয়ে সকলো বুজি পালেও আজি আৰু একো ধৰি থকা নাই।

ইতিমধ্যে পাৰ্টি বেছ জমি উঠিছে। দীঘল কোঠাটোৰ এমূৰত কেইজনমানে বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ কেৰোণ চলি থকা দুৰ্নীতি আদিৰ কথা পতাত আৰু কিছুমানে ৰাজনীতিৰ গৰম আলোচনাত ব্যস্ত। আনটো মূৰত পাৰ্থজিতৰ সমবয়সীয়া ল'ৰা-ছোৱালী। বৰদলৈৰ ছোৱালী অনুৰাধাই সমবয়সীয়া সকলৰ মাজত নতুনকৈ হোৱা কলেজৰ অভিজ্ঞতাৰ সৰস বৰ্ণনা দি আছে। লগতে কোন শিক্ষকে ক্লাছত কেনেদৰে পঢ়ুৱায়, কেনেকৈ খোজ কাঢ়ে, কোনোবা বগলী ভকতে পঢ়ুৱালে কেনেকৈ বোৰ হয় আৰু টোপনি আহে তাকেই কেৰিকেচাৰ কৰি দেখুৱাই আছে। অনুৰাধা ছোৱালীজনী বেছ স্মাৰ্ট। তাই য'তেই থাকক তাতেই হাঁহিৰ হিল্লোল তোলে। পোছাক পৰিচ্ছদো শেহতীয়া ষ্টাইলৰহে পিন্ধে। আজিও ডিঙিৰ তললৈকে দকৈ কটা টপ আৰু মিনিস্কাৰ্ট এটা পিন্ধি আহিছে। পঢ়া-শুনাত কেনে এতিয়ালৈ বৰুৱানীয়ে নাজানে। এইঠাইলৈ অহা বেছি দিন হোৱা নাই। পিছে সলসলীয়াকৈ আখৈ ফুটাদি ইংৰাজী ক'ব পৰাটো তাইৰ ডাঙৰ গুণ বুলি বৰুৱানীয়ে ভাবে।

বৰুৱানীয়ে সকলোকে এবাৰ মাত লগাই পাৰ্থক বিচাৰি দুৱাৰমুখ পালেগৈ। কিছুপৰ আগতেই সি অনুৰাধাহতৰ লগত আছিল। ক'লৈনো গ'ল বুলি ইফালে-সিফালে চাওঁতেই দেখিলে পাৰ্থজিতে মানিকৰ মাক-দেউতাকৰ লগত আহি আছে। মানিক যে অহা নাই এতিয়াহে বৰুৱানীয়ে মন কৰিলে। পাৰ্থজিতৰ কোঠাত বেছিভাগ মাণিক থাকেই । বৰুৱানীক দেখিলে অলপ সংকুচিত হয়। আৰু অলপ পিছত পাৰ্থৰ ওচৰৰ পৰা যায়। আজিৰ দিনটোৰ বাবে পিছে বৰুৱানীয়ে মাণিকক নিজেই কৈছিল, "আহিবাদেই তোমাৰ বন্ধু যাবগৈ নহয়।"

"আহিম নিশ্চয় খুৰী" বুলি সি যি গ'ল সেইদিনাৰ পৰা আজিলৈ তাক বৰুৱানীয়ে দেখাই নাই। সিও হেনো জইন্ট টেষ্ট দিছিল। সেইবোৰৰ কতো চাঁগে ছিট নাপালে সেয়ে সি লাজতে অহা নাই। মাক-দেউতাকৰ মুখো আজি বিষণ্ণ। স্বাভাৱিক ল'ৰা-ছোৱালী অকৃতকাৰ্য্য হ'লে মাক দেউতাকৰ মনত আনন্দ থাকিব নোৱাৰে।

পাৰ্থজিতে পিছে বৰ ফুৰ্ত্তিৰে মাণিকৰ মাক দেউতাকৰ লগত কথা পাতি বৰুবানীৰ ওচৰলৈকে আহি আছে। তাৰ মুখখন বেছ উজ্জ্বল দেখাইছে। এৰা হবইতো তাৰ সাফল্যত নিজৰ কৃতিত্বও জানো কম? বৰুবানীয়ে হাঁহি সুধিলে কি খবৰ ইমান পলমকৈ আহিল যে? মাণিক নাহিল দেখোন আৰু মাণিকৰ মাক দেউতাকক ভিতৰলৈ আগবঢ়াই আনিলে। বৰুবানীৰ কথাৰ উত্তৰত মাণিকৰ মাকে মাথোন হুমুনিয়াহ এটা কাঢ়িলে। চকুমুখ যেন চলচলীয়া। পাৰ্থজিতৰ মুখত যেন ৰহস্যৰ হাঁহি। প্ৰশ্নবোধক দৃষ্টিৰে মাণিকৰ দেউতাক অবনী চৌধুৰীলৈ চাওঁতেই চৌধুৰীয়ে ক'লে নাই নাই আমাৰ মাণিকেও পালে নহয়? সিও যোৱাৰ যোগাৰ কৰাত ব্যস্ত। পিছত ইয়ালৈ আহিম বুলি কৈছে। মাকক দেখিলেনে ল'ৰা যাব বাবে এতিয়াৰ পৰাই চিন্তাত হাঁহি নাইকিয়া হৈছে। চৌধুৰীৰ কথাশুনি বৰুবানীয়ে কিবা কবলৈ নৌপাওঁতেই পাৰ্থজিতে কৈ উঠিল— মা কি পালে সোধাচোন? মই আগাতেই কৈছিলো নহয় সি সাধাৰণৰ ভিতৰত নপৰে। বিশেষ কিবা এটা কৰিবই।" তেতিয়া বৰুবানীয়ে হাঁহি হাঁহি প্ৰশ্ন কৰিলে কি পালে কওঁকচোন? আমিও শুনো। মাণিকৰ দেউতাকে মৃদুস্বৰেৰে বিষণ্ণভাৱে কৈ উঠিল-- আমেৰিকাৰ কাৰ্ণেল ইউনিভাৰ্চিটিত গ্ৰেজুৱেট কোৰ্চ কৰিবলৈ স্কলাৰশ্বিপ এটা পাইছে। বিশদিন পাছত আমেৰিকালৈ যাব। মাকৰ মুখ সেয়ে ইমান বিষণ্ণ ইমান দুৰত ল'ৰাকনো কেনেকৈ পঠিয়াই?

হঠাৎ বিজুলী সৰবৰাহ বন্ধ হৈ গ'লে যেনেকৈ একেলগে বাজি থকা টেপ, ৰেডিঅ' বা চলি থকা ফেন সকলো বন্ধ হৈ যায়— অলপ সময়ৰ বাবে বৰুবানীৰো তেনে লাগিল। কোঠাটোত চলি থকা মানুহৰ কথা বতৰা, গানৰ সুৰ যেন সকলো স্তব্ধ হৈ গ'ল। পাৰ্টিৰ ৰঙো যেন নোহোৱা হ'ল। বৰুবানীৰ মুখৰ হাঁহি নাইকিয়া হ'ল। এইটোনো কি পৰীক্ষা দিলে মাণিকে? খেল নহয় অলিম্পিক নহয়। তেনে কিবা এটা হলেও বৰুবানীয়ে ইমান থতমত নাখালেহেঁতেন। আৰু দিল্লী, মাদ্ৰাজ বা খড়্‌গপুৰ, বোম্বে নহয়, একেকোবে আমেৰিকা? এই পৰীক্ষাৰ ঘৰুৱা শিক্ষক কোন আছিল? এনে পৰীক্ষাৰ কথাটো বৰুবানীয়ে আগতে ভবাই নাই দেউতাক বৰুবায়ো ভবা নাই।

মাণিকৰ মাক বীণাপাণিয়ে জানো ভাবিছিল? দেউতাক অবনী চৌধুৰীয়েও ভবা নাছিল। মাণিকে নিজেই খেল খেলি খেলি, লাইব্ৰেৰীত কিতাপ পঢ়ি এইবোৰ কথা ভাবিলে আৰু কাকো নোকোৱাকৈ নিজেই কাগজপত্ৰ ফৰ্ম আদি আনি ব্যৱস্থা কৰি মনে মনে পৰীক্ষা দিলে তাৰ বাবে তাক কোনো বিশেষ ঘৰুৱা শিক্ষকৰো প্ৰয়োজন নহ'ল।

আত্মজ

মটৰ চাইকেলখন বাৰাণ্ডাৰ পৰা তললৈ নমাই লৈ মলয়ে ডিকিৰ পৰা লেতেৰা কাপোৰ এখন উলিয়াই ধুলিবোৰ জোকাৰি ললে। দিনটোৰ বাবে ওলাই গ'লে মলয়ে এইখিনি সময়তে পৰিকল্পনা এটা কৰি লয়। মুহূৰ্ত্তৰ কথা মুহূৰ্ত্তত ভাবি ভাল পোৱা মলয়ৰ বাবে সময় কটোৱাৰ আঁচনি কৰা এয়েই প্ৰথম। বি, কম, পৰীক্ষা দি পুনাৰ পৰা অহা আজি এমাহ মান হ'ল। এই এমাহে মলয়ৰ বাবে এবছৰ যেন লাগিছে। আচলতে মলয়ৰবাবে নিজ জন্ম ঠাই গুৱাহাটীখনেই প্ৰিয়, পুনাত পঢ়িবলৈ যোৱা বাবে তাৰ পঢ়াকালিৰ বন্ধুবোৰৰ লগ এৰা এৰি হ'ল। বিভিন্ন দিশে ল'ৰাবোৰে নিজৰ পথ বাছি ললে, মলয়ৰ অৱশ্যে ইয়াতেই পঢ়াৰ ইচ্ছা আছিল। তাতে তাৰ ফলাফলো ইমান উচ্চস্তৰৰ নহয় যে প্ৰতিযোগিতামূলক পৰীক্ষা দি কৰবাত কিবা আসন যোগাৰ কৰিব। কেতিয়াবা কিছুমান কাম নিজৰ ইচ্ছাৰ বিৰুদ্ধেও কৰিব লগা হয়। সেয়ে চেষ্টা চৰিত্ৰ কৰি অভিভাৱকে যোগাৰ কৰি দিয়া সুবিধাটো নেওচিবলৈ মলয়ে বেয়া পালে।

'মলয় কোনফালে ওলালি?' দেউতাক অজয় হাজৰিকাৰ মাতত মলয়ৰ ভাবত যতি পৰিল দেউতাকৰ পিনে নোচোৱাকৈয়ে কিয় বুলি সোধা প্ৰশ্নটোত

মলয়ৰ মাতটো নিশ্চয় প্ৰয়োজনতকৈও ছটা হৈ ওলাইছিল। তেওঁ বাৰাণ্ডাৰ পৰা নামি আহিল আৰু মলয়ৰ বিৰক্তি ভৰা মুখখনলৈ চাই ক'লে "ৰচোন ৰ সেইখন ষ্টাৰ্ট নকৰিবি, ইমানকৈ কলো বেলেগ এখন কিন নাই এই ঢেৰ ঢেৰ শব্দৰ এইখন অসহ্য!" মলয়ৰ খং উঠি গ'ল। দেউতাকে সদায় একেটা কথাকে কৈ থাকে তথাপি মুখত প্ৰকাশ নকৰি, ক'লে এফালে যাম কিবা কাম আছে। কিয় সুধিলে? দেউতাকে ক'লে "নহয় অ তই অহা এমাহেই হ'ল প্ৰায় বায়ে.ৰ হতৰ ঘৰলৈ এবাৰ যাব লাগিছিল নহয়? যোৱা বাৰ আহোতেও হেনো তই সিহতৰ ঘৰলৈ নগলি? তইনো অহাৰ পৰা কত কি কৰি ফুৰিছ যে এদিন তালৈ যাবলৈকে সময় পোৱা নাই? অত দুৰ ঠাইতো নহয়? সৌখনহে চন্দ্ৰপুৰ, পৰীক্ষাৰ খবৰ দিলে তো আকৌ যাবই লাগিব,

দমাই ৰখা খংটো টিঙিচকৈ উঠিল মলয়ৰ। কৰবালৈ যাবলৈ ওলালেই দেউতাকৰ কিবা নহয় কিবা আভিযোগ থকিবই দেউতাকে মলয়ক বুজিবলৈ কোনোদিনেই চেষ্টা নকৰিলে। খলিল জিব্ৰানৰ সেই কবিতাটো মলয়ৰ মনত পৰি গ'ল"।

Yor May give them your love but
not your thoughts
For they have their own thoughts
You may house their bodies but
not their souls
For their souls dwell in the
house of tomorrow
Which yor cannot visit, nor even
in Your dreams
Yor may strive to be like them
But seek not to make them like you"

জন্মদাতা বুলিয়েই যেন তাৰ জীৱনধাৰণৰ চাবিকাঠি দেউতাকৰ হাততহে আছে। তাৰ যে নিজস্ব জগত এখন থাকিব পাৰে দেউতাকে ভাবিবই নোৱাৰে। দেউতাকে যদি এই কবিতাটো পঢ়িলেহেতেন! সম্বন্ধবোৰ থাকিলেই গ'ল। মনৰ আঁতৰ নকৰাটোহে কথা। দেউতাকে নিজে কিমান সম্বন্ধৰাখিছে অতীতৰ লগত মলয়তকৈ বেছি কোনেও অনুভৱ নকৰে।" সদায় একেটা কথাকে কৈ নাথাকিব। মোৰ যেতিয়া সময় সুবিধা হয় যাম" বুলি মটৰ চাইকেল খন টানি টানি বাটলৈ উলিয়াই শব্দেৰে প্ৰদুষিত কৰি ধৰণী কপাই মলয় গুচি গ'ল। হাজৰিকা ঠাইতে

জঠৰ হৈ বৈ থাকিল। এই ল'ৰাটোক আজিও তেওঁ বুজিব নোৱাৰিলে। সৌ সিদিনাৰ অকনমানি ল'ৰাটোৰ কোমল মুখখন আজি কিমান ৰুক্ষ হৈ গৈছে। কিবা যেন এক মানসিক অস্থিৰতাত ভুগিছে।

হাজৰিকাই এড়ি চাদৰখনেৰে ভালকৈ কাণমূৰ ঢাকি ললে আৰু বাৰাণ্ডাৰ ৰদ পৰা ঠাইখনত থকা আৰামী চকীখনত বহি ললে। মাঘমাহ নপৰোতেই এইবাৰ ঠাণ্ডাটো বাঘ অহা দিছে। তেওঁৰ হাঁপানীৰ লেঠা আছে অতি সাবধানে নচলিলে কেতিয়াবা বিপদত পৰে। ঘৈণীয়েক অলকাই প্ৰথমতে বৰ ভয় খাইছিল। বিয়াৰ পিছৰ পৰাই এই কথাটো লৈ হাজৰিকাৰ লগত খুটখাট লাগি আছিল। বেমাৰৰ কথা লুকুৱাই নিৰোগী ছোৱালী এজনীক বিয়া কৰোৱা বুলি। চাকৰিৰ পৰা অৱসৰ পোৱাৰ আগলৈ তেওঁ এনেকৈ ভোগা নাছিল। কিন্তু এই দু বছৰে তেওঁ এই বেমাৰত বৰ কষ্ট পাইছে। হাজৰিকাই বৰ ডাঙৰ চাকৰি নকৰে যদিও বাহিৰা টকা ঘটাৰ সুবিধা পাইছিল সেয়ে তেতিয়াৰ দিনতে এই ঘৰ দুৱাৰ সাজি ললে। প্ৰথম ছোৱালী ৰিণি হোৱাৰ পিছত অলকাৰ খেচখেচনিত গুৱাহাটীলৈকে লৈ আহিল। অৱশ্যে প্ৰথমেই তেনেকৈ আহি ভাড়াঘৰত নকটোৱা হ'লে এই ঘৰখন হয়তো নহলহেতেন।

হাজৰিকাহতৰ তিনিজন ভাই ককাই অৰু এজনী ভনী, মাক দেউতাকো বৰ্ত্তমান নাই, কিছু অগাপিছাকৈ কেইবছৰমান আগতে ঢুকাল। তাৰআগতেই বৰ ককায়েক আৰু সৰু ভায়েকৰ গাত সকলো দায়িত্ব এৰি দি হাজৰিকাই গাৱঁলৈ একপ্ৰকাৰ পিঠি দিয়েই গুচি আহিছিল। হাজৰিকাৰ বৰজন ককায়েক অৰুণাচলত থাকি শিক্ষকতা কৰে। সাধাৰণ ঘৰ দুৱাৰো তাতেই সাজি ললে। কিন্তু তেওঁ ঘৰখনৰ সকলো খবৰ ৰাখে। নিজে অতি সাধাৰণ ভাবে চলিও ভনীয়েক জনীক ভালকৈয়ে বিয়া দিলে। হাজৰিকাৰপৰা একো সাহাৰ্য্য নললে। সৰু ভায়েক গাৱঁতেই থাকে খেতিবাতি কৰে, মাক দেউতাক থাকোতেই সি কেইবাদিনো হাজৰিকাৰ লগতে ঘৰুৱা দায়িত্ববোধৰ কথা কৈ তৰ্ক কৰিছিল। গাৱঁলৈ গলেই এইবোৰ কথা উলিয়াই বাবে হাজৰিকা আৰু অলকাই সমানে তাৰ কথাৰ উত্তৰ দিছে যে "ভাই ভাই ঠাই ঠাই, এইটোনো কি ডাঙৰ কথা খং খাবলৈ। আমি গাওঁত থাকি এনেকৈ চলিব নোৱাৰো নহয়। ল'ৰা-ছোৱালীৰ ভৱিষ্যত বুলি কথা আছে। সৰু ভায়েকে তেতিয়া বিয়াই কৰোৱা নাছিল। ডাঙৰ হালৰ ল'ৰা-ছোৱালী নায়েই গতিকে হাজৰিকাৰ কথাত সৰুভায়েকে আৰু একো নকলে যদিও বাপেকে হাজৰিকাক চোচা মাৰি আহিল আৰু ক'লে ভায়েকহতৰ কথা বুজিলো বাৰু পিছে বাপেৰ মাৰ হালক কি কৰ? নে পৈতৃক ভেটি ভগোৱাৰ দৰে বাপেৰ

মাৰকো তিনিভাগ কৰিব খুজিছ? হাজৰিকাই বাপেকৰ মুখতে ধৰিলে 'ভগাবলৈ কিটো সম্পত্তি কৰিছ? ককাৰ দিনৰ মাটি খিনি কামুৰি বহি আছ? মই যদি নিজে অলপ সা-সম্পত্তি কৰিবলৈ চেষ্টা কৰো তহতে কিয় আপত্তি কৰ? তহঁতৰ পৈতৃক সম্পত্তি তহতেই খা, মোকো দিব নালাগে ময়ো নিদিওঁ। সেই বাক্য বাণে পিতাকহঁতক কিমান আহত কৰিলে সেইবোৰ হাজৰিকাই চিন্তা নকৰিলে। আঢ়ৈ বছৰীয়া ৰিণি আৰু ডেৰ বছৰীয়া মলয়ক লৈ হাজৰিকাই সেইবাৰেই অলকাহঁতক গুৱাহাটীলৈ লৈ আহিল। তেতিয়াৰ পৰা সকামে-নিকামে মাতিলেও আনকি ভায়েকৰ বিয়াতো হাজৰিকা গাৱলৈ নগ'ল। কিন্তু দেউতাক মৃত্যুশৰ্য্যত পৰাত বৰকৈ মলয়হঁতক চাবলৈ মন কৰাত গোটেই পৰিয়ালটোক লৈ হাজৰিকা গাৱলৈ যাবলৈ বাধ্য হৈছিল। মলয়ৰ তেতিয়া আঠ নবছৰ মান হৈছে। দেউতাকে মলয়ক বুকুত সাবটি ধৰি বৰকৈ কান্দিছিল। তাৰ পিছত দ্বিতীয়াবাৰ ৰককায়েকৰ অনুৰোধত একমাত্ৰ ভনীয়েকৰ বিয়ালৈ গৈছিল। মলয়ে গাৱলৈ গৈ বৰ ভাল পাইছিল। গাৱৰ পৰা আহিবৰ সময়ত সি সদায় আমনি কৰিছিল। খুড়াকৰ ল'ৰা নিলয়ৰ লগ নেৰিছিল। পেহীয়েকে তাক কোঁচত ললে মাক অলকাই নাক কোঁচাই কৈছিল কিনো ইমান ডাঙৰ ল'ৰাটোক কোঁচত লবলগা হ'ল? আমাৰ গুৱাহাটীত এই বয়সৰ ল'ৰাবোৰে খেল খেলি, ছবি আঁকি বটা পায়। আৰু কাষতে চুচুক-চামাককৈ থকা তিনিবছৰীয়া নিলয়লৈ পুতৌ দৃষ্টি নিক্ষেপ কৰি মলয়ক দাবি দিছিল 'এই নাম, লাজ নালাগে কোঁচত উঠিবলৈ? এইটোক দেখা নাই, এতিয়াও খোজ দিবই শিকা নাই? পঢ়াশুনা কৰিবলৈ দিলে চোন ইমান আনন্দ নাপাব? পেহীয়েকে নবৌয়েকৰ কথাত একো উত্তৰ নিদিয়ে। তাইৰ বিয়া উপলক্ষেই আহিছে গতিকে সিহঁতক মৰম কৰি জগৰ লগোৱাৰ কোনো প্ৰয়োজন নাই। তাতে মাকেও নবৌয়েক অহাৰ দিনাই ক'লে এইবাৰ এইক বিয়া দি ময়ো তহঁতৰলগত ওলাম", মাকৰ কথাৰ কোনো উত্তৰ নিদিয়া দেখিয়ে পেহীয়েকে বুজিছিল সেয়েহে আঠমঙলা খাই যোৱাৰকথা থকা ককায়েকহঁত বিয়াৰ পিছদিনাই কিবা অজুহাত দেখুৱাই গুছি গ'ল। সেই দিনটোৰ কথা মলয়ৰ সদায় মনত পৰে।

মটৰ চাইকেলত গৈ থাকোতে মলয়ে সেইবোৰ কথাকে ভাবি গৈ আছিল। আহিবৰ সময়ত আইতাকৰ চকুত যি করুণ আকুতি দেখিছিল, তাৰমুৰত হাতফুৰাই সাবটি বিদায় দিছিল সেয়াই শেষ দেখা, তাৰ ছমাহমান পিছতেই আইতাকৰ মৃত্যু হয়। হাজৰিকাই সেইবাৰ অকলেই গৈ ভায়েক লগত সকাম শেষ কৰি আহিল। মলয় হঁতৰ পৰীক্ষা আছিল সেয়ে গাৱলৈ নগল। পৰীক্ষা শেষ হোৱাৰ

দিনা গাৱঁলৈ যাবলৈ মলয়ে ওফোন্দ পতাত মাকে তাক বুজাইছিল। "এতিয়া গলেতো আইতাৰক নেদেখ মিছামিছিকৈ গৈ কি লাভ, সময় অমূল্য ধন বুজিছ? তাতকৈ এই দীঘলীয়া বন্ধত কিবা খেলধুলাতে নাম লগাই দিমদে। ভিতৰে ভিতৰে কিবা এটা দুখ লাগিলেও খেলৰ নাম শুনি মলয় মাকৰ কথাত মান্তি হৈছিল।

বায়েক ৰিণিৰ লগত মলয়ৰ কোনো কথাতেই মন নিমিলিছিল। মলয়ে মুকলিমুৰীয়াকৈ ফুৰিচাকি ভাল পাইছিল। প্ৰকৃতি প্ৰেমীৰ লগতে জীৱ-জন্তু প্ৰেমীও আছিল। সৰুৰে পৰা সি মাক দেউতাকক কুটুৰি কুটুৰি কুকুৰ এটা পুহিবলৈ নাপালে। বায়েক ৰিণিয়ে কুকুৰ মেকুৰী দেখিলেই নাক কোঁচাইছিল মাক দেউতা কৰতো কথাই নাই। এনেকৈয়ে সিহঁত আত্মীয়তাৰ ঠেক গণ্ডীত ডাঙৰ হ'ল। সময়ৰ লগে লগে বায়েকক বিয়াও দিলে চন্দ্ৰপুৰৰ ধনী ব্যৱসায়ী এজনৰ লগত। বিয়াও চকুত লগাকৈ পাতিলে। গাৱঁৰ ঘৰলৈ নিজে নগৈ চিঠিৰেই নিমন্ত্ৰণ জনালত কোনো নাহিল। কিন্তু বৰদেউতাক অৰুণাচলৰ পৰা আহি পাটৰ কাপোৰ এজোৰেৰে আশীৰ্ব্বাদ দি গ'ল। কোনোদিনে মাত এষাৰ দিবলৈ নোযোৱা পেহীয়েকেও বেমাৰৰ বাবে নিজে আহিব নোৱাৰিলেও পুতেক জীয়েকক পঠিয়ালে। কিন্তু মলয়ৰ বাহিৰে সিহতে কাৰো পৰা ভাল আপ্যায়ন নাপালে। সিহতো বিয়াৰ পিছদিনা পুৱাতেই গুচি গ'ল। বোধকৰো মাকৰজোৰত মোমায়েকৰ ঘৰ বুলি আহিছিল। পেহাকৰ অকাল মৃত্যুত নিজে নগৈ হাজৰিকাই ৰচনাৱলীত থকাৰ দৰে সান্তনামূলক চিঠি এখনেৰে খবৰ লৈছিল। মলয়ে সেয়ে মাকৰ প্ৰতিও মাজে মাজে বিদ্বেষ অনুভৱ কৰে কিয়নো তেজৰ সম্বন্ধবোৰ বজায় ৰখাত মাকসফল নহয়। আচলতে মাকৰ নিজৰ ভাই ভনী কোনো নাই গতিকে তেনে চেনেহৰ মৰ্ম্ম কি বুজিব? মোমায়েকৰ ঘৰ বুলিবলৈ মলয়হতৰ তেনেকৈ কোনোয়ে নাই। দেউতাক হতৰ বাই-ভনী প্ৰীতিতো দেখিলেই মাকৰ প্ৰতি সেয়ে মলয়ে মাজে পুতৌ অনুভৱ কৰে, আৰু ভাৱে সংসাৰখনত মাতৃ গৰাকী ভাল হ'লে সককোফালে শুভ হয়।

মানুহক ধনজন দুয়োটাই লাগে হাজৰিকাহতৰ মতে ধন থাকিলেই হৈ যায় জন নিজে নিজে আহিব। পিছে মানুহৰ দিন সমানে নাযায়। জন থাকিলে ধন গোটাব পাৰে কিন্তু ধন থাকিলে জন গোটাব নোৱাৰিবও পাৰে। জন মানে তেনে আপোনজনৰ কথাহে মলয়ে ভাবে। যদি কিবা বিপদত পৰে সিহতক চোৱাচিতা কৰা, দিহাভৰষা দিয়া মানুহ কতো নোলাব কিজানি। মলয়ে উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হলেও বিশেষ ভাল নম্বৰ নাছিল।

গুৱাহাটিতে কমার্চ পঢ়িবৰ মন কৰিছিল কিন্তু বাপেকে তাৰ মতি গতি দেখি অলপ মনটো মুকলি হবলৈকে নেকি কিবা বুদ্ধি সন্ধি কৰি পুনাত পঢ়িবলৈ পঠিয়াই দিলে। এনেয়ে তাৰমানসিক ভাৱে অভাববোধ এটা আছে তাতে পুনালৈ গৈ প্ৰথমবছৰ সি আত্মনিৰাপত্তহীনতাত ভুগিলে। ভাগ্যে সি বিপথে নগল মাথো ক্ৰমান্বয়ে সি বেছি অকলশৰীয়া হৈ গ'ল। বছৰেকৰ মূৰত যেতিয়া ঘৰলৈ আহে তেতিয়ায় সি নিজকে এটা কৃত্ৰিম আৱৰণত সোমায় ৰাখে, তাৰ মনোজগতত ঘটি থকা কথা কোনেও গম নাপায়। নিজৰ ঘৰখনলৈ আহি যিয়ে পোহৰ নেদেখে সি বাহিৰত কি পোহৰপাব। এইবাৰ মলয়ে স্থিৰ কৰিছে পুনালৈ আৰু নাযায়। ইয়াতেই কিবা এটা কামত সোমাব পাৰিলে পঢ়াশুনাও কৰিবলৈ চেষ্টা কৰিব, সেয়ে সি ৰাতিপুৱাতেই ওলাই আহিছে। পিছে দেউতাকে অহাৰে পৰা তাক বায়েকৰ ঘৰলৈ যাবলৈ কৈ আছে" একেজনী বায়েৰ তইনো তাইৰ তালৈ যাবলৈ কলে কিয়া বেয়া পাব? ভিনিহিয়েৰক চাবিচোন ইমানকমবয়সতে কেনে সফল ব্যৱসায়ী, তাৰ লগত ককাই-ভাইৰ দৰে থাকিলেহে ভৱিষ্যতে তেওঁ কামত সহায় পাবি?যোৱাকালি সেই কথা কেইষাৰ কওঁতে মলয়ে দেউতাকক ভেকাহি মাৰি ক'লে" লোকৰ সহায় মোক নালাগে। আৰু ককাই ভাইৰ দৰে? হুঃ ককাই-ভাই দেখিছো নহয় ঘৰতেই। ক'তা? আপোনাৰতো একো বিপদ হোৱা নাই? ককাই-ভাইৰে সৈতে নথকা বাবে? সম্বন্ধৰ পাঠ মোক পঢ়াবলৈ নাহিব।" মাক অলকাই আঁতৰৰ পৰা সেই কথা শুনি হাজৰিকাক চকুৰ ঠাৰেৰে ইঙ্গিত দিছিল তাক একো নকবলৈ। আৰু পিছত মলয়ক অকলে বুজাবলৈ চেষ্টা কৰিছিল, তোৰ কি হৈছে মলয়? সদায় দেখোন তৰ্ক কৰাৰ ভাৱত থাক? আমি তোৰ ভৱিষ্যতৰ কথা চিন্তা কৰিহে এনেকৈ আছো, দেউতাৰে এইবোৰ কাৰ বাবে কৰিছে? ৰিণিকতো বিয়া দিলোয়েই মাত্ৰ আমিহে তোৰ লগত থাকিম? তোৰ দেখোন কথা বতৰা কেনেবা কেনেবা লাগে?

মাকৰ কথা শুনি মলয়ে ঈষৎ হাঁহি মাৰি কৈছিল "চিন্তা নকৰিবা মা তোমাৰ দৃষ্টিভঙ্গীৰে ভাবি তেনে লাগিলেও তুমি গাৱৰ আইতাৰ দৰে নিৰাপত্তাহীনতাত ভুগিব নালাগে। তোমোলোকে এইবোৰ যি কৰিছা সকলো তোমালোকেই ভোগ কৰিবা মোৰ বাবে চিন্তা নকৰিলেও হব।" জানো তই এইবোৰ কি কথা কৈছ বুলি মাক অনিশ্চিত আশঙ্কাত তাৰ কাষৰ পৰা উঠি গৈছিল। নিজৰ আত্মজৰ পৰা তেনে বিসঙ্গতিপুৰ্ণ কথা শুনি মাকে বিব্ৰত হৈছিল। হয়তো আহতো হৈছিল সেই ককাক আইতাকৰদৰে। দেউতাককেকিবা কৈছিল হব পায় সেয়ে আজি দেউতাকে তাক একেটা কথাকে কবলৈ তাৰ ওচৰলৈ আহিছিল।

হঠাতে অ'টো এখনৰ পৰা 'মলয়দা' বুলি কোনোবাই মতা যেন শুনি মলয়ে মটৰ চাইকেলখনৰ ষ্টাৰ্ট বন্ধ কৰি বৈ গ'ল। অ'টো খনো কাষতে ৰ'ল মলয়ৰ পেহীয়েকৰপুতেক ৰমেনে আহি মলয়ৰ ওচৰ পালেহি, আৰু ক'লে মই তোমাৰপিছে পিছে আহি আছিলো প্ৰথমতে ধৰিবই পৰা নাছিলো। অ' কোৱাচোন ৰমেন দেখোন হঠাতে ক'ৰ পৰা? ঘৰত পেহীহতৰ ভালনে? " নাই ভাল নহয়। মাৰ বৰ অসুখ আগেয়ে হৈ থকা পেটৰ বিষটো আজি কিছুদিন ধৰি বেচি হোৱাত গুৱাহাটী মেডিকেল কলেজত দেখুৱালো, এতিয়া বুলি ৰমেন তলমুৰ কৰাদেখি মলয়ে তাক জোৰদি সুধিলে এতিয়া কি নোকোৱা কিয়? অতি সোনকালে আপাৰেশ্যন কৰিব লাগিব পুৰণা ঘাঁ নহলে বিপদৰ সম্ভাৱনা, হয়নেকি বুলি মলয়ে অলপ চিন্তাকৰা যেন দেখা পাই ৰমেনে ক'লে "মাক জেনেৰেল ওৱাৰ্ডত ভৰ্ত্তি কৰি খুড়া এজনৰ লগত থৈ মই তোমাকেই বিচাৰি তোমালোকৰ ঘৰলৈ গৈছিলো। পিচে মামাই ক'লে তুমি কোন ফালে গৈছা কৈ যোৱা নাই। তথাপিও তুমি আহিলে পঠিয়াই দিব বুলিও ক'লে আৰু মামা-মামী দুয়ো হেনো এতিয়াই তাঁলৈ যাব মোক আহি থাকিবলৈ কৈছে, টকা পইচাৰ চিন্তা কৰিবও মানা কৰিছে। মই কিন্তু তোমাক লগ নেপাই কি কৰিম নকৰিম ভাৱত আছিলো। এইফালে আমাৰ জেঠাপেহা এজন থাকে তেওঁক খবৰটো দিবলৈ আহিছিলো।" ৰমেনৰ কথা শুনি অলপ সময়ৰ বাবে মলয় আত্মবিস্মৃত হৈ গ'ল। মাক দেউতাকৰ আজি হঠাতে ভনীয়েকলৈ মৰমটো জাগিল কিয় বাৰু? তেওঁলোকে নিক্ষেপ কৰা বাক্যৰ বাণে আজি নিজৰ বুকুতেই আঘাট কৰিছে বাবে? তেওঁলোকৰ আটোমটোকাৰী ঘৰখনত বিশ্বাসৰ চাৰিসীমাই ফাটমেলিছে বাবে তাত প্ৰলেপ লগাব বিচাৰিছে? পিছে ভগা বেৰ জোৰাব পাৰি, চিগা সুতাও জোৰাব পাৰি, কিন্তু মন চিঙিলেতো জোৰাব নোৱাৰি? তথাপিও..........

মলয়দা কি ভাবিছা অ' একো নাই পেহীৰ কথাকে চিন্তা কৰিছো মই এঘন্টা মানৰ ভিতৰত ঘুৰি আহি তোমাক মেডিকেল কলেজত লগ ধৰিম কোনো চিন্তা নকৰিবা। নাই নাই মই অইন চিন্তা কৰা নাই, কেৱল মাৰ হেনো একেবাৰে তেজ নাই। অপাৰেশানৰ সময়ত তেজ দৰকাৰ হব তাতে মাৰ তেজৰ গ্ৰুপ "ও" সেয়েহে এই তেজ সাধাৰণতে পোৱা নাযায়। মলয়ে ৰমেনৰ কথাত ক'লে মোৰ বন্ধু কেইজনমান আছিল খবৰ কৰিব লাগিব। বাৰু তুমি আহি থাকা বুলি চিন্তিত মুখেৰে ৰমেনে গৈ আটোখনত উঠিল।

মলয়েও মটৰ চাইকেল ষ্টাৰ্ট দি গৈ থাকিল মুহুৰ্ত্ততে মলয়ে বায়েকৰ ঘৰলৈ যোৱাৰ আঁচনি কৰিলে। এই খিনিৰ পৰা বাৰ কিলোমিটাৰমান গলেই

বায়েকৰ ঘৰ এই মুহূৰ্ত্তত তেজ মগুহৰ সম্বন্ধ থকা কোনো আপোনমানুহৰ ওচৰত থাকিবলৈ তাৰ মন গ'ল। মলয় যেতিয়া গৈ বায়েকৰ পদুলিমুখ পালে তেতিয়া চোতালত মলয়ৰ মৰমলগা ভাগিনটোৱে খেলি আছিল। মটৰ চাইকেলৰ শব্দ শুনি বায়েক ওলাই আহিল আৰু মলয়ক দেখি দৌৰি আহি সাৱটি ধৰিলে আঁয়ে দেহি আজি ইমান দিনৰ মূৰতয়ে তোৰ আমালৈ মনত পৰিল মলয়ে কোনোমতে বায়কেৰ সাৱটৰ পৰা মুক্তহৈ ভেবা লাগি চাই থকা থোঁপোকা ভাগিনটোক কোলাত তুলি লৈ গালতে চুমা খালে আৰু বায়েকৰ লগতে ভিতৰলৈ আহি থাকোতে ক'লে মই তহতৰ তালৈকে আহি আছিলো বাটতে পেহীৰ ল'ৰা ৰমেনক পালো। পেহীৰ হোনো টান অসুখ, মই এঘন্টাৰ ভিতৰতে যাব লাগিব। ভিনদেউ নাই নেকি? মলয়ৰ কথা শুনি বায়েক ৰিণি য়ে ক'লে তই আগে আহি ভিতৰত বহচোন ইমান দিনৰ মূৰত আহিছ আৰু পেহীৰ কি অসুখ? মলয়ে ক'লে গলেহে সকলো গম পাবি। পুৰণা পেটৰ বিষ কি বা ওলাই? তেজৰ গ্ৰুপ হেনো 'ও' গতিকে তেজ পোৱাটোও অসুবিধা হব। বায়েক ৰিণিয়ে ক'লে ভিনদেউৰ গ্ৰুপো দেখোন 'ও' চিন্তা নকৰিবি তই চাহ একাপ খাইল। ভাত হৈয়েই আছে। ময়ো তোৰ লগতে যাম এনেয়ো দুই এদিনতে আমাৰ যোৱাৰ কথা আছিল। ভিনদেউৱে কিবা কামত ওলাই গৈছে তেওঁকো আহিলে যাবলৈ কৈ যাম, পলক পেহীয়েকে চাব পাৰিব বুলি ৰিণি পাকঘৰলৈ গ'ল। ইতিমধ্যে ৰিণিৰ শাহুয়েক আহি মলয়ৰ ওচৰত বহিল। আইতকৰ লগত যেন শাহুয়েকৰ কিবা মিল আছে। মলয়ে তেওঁৰ ভৰি চুই সেৱা কৰিলে। কিয় জানো আজি মলয়ৰ মনটো বৰ স্পৰ্শকাতৰ হৈ পৰিছে। বায়েকৰ কোনোদিনে নেদেখা ৰূপ যেন চকুত পৰিছে। ৰিণিৰ শাহুয়েকে সোধা কুশল প্ৰশনৰ যথাযথ উত্তৰ দি মলয়ে চাহ একাপো খালে। অলপ পিছতে ভাতো খাই মলয়ে ভাগিনিয়েকক মৰম কৰি টফি লৈ আকৌ আহিব বুলি প্ৰতিশ্ৰুতি দি ৰিণিৰ লগত আহি যেতিয়া মেডিকেল কলেজ পালে তেতিয়া পেহীয়েকৰ বিষ অলপ শাম কাটিছে। কিবা বেজী দিছে টোপনিও আহিছে। ৰমেনে হে ক'লে মামা মামী এইমাত্ৰ গ'ল। মাৰ হেনো অপাৰেশ্যন দুদিন পিছত হব এতিয়া তেজ যোগাৰ কৰাহে কথা, মামীৰ গ্ৰুপো হোনো 'ও' ভাগ্য যে তেওঁৱো তেজ দিব আৰু ব্লাড বেঙ্কত খবৰ কৰিছিলো । এবটল সেই গ্ৰুপৰ তেজ আছে পিছে কোনোবা ডাক্তৰ এজনৰ অহাকালি অপাৰেশ্যন হব তেওঁৰ বাবে বুক হৈ আছে। ৰমেনৰ চিন্তিত মুখ দেখি মলয়ে তাৰ পিঠিত থপৰিয়াই কলে, "চিন্তা নকৰিবা দুবটল তেজ যোগাৰ হ'ল বুলিয়েই ধৰা আৰু স্বেচ্ছাসেবী অনুষ্ঠানত খবৰ

কৰিলেও ওলাব পাৰে। মোৰ চিনাকী ল'ৰাও আছে। মই ডাক্তৰৰ লগতো কথা পাতি আহো আৰু খবৰ। কৰিও আহো ৰবা। বাইদেউ তই পেহীৰ ওচৰতে বহ বুলি" মলয় ওলাই গ'ল।

মলয় যোৱালৈ চাই থাকি ৰিণিয়ে ৰমেনক ক'লে "দেখিছ সি একেবাৰে সেই আগৰ মলয়েই হৈ আছে। ৰমেনেও দীঘলকৈ নিশ্চাস এটা কাঢ়ি ৰিণিলৈ চাই অনুচ্চ সুৰত ক'লে "এৰা বাকী সকলোৰে ভাল পৰিবৰ্ত্তন হ'ল মলয়দাহে একেই থাকিল।"

———০০০০০———

এনাজৰী

ৰাতি পুৱাবলৈ অকণমান বাকী থাকোতেই জয়মতীয়ে সাৰ পালে। চ'তৰ শেষৰ ৰাতিপুৱা গৰম পৰিছে যদিও যোৱা দুদিন বৰষুণ দিয়া বাবেই নেকি এইখিনি সময়ত তাই অলপ ঠাণ্ডা অনুভৱ কৰিলে। ওচৰতে গিৰিয়েক ৰমাকান্তই হাতদুখন বুকুত সাৱটি শুই আছে। জয়মতীয়ে গোটেই গাত গোলাপফুল আঁকা চাটিনৰ বোৰ্ডাৰ দিয়া কম্বলখন ৰমাকান্তৰ গাত ভালদৰে দি বিছনাৰ পৰা উঠি আহিল। আলনাৰ পৰা তাই লগত অনা এৰি কাপোৰখন গাত লৈ চেণ্ডেল নিপিন্ধাকৈয়ে বহা কোঠাৰ দুৱাৰ খুলি বাৰাণ্ডা পালেহি। দুদিন বৰষুণৰ পিছত গোটেই বননিখনেই সেউজীয়া হৈ আছে। বহুদিনৰে পৰা জয়মতীৰ কাহিলি পুৱাতেই উঠা অভ্যাস। খালি ভৰিৰে ঘাঁহনিত খোজ দিবলৈ বৰ ভাল লাগে বাবে তাই বাৰাণ্ডাৰ পৰা তললৈ নামি আহিল। আগতে ৰাতি পুৱা উঠিয়েই এইকণ বিলাসিতা কৰিবলৈ তাইৰ সময় নাছিল।

জয়মতী গাঁৱৰ ঘৰত যৌথ পৰিয়ালৰ মাজৰ বৰ বোৱাৰী। তাই যেতিয়া সেইখন ঘৰৰ বোৱাৰী হৈ যায় তেতিয়া সেইখন ঘৰ শাহু-শহুৰ, দেওৰ-ননদেৰে

এখন বৃহৎ সংসাৰ। সেই সংসাৰৰ বোজা ক্ৰমান্বয়ে বাঢ়িহে গৈছিল কমি যোৱা নাছিল। ননদ তিনিজনীৰ বিয়াৰ পিছত সিঁহতৰ সংসাৰলৈ দেওৰেক দুজনৰ বোৱাৰী আহিল। তাইৰ কোলালৈ দীপক আহিল। এসময়ত শহুৰেকৰ মৃত্যু হ'ল। দেওৰেকহঁতৰ ল'ৰা-ছোঁৱালী হ'ল; সেই ল'ৰা-ছোৱালী তায়েই ডাঙৰ কৰিলে, মুঠতে সংসাৰৰ বোজা কিছু কমোৱাৰ লগে লগে তাইৰ দায়িত্ব কিন্তু সদায় বাঢ়ি গৈ থাকিল, যেন দায়িত্ব পালন কৰাটোৱেই তাইৰ ধৰ্ম। নতুন অৱস্থাত এদিন শাহুৱেকে কৈছিল, তেওঁলোকৰ ডাঙৰ পুতেক বৰ খাম-খেয়ালী প্ৰকৃতিৰ। টকা-পইচা উপাৰ্জনত মন নাই। পুৰণা সম্পত্তি আছে বুলি সিঁহত চলি আছে। লগতে এইটোও ক'লে যে বাকী পুতেকহঁতে অৰ্জা ধন নিদিলে ইমানদিনে সিঁহতৰ পানীত হাঁহ নচৰা অৱস্থা হ'লহেঁতেন। উপাৰ্জন নথকা মানুহৰ ঘৈণীয়ে হেনো ধনেৰে নোৱাৰিলে মনেৰে অৰ্থাৎ দেহাৰে খাটিব লাগে আৰু যিহেতু তাই বুজা ছোৱালী ভাল ঘৰৰ ছোৱালী তাই যাতে বৰপুতেকৰ দায়িত্ব নিজৰ দেহাৰে খাটি আধা হলেও পালন কৰে। তাকেই শাহুৱেকে তাইক বুজাই দিলে। সেইদিন ধৰি জয়মতীয়ে সেই মূলমন্ত্ৰকেই সৰোগত কৰি চলি আহিছে।

গিৰিয়েক ৰমাকান্তইও স্কুলত চাকৰি কৰিছিল যদিও এদিন নিজেই এৰি দিলে। খেতি-বাতি চলোৱাৰ নামত বেছি ভাগ মেল মিটিঙ কৰা, তাচৰ আড্ডা দিয়া গাঁৱৰ মানুহক অযাচিতভাৱে সৎ পৰামৰ্শ দিয়া, নিজৰ পকেটৰ পইচা ভৰি ৰাজহুৱা কামত লাগিবলৈ যোৱা, মেল জেঙা ভঙা আদি নানাধৰণৰ কামত ব্যস্ত থাকি নিজকে গাঁৱৰ মুখীয়াল সকলৰ এজন বুলি ভবা হ'ল আৰু ঘৈণীয়েক জয়মতীয়ে একো নোকোৱাকৈয়ে যে নিজৰ কৰ্তব্য সম্পৰ্কে সচেতন সেইবাবে ৰমাকান্তই একপ্ৰকাৰ আত্মতুষ্টি অনুভৱ কৰিলে। জয়মতীয়ে শেষলৈ সকলোৰে যুটীয়া কামবোৰ নিজৰ ভাগলৈ আনি কৰা হ'ল। জাকহঁতে ফুৰাচকা, মিতিৰ কুটুম খাবলৈ যোৱাৰ বাহিৰে ঘৰখনত বিশেষ লেঠা অনুভৱ নকৰাকৈয়ে ল'ৰা-ছোৱালী কেইটা বৰমাকৰ কোলাতেই ডাঙৰ কৰিলে। কিন্তু জয়মতীৰ একমাত্ৰ সন্তান দীপক সকলোৰে মাজত ডাঙৰ হ'ল।

পাঁচবজাৰ চাইৰেণৰ শব্দত জয়মতীৰ চমক ভাঙিল। দীপ উঠিলেই কিজানি। জয়মতী ভিতৰলৈ সোমাই গ'ল। বগা টুপী, বগা সাজ-পোচাক পিন্ধা খানচামাটোৱে ট্ৰে এখনত খোৱা মেজত চাহৰ সৰঞ্জাম থৈ জয়মতীক চেলাম দি ওলাই গ'ল। দীপ বোধকৰো গা-ধোৱা ঘৰত আছে তায়ো মুখখন ধুই লবলৈ

দীপৰ কোঠালীত থকা দাঁত ঘঁহা পাউদাৰৰ টেমাটো আনিবলৈ গ'ল। ইয়াত এগুৱাৰ নাই বাবে এই ব্যৱস্থা। দীপে ইতিমধ্যে বগা স্পটিং গেঞ্জি আৰু বগা হাফপেন্টটো পিন্ধি সৌ তাহানিৰ স্কুলত খেলা খেলুৱৈৰ দৰে কলঘৰলৈ যাবলৈ সাজু হৈছে। মাকক দেখিয়েই জোতাৰ ফিটা মাৰি আহি হাত নোধোৱাকৈয়েই সাৰটি ধৰিলেহি ঠিক তাহানিৰ দৰে মা তুমি হবলা আন্ধাৰতে উঠিলা, অলপ বেলিলৈকে শুই গাটো টনকিয়াল কৰি লোৱা। আৰু খালি ভৰিৰে! উস্ তোমাৰ লগত নোৱাৰি আৰু বুলি সি চাহ খাবলৈ মাককো মাতিলে। জয়মতীয়ে হাঁহি এটা মাৰি লৰা-লৰিকৈ মুখখন ধুই দীপৰ ওচৰলৈ আহিল আৰু সি বাকী দিয়া চাহকাপ লৈ ক'লে দীপ; তই চাহ জলপান কেতিয়া খাবি? এই সুদা চাহকাপ খায়েই তই সদায় কামলৈ যাব, ময়েই ৰাতিপুৱাই কিবা বনাই দিব পাৰিলোহেঁতেন। মা, তোমাক কৈছো নহয় তোমাৰ হাতেৰে বহুত খালো, লাহে লাহে সকলো দেখুৱাম; বুজায়ো দিম, কিন্তু ৰান্ধনীঘৰত তোমাক সোমাব নিদিওঁ। বহুত ৰান্ধিলা ইয়াত সীতাৰম বাবুৰ্চী আছে, বাৰু শুনা আবেলি বাগান দেখুৱাবলৈ তোমাক লৈ যাম, ওলাই থাকিবা। এতিয়া যাওঁ, ন-বজাত চাহ জলপান খাবলৈ আহিম; তুমি কেৱল কি কৰিব লাগে সীতাৰামক বুজাই দিলে হ'ল বুলি দীপ বেগেৰে ওলাই গ'ল।

চাহকাপ খাবলৈ লৈ জয়মতীয়ে মাখন ৰঙৰ নিমজ দামী কাপটো আলফুলকৈ চুই চালে। ঘৰত তাইৰ ভাগত পৰা নালভগা কাপটোলৈ মনত পৰিল আৰু ভাবিলে, সঁচাকৈয়ে তাইৰ দীপক এই গোটেই ঘৰটোৰ,এই সামগ্ৰীবোৰৰ গৰাকীনে? সৰুৰে পৰাই দীপ ঘৰখনৰ বাকী ল'ৰাকেইটাতকৈ অলপ বেলেগ আছিল। স্কুলৰ পৰা আহিয়েই কুঁৱাৰ পাৰত থকা এদম কাঁহী-বাতি আগত লৈ একান্তমনে ধুই থকা মাকক দেখিলে সি 'মা ভাত' বুলি কৈয়ে ভিতৰ সোমাইছিল আৰু 'খুড়ীয়েৰহঁতক ক'লে দিব যা' বুলি কলেও সি কোনোদিনে কাকো খুজি ভাত নাখাইছিল। কাপোৰ-কানি নসলোৱাকৈয়ে সি শুকান মুখখনেৰে মাক অহালৈ অপেক্ষা কৰিছিল। কেতিয়াবা আইতাকে তাক কোৱা শুনিছিল তোৰ অভ্যাসবোৰ বৰ বেয়া দে, মাৰে দিলেহে খাব পাৰনে? খুড়ীয়েৰহঁতকো খুজিওতো খাব পাৰ?" কিন্তু তাৰ আহত অন্তৰৰ কথা জয়মতীয়ে বুজিছিল; সেয়ে কৰা কাম আধাতে এৰি হাত মচি তাৰ ওচৰলৈ আহি বুজিও নুবুজা ভাও জুৰি তাৰ কপালত তাইৰ ঠাণ্ডা হাতখন দি কৈছিল,

'কি হৈছে তোৰ জ্বৰ উঠিছে? কাপোৰ সলোৱা নাই কিয়' আৰু এতিয়াৰ দৰেই মাকৰ ডিঙিত সাৱটি ধৰিদীপে তাৰ অভিমান ভৰা কণ্ঠেৰে কৈছিল মা, তুমি ইমান কাম কৰা কিয়? ঘৰত আন মানুহ নাই নেকি? "তোৰো যে কথা, তই হবলা তাকে ভাবি আছ? যা মুখ হাত ধোগৈ। মই ভাত বাঢ়ো। মই যে ডাঙৰ, কৰিবই লাগিব। সিহঁতবোৰে ইমান কামৰ আঁত নাপায় নহয়। কিন্তু সি মাকক অবুজৰ দৰে ধৰি থাকি কয় "মই কেতিয়া ডাঙৰ হ'ম মা?" ভালদৰে পঢ়াশুনা কৰ, তেতিয়া তই গম নোপোৱাকৈ বহুত ডাঙৰ হবি। তেতিয়ালৈ জয়মতীয়ে সেইটো উত্তৰকে দি তাৰ ওচৰৰ পৰা আঁতৰি আহিছিল যদিও জয়মতীয়ে তাৰ কথা বুজিছিল।

দিনটো হাজাৰটা কামত ব্যস্ত থকা মাকৰ সংস্পৰ্শ নোপোৱা আৰু দেউতাকৰ নিৰ্বিকাৰিতা দুয়োবিধে তাৰ মনলৈ হতাশা আনিছিল। সি মৰম আকলুৱা হৈ পৰিছিল, আৰু সঁচাকৈয়ে তেনেকৈয়ে সি এদিন নিজে ডাঙৰ হ'ল। পঢ়াশুনা শেষ কৰি সি এদিনো ৰব লগা নহ'ল। প্ৰতিভামূলক পৰীক্ষা দি এই বিদেশী কোম্পানিৰ বাগানৰ মেনেজাৰৰ পদ পালে আৰু কোম্পানিয়ে তাক বিদেশৰ পৰা ট্ৰেইনিং এটাও দি আনিলেগৈ লগে লগে আগৰ সেই লাজুক ভীৰু আৰু অসহায় যেন লগা তাইৰ দীপৰ বহুতো পৰিবৰ্তন হ'ল। সি চাহাবৰ দৰে পোচাক পিন্ধি নিজৰ গাড়ী লৈ যেতিয়া সিঁহতৰ গাঁৱৰ পদুলিমুখ পায়গৈ তেতিয়া বহুতৰে চকুত তাই ঈৰ্ষাৰ ভাব দেখিলে। কিন্তু বাহ্যিক পৰিবৰ্তন হ'লেও তাইৰ দীপ একেই থাকিল।

দীপে দেউতাকৰ লগত বৰ বেছি কথা নকৈছিল, আৰম্ভণিৰ পৰাই বোধকৰো মাকৰ প্ৰতি এনে নিৰ্বিকাৰিতা দেখুওৱা বাবে তাৰ দেউতাকৰ প্ৰতি এটা অহেতুক বিদ্ৰোহৰ ভাব উপজিছিল তেতিয়াৰ পৰাই তাৰ মনত কল্পনা আছিল ডাঙৰ হৈ সি এই ঘৰখনৰ পৰা কষ্টকৰ জীৱনৰ পৰা মাকক উদ্ধাৰ কৰিব আৰু নিজৰ লগত ৰাখি মাকৰ যত্ন লব। ঘৰখনত বাকী প্ৰাণীৰ লগত মাকক তুলনা কৰিলে তাৰ মনত সদায় একেটা প্ৰশ্নৰ উদয় হয়। কিয় তাৰ মাকেই জোতা চিলাইৰ পৰা চণ্ডী পাঠলৈ সকলো কাম কৰিব? কিন্তু এই কিয়ৰ উত্তৰ বিচাৰিব লাগিলে সকলোৰে মুখবোৰ চাবলগীয়া হব, সেয়ে দীপকৰ ডাঙৰ হোৱাৰ অপেক্ষা। মাকেই তাৰ নাম দীপক থৈছিল আৰু সি বুজা হোৱাত তাক কৈছিল সি মাকৰ বাবে পোহৰ স্বৰূপ সেয়েহে তাৰ নাম দীপক থৈছে।

সৰুতে সি ভবিছিল মাক সহজ সৰল ভোদা মানুহ সেয়ে এনে অন্যায় অবিচাৰতো মানুহজনীয়ে নীৰৱে কাম কৰি থাকে। কিন্তু পিছতহে সি বুজিলে আচল ভুল কোনখিনিত। সেইকাৰণে তাৰ দেউতাকৰ প্ৰতি তেনে ভাব হৈছিল, আৰু মাকৰ বাবে যাতে সি সঁচাকৈয়ে দীপক হব পাৰে তাৰেই চেষ্টা কৰিছিল।

বিশ্ববিদ্যালয়ৰ সকলো পৰীক্ষাতে সদায় প্ৰথম শ্ৰেণী লৈ উত্তীৰ্ণ হোৱা দীপে শেষত সি বিচৰামতে মনোনীত চাকৰিটো পাই অকণো পলম নকৰি যোগদান কৰিছিল। বহুতে তাক কৈছিল ইমান পঢ়াশুনা কৰি বাগানৰ চাকৰি কিয় কৰিব লাগিছে। কিন্তু দীপে, শেষ পৰীক্ষা দি ফলাফললৈ অপেক্ষা নকৰি চাকৰি এটাত সোমাই কেতিয়া মাকক তাৰ কৰ্মস্থলীলৈ আনিব সেই চিন্তাতে মগ্ন আছিল। কোম্পানিয়ে বিদেশলৈ পঠিওৱাত সেই ছমাহ তাৰ বাবে ছবছৰ যেন লাগিছিল। সেয়ে বিদেশৰ পৰা আহিয়েই সি প্ৰথমে আইতাকৰ নামত এখন আৰু মাক-দেউতাকলৈ সম্বোধন কৰি লিখা চিঠি দুয়োখন অগা-পিচাকৈ যেতিয়া সিঁহতৰ ঘৰলৈ আহিল, সকলোৰে মুখত ফুটাই নকলেও এক ঈৰ্ষাৰ ভাব ফুটি উঠিছিল।

আইতাকৰ চিঠিখনত বহাগৰ বিহুৰ সেৱা জনাই মাক-দেউতাকক যে দুই তিনিমাহৰ বাবে তাৰ ওচৰলৈ আনিব তাকেই জনাইছিল। আইতাকক চিঠিখন জয়মতীয়েই পঢ়ি শুনাইছিল আৰু আইতাকে কৈছিল "এই বিহুৰ সময়ত তই গলেনো কেনেকৈ এইখন ঘৰ চলিব? তাতে জী-জোঁৱাই আহিব। জানো কি কৰ! পিছদিনা কিন্তু দীপে তাইলৈ লিখা চিঠিখন পঢ়ি তাইৰ হিয়াত এক অবুজ তোলপাৰ হৈছিল- এৰা, তাই জানে এইয়া দীপৰ বহুদিনৰ হেঁপাহ। সি লিখিছিল, "মা মই যেন গৈয়েই তোমালোকক সাজু হৈ থকা দেখা পাওঁ। মোৰ ছুটী নাই সেয়ে ঘৰত মাত্ৰ এৰাতি হে থাকিব পাৰিম আৰু বহুত কথাই লিখিছিল, তাৰ সুন্দৰ বাগানখন, কোৱাৰ্টাৰ, বাবুৰ্চী নানান কথা, যিখন চিঠি জয়মতীয়ে লুকাই লুকাই বহুবাৰ পঢ়িছিল, জাক হঁতে সেইদিনা তাইক বেকা-কথা দুই এটা যদিও শুনাইছিল তাই ধৰি থকা নাছিল আৰু প্ৰথমবাৰৰ কাৰণে বেছ কিছু দিনলৈ ঘৰত নাথাকিব বাবে বহুতো খুটি-নাটি কাম তাই আগতীয়াকৈ কৰি থৈছিল যদিও "তাই নকৰিলে আৰু নচলিবনে" সকলোৰে এনে ভাব পৰিলক্ষিত হৈছিল।

দীপ ঘৰলৈ অহাত পোন প্ৰথমবাৰৰ বাবে ৰমাকান্তই তাৰ কথা নেপেলোৱাকৈ তাৰ লগত আহিবলৈ ওলাইছিল জয়মতীয়ে পেটে পেটে ভয় কৰিছিল যদিও

একো আপত্তি নকৰাকৈ সকলোকে বেছ ভালদৰেই মাত লগাই দীপৰ লগত গুছি আহিছিল। ৰমাকান্তই কেৱল হাঁহি ভায়েকহঁতক কৈছিল-, "এইকেইদিন তঁহত চলি থাকচোন মইও অলপ চাইচিতি আহো"– যেন ৰমাকান্ত নহ'লে সিঁহতৰ সংসাৰ অচল। ভায়েকহতঁৰ অন্তৰালৰ বিদ্রূপৰ হাঁহিটো ৰমাকান্তই দেখা নাছিল, দীপৰ লগত অহাৰে পৰা এইকেইদিন যেন জয়মতীয়ে এক কল্পনাৰ জগতত সোমাই পৰিছে তেনে অনুভৱ কৰিলে দীপে যে ইমান ফটফটীয়াকৈ নিখুঁত ইংৰাজী কব পাৰে আৰু ইমান অভ্যস্ত এই জগতখনত যেন সি সৰুৰে পৰাই তেনেকৈয়ে ডাঙৰ হৈছে। ৰমাকান্তই কিন্তু জয়মতীৰ অজ্ঞতাত হাঁহিছিল আৰু কৈছিল, "তুমি বৰ অকৰা হৈ আছা, বিদেশী কোম্পানিৰ চালচলন এনেকুৱাই। সেইকাৰণেইতো সিহঁতে ট্রেইনিং দি আনিছে" আৰু সকলোখিনি আৰামৰ উপকৰণ এক সাধাৰণ অনীহাৰ ভাৱত গ্রহণ কৰিছিল। কেৱল প্রথমদিনা দীপৰ বঙলাৰ সুন্দৰকৈ সজোৱা কোঠালীটোৰ শকত তুলীৰ বিছনাখনত শুবলৈ গৈ ৰমাকান্তই জয়মতীক ওচৰ চপাই লৈ কৈছিল, তোমাৰ বাবেই তোমাৰ ল'ৰা আজি উপযুক্ত হ'ল। সেইদিনা তাইৰ সেই সামান্য প্রশংসাৰ বাণী শুনি গোটেই জীৱনটোত যেন আৰু কিবাকিবি কৰিব তেনে লাগিছিল আৰু ৰমাকান্তৰ ওচৰত কৃতজ্ঞ হৈছিল। জয়মতীৰ কিন্তু তাইৰ কপালে ইমান সুখ সহিব নে নসহে চিন্তা লাগিছিল।

ৰমাকান্তৰ চেণ্ডেলৰ শব্দত জয়মতী আকৌ নিজৰ জগতলৈ ঘূৰি আহিল। তাই গম নোপোৱাকৈ খানচামা টোৱে কাপপ্লেটবোৰ লৈ গৈছে। এতিয়া ৰমাকান্তকো চাহ লাগিব। তাই লৰালৰিকৈ গা ধুবলৈ গ'ল। ইতিমধ্যে ৰান্ধনীঘৰৰ পৰাও ভাল গোন্ধ ওলাইছে। নিশ্চয় সীতাৰমে কিবা নতুন বস্তু বনাইছে। এই কেইদিনত জয়মতীয়ে নাম নজনা বহুত বস্তুকেই খাইছে মতা মানুহ যে ইমান পাকৈত ৰান্ধনী হব পাৰে, তাইৰ ভাবি আচৰিত লাগিছিল। কেৱল সি দীপে ভালপোৱা মাছৰ ঔটেঙাৰ আঞ্জাখন ৰান্ধিব নাজানে। কালি দীপে এটা ডাঙৰ শিলঘৰীয়া মাছ আনিছে। আজি দুপৰীয়াৰ সাজত যেনেকৈ হলেও তায়েই পাকঘৰত সোমাবলৈ ঠিক কৰি লৰালৰিকৈ গা ধোৱা ঘৰত সোমাল।

দীপেও মাকহঁত অহাৰ পৰা ইমানদিনে নজনা কথা এটা অনুভৱ কৰিলে যে দেউতাকৰো মাকৰ প্রতি টান আছে, হয়তো'ইমান দিনে সি বুজিবই পৰা নাই দেউতাকক। কাৰণ মাকেতো তাক কোনোদিন একো অভিযোগ কৰা নাই- এই উপলব্ধিৰ আনন্দত দীপে গাঁৱৰ ঘৰলৈ কাকো নজনোৱাকৈ মাকহঁত অহাৰ

কেইদিনমান পিচতেই এখন চিঠি দিছিল আৰু লিখিছিল যে মাক দেউতাকক সি তাৰ লগতে ৰাখিব, ঘৰত যাতে চিন্তা নকৰে, আইতাককো কথাটো জনাই থবলৈ কৈছিল। কিন্তু মানুহে পাঙে, ঈশ্বৰে ভাঙে। দুপৰীয়া পৰম তৃপ্তিৰে মাকে ৰন্ধা ঔ টেঙাৰ আঞ্জাৰে দীপে যেতিয়া ৰমাকান্তৰ লগত ভাত খাই আছিল, পিয়নে এখন চিঠি দি গ'ল। ভাতখাই উঠি বিছনাত পৰাৰ সময়ত ৰমাকান্তৰ সদায় নানান আলোচনীৰ পাত লুটিওৱা, কাগজ-পত্ৰ, চিঠিপত্ৰ আদি পঢ়া বহুদিনীয়া অভ্যাস সেয়ে দীপলৈ বাট নেচায় ৰমাকান্তয়ে চিঠিখন পঢ়িলে আৰু ক্ৰমান্বয়ে দুই ভ্ৰু সংকুচিত হৈ গ'ল। জয়মতীয়ে ইতিমধ্যে কাৰ চিঠি, ঘৰত ভালনে ইত্যাদি সুধি ৰমাকান্তৰ পৰা উত্তৰ নাপালে। ৰমাকান্তই কেৱল দীপৰ ওচৰলৈ চিঠিখন দলিয়াই দি ক'লে- "মোক নেসোধাকৈ ঘৰলৈ কি লিখিছিলি? তই ক'লি বুলিয়েই মই সদায় ইয়াত থাকিব নোৱাৰো নহয়। মোৰোতো কাম আছে। এসপ্তাহৰ ভিতৰতে আমাক যোৱাৰ ব্যৱস্থা কৰি দিবি বুলি ৰমাকান্তই কোনোফালে নোচোৱাকৈ শোৱা কোঠালৈ গুচি গ'ল। দেউতাকৰ কি কাম আছে দীপৰ সুধিবলৈ মন গৈছিল যদিও মাকৰ মুখলৈ চাই সি নুসুধিলে।

মুখখন মচি সি চিঠিখন হাতত লৈ মাকৰ সমুখত ডাঙৰকৈ পঢ়িলে। খুড়াকে দাদাকলৈ লিখিছে দীপে মাক দেউতাকক সদায় ৰাখিবলৈ বিচৰাটোত সিহঁতে বেয়া পোৱা নাই, সি তাৰ কৰ্তব্য কৰিছে; কিন্তু দাদাকৰ কৰ্তব্যজ্ঞানৰ নমুনা দেখি সিহঁতে বিশেষকৈ মাকে আদেশ দিছে সি বৰপুতেকটো হৈ মাকৰ শেষ সময়ত ওচৰত থকাটোহে কৰ্তব্য। গতিকে মাকে কোৱা ধৰণেৰে আৰু কিছু কথা খুড়াকে লিখিছে যেন খুড়াকহঁতৰ সেই কথাত কোনো অংশই নাই। দীপে চিঠিখন পঢ়ি খং উঠি মাকক ক'লে–"মা তোমালোকক নোসোধাকৈ কিবা এটা সিদ্ধান্ত লব পৰা বয়স মোৰ হৈছে কথাখিনিতো শুনিলাই এতিয়া তোমাৰ কথা ,দেউতা গলে যাওক মই ধৰি নাৰাখো, কিন্তু তুমি কি কৰিবা? ইমান পৰে মনে মনে বহি থকা জয়মতীৰ দুধাৰি চকুলো ওলাই আহিল। তাই জানিছিল তাইৰ ভাগ্যত ইমান সুখ নাই। ইচ্ছা কৰিলে তায়ো কব পাৰে দেউতাৰেও মাকৰ ওচৰত থাকক আৰু ময়ো তোৰ ওচৰত থাকিম" কিন্তু জয়মতীয়ে কব নোৱাৰিলে। মাথো চকুপানী মচিলে মাকে কোনো উত্তৰ নিদি তেনেদৰে চকুলো মচা দেখি হঠাতে দীপৰ মাকৰ ওপৰতে খং উঠি গ'ল- এই আঁকৰী মাকজনীৰ এনেকুৱাই গতি হব উপায় নাই।

মাকক কোনোদিনে বুজিবলৈ চেষ্টা নকৰা দেউতাকজনৰ আবিহ্নে সুখৰ সকলো উপকৰণৰ মাজতো যে মাকে শান্তি নাপাব, সেইকথা দীপকে বুজি নাপালে। কেৱল সি ভাবিলে মাকৰ মনত তাৰ প্ৰতি অন্তহীন স্নেহ থকা সত্ত্বেও মাকে কিয় দেউতাকৰ ছায়া নেৰে? দেউতাকৰ প্ৰতি মাকৰ এইয়া কি টান হব পাৰে তাকেই ভাবি সি আচৰিত মানিলে। হুমুনিয়াহ এটা কাঢ়ি দীপে গধূৰ অন্তৰেৰে মাকৰ কাষৰপৰা বাহিৰলৈ ওলাই আহিল।

ভগা কাঁচৰ টুকুৰা

যোৱা সাদিন আগতে ঘটা ঘটনাটোৱে ঘৰ খনৰ পৰিৱেশ আজিও থমথমীয়া কৰি ৰাখিছে। এইকেইদিন যেনিবা বতৰটোৱে সহযোগ কৰিছিল। শীতৰ দিনত সাধাৰণতে এনে বতৰ নহয়। আবতৰীয়া বৰষুণ জাকে সেৰেঙা লগা শীত পেলাইছিল। আজি পিছে ৰাতিপুৱাৰ পৰা ৰ'দটো জকমকাই উঠিছে যদিও অশান্তৰ মনত অকণো উম দিব পৰা নাই। অপৰাজিতাৰ অবিহনত সাদিনতে ঘৰখন ইমান শূণ্য হৈ যাব বুলি অশান্তই ভাবিবই পৰা নাছিল। অথচ অপৰাজিতা, তাৰ মৰমৰ জিতা জনীয়ে কোনোদিনে বেচি কথা কোৱা নাছিল। শান্ত শিষ্ট জিতাই এইখন ঘৰলৈ অহাৰ দিনাৰ পৰাই টুকটাককৈ এক মনে নিজৰ কামবোৰ কৰি গৈছিল। বন্ধৰ দিনত কেতিয়াবা কামৰ মাজতে অশান্তই জিতাক মাতিলে চাদৰৰ আচলত হাত মচি মচি শান্ত হাঁহি এটা মাৰি জিতা তাৰ ওচৰলৈ আহি চুলিবোৰত আঙুলি ভৰাই খেলিমেলি কৰি দিছিল আৰু

কৈছিল, "কিয় মাতিছা কোৱাচোন, মোৰ কাম আছে"। অশান্তৰ তেতিয়া সাহিত্যৰ বক্রোক্তিৰে কবলৈ মন গৈছিল, " কামুকীজনীৰ কি হ'ব কামেৰে সিজিব কিবা সকাম? কিন্তু ছিঃ বুলি জিতাই চকুৰ ভৎর্সনা কৰিব বুলিয়েই মনৰ মাজত হোৱা অশান্ত ভাবটো দমন কৰি অশান্তই শান্তভাবেৰে কৈছিল, "একো নহয়, এনেয়ে তোমাক ওচৰৰ পৰা চাবলৈ মন গৈছে। স্নিগ্ধ প্ৰতিমা যেন লগা জিতাৰ আগত তাৰ অসংযম প্ৰকাশ কৰিবলৈ কিয় জানো সত নগৈছিল। তাতে ঘৰখনত মাকৰ প্ৰচণ্ড প্ৰতাপত থাকিও জিতাই যেতিয়া হাঁহিমুখে বোৱাৰীৰ সকলো কৰ্তব্য কৰি পত্নীৰ সান্নিধ্যও অশান্তক দিছিল, তাৰ পিছত অশান্তৰ কবলগীয়াও একো নাছিল। মাথো মাজে মাজে অশান্তৰ মনটো এক অবুজ অতৃপ্তিত ভুগিছিল। কিয় মন গলেও সি জিতাৰ আগত মনৰ অৰ্গল খুলি দিব নোৱাৰে? সিহঁতৰ বিয়াহোৱাৰতো বৰ বেছি দিন হোৱা নাই। আজিলৈ সিহঁত কতো ফুৰিবলৈয়ে নগল। জিতাই অৱশ্যে কোনোদিন তাক অভিযোগ কৰা নাই। কোনো প্ৰতিবাদ নকৰাকৈ নীৰৱে সকলো সময়তে কেৱল মাকৰ কৰ্তৃত্ব অনুসৰি কামেই কৰি গৈছে। জিতাই হাতৰ কাষতে সকলোকে যতনাই দিয়া সুবিধাবোৰ ঘৰখনৰ সকলোৱে উপভোগ কৰিছিল। কিন্তু অশান্তই ভিতৰি ভিতৰি দুখ পাইছিল, এক নাম নজনা দুখ। অথচ এসময়ত অশান্তৰ কিমান পৰিকল্পনা আছিল!

সৰুৰে পৰাই অশান্তই ছবি আঁকিছিল। সৌন্দৰ্য প্ৰৱণ মনটোৱে সৌ সিদিনালৈ যেন কিহবাৰ সন্ধানত আছিল। সেয়ে ঘৰখনৰ সকলোৱে জোৰ কৰাৰ পিছতো অশান্তই বিয়াত মত দিয়া নাছিল। কি প্ৰয়োজন এইবোৰত সোমোৱাৰ? কিন্তু সেই অশান্তইও শেষত বিয়াত মত দিবলৈ বাধ্য হ'ল। তাৰ একমাত্ৰ বন্ধু ৰঞ্জনে অপৰাজিতাৰ লগত চিনাকি কৰি দিয়াৰ পিছত জিতাৰ মাজত যেন সি বিচৰা ছোৱালী জনীক দেখিবলৈ পালে আৰু এদিন সকলোকে সাক্ষীকৰি আঙঠিও পিন্ধালে। বিয়া কৰাই এইখন ঘৰলৈ লৈও আহিল। পাণৰ পৰা চুণ খহিলেই খং উঠা মাককো অপৰাজিতাই সন্তুষ্ট কৰিব পাৰিছে বুলি মাকক দেখি সি বুজিব পাৰিলে। ওচৰ-চুবুৰীয়াইও মাকৰ এনেহেন বোৱাৰী ভাগ্য দেখি অলপ হলেও ঈৰ্ষাবোধ কৰিলে।

অশান্তৰ সৰুৰে পৰাই এইখন চহৰত ডাঙৰ হৈছে। বাকী দুটা ভাই-ভনীৰ দৰে অশান্তই সকলোৰে লগত তৎক্ষণাত খাপ খাই পৰিব নোৱাৰিছিল। ভনীয়েকজনীৰ বিয়া হোৱাৰ পিছত সি মাক দেউতাকৰ মাজত থাকিও বৰ

অকলশৰীয়া অনুভৱ কৰিছিল। সৰুৰে পৰা মনখুলি কথা নোকোৱা বাবেই নেকি মাকেও তাক অলপ বেছিকৈ চকু দিছিল। মাকৰ কাঢ়া অনুশাসনত থাকি সকলোৱে মাকৰ সমুখত ঘৰৰ নিয়ম মানি চলিছিল; আনকি দেউতাকেও মাকৰ শাসন মানিবলৈ বাধ্য হৈছিল। চিগাৰেট এটা খালে দেউতাকে মাকৰ অনুমতি লোৱা সি দেখিছিল। অৱশ্যে লুকাই চুৰকৈ কোনে কি কৰিছিল সি নাজানে কিন্তু মাকৰ এই দমন নীতিটো সৰুৰে পৰাই অশান্তই ভাল নাপাইছিল। মাকক ফাকি দিয়াৰ পক্ষপাতীও সি নাছিল সেয়ে কেতিয়াবা দেখা-দেখিকৈয়ে সি.মাকৰ শাসন নামানিছিল। অশান্তৰ তেনে অবাধ্যতাক সকলোৱে গৰিহণা দিছিল আৰু মাকেও বৰ অশান্তি কৰিছিল। সকলোৰে ভালৰ বাবেই তেনে কৰা বুলি মাকে তাক বুজাইছিল। শেষলৈ সি মাক হৃদৰোগৰ বেমাৰী বাবে নীৰৱে সকলো উপদেশ মানি লৈছিল। তেনেকৈয়ে সি এদিন যুৱকত পৰিণত হ'ল। কিন্তু প্ৰণালীবদ্ধ জীৱন যাপন কৰি সিও যান্ত্ৰিক হৈ গ'ল। আচলতে মাক দেউতাকে কোনোদিনেই সিহঁতক বুজিবলৈ চেষ্টা কৰা নাছিল। সেয়ে অশান্তৰ কল্পনা প্ৰৱণ মনটোৱে আঘাট পাইছিল যদিও মাকক কোনোদিনে সি অৱমননা কৰা নাছিল। বিয়াবাৰুৰ কথাতো অশান্তই কোনো মতামত ব্যক্ত কৰা নাছিল। আচলতে সংসাৰ সম্পৰ্কে সি উদাসীন আছিল। বিয়াৰ পিছত কি হব পাৰে তেতিয়ালৈ সি জনাই নাছিল।

অশান্তই বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীলৈ কলেজ এখনত সোমাই ল'লে। মাজে মাজে কিবা লিখিছিল যদিও প্ৰকাশ কৰা নাছিল। ছমাহৰ আগতে লিখা লিখনি পঢ়ি ছমাহ পিছত লাজ লগাৰ দৰে তাৰ লিখনিবোৰ সি জমা থৈ দিছিল। কেতিয়াবা পূৰ্ণতাপ্ৰাপ্ত হ'লে চাইমেলি প্ৰকাশ কৰিব বুলি। দিনটো ঘৰখনৰ কাৰো লগত বিশেষ সম্বন্ধ নোহোৱাকৈ সি কলেজখন আৰু নিজকলৈ বেছ চলি আছিল। কিন্তু মাজতে অশান্তৰ যেন সকলোবোৰ ওলট-পালট হৈ গ'ল।

বিয়াত মত নিদিয়া বাবে বহুতে তাক অস্বাভাৱিক বুলি কৈছিল আৰু মাকেও বৰ বেছি জোৰ কৰা নাছিল। অইন মানুহে তাৰ 'ইডিপাচ কমপ্লেক্স' থকা বুলিও ভাবিছিল, কিন্তু অপৰাজিতাক দেখাৰ পিছত তাৰ মনৰো পৰিবৰ্তন ঘটিল। ওখকৈ লাহী, অজ্বলা চকুযুৰিৰে দৃঢ়তাৰ ছাপমুখত থকা জিতা জনীক তাৰ প্ৰথমদিনাই ভাল লাগিছিল আৰু লগতে ঘৰখনকো। কাৰণ সেইখন ঘৰত সংকোচ নোহোৱাকৈ মুকলি মনেৰে সকলোৱে কথা বতৰা পাতিছিল। তাৰ

পিছত এমাহমমান অশান্তই নিজে কব নোৱাৰাকৈয়ে জিতাহঁতৰ ঘৰলৈ, জিতাৰ ওচৰলৈ গৈছিল। কাৰো ওচৰত মনৰ অৰ্গল নুখুলা অশান্তই বহুতো কথাই কৈছিল আৰু এমাহমানৰ পিছত সিহঁতৰ বিয়াও হৈ গৈছিল।

বিয়াৰ পিছত কমবেছি পৰিমাণে সকলোৰে কিছু পৰিবৰ্তন হয়, কিন্তু অশান্তৰে ভিতৰখন জিতাৰ সান্নিধ্যত তোলপাৰ হলেও বাহিৰত একেই থাকিবৰ চেষ্টা কৰিছিল। কিয় জানো তাৰ মাকহঁতৰ আগত ভাবাবেগৰ আতিশৰ্য্য দেখুৱাবলৈ সংকোচ হৈছিল। ফলত অশান্তৰ দুমুখীয়া জীৱন আৰম্ভ হৈছিল। জিতাৰ লগত বাহিৰলৈ গ'লে পাৰভঙা কথা আৰু আনন্দৰ মাজত কোনোবা আত্মীয়স্বজনেও আচৰিত হৈ কৈছিল, " বা অশান্তদা তুমিও ইয়ালৈ আহিছা? নবৌৰেই ভাগ্য দেই? বা কোনোবাই ঘৰলৈ গৈ মাকৰ আগতে জিতাক সুধি দিছিল, "অশান্তই বাৰু তোমাক মাতবোল কৰেনে? কথা পাতেনে? সেয়ে জিতাৰ ওচৰত অপৰিচিত এই প্ৰশ্নবোৰে জিতাক ভবাই তুলিছিল আৰু জিতাই তাক সুধিছিল" কিয় বাৰু মানুহবোৰে এনে প্ৰশ্ন কৰে? তুমিতো অকণো অস্বাভাৱিক নোহোৱা, মানুহে যে অস্বাভাৱিক প্ৰশ্নবোৰ কৰে? অশান্তই জিতাক ওচৰ চপাই লৈ কৈছিল—"জিতা তোমাৰ মনত যদি মই স্বাভাৱিক তেন্তে তুমিও কোনো প্ৰশ্ন নকৰিবা, মানুহৰ কথা নধৰিবা। জিতাই সেইদিনা অজলা চকুযুৰি বহলকৈ মেলি তাৰপিনে একদৃষ্টিৰে চাই কৈছিল, "মই কাৰো কথাতেই নধৰো, মোৰ নিচিনা ভাগ্যৱতী কেইজনী আছে তোমাৰ দৰে গহীন গম্ভীৰ সুপুৰুষ এজন পাইছো।" অশান্তই সেইদিনা জিতাক আৱেগেৰে সাৱটি ধৰিছিল আৰু কৈছিল —"মোৰ নিচিনা ভাগ্যবান এজন তোমাৰ নিচিনা ভাগ্যৱতীলৈ বৈ আছিল গতিকে মিঞা বিবি ৰাজী ক্যা কৰেগা কাজী" বুলি দুয়ো হাঁহি বিচনাত বাগৰি পৰিছিল। পিছমুহূৰ্ত্ততে বাহিৰত মাকৰ কাহৰ শব্দ শুনি সিহঁতৰ হাঁহি বন্ধ হৈ গৈছিল আৰু একেজাপে বিছনাৰ পৰা উঠি জিতাই ওৰণিখন লৈ কামত ব্যস্ত হৈছিল আৰু মাক কোঠালিলৈ সোমায় আহি অশান্তক ভৎৰ্সনাৰ দৃষ্টিত কৈছিল—"এই ফুট গধূলিতে তইনো কেলেই বিছনাত পৰি আছ? তোৰ গা বেয়া নেকি? অপ্ৰস্তুতভাৱে সি বিছনাত বহি দিছিল আৰু কৈছিল -"গা বেয়া হ'লে তোমাক কলোহেঁতেন নহয়।" দুৰৰ পৰাই জিতাই কিবা ইঙ্গিত কৰি থকা গম পাই সি আৰু অপ্ৰস্তুত হৈছিল আৰু মাকৰ ওপৰত বিৰক্ত হৈছিল। মাকে সিদিনালৈ একো নকৈ জিতালৈ তীক্ষ্ণ দৃষ্টিপাত কৰি ওলায় গৈছিল আৰু পিছত হেনো কৈছিল— "বোৱাৰী মানুহ ইমান উত্ৰাৱল হ'ব নাপায় ধীৰ

গম্ভীৰ হ'ব লাগে” জিতাই সেইদিনা কোঠলিত সোমাই উচুপিছিল যদিও কাৰণটো অশান্তক কোৱা নাছিল। অশান্তই কেৱল মাক যোৱাৰ পিছত আইনাৰ সমুখত মুৰ আচুৰিবলৈ গৈ গালত লাগি থকা সেন্দুৰসোপা দেখি বৰ লাজ পাইছিল আৰু জিতাৰ ইঙ্গিতৰ অৰ্থ তেতিয়াহে বুজিব পাৰি হাঁহিও উঠিছিল।

কিন্তু এনেধৰণৰ সৰুসুৰা অজস্ৰ ঘটনাইও জিতাৰ মনত আঘাত দিয়া নাছিল। হয়তো আঘাত পালেও জিতাই প্ৰকাশ নকৰিছিল। জিতা যিখন ঘৰৰ ছোৱালী সেই ঘৰখনৰ ঐতিহ্য আছে। সুনামো আছে। দেউতাক চৰকাৰী উচ্চপদস্থ বিষয়া আছিল। তাৰোপৰি মানুহজন সহজ সৰল ভেম নথকা বোমভোলা প্ৰকৃতিৰ দেখি বহুতেই ওলোটাটো বুজি লৈছিল। ছোৱালী তিনিজনীকো সুশিক্ষিতা কৰি সুপ্ৰতিস্থিত ঘৰলৈ বিয়া দিছিল। পুত্ৰ সন্তান নাথাকিলেও তেওঁ কোনোদিনে অনুভৱ কৰা নাছিল। ছোৱালী তিনিজনীয়েই তেওঁৰ প্ৰাণ আছিল। কেৱল ঘৰখনৰ সৰু ছোৱালী বুলিয়েই জিতাক উলিয়াই দিবলৈ মাকে টান পাইছিল। সেয়ে বহুতো ভাল প্ৰস্তাৱ প্ৰত্যাখান কৰি শেষত একে চহৰতে সদায় দেখি থাকিব বুলিয়ে জিতাক অশান্তৰ লগত বিয়া দিছিল। জিতাই কিন্তু প্ৰথমদিনাই তাক কৈছিল-“মায়ে মোক এজনী ভাল বোৱাৰী হ'বলৈ আৰ্শীব্বাদ দি উলিয়াই দিছে, আৰু এজনী বোৱাৰীৰ পৰা শাহুৱেকে কি বিচাৰে তাই বুজে সেয়ে অশান্তক তাই চিন্তা কৰিবলৈ মানা কৰিছিল। প্ৰথম নিশাই অশান্তই মাকৰ সিহঁতৰ প্ৰতি থকা শাসনৰ কথা কবলৈ ইচ্ছা কৰা নাছিল। পিছত ক'লেহেঁতেন যদিও জিতাৰ আশ্বাসত সেই কথা কোৱা নহ'ল। এতিয়া কিন্তু অশান্তৰ অনুশোচনা আহিছে অন্তত মাকৰ হৃদৰোগৰ কথাটো ভালকৈ জিতাক কৈ থোৱা হ'লে হয়তো সেইদিনাৰ ঘটনাটো নঘটিলেহেঁতেন।

বিয়াৰ পিছতেই জিতাহঁতৰ ঘৰলৈ অশান্তৰ পৰিয়ালৰ সকলোকে নিমন্ত্ৰণ কৰিলে। এদিন অশান্তৰ মাকেও জিতাৰ মাকহঁতক মাতিলে। পিছলৈ দুয়োঘৰৰ আত্মীয়তা বাঢ়ি গ'ল যদিও শেষৰ ফালে অশান্তৰ মাকে আমনি·পোৱা হ'ল। এদিন দূৰত জিতাৰ মাকক দেখিয়েই বিৰক্তি প্ৰকাশ কৰি মাকে তাৰ আগতেই কৈছিল তিনিজনীকৈ ছোৱালী বিয়া দিও মানুহজনীয়ে নাজানিলে যে বিয়া দিয়া ছোৱালীৰ ঘৰলৈ ইমানকৈ আহিবলৈ নাপায়। কিয় মোৰোতো এজনী ছোৱালী ক'তা মইতো গৈ নাথাকো” পিছ মুহূৰ্ত্ততে জপনা খুলি সোমাই অহা বিয়নিয়েকক দেখি মাকে অন্তৰ খোলা হাঁহি এটা মাৰি জপনামুখৰ পৰাই আগবঢ়াই আনিছিল আৰু কৈছিল, “বহুদিনৰ মূৰত আহিল দেখোন? মই বোলো

আমাক পাহৰিলেই নেকি? "মাকৰ এই কথা আৰু কামৰ বিসঙ্গতি দেখি সি বৰ বিব্ৰতবোধ কৰিছিল আৰু জিতাৰ মাকে হাঁহিৰে সোধা প্ৰশ্নৰ উত্তৰ অলপ সময় দিব পৰা নাছিল। জিতাৰ মাকে যেন মুখ দেখিয়েই ভিতৰলৈ বুজি পাইছিল আৰু তাৰ মাকক সুধিছিল "কি হ'ল অশান্তৰ কিবা অসুখ হৈছে নেকি? বৰ মনমাৰি আছে দেখোন? "লগে লগে মাকে কৈ উঠিল এঃ নকব আৰু তাকলৈয়ে মোৰ মহাসমস্যা। সি আগৰেপৰাই বৰ খোলা নহয়, ভাবিলো বুজাছোৱালী এজনী বিয়া কৰাই দিলে ঠিক হৈ যাব, পিছে ক'তা বিয়াৰ পিছত দেখিছো বেছিহে অন্যমনস্ক হৈ গৈছে। আপোনাৰ ছোৱালী জিতায়ো তাক বুজিব পৰা নাই।" জি তাৰ মাকক বহিবলৈ কৈ ভিতৰ সোমাই যোৱা অশান্তৰ পিনে চাই জিতাৰ মাকে কিন্তু উত্তৰত সহজভাবেৰে হাঁহি মাৰি কৈছিল, "হেৰি সিহঁতৰ বুজা-বুজিৰ ভাগ আমাক কেলেই লাগিছে? আমি এতিয়া বুঢ়াৰ ভাগত পৰিলো আৰু জিতাহঁতক তো মোৰ কোনোদিনেই তেনে যেন লগা নাই। সিদিনাও দুয়ো বেছ হাঁহি স্ফুৰ্ত্তি কৰি আমাৰ তাৰ পৰা আহিছে।" জিতাৰ মাকৰ কথাষাৰে যে অশান্তৰ মাকক শেলে বিধা দিব সেইটো অশান্তই সিটো কোঠালিৰ পৰাই বুজিলে। যিয়েই নহওক সেই মুহূৰ্ত্তত মাকে একো নকলেও জিতাৰ মাক যোৱাৰ পিছত কিন্তু দুয়োকে ভালকৈয়ে কেইই আষাৰমান শুনালে। দেউতাককো মাতি আনি মাকে বহুতো গালি পাৰিলে আৰু ক'লে মাকৰ চকুৰ আঁৰত যদি স্ফুৰ্ত্তি কৰি ভাল পায় কলেই হয় মানুহৰ আগত অন্ততঃ মাকে লাজ পাব নালাগে আৰু বহুত সৰু সৰু কথাকৈ শেষত দেউতাককে সকলো কথাৰ দোষী সাব্যস্ত কৰি কন্দাকটা কৰিলে। মাকৰ এই এটা ডাঙৰ দোষ সৰু কথাতেই হুলস্থুল কৰি বেমাৰ মাতি আনে। মাকৰ এটা অঁকৰা জমকো আছে সেয়ে অশান্তৰ খং উঠিলেও মাকক বুজাই বঢ়াই সেইদিনা ঘৰৰ পৰা অকলেই ওলাই গৈছিল। জিতাই কথাৰ আঁতিগুৰি একো বুজিব নোৱাৰি বৰ অসহায় বোধ কৰিছিল।

ওচৰৰ মানুহ দুনুহো সিহঁতৰ ঘৰলৈ বৰকৈ নাহিছিল প্ৰথমে কেইদিনমান নতুন কইনা চাবলৈ বেছ মানুহ অহাযোৱা কৰাত শাহুৱেকে বৰ উচ্ছাস প্ৰকাশ কৰা নাছিল আৰু কৈছিল, "এইবোৰ হুলস্থুল মই অকণো ভাল নাপাওঁ। মানুহবোৰো যে একেজনী কইনাকে দহবাৰ চোৱা আৰু চাহ জলপানৰ শ্ৰাদ্ধ কৰাত পাকৈত। আমি দেখোন কাৰো ঘৰলৈকে এনেদৰে নাযাওঁ। কেইমাহমানৰ ভিতৰতে জিতাই সকলো বুজিছিল, কিন্তু মাক দেউতাক কাৰো ওচৰতে কোনোদিনেই একো কথাই প্ৰকাশ কৰা নাছিল। কাৰণ বিয়াৰ পিছত স্বামীৰ

ঘৰখনেই আপোন ঘৰ, কিন্তু লাহে লাহে সেই জিতাৰ মনতো এক হীনমন্যতাই ঠাই লৈছিল। কেতিয়াবা জিতাই অশান্তক বৰ দুখেৰে কৈছিল, "মোক বিয়া কৰাই তোমাৰ বৰ অশান্তি হৈছে নহয়? মাকোতো শান্তি দিব নোৱাৰিলো আৰু লগতে তোমাৰো অশান্তি। কিয়যেমাক সন্তুষ্ট কৰিব নোৱাৰো কবই নোৱাৰো।" আচলতে সেইদিনাও অশান্তই জিতাক একো বুজাই কব পৰা নাছিল, মাত্র কৈছিল-"এইবোৰ কথা মোক কৈ নাথাকিবা, নিজৰ কৰ্তব্য কৰি যাবা মাত্র।" অশান্তই কোৱাৰ দৰে জিতা পিছলৈ যান্ত্রিক হৈ গৈছিল। ফুৰাচকা এনেয়ো কম কৰিছিল আৰু সেই একেই প্রণালীবদ্ধ জীৱন যাপন কৰি একোৰিয়ামত বন্ধ মাছৰ দৰে জীৱন কটাইছিল। অশান্ত কলেজৰ কামত ব্যস্ত হৈ গৈছিল। দুয়ো বৰ নীৰৱ হৈ পৰিছিল। জিতাই মাকৰ ঘৰলৈ যোৱাটোও কমাইছিল। বহুদিন জিতাহঁতৰ খবৰ নাপাই সেইদিনা জিতাৰ দেউতাক আহিছিল। দেউতাকে সহজ ভঙ্গীৰে বাৰাণ্ডাত বহি থকা শাহুৱেক, শহুৰেকক কৈ উঠিছিল, 'কি হ'ল আপোনালোকে দেখোন আমালৈ একেবাৰেই পিঠি দিলে। বিয়নীৰ অদৰ্শনত মোৰ আৰু বিয়ৈৰ অদৰ্শনত বিয়নীয়েকৰ চিন্তা হৈ গৈছে।" এইবুলি নিজৰ ৰসিকতাত দেউতাকে নিজেই হোহোৱাই হাঁহিছিল যদিও বিয়েয়েকহতে সেই হাঁহিত কোনো অংশ গ্রহণ কৰা নাছিল, মাত্র বিয়নীয়েকে কৈছিল-'আহক, এঃ সেইবোৰ চিন্তা কৰিবলৈ আমাৰ সময় নাই নহয় আগৰ দিনৰ দৰে। ছোৱালীতো ওচৰতে দিছে মন গ'লে নিজেই যাব পাৰে, আজিকালিৰ ল'ৰা ছোৱালী স্বাধীন যেতিয়া দেউতাকে থতমত খাই গৈছিল আৰু নীৰৱে কাষত আহি থিয় হোৱা জিতাৰ মুখলৈ চাইছিল। জিতাৰ চকুহাল যেন চল্‌চলীয়া হৈ গৈছে দেউতাকৰ তেনে অনুমান হ'ল আৰু ক'লে "তহঁত দেখোন বহুদিন আমাৰ পিনে যোৱা নাই? আৰু তই বৰ ক'লা পৰিছ– " বুলি কৈ ওচৰতে বিয়েয়েকক দেখি প্রশ্ন বোধক দৃষ্টিৰে চাইছিল। ইতিমধ্যে জিতাই দেউতাকলৈ বুলি চাহ বনাবলৈ ভিতৰ সোমাইছিল। এইখন ঘৰত বাকীকামৰ দৰে খোৱাবোৱাতো সময় নিৰ্দ্ধাৰণ কৰা আছে। অসময়ত চাহ কোনেও নাখায়। আনকি ভদ্রতাৰ খাতিৰতো এই নিয়মৰ লৰচৰ হোৱা স্তাই দেখা নাই। মাকৰ ঘৰত আলহীৰ বাবে চাহ কৰিলে 'এঢোক' দেউতাৰকো দিবি' বুলি মাকে ভিতৰলৈ আহি কৈ গৈছিল, আৰু ইয়াত সকলো বিপৰীত, সেয়ে, জিতাই দেউতাকলৈ বুলি চাহ একাপ আৰু নাৰিকলৰ লাড়ুকে লৈ আহিল। দেউতাকে একাপ চাহ দেখি প্রশ্নবোধক দৃষ্টিৰে জিতালৈ চালে আৰু ক'লে– "অকল মোৰ বাবেই আনিলিযে।" লগে লগে জিতাই

দেউতাৰ চাহখোৱাটো কমাই দিছে তুমি খোৱাচোন" বুলি কৈ ভিতৰলৈ যাবলৈ উদ্যত হোৱাত দেউতাকে কৈ উঠিল, "অ আচল কথা পাহৰিছিলোৱেই তহঁতৰ বাবে যে মাটিটুকুৰ চাইছিলো সকলো ঠিক হ'ল। মালিকজন বড়ো মানুহ তেওঁৰ আন ঠাইতো মাটি আছে বাবে সেইখিনি বিক্ৰী কৰিব। তহঁতে এবাৰ চাই আহিলে ভাল হয়। অশান্তক কৈছিলো নহয়? সেইখিনি ঠাইত হ'লে সুবিধা হ'ব ভবিষ্যতে বাট পথ আৰু ভাল হ'ব।" জিতাৰ দেউতাকৰ কথাশুনি শাহুয়েকৰ মুখখন কঠিন হৈ আহিল আৰু জিতাৰ দেউতাকক ক'লে, "মাটি? কিয় লাগে? নিজৰ যিখিনি আছে সেইখিনিয়েই দেখোন চম্ভালিব নোৱাৰে? অশান্তক আকৌ নতুন মাটি কিয় লগা হ'ল? সি কিবা বেলেগে থাকিব নেকি? নে জিতায়ো কিবা চাকৰি বাকৰি পাইছে? খঙেৰে কোৱা বিয়নীয়েকৰ ৰুঢ় কথা কেই আষাৰ শুনি চাহ নোখোৱাকৈ দেউতাক ঠিয় হ'ল আৰু ক'লে- "আপুনি দেখোন কথাটো কিবা বেলেগকৈয়ে লৈছে? সেইবোৰ কথা নহয় আপোনাক জিতাহতে কোৱা নাই নেকি? যে মোৰ ধনসম্পত্তি বুলিবলৈ যি আছে সকলো ছোৱালী কেইজনীৰেই, ডাঙৰ জনীয়েতো ইয়াত নাথাকেই আমি থকা ঘৰ তাইকেই দিছো মাজুজনীকো সিহঁতৰ সুবিধা অনুযায়ী মাটি দিলো আৰু সময় থাকোতেই এইৰো ব্যৱস্থাটো কৰো বুলিহে চিন্তা কৰিছো? আপুনি দেখোন বৰ খং খাইছে কথাবোৰ তেনে নহয়। আপুনিতো জানেই বিয়াত মই বিশেষ একো দিয়া নাই। ছোৱালীৰ লগততো সা-সামগ্ৰী দিয়েই শহুৰেকৰ ঘৰত নাই বুলিয়ে দিয়ে তেনে নহয়। জিতা যেনেকৈ আপোনাৰ ছোৱালী অশান্তও মোৰ বাবে তেনেই আপোনালোক কোনো আমাৰ পৰ নহয়। এনে জানিলে মই কথাটো নুলিয়ালোহেঁতেন।

ইতিমধ্যে জিতাৰ শাহুয়েকৰ মুখৰ ৰঙ সলনি হৈছিল। কাষতে বহি থকা শহুৰেকেও বিশেষ উচ্চবাচ্য নকৰি "অশান্ত গা ধুবলৈ সোমাইছে হবলা আপুনি চাহ খাওঁকচোন" বুলি ভিতৰলৈ গুচি যোৱাত জিতাইও অশান্তক মাতিবলৈ ভিতৰ সোমাই গৈছিল। কিন্তু অশান্তই সকলো শুনি থকা সত্ত্বেও এবাৰো বাহিৰলৈ আহি মাত নমতা বাবে কেতিয়াও খং নুঠা জিতাৰ সেইদিনা খং উঠিছিল আৰু অপমানিত দেউতাকৰ কৰুণ আৰু অসহায় মুখখন দেখি তাই অশান্তক পৰিস্থিতিটো পাতলাবলৈ অন্ততঃ প্ৰসঙ্গৰ পৰিবৰ্তন কৰিবলৈ কৈছিল কিন্তু অশান্তই উত্তৰত যি ক'লে তাইৰ মগজু গৰম হৈ গ'ল আৰু একোকোৱে দেউতাকৰ ওচৰলৈ আহি সঁচৰাচৰ কথা কোৱাৰ দৰে শান্তভাৱে ক'লে, "দেউতা

তুমি অলপ ৰবা মयো তোমাৰ লগতেই যাম” আৰু কাপোৰখন সলাই অশান্তক মাত লগাই প্ৰস্তৰ মূৰ্ত্তিৰ দৰে বৈ থকা দেউতাকৰ লগত গুচি আহিল, কোনেও তাইক এষাৰো প্ৰশ্ন নকৰিলে। অন্ততঃ অশান্তই কিবা এষাৰ কোৱা উচিত আছিল। তৰ্ক কৰি ভাল নোপোৱা মানেই যে উচিত কথাত এবাৰো প্ৰতিবাদ নকৰা আৰু পত্নীৰ হৈ কথা কোৱা মানেই যে স্ত্ৰৈণ হোৱা জিতাই সেইদিনাহে জানিলে।

অশান্তই সেইদিনা বাহিৰলৈ ওলাই আহি এষাৰ কথাকৈ পৰিস্থিতি সলনি কৰি যদি জিতাৰ দেউতাকৰ সন্মান ৰাখিলেহেঁতেন তেনেহলে তায়ো শহুৰৰ ঘৰখনৰ সন্মান ভঙ্গ কৰি তেনেকৈ দেউতাকৰ লগত গুচি নাহিলহেঁতেন! সন্মান কৰা কেৱল নাৰীৰেই কৰ্তব্য নেকি? আজিৰ সমাজত হয়তো তাইৰ নিচিনা বহুত নাৰীয়েই প্ৰাপ্য সন্মানৰ পৰা বঞ্চিত হৈ তুঁহ জুইৰ দৰে উমি উমি জ্বলি আছে। নিজৰ পুতেক হ'লেও এটা সময়ত মাতৃসকলে পুত্ৰ বোৱাৰীৰ ব্যক্তিগত জীৱন যাপনত বেছি ভিতৰ সোমাব নালাগে। অন্ততঃ মানসিক স্বাধীনতা খিনি পোৱা উচিত সেইখিনি নোহোৱাকৈ জিতাই থাকিব নোৱাৰে। সেইবুলি তাই কোনোদিনে অশান্তক লৈ অকলে ঘৰ বান্ধাৰ সপোন দেখা নাই। ঘৰলৈ অহা যিকোনো অতিথিয়েই ঈশ্বৰ স্বৰূপ। তাইৰ দেউতাকে মাকক সদায় কৈছিল--“বুইছা মানুহেই নাৰায়ণ; যাৰ ঘৰত লক্ষ্মী থাকে আৰু যি মানুহ সকলোৰে ভাল পায় তেওঁৰ ঘৰলৈহে মানুহ আহে. গতিকে তেনে এজন মানুহ স্বয়ং তাইৰ দেউতাকৰে এনে হেনস্থা দেখি তাই সহ্য কৰিব নোৱাৰিলে। দেউতাকেও সেই পৰিস্থিতিত তেওঁৰ কিনো ভূল হ'ল বুজিব নোৱাৰিহে জিতাই ইচ্ছাকৰা মতেই লগত লৈ আহিল যদিও পিছত তেওঁ সেইটো উচিত নহ'ল বুলি বুজিছিল। আচলতে জিতাই সেইদিনা সেই মুহুৰ্ত্তত ঘৰখন এৰি তেনেকৈ দেউতাকৰ লগতেই গুচি আহিব নালাগিছিল। যিদিনা মাক দেউতাকৰ পদূলি এৰি কুশবন চিণ্ডি গোত্ৰ চিণ্ডি তাই শহুৰেকৰ পদূলিত সোমাইছিল সেইদিনাৰ পৰাই তাইৰ সেইখনহে ঘৰ সেইয়াই চিৰন্তন নীতি। এইখিনি অন্ততঃ জিতাই বুজিছিল কিন্তু জন্মদাতা পিতৃ-মাতৃক জানো কোনোবাই পৰ বুলি ভাবিব পাৰে? যিখন ঘৰত তাইৰ মাক দেউতাকে তাই শহুৰেক শাহুৱেকক কৰাৰ দৰে সন্মান নাপায় সেইখন ঘৰত তাইৰ থকাৰ কিবা আৱশ্যক আছে জানো? স্ত্ৰীয়ে কিবা ভূল কৰিলে স্বামীয়ে বাধা দিয়া উচিত যিদৰে অসৎ স্বামীক সৎপথলৈ অনাটো এগৰাকী স্ত্ৰীৰ কৰ্তব্য। দুয়োৰে মাজত অন্ততঃ বুজাবুজি থাকিব লাগে। সেইদিনা

এইবোৰ কথা চিন্তা কৰিয়েই মানসিক উত্তেজনাত জিতাই গুচি আহিছিল। আচলতে অশান্তই কোৱা কথাৰ পৰা ইমানদিনে তাই সকলো ভূল কথা শিকা বুলি অনুভৱ কৰিলে।

সঁচাকৈয়ে জিতাই অশান্তক ভাল পায। সেইবুলি অন্যায়ৰ প্ৰতিবাদ নকৰাকৈ তাই থাকিব নোৱাৰে। অন্ততঃ অশান্তৰ সেইখিনি বুজাব পৰা ক্ষমতা থাকিব বুলি তাই ভাবিছিল। আচলতে কোনো কথাতে অংশ নোলোৱা দেউতাকক দেখি দেখি অশান্তৰ মনত বিপৰীত প্ৰতিক্ৰিয়া হৈছিল। সেয়ে অশান্ত পলায়ণবাদী মনোভাৱৰ হৈছিল। তাই জানে অঙহী বঙহী ওচৰ চুবুৰীয়াই তাই এনেকৈ অহাটো ভাল চকুৰে নাচায়। হয়তো বহুতো প্ৰশ্নও কৰিব, যিমানেই দিন গৈ থাকিব সিমানেই মানুহৰ কৌতুহলো বাঢ়ি থাকিব। জিতাই এইটোও জানে যে অশান্তই কেতিয়াও তাইক নিবলৈ নাহে। মনে প্ৰাণে বিচাৰিলেও অশান্তৰ অভিমানে তাক ইয়ালৈ অহাত বাধা দিব জিতাও অভিমানী। কিন্তু অশান্তৰ প্ৰতি থকা তাইৰ গভীৰ ভালপোৱা তাইৰ অভিমানতকৈ বহুগুণে বেছি। হয়তো নিজেই সৰু হৈ বা মাজৰ মানুহৰ সহযোগত সেইখন ঘৰলৈ আকৌ যাবলগীয়া হব পাৰে। কিন্তু অশান্তয়ে সহজে এইখন ঘৰলৈ নাহে তাই ভালকৈ জানে কাৰণ অশান্ত অভিমানীৰ লগতে জেদী বুলিও তাই গম পাইছে। সময়তযে অবিবেচকো হব পাৰে সেই কথা তাই অশান্তৰ সেইদিনাৰ কথাতহে বুজিলে।

অশান্তক বাহিৰলৈ ওলাই যাবলৈ কোৱাত নিৰুত্তাপভাৱে সেইদিনা অশান্তই তাইক কৈছিল-"তুমি ইমন জাঙুৰ খাই নাহিবাচোন! মা দেউতাৰ মাজত কিবা কথা কটাকটি হৈছে তাত মই কিয় মাত মাতিম? তেনে পৰিস্থিতিৰ সৃষ্টি কৰিবই নালাগে; জানাই মই এইবোৰ একেবাৰে ভাল নেপাও। তোমাৰ দেউতা এজন দায়িত্বশীল পিতৃ। তেওঁ জনা উচিত যে বিয়া দিয়াৰ পিছত ছোৱালীৰ শহুৰেকৰ ঘৰৰ সকলো কথাতে হস্তক্ষেপ কৰা আৰু তেওঁলোকে বেয়া পোৱা কাম কৰাটো উচিত নহয়"— বাকীখিনি কথা জিতাৰ শুনিবলৈ ধৈৰ্য্য নাছিল আৰু অশান্তক মাত লগাই তেনেকৈ ঘৰখন এৰি ওলাই আহিছিল। তাই সৰু হোৱাত আপত্তি নাই কিন্তু দেউতাকৰ মনৰ শান্তিৰ কাৰণে অন্ততঃ অশান্ত এবাৰ আহিলে তাইৰ সন্মান ৰ'লহেঁতেন। কাৰণ এই মাটি সম্পৰ্কীয় কথা বতৰা বিয়াৰ পিছতে অশান্তক দেউতাকে এদিন কৈছিল। সেইদিনা অশান্তই একো কোৱা নাছিল, তেনে বেয়া পোৱা কথা থাকিলে অশান্তই পিছত জিতাকো কব পাৰিলেহেঁতেন।

এই নোকোৰা কথাবোৰৰ বাবেই ঘৰ এখন ভাঙি যায়। কিন্তু জিতাই জানে ভাঙিবলৈ সহজ কিন্তু গঢ়াটো যে কিমান টান।

এই সাতদিনই তাইৰ বাবে সাতবছৰ যেন লাগিছে; প্ৰতিটো মুহূৰ্ত্ততে অশান্তৰ অভাৱ তাই অনুভৱ কৰিছে। তেনেস্থলত অশান্তই বাৰু কি কৰিছে? কালি জিতাৰ ননদ আৰু ননদ জোঁৱায়েক আহিছিল। সিহঁতহাল বৰ খোলা। বিশেষকৈ জোঁৱায়েকজন। তেওঁ বহুত কথা বুজালে। মাক দেউতাকক দুই এষাৰ সান্ত্বনা বাণীয়ো শুনালে আৰু জিতাৰ লগত ৰগৰো কৰিলে যে "নবৌ আপোনাৰ নিচিনা শান্ত মানুহজনীয়ে যদি অশান্তদাক এৰি থাকে তেওঁ কিন্তু সঁচাকৈয়ে অশান্ত হৈ যাব। সংসাৰত এনেকুৱা সুখ দুখ খুটি নাটি কথা থাকেই। ইমান সোনকালে বিচলিত হয়নে? আমাৰজনীকো নহলে কেইদিনমান মাকৰ ঘৰত থৈ দিও," ইত্যাদি ইত্যাদি কৈ সিহঁতে আকৌ আহিব আৰু নবৌয়েকক লৈ যাব বুলিকৈ গ'ল। সিহঁত যোৱাৰ পিছত জিতাই সিদ্ধান্ত ল'লে যদি অশান্তই তাইক নিবলৈ নাহে তাই ধৰি নাথাকে। ডাঙৰ কথা এৰি দিয়াতকৈ হেনো সৰু কথা এৰি দিয়াতহে মহত্ব আছে। তাই এই কথাবোৰো সৰু বুলিয়েই মনৰ পৰা জোকাৰি পেলাব। তাই অশান্তৰ ওচৰলৈ আকৌ উভতি যাব। মহানতা দেখুৱাবলৈ নহয়। অন্ততঃ অশান্তৰ কাৰণে তাই গঢ়ি তোলা মৰমৰ ঘৰখনৰ কাৰণে তাই এইখিনি ত্যাগ কৰিব। কিন্তু তাৰ পিছত যদি অশান্তই নিজেই তাইৰ মাক দেউতাকৰ ওচৰলৈ নাহে তাই কেতিয়াও অশান্তক আহিবলৈ অনুৰোধ নকলে। মন গ'লে. তাই অকলেই আহিব আৰু অশান্তৰ যদি সামান্যতমো নিজা অনুভূতি জাগে এদিন নিজেই তাইক লৈ নিশ্চয় এইখন ঘৰলৈ আহিব। তাই সেইদিনটোলৈকে বাট চাই থাকিব।

কলেজত পঢ়াকালতে প্ৰেমচান্দ মুন্সীয়ে লিখা তাইৰ ভাললগা "বড়ে ঘৰকী বেটী" বোলা গল্পটোৰ "প্ৰকৃত ডাঙৰ ঘৰৰ, ভাল ঘৰৰ ছোৱালীয়ে ভঙা কাঁচ জোৰাব পাৰে।' বোলা শাৰীটোৰ তাৎপৰ্য্য অপৰাজিতাই আজিহে উপলব্ধি কৰিলে।

প্ৰহসন

হিৰন্ময়ীয়ে মেট্ৰিক পৰীক্ষা পাছ কৰিব নোৱাৰা দুখটো আৰু ভূলটো এতিয়াহে উপলব্ধি কৰিলে। ইমানবছৰে তাইৰ খিণ আশা এটি আছিল যে পৰীক্ষা পাছ নহলেও বাকী গুণবোৰেৰে কিবা এটা কৰি খাব বা চলিব পাৰিব। কিন্তু বিয়াৰ বজাৰত যে আগুৱাৰ মেট্ৰিকৰ কোনো মূল্য নাই সেইটো আজিহে সম্পূৰ্ণকৈ বুজিলে। অৱশ্যে কোনেও নুবুজিলেও হিৰন্ময়ীয়ে নিজৰ মূল্য জানে আৰু ঘৰখনেও নিশ্চয় জানে যদিও এতিয়াও অনুভৱ কৰিব পৰা নাই। তাইৰ অবৰ্তমানত হে সিহঁতে সেইটো বুজিব, কাৰণ হাতৰ কাষত সকলো বস্তুৰ যোগাৰ পাই ভায়েক ভনীয়েক হত অভ্যস্ত হৈ গৈছে। এদিনলৈ সিহঁতক কষ্ট কৰিব দিয়া নাই। কিন্তু তাইৰ বয়সোতো দ্বিতীয়জনী ভনীয়েককতকৈ ডেৰবছৰহে বেছি। ভনীয়েকৰ তলৰ ভায়েকটোৱে এতিয়া বি,এ, পাছ কৰি স্কুলখনত নোসোমাৱা হ'লে সিহঁতৰ ঘৰ চলা আৰু মস্কিল হ'লহেঁতেন। তাই নিজেও ঘৰখন চলোৱাত কিমান সহযোগ কৰে। তথাপিও যেন তাইক বিয়া

দিব নোৱাৰাৰ চিন্তাই ঘৰখনক বিপন্ন কৰি পেলাইছে।

আজি তাইক চাবলৈ অহা মানুহবোৰৰ ভিতৰত এইঘৰ কেইনম্বৰ মানুহ তাইৰ মনত নাই। কিন্তু যুগৰ দ্রুত পৰিবৰ্ত্তন হ'লেও ছোৱালীক দোকানৰ বস্তুৰ দৰে চোৱা দস্তুৰটো যে আজিও সমাজত আছে এই কথাটো তাই সদায় মনতে ভাবে। আৰু বিদ্রোহ হয়। তাইৰ বাবে আজিকালি চাবলৈ অহা পৰ্বটো এক প্ৰহসনত পৰিণত হৈছে। মাকহঁতক তাই কোনোবাদিনাই কৈ দিছে এইবোৰ ভেকো ভাওনা নাপাতিবলৈ কাৰণ এজনী ছোৱালীৰ বিয়া নহ'লে একো ডাঙৰ কথা নহয় কিন্তু মাকৰ মন। ডাঙৰ জনীক নিদিয়াকৈনো কেনেকৈ সৰুজনীক দিয়ে? মাকে ভাবে এবাৰ তাই বৈ গ'লে বৈ যাব কাৰণ তাইৰ পঢ়াশুনাও কম আৰু দেখাতো তথৈবচ। গতিকে হিৰন্ময়ীৰ পৰীক্ষা পৰ্ব এনেকৈয়ে চলি আছে তাই হেনো বাপেকৰ গঢ়ৰ। ৰঙটোও কম আৰু সুগঢ়ী নহয়, বাপেক গঢ়ীযা ছোৱালী হেনো ভাগ্যৱতী হয়, কোনে জানো কৈছিল? এইবোৰ সব মিছাকথা; তাইৰ ভাগ্যত পঢ়াশুনাতো নহলেই বিয়াৰ ফুলো নুফুলে।

আজিৰ মানুঘৰৰ কথাতেই তাই জানিব পাৰিছে এইখন বিয়াও নহয়। তিনিমাহ আগতে সম্বন্ধীয়া জেঠায়েক এগৰাকীয়ে এই ঘৰ মানুহৰ খবৰটো দিছিল। ল'ৰাজনৰ পঢ়াশুনাও তাইৰ, দৰে মেট্রিকলৈকে পঢ়িছিল। পিছে ব্যৱসায়ত মন থকাই হেনো পঢ়াৰ ফালে পিঠি দিলে। এতিয়া গজগজীয়া ব্যৱসায়, খেতিয়ে বাতিয়ে, বাচৈ; মটৰে লেখত লবলগীয়া বিধৰ। নিশ্চয় বুদ্ধিমান কাৰণ ব্যৱসায় কৰিবলৈও বুদ্ধি লাগে। পিছে টকা ঘটোতেই নে কিহৰ বাবে বিয়ালৈ মন নেমেলাত ল'ৰাৰ বয়স অলপ বেছি হ'ল। এতিয়া হেনো ঘৰ সংসাৰ চলাবলৈ মানুহ এজনী লাগে গতিকে হিৰন্ময়ীৰ খবৰ জেঠায়েকে দিলে যে ঘৰধৰা ছোৱালী ইয়াতকৈ ভাল আৰু নাপায়। ল'ৰাই হেনো ছোৱালী নাচায়। সেয়ে ঘৰৰ ককায়েক বৌয়েক আহিছিল। মাক-বাপেক নাই। হিৰন্ময়ীৰ পিছে বৌয়েকজনীক ভাল নালাগিল। কথাই বতৰাই পঢ়াশালিৰ মুখেই নেদেখা যেন লগা বৌয়েক জনীৰ যিহে ফিটাহি মৰা কথা, টকা পইচাৰ ভেম ফুটি উঠিছে, নতুন ধনী যেন লাগে। তাতে আকৌ ককায়েকে কৈয়েই দিলে আমাক পঢ়ালিখা জনা ছোৱালী হ'লে ভাল আছিল কাৰণ ভাইটোৰ ধন-সম্পত্তিৰ হিচাপ ৰাখিবলৈ নিজৰ মানুহ এজনী লাগে। অৱশ্যে আমি বি,এ, পাছ ছোৱালীও পাইছো পিছে তাৰ আকৌ মন নাই কথাতেই আছে নহয় সমানে সমানে কৰিবা কাজ হাৰিলে জিকিলে নাই লাজ। পিছে এওঁক মেট্রিক পাছ বুলি কোৱা হৈছিল।

বাৰু আমি গৈ আলোচনা কৰোচোন। পিছে পৰে খবৰ পাব" বুলি বটাত গামোচা তামোল পাণ দি আঠু লোৱা হিৰন্ময়ীৰ বটাখনত এশটকীয়া নোট এখন থৈ তেওঁলোক উঠিলেই। নবৌয়েকক চাদৰ এখন দিবলৈ ওলোৱাত "নাই নাই এইবোৰ আমি নলও আৰু মোক সেৱা কৰিব নালাগে। আমি সমনীয়াই হ'ম কিজানি" বুলি যিটো কোৱত দুৱাৰ মুখ পালে সকলোৱে তেওঁলোকৰ লগত ব্যস্ত হৈ পৰিল।

হিৰন্ময়ীৰ অপমানত ক'লা পৰা মুখখনলৈ কাৰো চকুত নপৰিল। মাক ভায়েকৰ নিঃকিন ভাৱেৰে হাতযোৰ কৰি থকা দৃশ্যটোৱে যেন তাইৰ মনৰ পৰ্দাখনত সৌকাৰ কোবৰ দৰে অনবৰত ক্ষত-বিক্ষত কৰিবলৈ ধৰিলে। তাই নিজহাতে বোৱা ফুলাম গামোচাখনৰ ওপৰত থকা এশ টকীয়া নোটখনে যেন তাইক ভিখাৰী বুলি উপলুঙাহে কৰিছে! বটাখন থেকেচা মাৰি থৈ তাই ভাবিলে "নাই আৰু এনে হবলৈ দিব নোৱাৰি।

আলহীবোৰ যোৱাৰ পিছত কাপ-প্লেটবোৰ ধুই অটাই সামৰি সুতৰি তাই এতিয়াহে আজৰি পাইছে। ৰাতিপুৱাৰ পৰা সিহঁতৰ উদ্দেশ্যে ইবিধ সিবিধ বস্তু বনোৱাত ব্যস্ত আছিল। ৰাতিলৈ বন্ধা বঢ়াও তায়েই কৰিব লাগিব। বেমাৰী মাকৰ আলপৈচান ধৰাৰ পৰা সকলো কাম তাইৰ ভাগতেই পৰে। পঢ়াশুনা কৰাৰ বাবে ঘৰুৱা কামলৈ কাৰো সময় নাই। ছটা ভাইভনীৰ ভিতৰত তাই ডাঙৰ বাবে নহয়, একমাত্ৰ মেট্ৰিক ফেইল বাবেহে যে ঘৰখনৰ লেডেনা উকটিব লগা হৈছে এইটো সৰল ৰেখাৰ দৰে পোন কথা। কাৰণ বাকী কেইটাৰ দৰে পঢ়ি যোৱা হ'লে তায়ো কিজানি এইবোৰ কামৰ পৰা অব্যাহতি পালেহেঁতেন। সকলোৱে লগে-ভাগে কাম কৰিলেহেঁতেন। অন্ততঃ তাইৰ নিজৰ আত্ম বিশ্বাসৰ বাবেও তাইৰ ডিগ্ৰী এটা থকাৰ প্ৰয়োজন আছিল। নহলে তেনে ডিগ্ৰী পোৱা বহুততকৈ তাই বুদ্ধি আছে আৰু তেনে কেইবাজনেও গাঁৱতে পচি থকা দেখিছো। টকাৰ জোৰত মেট্ৰিক পাছ, বি,এ, পাছৰ চিন নোহোৱা হ'ল। স্কুলৰ চাকৰি মখা সকলোৱে ভাগ বতৰা কৰি ল'লে মাহ প্ৰসাদ লোৱাদি। জোৰ যাৰ মুলুক তাৰ ৰাজনীতি। হিৰন্ময়ীয়ে তেনে শিক্ষাক খাতিৰ নকৰে।

ঘৰৰ প্ৰথম ছোৱালী বাবেই কিন্তু সৰুৰে পৰা মাকৰ লাচনি পাচনি কৰোতে তাই পঢ়াত মন দিবলৈ সময় নাপালে. আৰু তলৰ ভনী তিনিজনী ভাই দুটাই কেতিয়া মেট্ৰিকৰ দেওনা পাৰ হৈ বি,এ, এম, এ পাছ কৰিলে তাই ততকে ধৰিব নোৱাৰিলে নহলে মাত্ৰ এবাৰ বেয়া কৰোতেই তাই দ্বিতীয়বাৰ পৰীক্ষা

দিব নালাগেনে? এই সামান্য কথাটো তেতিয়াই জনা বা বুজি পোৱা হ'লে তাই এবাৰ নহয় দুবাৰো পৰীক্ষা দিলেহেঁতেন। কিন্তু তাৰ সলনি তাই ঘৰতে মাকৰ কামত সহায় কৰি শালত ফুল বাচি, বিহুৱান ব'ই বিহুৱে পার্বনে বিধে বিধে পিঠাপনা বনাই তাইৰ জীৱনৰ অমূল্য সময়বোৰ খৰচ কৰিলে। এতিয়াও চ'ৰা ঘৰত তাই বেজীৰে সুন্দৰকৈ তোলা "ৰমণী উজ্জ্বল হয় সতীত্বৰ গুণে, কোকিল উজ্জ্বল হয় সুমধুৰ টানে" বোলা কথাষাৰ ফ্ৰেমত বন্ধাই থোৱা আছে; যিখন ফটো ভনীয়েকে সদায় তাৰ পৰা গুচাই থবলৈ কয়, ফটোখন ধূলি মাকতি পৰি বিবৰ্ণ হোৱাৰ দৰে আজিকালিৰ মানুহৰ কাৰণে সেই কথাষাৰৰ ভাবাৰ্থও বিবৰ্ণ হৈ গৈছে। আজিকালি সেইফেৰা গুণ নাথাকিলেই যেনিবা, এতিয়া বিয়াৰ বাবে চাবলৈ আহিলে তাইৰ ৰূপ গুণৰ চাৰ্টিফিকেট কোনেও নিবিচাৰে কেৱল কিয় মেট্ৰিক নিদিলে সেইটোহে প্ৰশ্ন। হিৰন্ময়ীয়েও সেই কথাষাৰৰ ভাবাৰ্থত মূল্য নিদিয়ে, মাকে চকুৰে ভালকৈ নমনে বাবে আধৰুৱা কামখিনি তাই সমাপ্ত কৰি দিছে। সতীত্ব বজায় ৰখা একচেতীয়া অধিকাৰ নাৰীকহেযেন দিছে ! সেয়ে তাই আৰু এখন ফটো বেজীৰে তুলি আৰি থৈছে। তাত লিখা আছে "সৎ চৰিত্ৰ মানৱৰ প্ৰকৃত অলঙ্কাৰ"। কাপোৰখনত মাকে কোৱা মতে নাৰী শব্দটো নিলিখি 'মানৱ' শব্দটো লিখিছে। সেই দুয়োখন ফটো চ'ৰাঘৰৰ পৰা আঁতৰাবলৈ ক'লেও আজিলৈ তেনেকৈয়ে আছে।

হিৰন্ময়ীৰ দ্বিতীয়জনী ভনীয়েকৰ বিয়াৰ ঠিক হৈ আছে। কেৱল তাইলৈ বাটচাই আছে। পিছে তাইৰ অপেক্ষাত বৈ ভনীয়েক জনী এলাগী হোৱাটো তাই নিবিচাৰে। বিয়া বস্তুটো তাইৰ বাবে' যে প্ৰহসন মাত্ৰ বুজিব পাৰিয়েই তাই আজি মাকক তাইৰ বাবে অপেক্ষা নকৰি ভনীয়েকৰ বিয়া পাতি দিবলৈ কৈছে। হিৰন্ময়ীৰ আৰু কাৰো আগত ৰূপ গুণৰ পৰীক্ষা দিবলৈ ইচ্ছা নাই। আন নালাগে ওচৰৰে গাঁৱৰ এল, পিৰ শিক্ষক এজন, বিধৱা মাকজনীৰ বাহিৰে কোনো নাই। তেওঁকো হেনো মেট্ৰিক পাছ লাগে কাৰণ হ'ল আৰ্থিক অৱস্থা টনকীয়াল কৰিব অৰ্থাৎ তাইকো চাকৰি এটাত সুমুৱাই দিব যি উপায়েৰেই নহওঁক। কেৱল সেইটো যুক্তিতেই তাইক প্ৰত্যাখান কৰিলে। এঘৰক সৰস্বতী লাগে লক্ষীৰ ধনভঁৰালৰ হিচাপ ৰাখিবলৈ, আনঘৰক লক্ষীৰ ভৰাল সাজিবলৈ সৰস্বতীক লাগে। ঈশ্বৰৰ বিচাৰৰ ওপৰতো তাইৰ বৰ খং উঠিল। তেওঁ যাক দিয়ে একেলগে দিয়ে আৰু যাক নিদিয়ে লাওলোটা কৰি পেলায়, সকলো কপাল আৰু কৰ্মফল। তাই নিশ্চয় ভাল কৰ্ম কৰা নাই, যিহৰ বাবে আজি তাইৰ

এই হেনস্থা।

বিয়া আৰু চাকৰি এই দুটাৰ মাজত হিৰন্ময়ীয়ে সামঞ্জস্য বিচাৰিয়েই নাপালে। তাৰমানে এইযে দিনৰ দিনটো কামবন কৰি আৰামকো নেওচি কষ্টকৰি হলেও ঘৰখনৰ বাবে কিছু অৰ্জন কৰিছে তাৰ কোনো মূল্য নাই? বিয়া বাৰু হ'লে সংসাৰখনত বাৰু কাম কাজ নাথাকে নেকি? ঘৰৰ মানুহজনী ওলাই গ'লে ঘৰখন চোৱাচিতা কৰাৰ বাবে আন কাৰোবাক প্ৰয়োজন নহয় নেকি? তাই ইচ্ছা কৰিলে প্ৰাইমেৰী স্কুলৰ শিক্ষকে অৰ্জা ধনতকৈও মাহে মাহে বেছি ধন উপাৰ্জন কৰিব পাৰে। তাই যিখিনি হাতৰ কাম জানে সেইখিনিৰেই হাঁহ পাৰ পুহিওতো বহুতেই এখন সংসাৰ চলায়। মেট্ৰিক পাছ কৰাটো তাতকৈ টান কাম নহয় নিশ্চয়, বিয়াৰ বজাৰত আজিকালি চাকৰি কৰা ঘৈণীহে সকলোকে লাগে। যেন সেই ধনেৰে দুয়ো কমোৱা তুলা উৰাৰ দৰে উৰিবহে পাৰিব। আজিকালি ছোৱালীয়ে বোৱাকটা চিলাইজনা বা এখন ঘৰ সুন্দৰ নিয়াৰিকৈ চলাব জনাৰ কোনো মূল্য নাই। অথচ কিছুমান কথা নজনাৰ ফলত এখন ঘৰ কেনেকৈ ভাঙি যায় চকুৰ আগত হিৰন্ময়ীয়ে দেখিছে। সিটো চুবুৰীৰ জগন্নাথৰ ঘৰখনো এতিয়া মৰিশালীত পৰিণত হৈ গ'ল। জগন্নাথ মাকৰ বহুদিনৰ পিছত হোৱা একেটা সন্তান বাবে আঁসে দি মাকে তাক নষ্ট কৰি পেলালে। বাপেক সৰুতেই ঢুকাইছিল। মাকে নজনাৰ ফলত এনে হ'ল।

উন্নয়ন খণ্ডৰ কেৰাণী কামকৰা জগন্নাথৰ ঘৰুৱা অৱস্থাও বেছ ভাল আছিল। খেতিৰ মাটিও বহুত। একেটা ল'ৰা খাওতা নাই। তাৰ চাকৰিৰ দৰমহা কেইটা হাতখৰচতেই যায়। চহৰলৈ সদায় অহাযোৱা কৰে। তাৰেই ক'ৰ ছোৱালী এজনীৰ পাকত পৰিল জানো ৰূপৱতীৰ ৰূপেই তাৰ বাবে কাল হ'ল। ৰূপত জগন্নাথ ভোল গ'ল, আৰু বিয়া কৰাই লৈ আহিল। তাই কিছুদিন ভালকৈ আছিল পিছতহে জোলোঙাৰ পৰা মেকুৰী ওলাল, তাইৰ বেলেগ এটাৰ লগত আগৰ পৰাই লেটিপেটি। ঘৰুৱা অৱস্থাও তেনেই বেয়া। এতিয়া জগন্নাথক ফুচুলাই খেতিৰ মাটি মনে মনে বেচি কিছু টকা পইচা লৈ তাই তাৰ লগত চম্পট দিলে। জগন্নাথ তেতিয়াৰ পৰা ঘৰলৈ নহাই হ'ল। মদ খাবলৈ ল'লে এতিয়া আজি পাঁচবছৰৰ ভিতৰত তাৰ হেনো যক্ষ্মা হৈছে। মাক বাপেক নোহোৱা জগন্নাথলৈ এসময়ত হিৰন্ময়ীৰ টান এটা আছিল। ভিতৰি আকৰ্ষণ অনুভৱ কৰিছিল। যদি তেতিয়াতে তাই সেইখন ঘৰ পালেহেঁতেন। সেইসময়ত কোনেও সেই কথাটো নাভাবিলে কাৰণ দেখাই দৰ্পনে চাকৰি বাকৰিয়ে

জগন্নাথৰ লগত হিৰন্ময়ী নিমিলে।

এতিয়া জগন্নাথ শুকাই খীণাই জকাটো হেন হৈছে। চিকিৎসা পাতি কৰালে আজিকালি এই বেমাৰটো একো ডাঙৰ নহয় কিন্তু, সি হেনো ঔষধ পাতিও নাখায়। গাঁৱলৈ আহিবলৈ এৰিছে। সেইদিনা তাৰ সম্পৰ্কীয় মোমায়েক এজন আহিছিল সিহঁতৰ ঘৰলৈ আৰু ভায়েক আৰু মাকৰ লগত ফুচফুচীয়া মেল পাতিছিল। পিছে হিৰন্ময়ীৰ কানত নপৰাকৈ থকা নাই। গতিকে তাইৰ আগত লুকঢাক কৰি একো লাভ নাই। মোমায়েক জনে জগন্নাথৰ বাবে তাইক খুজিবলৈ আহিছে আৰু সেইফেৰা উপকাৰ যদি তাই কৰে মোমায়েকহঁত পৰম কৃতাৰ্থ হব, গাঁৱৰ মানুহে হেনো কৈছে পিছে এইখন বিয়াৰ কথা চলি থকাই ভায়েকহঁতে পিছত খবৰ দিব বুলি কৈছে। হিৰন্ময়ীৰ কি কোনো নিজত্ব নাই বুলি সিহঁতে ভাবিছে? ঘৰখনে তাইক চাবি দিয়া পুতলা বুলিয়েই ভাবে ভাবক, কাৰো ভৰাৰ ওপৰত হিৰন্ময়ীৰ হাত নাই, তাই পিছে বেলেগকৈহে ভাবিছে। ঘৰখনে যিহেতু তাইৰ অৰিহণাৰ কথা বুজি নাপালে তাই নিজৰ চিন্তা নিজেই কৰিব। আৰু জগন্নাথৰ কথাটোও তাই ভবি চাব, যদি জগন্নাথে নিজে আহি তাইক বিচাৰে তেতিয়া তাই সন্মত হবও পাৰে কাৰণ তাইৰ এইবাৰ সঠিক মূল্যাঙ্কন কৰিহে জগন্নাথে তাইক গ্ৰহণ কৰিব, এই সুযোগটো তাইও নেওচা নিদিয়ে। অন্যথায় তাই কি কৰিব আজি মাক ভায়েকহঁতক স্পষ্টকৈ কৈ দিছে যে তাইৰ বাবে বিয়াৰ চেষ্টা কৰিব আৰু নালাগে। মনে মনে এতিয়াও মেট্ৰিকটো পাছ কৰি তাই দেখুৱাই দিব যে অকল চাকৰি কৰিবলৈহে তাই পৰীক্ষা দিয়া নাই, পাছ কৰাটো যে একো ডাঙৰ কথা নহয় সেইটো দেখুৱাবলৈহে দিছে।

হোজা মানুহ হ'লেও পিতাকে তাইৰ বাবে চিন্তা কৰিছিল আৰু সৰুতে পঢ়াশুনাৰ কথা কৈছিল। একমাত্ৰ পিতাকেই তাইৰ পঢ়াশুনাত গুৰুত্ব দিছিল। পিতাক ঢুকোৱাও চাৰি পাঁচ বছৰ হ'ল। আজি তাইৰ পিতাক থকা হ'লে! পিতাকলৈ মনত পৰি তাইৰ দুটোপাল চকুপানী বাগৰি আহিল।

আধাৰ

কথাটো শুনাৰ দিনাৰে পৰা আৰতিৰ বুকুৰ কোনোবা খিনিত খোচ খাই থকা যেন লাগিল। দিনটো কাম বন কৰি আজৰি হৈ গধূলি হোৱাৰ লগে লগে গোঁসাই ঘৰত চাকি বন্তি দি আৰতিয়ে সেইদিনধৰি সদায় মনে মনে প্ৰাৰ্থনা কৰে যেন কথাটো মিছা হয়। কিন্তু কিবা চমৎকাৰ হলেও বেলেগ কথা, যাবতীয় পৰীক্ষা পাতি কৰা হৈ গ'ল। টিকেট পৰ্য্যন্ত কটা হৈ গ'ল। আৰু তিনিদিন পিছতেই দাসহত মাদ্ৰাজলৈ যাবগৈ।তেনে কথা সম্ভৱ নেকি? আৰতিৰ মনটো অস্থিৰ হৈ থাকিল। স্কুলৰ পৰা ৰীমা, ৰাজু আহি পোৱাৰ পিছত ৰীমাই মাকক দেখি সুধিলে "মা তোমাৰ গা বেয়া নেকি? আৰতিয়ে ক'লে গা বেয়া হ'লেনো কি কৰিবি? মই এদিন পৰি থাকিলে দেখোন তহতৰ হাঁহাকাৰ লাগে? অলপ ঘৰুৱা কাম কাজো কৰিবিচোন। নহ'লে মণিহঁতৰ নিচিনা বুলি আৰতি আধাকোৱতে ৰৈ গ'ল। আৰতিৰ অজানিতেই কথাষাৰ মুখলৈ আহি গৈছিল।

ৰাজুৱে গম নাপালেও ডাঙৰ ছোৱালী ৰীমাই লগে লগে মুখতে ধৰিলে নহ'লে মণিহঁতৰ নিচিনা বুলি কি কৈছিলা মা?

আৰতিয়ে ক'লে একো নহয় দে, এতিয়া ভাত কেইটা খা আৰু নিজৰ ঠালখন পাৰিলে ধুই থবি, ৰীমাই অলপ আচৰিত মানিলে। মাকে আগে পিছে স্কুলৰ পৰা আহিলে সিহঁতক একো কৰিবলৈ নিদিয়ে জিৰণি লবলৈ কয় আৰু পঢ়াশুনাৰ সময়ত পঢ়া টেবুলত নবহিলে দুয়োটাকে বৰ বকনি দিয়ে। অৱশ্যে ৰীমাক কেতিয়াবা কাষৰ পাৰ্টত থকা তাইতকৈ এক শ্ৰেণীৰ সৰু মণিৰ উদাহৰণ দি মাকে কয় কেনেকৈ মণিয়ে ঘৰুৱা কামকাজত মাকক সহায় কৰে, ঘৰখনো পৰিপাটিকৈ থয়। ৰীমাই আকৌ তুলনা দি কথা ক'লে ভাল নাপায়। মাকৰ চাগে আজি গা বেয়া সেয়ে মণিৰ লগত তুলনা কৰিছে। ৰীমা নৱম শ্ৰেণীত পঢ়ে। পঢ়াশুনাত ভাল। ঘৰৰ কাম কাজ কৰাতকৈ গল্প কিতাপ পঢ়ি বেছি ভাল পায়। লগতে টি ভিও চাবলৈ বৰ ইচ্ছা। মাকেহে শাসনত ৰাখে। দেউতাকৰ কোনো কথাই নাই। মাকেই কথাই প্ৰতি ছোৱালী মানুহে এইবোৰ শিকিবই লাগিব বুলি ক'লে ৰীমাৰ বৰ খঙ উঠে। কাম বন জনাটো সকলোৰে প্ৰয়োজন, ৰীমাই সেইবাবে মাকৰ কামত সহায় কৰিবলৈ আগ্ৰহ অনুভৱ নকৰে। অৱশ্যে মাকে পঢ়াশুনাত গুৰুত্ব বেছি দিয়ে বাবে তাইক বৰকৈ কামকাজত নলগায়। ৰাজুয়েতো পানী এগিলাচ বাকীও নাখায়।

ভাত খোৱা হ'লত ৰীমাই নিজৰ ঠালখনৰ লগত ৰাজুৰখনো সামৰি বেচিনটোত থলে আৰু পুৰণা টাৱেলখনেৰে ভাতখোৱা মেজখন চফাকৈ মচি পানীৰে তিনিবাৰমান থুকুচি ধুলে। পানী পেলোৱাৰ শব্দত আৰতি ভিতৰৰ পৰা ওলাই আহিল আৰু ক'লে "এই ৰীমা ইমানকৈ পানী কিয় পেলাইছ? সেই কাৰণেতো তহঁতক একো কৰিব নিদিও। মোৰহে সকলোফালে বিপদ। এইফালে পানীৰ নাটনি। জমা কৰি থোৱা পানী বাল্টি শেষ কৰিলি।" ৰীমাই মাকৰ কথাৰ কোনো উত্তৰ নিদি কাপোৰখন মেলি দি এইবাৰ চাবোনেৰে হাত ধোৱাত লাগিল। ছিঃ তেল চিকতি লগা এই টাৱেলখনেৰে মাকে কেনেকৈ জানো মেজখন ইমান চফা কৰে। বহুতপৰলৈ হাততে গোন্ধটো লাগি থাকিল। "বাচন নুধুলেও হব পানী আহিলে ময়েই ধুম বুলি আৰতিয়ে ভিতৰৰ পৰাই চিঞৰাত ৰীমা যেনিবা ৰক্ষা পৰিল। ইমান কমপানীত তাই বাচন ধুব নোৱাৰে তাতে এইবোৰ কাম তাইৰ বৰ বোৰ লাগে।

আৰতিয়ে ভিতৰলৈ গৈ বিছনাখনতে বাগৰি দিলে। ৰাজু খেলিবলৈ গ'লেই। চৌহদতে তাৰ খেলৰ লগ বহুত আছে মানা কৰি লাভ নাই। ৰাজু ষষ্ঠ শ্ৰেণীত পঢ়ে যদিও একেবাৰে সৰু ল'ৰাৰ দৰে হৈ আছে। আৰতিৰ মনত আকৌ সেই কথাটোৱে খুন্দা মাৰিলে আৰু বুকুত যন্ত্ৰণা হ'ল। এৰা আৰতি নাথাকিলে এইঘৰখনৰ কি হব? আৰতিৰ গৃহস্থ দীপেন এজন চাধা চিধা মানুহ। প্ৰাইভেট কোম্পানি এটাত কাম কৰে। দৰমহাৰ পইচাৰে জোৰা মাৰিব নোৱাৰে বাবে এখন মনোহাৰী বস্তুৰ দোকানো দিছে। অফিচ ছুটীৰ পিছত তাতো কিছু পইচা ওলাই। চলি আছে আৰু । ল'ৰা ছোৱালী দুটাক মানুহ কৰিব পাৰিলে আৰু মুৰৰ ওপৰত এখন চাল কৰিব পাৰিলেই হৈ যায়। সৰু সৰু আশা। কেতিয়াবাতে লৈ থোৱা সিহঁতৰো অলপ মাটি আছে। পিছে বাট-পথ ভালকৈ হৈ উঠা নাই।

এই ঘৰটোত থকা সিহঁতৰ প্ৰায় দহবছৰেই হ'ল। চহৰৰ পৰা অলপ আওঁহতীয়া ঠাইত বাবে ভাড়া কম কিন্তু আধাফালং মান খোজ কাঢ়িলেই বাচো পোৱা যায়। তাতে ঘৰৰ মালিকজন ইয়াত নাথাকে। চৌহদত ছয়ঘৰ মানুহ থাকে। একেবাৰে কাষতে থকা মনিহত আৰু সিহত সকলোতকৈ পুৰণা মানুহ। জীৱন দাস চৰকাৰী অফিচ এটাৰ কেৰাণী। তেওঁলোকৰ দুটা ল'ৰা ছোৱালী মণিৰ তলত ভায়েক ৰিন্টু, ৰাজুতকৈ ৰিন্টু দুই তিনবছৰেই সৰু হব। সি তৃতীয় শ্ৰেণীত পঢ়ে কিন্তু দেখাত ৰাজুতকৈ ডাঙৰ যেন লাগে। লেঙলেঙীয়া ওখ হৈ গৈছে। ৰিন্টুৰ মাকে তাকলৈ বৰ চিন্তা কৰে, কাৰণ বয়স অনুপাতে ল'ৰাটো বৰ গহীন হৈ থাকে। বৰকৈ কথা বতৰা নকয়। ৰাজুহতৰ লগত খেলিবলৈ মাকেই জোৰকৈ পঠিয়াই দিয়ে। আৰতিৰ বৰ বেয়া লাগে। সেইদিনাও মণি আৰু ৰিন্টুৰ মাক চন্দনাই বেমাৰৰ সকলো ৰিপৰ্ট অহাত আৰতিৰ আগত দুখ কৰি কৈছিল যে বিপদত পৰিলে ভগবানৰ বাহিৰে কোনেও ৰক্ষা নকৰে। তেওঁকেই চিন্তা কৰি তাই অইন চিন্তা কৰিবলৈ বাদ দিছে। ল'ৰা ছোৱালী দুটাক এৰি চন্দনাই হেনো আজিলৈকে কলৈকো যোৱা নাই অথচ চন্দনাৰ ফুৰাৰ চখো আছে। অলপ টকা পইচা হাতত হলেই সাগৰ দেখুৱাবলৈ নিব বুলি মণি আৰু ৰিন্টুক মাকে কৈ থৈছিল আৰু এতিয়া গিৰিয়েক জীৱন দাসে চন্দনাৰ চিকিৎসাৰ টকাৰ বাবে অ'ত ত'ত গৈ আছে। অফিচৰ এডভান্সটো যেনিবা হ'ল। কিন্তু চন্দনাৰহে এতিয়া সংসাৰ সাগৰ এৰি ক'তো যাবলৈ মন নাই।

জীৱনদাস এনেয়ে কৰিৎ কৰ্ম্মা মানুহ, হিচাপত চলি মেলি তেওঁ নিজা মাটি কেতিয়াবাই ল'লে। সেই মাটিৰ দাম বৰ্ত্তমান কঠাত এক লাখতকৈও

বেছি হৈছে অথচ তেওঁ চাৰিকঠা মাটি মাত্ৰ দহ হাজাৰ টকাত কিনিছিল। সেই মাটিত বেৰ দি পুখুৰী খান্দিলে, খেৰৰ চালি এখন দি মানুহ এটা থৈ আশে পাশে কল. তামোল নাৰিকল লগালে। সেই তামোল নাৰিকল, নিজে খাই আনক খুৱাই বেচিব পৰা হ'ল। কিন্তু দাসে যদি ইমানদিনে সেইবোৰ নকৰি সাধাৰণ ঘৰ এটা সাজিলেহেতেন! তথাপিও আৰতিয়ে মাজে মাজে নিজৰ গৃহস্থক কেটেৰ জেঙেৰ কৰে যে লোকে বুদ্ধি থকা বাবেই একেই পৰ্য্যায়ৰ মানুহ হলেও ইমানখিনি কৰিব পাৰিছে, তেতিয়া গৃহস্থই তাইক ঠাট্টা কৰি কয় "হব দিয়া ইমান মোহ কৰাও ভাল নহয়। সকলো দুদিনীয়া। শেষ কালত মূৰ গুজিবলৈ ঘৰ এটাহে লাগে কৰিম নহয়। গৃহস্থৰ সেই কথাষাৰ যেন অমোঘ সত্যহে আছিল। চন্দনাৰ লগত খাপ খাই পৰিল। চন্দনাৰো নিজৰ ঘৰ বাৰীৰ প্ৰতি বৰ মোহ আছিল। সদায় সপোন দেখিছিল নিজৰ ঘৰ এখনৰ তামোল পাণ আৰু মাছভৰ্ৰা পুখুৰীৰ। সেয়ে দাসে আজি পুখুৰীৰ ডাঙৰ মাছ মৰাই আনিছে। চন্দনাই জানো এইবোৰ কাহানিবা উপভোগ কৰিব পাৰিব? চন্দনাই পিছে ঘৰত মাত্ৰ দুটা মাছ ৰাখি বাকী কেটা ৰিণ্টুৰ হতুৱাই গোটেই চৌহদতে বিলালে, প্ৰথমতে আৰতি চকখাই গৈছিল মাছ বিলোৱা দেখি। মাছ মানুহে আনন্দতহে বিলাই, অসমীয়া সমাজত পুত্ৰ সন্তান হ'লে মাছ বিলোৱা পৰম্পৰা আছে।

এতিয়াও ৰীমাই কেতিয়াবা আৰতিক সোধে মা মই জন্ম হওঁতে তোমালোকে মাছ বিলাইছিলা নে মানুহক? ভাগ্যে প্ৰথম সন্তান জন্মৰ আনন্দত দীপেনে সেইটো কাম কৰিবলৈ পাহৰা নাছিল। আৰতিহতক মাছ দিবলৈ মণি আহিছিল আৰু কৈছিল "আমাৰ হেনো পুখুৰীৰ মাছবোৰ পানী বেছি হৈ ওলাই গৈছে। দেউতাই সেয়ে বহুতো মাছ মৰাই আনিছে। আচল কাৰণটো কিন্তু আৰতিয়ে বুজিলে আৰু কাকো একা নকৈ সেই মাছ ৰান্ধিও দিলে। নিজে কিন্তু মুখলৈ নিনিলে। তাইৰ বুকুখন ধপধপাই উঠিল! ইস! মাইকী মানুহেইতো ঘৰখনৰ আধাৰ স্বৰূপ। সিহঁতৰ আশা মাথো নিজৰ ঘৰ সন্তানক লৈয়েই। নিজৰ কথা কেতিয়াও চিন্তা নকৰে, ল'ৰা ছোৱালী আৰু গৃহস্থক যতনেৰে ভালৰো ভাল খুৱাৰ পৰাটোয়েই যেন তৃপ্তি, এৰা, মাইকী মানুহৰ এইটো সহজাত গুণ। আৰতি, চন্দনাও একে। কেতিয়াবা সকলোকে খুৱাই বোৱাই তোলাৰ পিছত কোনোবা এজন আলহী আহিলে আৰতিয়ে নিজৰ ভাগৰ আহাৰেৰে কাম চলাই দিয়ে। নিজে হয়তো চিৰাকে দুটামান খাই লেঠা মাৰে। গৃহস্থই কোনোদিনে

তাই কি খালে মুৰ নঘমায়। চন্দনাৰ ক্ষেত্ৰতো একেই। তথাপি আৰতিহঁতৰ কোনো অভিযোগ নাই। চন্দনাৰ আকৌ ফুলৰ চখো আছে সেয়ে নিজৰ ঘৰ হ'লে ৰুবলৈ এতিয়াৰ পৰাই বিধে বিধে ফুল গোটাই থৈছে টাবত বা মাটিত। আৰতিৰ কিন্তু কিয় জানো এইবোৰ আগতীয়াকৈ কৰিবলৈ মন নাযায়। তাইৰ গৃহস্থও তেনে বাবেই কিজানি। সকলো কথাই ইমান পাতলভাৱে লয় যে ভৱিষ্যত বুলি ক'লে কোনো কথাই চিন্তা নকৰে। আজি যদি আৰতিৰ তেনে কিবা হয় দীপেনে কি কৰিব? ৰিমা ৰাজুৰ কি হব?

চন্দনাই মণিক শিকোৱাৰ নিচিনাকৈ আৰতিয়ে যে ৰীমাক কোনো কামেই শিকোৱা নাই। কামবন নাজানিলেও ছোৱালী জনীৰ দেখোন দায়িত্ববোধ টোৱেই অহা নাই। কিবা শিকাবলৈ মাতিলেই তাই দেখোন তৰ্কহে কৰে ছোৱালী বাবেই হেনো আৰতিয়ে তাইক সেইবোৰ কৰিবলৈ কয়, অথচ আৰতিয়ে দুয়োক সমানেই ভাৱে। ৰাজুতো সৰু হৈ আছে। ঘৰুৱা দায়িত্ব যদি কেতিয়াবা পৰে কি যে হব। দেখাতো স্বভাৱটো ৰীমাও তেনেই সৰু ছোৱালীজনী হৈ আছে। আজিলৈ দেউতাকক চাহ একাপ কৰি খুৱাই নাপালে। আৰতিৰেই দোষ। গেচৰ ওচৰলৈকে যাব নিদিয়ে। নিজে থাকোতেনো সিহঁতৰ কামত লগাব নে তাতকৈ পঢ়াশুনাকে কৰক বুলি আৰতিয়ে কেইবাদিনো ৰীমাক পাকঘৰৰ পৰা পঠিয়াই দিছে। এতিয়া তাইক দোষ দিও লাভ নাই। অথচ। এইকেইদিন মণিয়ে ভাতৰন্ধাৰ পৰা সকলো কৰিছে। যোৱা কালিহে জেঠায়েক এগৰাকী আহিছে, খবৰ দি দাসে অনাইছে। আজি মণিয়েও মাকৰ যে কিবা টান অসুখ হৈছে বুজিছে, মুখখন দেখিলেই বুজিব পাৰি। হাজাৰ হলেও ডাঙৰ ছোৱালী, কিন্তু মাকৰ যে এনে চমন জাৰী হৈছে এইকথা মণিয়ে হয়তো সপোনতো ভবা নাই। মণিৰ মাক চন্দনা দেখাই দৰ্পনে বেছ ভালেই। সাজি কাছি গ'লে সভাশুৱনি হয়। সেইহেন মানুহজনী আজি দহ বাৰ দিনৰ ভিতৰত শুকাই খীনাই গৈছে। অৱশ্যে আজি কেইমাহমানৰ পৰাই চন্দনাৰ এটা নহয় এটা বেমাৰ লাগি আছিল। তথাপি তেওঁ বহি নাথাকে বাবে কোনেও ধৰিব পৰা নাছিল। সেই দিনাহে চন্দনাই আৰতিক ক'লে "মোৰ জানো কি হৈছে সোফালৰ বুকুখন টান টান লাগে। গৰমত ঘামগাৰ হৈ থাকে নহয় কিবা ফোঁহা ওলাই নেকি?

আৰতিয়ে লগে লগেই কৈছিল মাইকী মানুহে নিজৰ কথাত বৰ অৱহেলা কৰে। বেমাৰ হ'লে কেতিয়াও তেনে কৰিব নালাগে। আপুনি ডাক্তৰক দেখুৱাব দেই। ব্ৰেষ্টত কিবা হ'লে বেলেগ বেমাৰো হব পাৰে, কিয় জানো আৰতিৰ

মুখৰ পৰা তেনেকৈ ওলাইছিল। অৱশ্যে বেমাৰ সম্পৰ্কে আৰতিৰ কিছুজ্ঞান আছিল কাৰণ আৰতিৰ ককায়েক ডাক্তৰ। ঘৰতে বেমাৰৰ কথা আলোচনা হয় বাবে কিছু কথা জানিছিল। কিন্তু চন্দনাক কওঁতে এবাৰলৈকে সেইটো বেমাৰৰ কথা চিন্তা কৰা নাছিল, পিছত তাইৰ কথামতেই চন্দনাই ডাক্তৰক দেখুৱালে। সকলো পৰীক্ষা কৰাৰ পিছত প্ৰথমে দাসৰ পৰা দীপেনে গম পালে, চন্দনাৰ ব্ৰেষ্টকেন্সাৰ হৈছে গ্ৰন্থিলৈ শিপাইছে গতিকে অস্ত্ৰোপচাৰ হোৱাৰ আশা নাই। অতি শীঘ্ৰে চিকিৎসাৰ বাবে লৈ যাব লাগে।

মুৰে কপালে হাত দি হুকহুকাই কান্দি উঠা দাসক দীপেনে কি বুলি সান্ত্বনা দিছিল আৰতিয়ে নাজানে কিন্তু চন্দনাৰ সন্মুখত ঠিয় হৈ সান্ত্বনা দিয়াৰ ভাষা তাই বিচাৰি পোৱা নাছিল। সেইদিনা ল'ৰা ছোৱালী স্কুলত যোৱাৰ পিছত আৰতিয়ে গৈ বিছনাত ওপৰমুৱাকৈ শুই চিলিঙলৈকে চাই থকা চন্দনাৰ কাষত বহিল। জেঠায়েক গৰাকীয়ে আহি এবাৰ ভুমুকি মাৰি চাই গ'ল। এতিয়ালৈকে ঘৰুৱা মানুহেও চন্দনাৰ টনচিল বেছি হোৱা বুলিয়ে জানে। আৰতিয়ে লাহেকৈ চন্দনাৰ হাতখন তুলি ল'লে। লগে লগে চন্দনাই উচুপি উঠিল আৰু ক'লে "এই ল'ৰা ছোৱালী দুটাৰ কি হ'ব? ইহতক কোনে চাব? আৰতিৰ চকুও সেমেকি আহিল আৰু ক'লে কিয় চিন্তা কৰিছে আপোনাৰ একো নহয় ভাল হৈ যাব। ভগবানৰ ওপৰত বিশ্বাস ৰাখক আৰু আমি আছো নহয়। চন্দনাই চকু মুখ মোহাৰি বিছনাত আওজি বহিললে। এই কেইদিনতে চন্দনা আৰু দুৰ্বল হৈ গৈছে। অথচ নজনাকৈ থাকিলে কি হ'লহেতেন? মনৰ বলতে চলি আছিল. চন্দনাই ক'লে "পৰহিলৈ টিকেট হ'ল। ইহত দুটাক খুড়াকৰ ঘৰত থৈ দিম, তাৰ পৰাই স্কুল কৰিব। মণিয়ে বুজি পাব কিন্তু ৰিন্টুৰেহে বুজা টান। এনেয়ে সি গহীন আৰু মন মাৰি থাকে। এতিয়া হঠাতে মাদ্ৰাজলৈ যাম বুলি শুনিলে কি বা হয়। ফুৰিবলৈ যাম বুলিও কব নোৱাৰো। কাৰণ সিহঁতক নিনিয়াকৈ আমি জানো ফুৰিবলৈ যাম?

আৰতিয়ে একো নকলে। মনতে ভাবিলে এৰা ল'ৰা ছোৱালীক জীৱন সংগ্ৰামত যুঁজিবলৈ মানসিক ভাৱে প্ৰস্তুত কৰাটো অতি প্ৰয়োজনীয় কথা। সিহঁতক আচলতে সকলো বিষয়তে সৰুৰে পৰা খাপ খাবলৈ শিকাব লাগে। অন্ততঃ বুজা হলে ঘৰুৱা সমস্যাৰ মুখামুখি হ'ব দিব লাগে। আৰতিয়ে ৰীমা, ৰাজুক চন্দনাৰ কথা কবলৈ সিদ্ধান্ত ল'লে। কাৰণ আৰতি আৰু দীপেনৰ বাবে সিহঁতেইতো ঘৰখনৰ ভৱিষ্যতৰ আধাৰ। কোনে জানো কৈছিল "সদায় ভাল

কথা ভাবিবা কিন্তু বেয়াৰ বাবে সাজু হৈ থাকিবা।" সেই কথাষাৰৰ সত্যতা সিহঁতক পলমকৈ হলেও শিকাব লাগিব। নহলে ওলোটাটো হব। বীমাহতে সদায় বেয়া কথা বোৰৰ, অনিশ্চিত আশঙ্কাবোৰৰ কথা ভাবিব আৰু ভালৰ বাবে, সহজলভ্য সুখৰ বাবে সাজু থাকিব। আৰতিয়ে সেইটো হবলৈ দিব নোৱাৰে।

চন্দনাৰ হাতখনত আশ্বাসৰ চাপ এটা দি হুমুনিয়াহ কাঢ়ি আৰতি কোঠাটোৰ পৰা ওলাই আহিল।

হিচাপ

বজাৰৰ পৰা অনা মোনাটো মজিয়াত ঢালি দি নমিতাই এপদ এপদকৈ পাচলিবোৰ বাচি উলিয়ালে। পাচলি মানেনো আৰু কি, কেইটামান তিতা কেৰেলা, এচিটা লাও, কেইমুঠিমান মৰিচাশাক, জিকা পাঁচোটামান আৰু সৰু আলুগুটি এক কোজমান, ডাঙৰ আলু আছেই। মাছলৈ বুলি ঘৰৰ পৰা নিয়া প্লাষ্টিকৰ পেকেটটোত সাতশ গ্ৰামমান ওজনৰ বৌ মাছ এটাও আনিছে। মাছটো বেয়া হব পাৰে বুলি নমিতাই লৰালৰিকৈ বঠিখন লৈ মাছ বছাত লাগিল।

ঘৰৰ গৃহস্থ অমৰেন্দ্ৰৰ বজাৰলৈ যাবলৈ কলেই খঙ উঠে আৰু বজাৰৰ পৰা কি কি আনিব লাগিব বুলি সুধিলে নমিতাৰ খঙ উঠে। এনেয়ে এই সময়ত পাবলৈ একো নাই আৰু খঙ উঠা কথাই। মাহটোৰ নামত অনা শুকান বজাৰেৰে মাহৰ বিশ বাইশ দিনমানহে হয়গৈ। বাকীকেইটা দিন কেনেকৈ চলে নমিতা আৰু ওপৰৰ জনেহে জানে। তেনে সময়ত যদি কোনোবা আলহী আহে নমিতাৰ

পিনেতো আধ্যাই, আলহীৰো তথৈবচ, নিজে যিয়েই নাখাওঁক আলহীকতো যেনেতেনে দিব নোৱাৰি। আজি কেইদিনমানৰ পৰা নমিতা হতৰ ঘৰত আলহী নুগুচাই হৈছে। গাঁৱৰ পৰা এজন নহয় এজন আহিয়েই আছে। কোনোবে চাকৰিৰ সন্ধানত;· কোনোৱে ইন্টাৰভিউ দিবলৈ আৰু কোনোয়ে এনেয়ে দুই এদিন ফুৰিবলৈ আহে। এওঁলোকক অৱশ্যে আলহী বুলিব নোৱাৰি ঘৰৰে মানুহ। সকলো সময়তে তাই সাধাৰণ আলহীক কৰা দি সোধপোচ কৰিবও নোৱাৰে। মাহৰ প্ৰথমত আহিলেহে সম্ভৱ হয়। আজিৰ কথা কিন্তু বেলেগ। আজি তাইৰ কোনো দিনে নহা আলহী আহিছে। সেয়েহে অসময়ত মাছ।

মাছটো বছা শেষ হ'লত নমিতাই ভালকৈ ধুই মেলি ভিতৰলৈ লৈ গ'ল। আঙুলিৰ আগটো কটা গৈছে নেকি তাই কব নোৱাৰিলে। চেঙচেঙোৱা দেখিহে তাই গম পালে। বোধকৰো মাছ ধোওঁতে হাতৰ তেজৰ লগত মাছৰ তেজ মিলি গ'ল। মাছ খিনি ভিতৰতে আকৌ এবাৰ ভালকৈ ধুই কাঁহি এখনেৰে টেবুলত ভালকৈ ঢাকি থৈ পটাগুটিটো দি তাই পাকঘৰলৈ গ'ল। পাচলিবোৰ সামৰি থোৱাৰ আগতে তাই মনতে হিচাপ কৰি চালে লাউ চিটাইদি মুৰটো ৰান্ধিব। তিতাকেৰেলা ভাজি আৰু গাটোৰ মাছেৰে ঔটেঙাৰ জোল অকণ ৰান্ধিব আৰু মৰিচা শাকখিনিও ভাজি থব। তথাপিও দাইল নাৰান্ধিলে নহব, আলহী আৰু সিহঁতৰ ঘৰৰ মানুহ লগলগাই সাতটা মানুহ হয়গৈ। মাছ এঘাৰ টুকুৰাহে হৈছে। চালানী মাছ নহয় যেনিবা। ভালকৈ ভাজি চাৰি টুকুৰ মাছ থৈ দিলে জিকাই দি থুপথুপীয়াকৈ অহাকালি যোৱাৰ সময়ত আলহীকো দিব পাৰিব। ৰাতিলৈ মাংসকে অনাব লাগিব। এনেকৈ হিচাপ নকৰিলে নমিতাৰ উপায় নাই।

অমৰেন্দ্ৰ গাঁৱৰ মানুহ। এতিয়া চহৰত চৰকাৰী অফিচ এটাৰ কেৰাণী। সিহঁতৰ ল'ৰা ছোৱালী তিনিটা। অমৰেন্দ্ৰ আৰু তাইক লৈ পাঁচজন দিনে এজনকৈ আলহী, কেতিয়াবা দুই তিনিজনো হয়, এতেকে গড় হিচাপ কৰিলে ছজন মানুহৰ সংসাৰ, দৰমহাৰ পইচাৰে জোৰা মাৰিব নোৱাৰে তথাপি নমিতাই বৰ সাৱধানেৰে ধাৰ ঋণ নকৰাকৈ ঘৰ চলাই আছে। মাহৰ শেষত ধাৰ কৰা কথাটো তাই অকণো ভাল নাপায়। প্ৰয়োজন হ'লে তাই নিজেই এসাজ খোৱা কমাই দিব কিন্তু ধাৰ কৰাৰ পক্ষপাতী নহয়। তথাপি কেতিয়াবা নমিতাৰ বৰ অসুবিধা হয়। অমৰেন্দ্ৰই অফিচৰ পৰা আহি দৈনিক বজাৰ খিনি কৰি আকৌ অফিচৰ ফাইল লৈ বহে। তাইৰ কিন্তু লৰা ছোৱালীৰ জঞ্জাল মাৰি সকলো কাম বন শেষ কৰি শোৱা পাটীত পৰাৰ লগে লগে টোপনিয়ে হেচা মাৰি

ধৰে। নমিতাই সেয়ে ৰাতি হ'লে বৰ ভাল পায়। বিছনাখনেই যেন তাইৰ আশ্ৰয় দিব পৰা একমাত্ৰ বান্ধৱ। দিনটো খাটি খুটি ঘৰ সোমোৱা অমৰেন্দ্ৰই কেতিয়াবা ফাইলৰ মাজত আৰু কেতিয়াবা ওচৰৰে বিনয় দাসহতৰ ঘৰত তাচপাতৰ মাজত নিজকে হেৰুৱাই পেলায়। আৰু তাই? দিনটো গেৰাবি খাটি শৰীৰ আৰু মনক কষ্ট দি সংসাৰখনৰ মাজত নিজকে হেৰুৱাই পেলাইছে। তাই আজিকালি ভালকৈ মুৰ আঁচুৰি কাপোৰ এসাজ পিন্ধি বহুদিন কলৈকো যোৱা নাই। অথচ এসময়ত তাই বেছ চৌখীন আছিল। সংসাৰখনৰ হিচাপ কৰোতে কৰোতে তাইৰ চুলিও পকিছে। অমৰেন্দ্ৰৰো ভালকৈয়ে পকিছে। আগতে নমিতাৰ বিছনাখনত পৰিলেই টোপনি আহিছিল অন্ততঃ ৰাতিটো তাই সাংসাৰিক হিচাপৰ পৰা মুক্তি পাইছিল। কিন্তু আজি কালি তাইৰ প্ৰায়েই টোপনি নহয়।

আজি তাইৰ ঘৰলৈ ছমাহ আগতে বিয়া হোৱা ভনীয়েক অনিতা আৰু ভনীজোঁৱাই ৰমেন আহিছে। অফিচৰ কামত মাত্ৰ এৰাতিৰ বাবে আহিবলগীয়া হোৱাত ৰমেন অকলেই অহাৰ কথা আছিল পিছে অনিতাই বায়েকৰ ঘৰলৈ অহাৰ এই সুযোগটো নেৰিলে। সাধাৰণতে নমিতাৰ ঘৰলৈ মাকৰ পিনৰ কোনো আহিবলগীয়া নাই। তাইৰ বিয়াৰ পিছতেই দেউতাকৰ মৃত্যু হৈছে। প্ৰথম বাৰ তাইৰ ঘৰলৈ যেতিয়া দেউতাক আহিছিল সেইদিনা তাইৰ কি আনন্দ লাগিছিল। কিন্তু সেয়াই শেষ। তাৰ পিছত মাকৰো বেমাৰ আৰম্ভ হয়। কলৈকো অহা-যোৱা কৰিব নোৱাৰে। তাইহে মাজে মাজে মাকৰ তালৈ গৈ খবৰ কৰি আহে। অৱশ্যে আজি ছমাহে তাই ঘৰলৈ যাব পৰা নাই। ভনীয়েকৰ বিয়াতে যি গৈছিল।

মাকৰো বেমাৰ বুলি শুনি আছে। ঘৰত ককায়েক আৰু নবৌয়েক, ল'ৰা-ছোৱালীও এহাল, সিহঁতেও মাকক এৰি আহিব নোৱাৰে আৰু তাই গলেও গোটেই মখাকে লৈ বা এৰি যাবলৈ বৰ অসুবিধা হয়। সেয়ে কেইদিনমানৰ পিছতেই যাম বুলি ভাবি আছে। ৰাতিৰ গাড়ীত অহা ভনীয়েক আৰু ৰমেন দুয়ো গাপা ধুই চাহ জলপান খাই বন্ধু এজনৰ তালৈ ওলাই গৈছে। একেলগে অফিচৰ কাম শেষ কৰিহে দুপৰীয়া আহিব।

গা ধুই বেলিটোলৈ চাই নমিতাই খৰধৰ কৰিলে। ৰাতিপুৱাই সিজাই থোৱা দানাখিনি লৈ গোহালি ঘৰলৈ গ'ল। মুৰৰ ওপৰতে মাতি থকা কাউৰীজনীক খেদি দি নমিতাই পাকঘৰত সোমাল। ঘৰতে গাই এজনী আছে। পোৱালী জাগিবৰ হোৱাত গাখীৰ কণো বন্ধ হৈছে। সৰু ছোৱালীজনীৰ নামত এই কেইদিন এপোৱা গাখীৰকে ওচৰৰে ৰন্টুহতৰ পৰা অনা হৈছে। তাৰেই চাহতো

অকণ দি আছে। ডাঙৰ দুটাৰ ৰাতিপুৱা স্কুল। ক্ৰমে দ্বিতীয় তৃতীয় মনত পৰে। সৰু ছোৱালী জনী বেছিভাগ ৰন্টুহঁতৰ ঘৰতে খেলি থাকে। ৰন্ধা বঢ়া হ'লে তাইক লৈ আহি নমিতাই গা ধুৱাই দিব।

দুপৰীয়া ডেৰমান বজাত অনিতা আৰু ৰমেন ওলালহি। ইতিমধ্যে নমিতাই ল'ৰা ছোৱালীক খুৱাই বোৱাই বিছনাত পেলাই থৈছে। দুপৰীয়াখন ঘূৰি ফুৰাটো নমিতাই পচণ্ড নকৰে। অইনদিনা অমৰেন্দ্ৰই একেবাৰে ভাত খাই অফিচলৈ যায়। আজি কিন্তু নমিতাই কোৱা বাবে মাজতে আহিছে। নমিতাই লৰালৰিকৈ তিনিজনলৈকে ভাত বাঢ়িলে, কিন্তু অনিতাই বায়েকৰ সৈতে একেলগে খাব বুলি কোৱাত তাইৰ সাজ ঢাকি থৈ পাকঘৰৰ ভিতৰফাল মচাত লাগিল। আজি নমিতাৰ সোঁ চকুটো বৰকৈ নাচি আছে. তেতিয়া কাউৰী জনীয়েও মূৰৰ ওপৰত ৰমলিয়াই আছিল। কিয় জানো তাইৰ মনটো বেয়া লাগি গ'ল।

দুয়ো বাই ভনীয়ে ভাত খাই অটাইমানে আঢ়েটামান বাজিলেই। সিটো কোঠালিত ৰমেন আৰু অমৰেন্দ্ৰই কথা পাতি আছে। নমিতাৰ বিছনাখনতে সৰু ছোৱালীজনীক ঠেলি দি তায়ো ভনীয়েকৰ ওচৰতে ঠাই উলিয়াই ললে। অনিতাহত অহাৰ পৰা ভালকৈ কথা বতৰা হবই পৰা নাই। মুখ হাত মচি নমিতাই বিছনাখনত অনিতাৰ কাষতে বাগৰিলে। অনিতাৰ গিৰিয়েকৰ চাকৰিটো ভাল। মানে বাহিৰা পইচা পাতি আছে। আৰু ঘৰতো তেনেকৈ লেঠা নাই। তাইৰ নতুন সংসাৰখনৰ খবৰ বাতৰি সুধো বুলি কিবা এটা কবলৈ লওতেই বাহিৰত কোনোবাই চাইকেলৰ বেলমৰা শুনিলে। খিৰিকিৰ ফাকেৰে চাই পিয়নটোক দেখি কিয় জানো নমিতাৰ বুকুখন চিৰিংকৈ উঠিল। অনিতাৰ গাত খোচমাৰি দি একেজাপে বিছনাৰ পৰা উঠি তাই বাহিৰৰ কোঠালি পালেহি। অনিতাৰ অলপ চকু লাগিছিল। ধৰফৰকৈ উঠি বায়েকৰ পিছে পিছে তায়ো আহিল।

অমৰেন্দ্ৰ অফিচলৈ যাবলৈ ওলাইছিল। পিয়নে দিয়া টেলিগ্ৰামখন চহী কৰি পঢ়ে মানে সকলোৱে উৎকণ্ঠাৰে অমৰেন্দ্ৰৰ মুখলৈ চাই আছে. সেইখন পঢ়ি খুলশালীয়েকলৈ আগবঢ়াই দি অমৰেন্দ্ৰই চকীখনতে বহি দিলে। অনিতা, নমিতাই মুহূৰ্ত্ততে একেলগে টেলিগ্ৰামখনত চকু ফুৰাই মাটিতে বহি পৰিল। আজিৰ পৰা দুয়ো মাউৰা হ'ল। অনিতাই হুকহুকাই কান্দিব ধৰিলে আৰু নমিতায়ো উচুপিব ধৰিলে। ৰমেনো মাটিত বহি পৰিল আৰু টেলিগ্ৰামখন পঢ়ি চালে—মাকৰ মৃত্যুৰ বাতৰি। টেলিগ্ৰামখন অনিতাৰ ককায়েকে কৰিছে।

ৰমেনে দুয়োকো সান্ত্বনা দিব ধৰিলে আৰু ক'লে কষ্ট পাই আছিল তেখেতে মুক্তি পালে। কান্দিলেতো উভতি নাহে। গতিকে আমি তাঁলৈ যোৱাৰহে ব্যৱস্থা কৰিব লাগে। বাইদেউ, আপুনি সোনকালে আজৰি হৈ লওক আমি যোৱাৰ ব্যৱস্থা কৰো। ৰমেনৰ কথা শুনি অনিতাৰ কান্দোন বেছি হ'ল। বেচেৰীয়ে বিয়াৰ পিছত থকাকৈ মাকৰ তালৈ এইবাৰহে যোৱাৰ কথা আছিল। নমিতা বহাৰ পৰা উঠিল। তাইৰ বহুতো কাম আছে।

পাকঘৰলৈ গৈ তাই চকুপানী মচি মচি কেৰাহী উলিয়াই আনিলে কাউৰীয়ে মতা, সোঁচকু নচা, আঙুলি কটা আৰু তেতিয়া ইমান যত্নেৰে ৰন্ধা মাছৰ আঞ্জাৰ কিয় অকণো সোৱাদ নাপালে তাই এতিয়াহে বুজিলে। কাইলৈ দুপৰীয়ালৈ বুলি থোৱা মাছ কেইটুকুৰ নমিতাই চুৱনিৰ ওচৰতে ৰৈ থকা কোনোদিনে তাইৰ তাতে খাবলৈ নোপোৱা মেকুৰীটোক দি দিলে। সি তাৰ অভাৱনীয় ভাগ্য দেখি নমিতাৰ চকুলৈ ভয়ে ভয়ে চাই একান্ত মনে মাছ খোৱাত লাগিল গ'ল। নমিতাই মনতে চিন্তা কৰিলে তাইৰ হাতত মাহৰ শেষত খৰচ কৰিবলগীয়া টকাৰ লগতে দুই চাৰি টকা সাঁচতীয়া টকাও এই দুদিনত খৰচ হৈ গ'ল। বৰ্তমান তাইৰ হাতত পঞ্চাশ ষাঠী টকামানহে আছে। এতিয়া বাটত যাওঁতে কিছুটকা লাগিব। ভনীয়েকৰ পৰাতো খুজিব নোৱাৰি। ধাৰকেই কৰিব লাগিব। বাচনবোৰ ধুই অটাই পাকঘৰটো মচি নমিতাই কিছু বাচন-বৰ্ত্তন শোৱা কোঠালিত থবলৈ আহিল। ইতিমধ্যে ভনীয়েক অনিতাই তাইৰ ল'ৰা ছোৱালী কেইটাক জগাই কাপোৰ কানি পিন্ধাই দিছে লগতে নিজৰ কাপোৰখিনিও সামৰি লৈছে। নমিতা কোঠালিত সোমোৱাৰ লগে লগে অনিতাই এশটকীয়া নোট চাৰিখন বায়েকৰ হাতত দিলে আৰু ক'লে সেয়ো হেনো ভাগিনীয়েকহঁতলৈ কিবা কিনিবলৈ ৰমেনে দিছিল আজি গধূলি বজাৰলৈ গ'লহেতেন, পিছে সেইটো নহল। গতিকে বায়েকক দিলে তাই যি কৰে কৰিব। নমিতাই ভাবি থকা কথাটো ইমান সহজে সমাধান হোৱাত মনে মনে ভগৱানক ধন্যবাদ দি লও নলওঁ ভাৱত টকা কেইটা চুটকেছত ভৰাই থলে। আৰু সিটো কোঠালিলৈ গৈ অকলে অকলে মুৰে কপালে হাত দি বহি থকা অমৰেন্দ্ৰৰ একেবাৰে ওচৰলৈ গৈ ভনীয়েকে নুশুনাকৈ টকাৰ বাবে চিন্তা কৰিব নালাগে বুলি কলে আৰু পাৰিলে অফিচৰ পৰা ছুটী লৈ অহাৰ কথা ক'লে।

অমৰেন্দ্ৰই ইতিমধ্যে খবৰ পঠাইছেই অফিচলৈ, টকাৰ কথা চিন্তা কৰিয়েই বহি আছিল। এতিয়া নমিতাৰ কথা শুনি আচৰিত মানিলে আৰু ভাবিলে মাইকী

মানুহৰ বিশ্বাস নাই। নাই বুলিলেও সিহঁতৰ হাতত নম্বৰী এখন থাকেই। অমৰেন্দ্ৰয়ো কতো নাপালে আগে পিছে লোৱাৰ দৰে হৰিহৰৰ গেলামালৰ দোকানখনৰ পৰা ধাৰ ললেহেতেন। মানুহে দোকানৰ পৰা মাল বাকীকে খাই কিন্তু নমিতাই কেতিয়াও বাকীত নাখায় আৰু হৰিহৰৰ দোকানৰ মাল বস্তু কিনে সেয়ে এইখিনি সুবিধা হৰিহৰৰ দেকানত অমৰেন্দ্ৰই পায়। যি নহওঁক ৰমেনে ৰিক্সা লৈ আহি পাব বুলি কৈ সিহতক সোনকালে ওলাবলৈ দিহা দিলে আৰু নিজেও দুই এপদ বস্তু সামৰাত লাগিল। ওচৰৰে ৰন্টুহতৰ মাকো খবৰ লবলৈ আহিছে। তেখেতক ঘৰটোলৈ অলপ চকু কৰিবলৈ ক'লে। পাঁচ বজাৰ শেষ বাছখন ধৰিবলৈ বুলি খৰখেদা লগালে। ইতিমধ্যে ৰমেনে দুখন ৰিক্সা লৈ আহিল। ঘৰ তলা মাৰি ওচৰৰে মানুহক মাত লগাই নমিতাহত ৰিক্সাত উঠিল। অনিতাই মাজে মাজে উচুপি আছে। তাইলৈ নমিতাৰ বৰ বেয়া লাগিল।

নমিতাই মনতে হিচাপ কৰিলে তাইৰ উভতি আহোতে কমেও পোন্ধৰ ষোল্লদিন লাগিব। তেতিয়ালৈ ইটো মাহৰ চৈধ্য তাৰিখমান হবগৈ। অমৰেন্দ্ৰ সিহঁতক থৈয়েই উভতি আহিব, আকৌ শৰাধৰ আগদিনা মানেহে যাব। তাৰমানে অহামাহত সিঁহতৰ খৰছ বেছি নাই। এটা মানুহে চলিব পৰা বস্তু আছেই। ভনীয়েকে দিয়া চাৰিশ টকাৰ পৰা তাই কিছু ঘৰত খৰছ কৰিব আৰু বাছৰ ভাড়া তায়ে যাচিব যদিও ৰমেনে নিশ্চয় নলয়। অমৰেন্দ্ৰ বৰ নিৰ্বিকাৰ হৈ থাকে। টকা খৰছ হোৱা কামত আগভাগ নলয়। নমিতাৰ বৰ লাজ লাগে।

নমিতাই নীৰৱে অহা বাবে অমৰেন্দ্ৰই লাহেকৈ সুধিলে তোমাৰ হাতত কিমান টকা আছে? আহোতে মোক পঞ্চাশ টকামান দিবাচোন। মোৰ হাততো বৰ বেছি নাই। অফিচৰ এজনৰ পৰা অনাৰ কথা ভবিছিলো পিছে সময়ো কম হ'ল আৰু তুমি হব বুলি কোৱা বাবে — অৱশ্যে দৰমহা পালেই দিব পাৰিম। ইমানপৰে নীৰৱে হিচাপ কৰি অহা নমিতাক টকাৰ কথা কোৱাত হঠাতে তাইৰ বৰ খং উঠিল আৰু ইমান পৰে ভাবিবলৈ সময় নোপোৱা মৃত মাকৰ মুখখন চকুৰ আগত ভাঁহি উঠিল। নমিতাই ৰিক্সাতেই হুকহুকাই কান্দি দিলে। দেউতাকৰ কোচতে বহি থকা সৰু ছোৱালী জনীয়েও মাকে কন্দা দেখি কান্দি উঠিল। ৰিক্সাআলাটোৱে লাহেকৈ ঘূৰি চাই জোৰেৰে ৰিক্সাখন চলাই দিলে অন্তিম অৱস্থাত মাকক দেখা নোপোৱাৰ শোকতে তেনেকৈ কন্দা বুলি ভাবি অমৰেন্দ্ৰই একো নামাতিলে, আৰু লাহেকৈ নমিতাৰ পিঠিত হাতখন থলে।